# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/ 109 | Language of work: Assamese |
| Author (s) / Editor (s): Parikhit Hajorika. | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asama Sāhitya Sabhā Patrikā | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat |
| Year: 1980 | Edition: |
| Size: 23 cms. 3+6+92+8+83+5+56+8+101 pages | Genre: Magazine |
| Volumes: 37 - 4 issues. | Condition of the original: good |
| Remarks: [illegible]. 1st vol. published in the year 1927 and has been contiung. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|

# অসম সাহিত্য সভা পত্ৰিকা

ত্ৰিংশ বছৰ	ঊনৈশ শ আশী	দ্বিতীয় সংখ্যা

সম্পাদক,

ড° পৰীক্ষিত হাজৰিকা

# অসম সাহিত্য সভা পত্ৰিকা

সপ্তত্ৰিংশ বছৰ : দ্বিতীয় সংখ্যা

সম্পাদক
ড° পৰীক্ষিত হাজৰিকা

অসম সাহিত্য সভা পত্ৰিকা
সপ্তত্ৰিংশ বছৰ
দ্বিতীয় সংখ্যা
জুন, জুলাই, আগষ্ট, ১৯৮০

সম্পাদক :
ড° পৰীক্ষিত হাজৰিকা,
বেজ ক্ৰছ ৰোড,
ডিব্ৰুগড়।

প্ৰকাশক :
শ্ৰীনগেন শইকীয়া,
প্ৰধান সম্পাদক, অসম সাহিত্য সভা,
চন্দ্ৰকান্ত সন্দিকৈ ভৱন,
যোৰহাট - ১

মূল্য :
তিনি টকা।

ছপাশাল :
পেপাৰ প্ৰিণ্টিং প্ৰেছ,
ডিব্ৰুগড়।

# অসম সাহিত্য সভা পত্ৰিকা

সপ্তত্ৰিংশ বছৰ : দ্বিতীয় সংখ্যা

এই সংখ্যাত আছে :

সম্পাদকীয় ॥ ক ॥

পূব ভাৰতৰ তিব্বতো-বৰ্মী ভাষা আৰু তাৰ অধ্যয়ন ॥ ড° সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী ॥ ১ ॥ কথা-ভক্তি-ৰত্নাকৰ : গোপালচৰণ দ্বিজ ॥ শ্ৰীনবীন চন্দ্ৰ গোস্বামী ॥ ৭ ॥ অসমৰ জনজাতিসকলৰ ডেকাচাং অনুষ্ঠান ॥ শ্ৰীলোকেশ্বৰ গগৈ ॥ ১৪ ॥ কালিকা পুৰাণৰ দেৱী দিক্কৰবাসিনীৰ অঞ্চল ॥ ড° সৰ্বেশ্বৰ ৰাজগুৰু ॥ ২০ ॥ ৰামচৰিত মানসৰ অসমীয়া অনুবাদক শ্ৰীকান্ত সূৰ্যবিপ্ৰ ॥ শ্ৰীমতী কেশদা মহন্ত ॥ ২৭ ॥ জ্ঞানদাভিৰাম বৰুৱা আৰু তেওঁৰ সময় ॥ শ্ৰীনন্দ তালুকদাৰ ॥ ৩৩ ॥ বাগ্মীবৰ নীলমণি ফুকন। শ্ৰীশৰৎকুমাৰ দত্ত ॥ ৩৭ ॥ পুথি-পৰিচয় ॥ ৪১ ॥ শ্ৰীসুনীলকুমাৰ বৰঠাকুৰ : শ্ৰীপ্ৰহ্লাদকুমাৰ বৰুৱা : শ্ৰীমদনচন্দ্ৰ ডেকা : শ্ৰীমতী নমিতা দাস : ড° হোমেশ্বৰ গোস্বামী : শ্ৰীপ্ৰফুল্লচন্দ্ৰ ভট্টাচাৰ্য ॥ প্ৰাপ্তি-স্বীকাৰ ॥ ৪৭ ॥ অসম সাহিত্য সভাৰ ভিতৰ চ'ৰা ॥ ৪৯ ॥ সাম্প্ৰতিক গণ-আন্দোলনৰ ঘটনা-পঞ্জী ॥ ৭৯ ॥

# অসম সাহিত্য সভা পত্ৰিকাৰ

## নিয়মাৱলী

১। 'অসম সাহিত্য সভা পত্ৰিকা' অসম সাহিত্য সভাৰ মুখপত্ৰ।

২। এই পত্ৰিকাত ভাষা-সংস্কৃতি বিষয়ক মৌলিক, চিন্তামূলক আৰু গৱেষণামূলক প্ৰবন্ধাদিয়ে যাইকৈ ঠাই পাব।

৩। পত্ৰিকা প্ৰতি তিনিমাহৰ মূৰে মূৰে প্ৰকাশিত হ'ব।

৪। পত্ৰিকালৈ পঠোৱা প্ৰবন্ধ-পাতি 'ড° পৰীক্ষিত হাজৰিকা, বেড ক্ৰছ ৰোড, ডিব্ৰুগড়'— এই ঠিকনাত পঠাব লাগিব। সমালোচনাৰ বাবে পঠোৱা একেবিধ গ্ৰন্থৰ দুখনকৈ পঠালেহে সমালোচনা কৰাৰ সুবিধা হয়।

৫। পত্ৰিকাৰ বৰঙনি, বিতৰণ সম্পৰ্কীয় চিঠি-পত্ৰাদি 'প্ৰধান সম্পাদক, অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-১' —এই ঠিকনাত পঠাব লাগিব।

৬। প্ৰতি সংখ্যা পত্ৰিকাৰ মূল্য তিনি টকা আৰু বছৰেকীয়া বৰঙনি বাৰ টকা।

৭। বছৰেকীয়া গ্ৰাহকসকলে বছৰৰ প্ৰথম সংখ্যাৰ পৰা পত্ৰিকা পাব।

৮। অসম সাহিত্য সভাৰ শাখাসভাসমূহে এখনকৈ পত্ৰিকা আধা বেচত পাব।

৯। দহখনতকৈ বেছি পত্ৰিকা নিওঁতাই শতকৰা পঁচিশ টকা কমিছন পাব।

১০। ডাকযোগে এজেণ্ট বা গ্ৰাহকে নিব খুজিলে পত্ৰিকাৰ মূল্য মণিঅৰ্ডাৰ কৰি আগতে পঠাব লাগিব।

### পত্ৰিকা সম্পাদনা সমিতি :

১। শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, সভাপতি, অসম সাহিত্য সভা

২। শ্ৰীনগেন শইকীয়া, প্ৰধান সম্পাদক, অসম সাহিত্য সভা

৩। ড° সত্যেন্দ্ৰনাৰায়ণ গোস্বামী, সদস্য

৪। শ্ৰীপ্ৰফুল্লচন্দ্ৰ ভট্টাচাৰ্য, সদস্য

৫। শ্ৰীডিম্বেশ্বৰ চলিহা, সদস্য

৬। শ্ৰীখগেন্দ্ৰনাথ চেতিয়াফুকন, সদস্য

৭। ড° পৰীক্ষিত হাজৰিকা, সম্পাদক।

## সম্পাদকীয়

### জন্ম-শতবাৰ্ষিকীৰ শ্ৰদ্ধাঞ্জলি

অসম সাহিত্য সভা আৰু অসমৰ সাহিত্য-প্ৰেমী ৰাইজে ১৯১৭ চনৰ পৰা বৰ্তমান সময়লৈকে একো একোজন বিশিষ্ট সাহিত্যিকক প্ৰতি বছৰে এই বৃহৎ জাতীয় অনুষ্ঠানটোৰ বছৰেকীয়া অধিৱেশনত সভাপতিৰ আসনত বহুৱাই সন্মান প্ৰদৰ্শন কৰি আহিছে। এই সন্মান অকৃত্ৰিম, নিৰ্ভেজাল আৰু আন্তৰিকতাপূৰ্ণ; ইয়াত নিহিত আছে অসম আৰু অসমীয়া জাতিৰ সংহতি, প্ৰগতি আৰু উদাৰ আদৰ্শ। কথাই-কামে, চিন্তাই-চৰ্চাই আৰু মনে-প্ৰাণে অসম মাতৃক ভাৰতবৰ্ষ তথা বিশ্বত বন্দিত কৰিব পৰা গৌৰৱমণ্ডিত সাহিত্যিকজনেই সভাপতিৰ শ্ৰেষ্ঠ আসনখন পুৰাই আহিছে।

সুৰাগী সৎপুৰুষ জ্ঞানদাভিৰাম বৰুৱা আৰু বাগ্মীবৰ নীলমণি ফুকন সেই বৰেণ্য সভাপতি সকলৰ ভিতৰত দুজন বিশিষ্ট ব্যক্তি। দুয়োজনৰে অন্তৰ অতি সৰল আৰু উদাৰ। এনে শিষ্টাচাৰী, নিয়মানুবৰ্তী আৰু চৰিত্ৰবান পুৰুষ দেশৰ গৌৰৱ স্বৰূপ। এই বেলি অসম সাহিত্য সভা আৰু অসমৰ ৰাইজে জাতীয় সংকটৰ মাজেৰেও এই দুগৰাকী মহান সাহিত্যিকৰ জন্ম-শতবাৰ্ষিকী পালন কৰি গুণৰ মহত্বকে প্ৰতীয়মান কৰিছে।

জ্ঞানদাভিৰাম বৰুৱা প্ৰাচ্য আৰু পাশ্চাত্যৰ ভাৱধাৰাৰ সমন্বয়ৰ সেতু স্বৰূপ। পাশ্চাত্যৰ শিষ্টাচাৰ, পৰিপাটি, চাল-চলন, খোৱা-লোৱা আদি আৰু প্ৰাচ্যৰ সংযম, ধৈৰ্য, সহনশীলতা, উদাৰতা আৰু দাৰ্শনিক চিন্তা আদিৰ সমন্বয় ঘটিছিল জ্ঞানদাভিৰাম বৰুৱাৰ দেহ-মনত। সুদীৰ্ঘ চৈধ্য বছৰ কাল লণ্ডনত থাকি উচ্চশিক্ষা লৈ আন বহুত ভাৰতীয়ৰ নিচিনা তেওঁ চাহাব হৈ নগ'ল, বৰঞ্চ ভাৰতত থাকি তেওঁ প্ৰাচ্য আদৰ্শত মহিমোজ্জ্বল হৈ উঠিল। সেইয়া তেওঁৰ স্বদেশ-প্ৰেম আৰু মহান ব্যক্তিত্বৰ পৰিচায়ক।

জে. বৰুৱা আছিল এগৰাকী যোগ্য সাহিত্যিক পিতৃৰ সুযোগ্য সাহিত্যিক পুত্ৰ। সংখ্যাৰ ফালৰ পৰা সাহিত্যিক বৰঙনি তেওঁৰ বেছি নাছিল; কিন্তু গুণৰ ফালৰ পৰা তেওঁৰ কম সংখ্যক সাহিত্যৰাজি স্বকীয় গুণত আজিও উজ্জ্বল হৈ আছে।

জ্ঞানদাভিৰাম বৰুৱাৰ প্ৰকাশিত পুথি হ'ল — (১) লেনিনৰ সাউদ (১৯১২), (২) Folk Tales of Assam (১৯১৫), (৩) পঞ্চৰত্ন (১৯১৯), (৪) দদাইৰ পজা (১৯৩০), আৰু (৫) বিলাতৰ চিঠি (১৯৩৯)। তদুপৰি অসম সাহিত্য সভাৰ চতুৰ্দশ অধিৱেশনৰ সভাপতিৰ অভিভাষণ, নগাওঁ অধিৱেশনৰ (১৯২৫ চনৰ) অভ্যৰ্থনা সমিতিৰ সভাপতিৰ অভিভাষণ, অসম মহিলা সমিতি, অসম কৈৱৰ্ত সন্মিলনী, জয়মতী উৎসৱ, বিহু-উৎসৱ আদি বিবিধ অনুষ্ঠানত আগ বঢ়োৱা অভিভাষণ সমূহ একো একোখনি মূল্যবান পুস্তিকা। এইবোৰৰ বাহিৰেও তেওঁ অসংখ্য প্ৰবন্ধ-আলোচনা আদি লিখিছিল, আৰু সেইবোৰ বাঁহী, মিলন, আৱাহন, আসাম হিতৈষী সাদনা, তৰুণ অসম, অৰুণ, কুশল, অসম সাহিত্য সভা পত্ৰিকা, বাতৰি, বৰদৈচিলা, ৰামধেনু প্ৰভৃতি আলোচনী কাকতত প্ৰকাশ পাইছিল।

আপাতদৃষ্টিত জ্ঞানদাভিৰামৰ ৰচনাৱলীৰ সংখ্যা তাকৰ। কিন্তু এইবোৰৰ অন্তৰালত থকা মানুহজনৰ গুণ বহুত বেছি। বিশেষকৈ তেওঁৰ স্বদেশপ্ৰেমৰ মহত্বই সেইবোৰ জিলিকাই ৰাখিছে। অসমক তেওঁ প্ৰাণভৰি ভাল পাইছিল আৰু গভীৰভাৱে শ্ৰদ্ধা কৰিছিল। অসমৰ উন্নতি দেখিলে তেওঁৰ হিয়া আনন্দত নাচি উঠিছিল আৰু অৱনতি দেখিলে বেজাৰত মৰহি গৈছিল। অসম সাহিত্য সভাৰ চতুৰ্দশ অধিবেশনৰ সভাপতি হিচাপে আগ বঢ়োৱা তেওঁৰ অভিভাষণখনিয়েই তাৰ জ্বলন্ত প্ৰমাণ। পূৰ্বৰ অসমক লৈ তেওঁ গৌৰববোধ কৰিছিল; কিন্তু ১৯৩৩ চনৰ আধুনিক অসমৰ সংকুচিত মানচিত্ৰলৈ চাই তেওঁ বৰ আক্ষেপ কৰিছিল। আজি অসমীয়া জাতিৰ যি জাগৰণ হৈছে, অসমৰ অস্তিত্ব-ৰক্ষাৰ কাৰণে যি দৰে সংগ্ৰাম চলিছে, সেই জাতীয় জাগৰণ আৰু সংগ্ৰামী-চেতনা ৰকভাৰ অভিভাষণতে স্পষ্ট হৈ দেখা দিছিল। তেওঁ আমৰ আগত নিজকে 'অসমীয়া' বুলি পৰিচয় দি গৌৰৱ বোধ কৰিছিল। অসমৰ অস্তিত্ব-ৰক্ষাৰ চিন্তা কৰিয়ে সম্ভৱ তেওঁ কৈছিল— 'অসমত অসমীয়াৰ প্ৰাধান্য হব লাগে; বঙ্গদেশত বঙালী আৰু বঙালীৰ প্ৰাধান্য হব লাগে, উড়িষ্যাত উড়িয়াৰ হব লাগে; ভাষাৰো, মানুহৰো। মই সকলো ঠাইতে আন আন কথাৰ মাজত এটি কথাকে বিশেষভাৱে আঙুলিয়াওঁ। সেইটি হৈছে এই, আমি অতীতৰ কথাকে ভাবি যেন বহি নাথাকোঁ। অতীতৰ আদৰ্শেৰে যেন বৰ্তমানৰ অৱস্থা চাই ভৱিষ্যত গঠন কৰিবলৈ চেষ্টা কৰোঁ।' অসম সাহিত্য সভাৰ আঙুলিয়াই তেওঁ কৈছিল — 'সাহিত্য সভাৰ প্ৰথম কাম হৈছে গুৱালপাৰা-ধুবুৰীৰ ফালে চকু দি গুৱালপাৰা-ধুবুৰীক সম্পূৰ্ণৰূপে অসমীয়া কৰা।' অসমীয়া জাতি জীয়াই থাকিবলৈ হলে যে স্বাৱলম্বী আৰু আত্মনিৰ্ভৰশীল হব লাগিব সেই কথা তেওঁ দঢ়াই দঢ়াই কৈছিল। 'আমাৰ ব্যৱসায়-বাণিজ্য নিজৰ হাতত নাই। আজি কালি, আজি কালি কিয় বহুত বহুত বহুত আগৰ দিনৰ পৰাই যি কোনো জাতিয়েই জগতত ডাঙৰ হৈছে, ব্যৱসায়-বাণিজ্যৰ দ্বাৰাই হৈছে।' কিন্তু এলাহ, কৰ্মবিমুখিতা আৰু উদ্যোগহীনতাই অসমীয়া জাতিক পিছপৰা কৰি ৰাখিছে। বিদেশীয়ে আমাৰ ৰাজ্যত উন্নতি কৰা দেখি আমি সিবিলাকক দোষ দিওঁ। 'কিন্তু বিদেশীক কিয় দোষ দিওঁ? আমিও মানুহ, তেওঁলোকো মানুহ। তেওঁলোকে যি কাম কৰিব পাৰে, আমিও কৰিব পাৰোঁ। তাকে আমি নকৰো কিয়? কথা হৈছে এই আমাক আত্মনিৰ্ভৰশীলতা লাগে।'

জ্ঞানদাভিৰামে অসমত বিভিন্ন ধৰ্মাৱলম্বী লোকৰ মাজত ঐক্য ৰক্ষাই ৰখাৰ ওপৰতো গুৰুত্ব দিছিল। তেওঁ কৈছিল যে 'হিন্দু-মহম্মদীয়, মহম্মদীয়-হিন্দু — এই ভিন ভাব অসমত নাই। আমি আমাৰ ভাৰতৰ আন ঠাইতকৈ এই বিষয়ত ভগৱানৰ ইচ্ছাত বহুত আগত আছোঁ। আমি ইছলাম ধৰ্মৰ কিতাপ পঢ়িব লাগে, ইছলাম ধৰ্মাৱলম্বীসকলে হিন্দুধৰ্মৰ কিতাপ পঢ়িব লাগে। এই দুয়ো ধৰ্ম উদাৰ ধৰ্ম।'

অসমীয়া সাহিত্যৰ ভেতিয়াৰ অৱস্থা, ইয়াৰ উন্নতি আৰু উৎকৰ্ষ সাধনৰ উপায় সম্পৰ্কেও তেওঁ ভালেমান উপদেশ দি গৈছে। মুঠতে তেওঁৰ অভিভাষণখনি গঠনমূলক আত্মসমালোচনাৰ এখন আদৰ্শ পুথিকা। তেওঁৰ দূৰদৰ্শিতাসম্পন্ন উপদেশ সমূহে আজিৰ সংগ্ৰামী অসমীয়াক প্ৰভূত প্ৰেৰণা যোগাইছে।

জ্ঞানদাভিৰামৰ অন্যান্য ৰচনাৱলীতো প্ৰত্যক্ষ বা পৰোক্ষভাৱে স্বদেশ প্ৰেমৰ উচ্চৰ প্ৰকাশ পাইছে। আনহাতে তেওঁৰ সততা, উদাৰতা আৰু গভীৰ মানৱতাবোধে স্বকীয় ব্যক্তিত্বক মহীয়ান কৰি তুলিছে। তেওঁ অসমৰ গৌৰৱ স্বৰূপ।

* * *



এই বছৰৰ জন্ম-শতবাৰ্ষিকীৰ অন্যতম আধাৰ-পুৰুষ হ'ল বাগ্মীবৰ নীলমণি ফুকন। জ্ঞানদাভিৰাম বৰুৱাতকৈ ফুকন ডাঙৰীয়া এমাহ সাতাইশ দিনে ডাঙৰ। ফুকন ডাঙৰীয়াৰ জন্ম-দিন ১৮৮০ চনৰ ২২ জুন, আৰু বৰুৱা ডাঙৰীয়াৰ জন্ম-তাৰিখ ১৮৮০ চনৰ ১৯ আগষ্ট। বছৰৰ হিচাপত ফুকন ডাঙৰীয়া জীয়াই আছিল ৯৮ বছৰ, আৰু বৰুৱা ডাঙৰীয়া ৭৫ বছৰ। দুয়োজনেই অসমৰ আদৰ্শ পুৰুষ।

বাগ্মীবৰ নীলমণি ফুকনৰ পূৰ্বপুৰুষৰ এক ৰজা দিনীয়া ঐতিহ্য আছে। গৌড় দেশৰ পাঠান সেনাপতি তুৰ্বকে ১৫৩২ চনত অসম আক্ৰমণ কৰোঁতে তেওঁৰ লগত কনৌজৰ এজন ক্ষত্ৰিয় সেনাপতি গৌৰধ্বজ সিংহ আহিছিল। তুৰ্বক ৰণত পৰাত গৌৰধ্বজে আহোম-স্বৰ্গদেউ স্বৰ্গনাৰায়ণ আৰু গৌৰৰ নবাবৰ মাজত সন্ধি পাতে। ৰজাই সন্তুষ্ট হৈ গৌৰধ্বজক অসমতে ৰাখে। এওঁৰ মাজু পুত্ৰ হৰিচৰণৰ ফৈদত হলিৰাম বৰকাকতিৰ জন্ম হয়; এওঁৰ পুত্ৰ ঘনশ্যামে স্বৰ্গদেউৰ অনুগ্ৰহত 'খাৰঘৰীয়া ফুকন'ৰ বাব পায়। ঘনশ্যামৰ কনিষ্ঠ পুত্ৰ লম্বোদৰ ফুকনৰ ঔৰসত আৰু চন্দ্ৰাৱলী দেৱীৰ গৰ্ভত নীলমণি ফুকনৰ জন্ম হয়।

প্ৰাচীন বংশগত ঐতিহ্য, জন্ম-যুগৰ প্ৰভাৱ আৰু দুজন-কালৰ পৰিৱেশে নীলমণি ফুকনক এক বিশিষ্ট মানসিকতাৰে গঢ়ি তুলিলে। সেয়েহে অসমীয়া জাতিয়ে একেজন মানুহতেই পালে এজন লেখক সাহিত্যিক, বিশিষ্ট শিক্ষাবিদ, আদৰ্শ সমাজ-সেৱী, নিৰ্ভীক ৰাজনীতিজ্ঞ পুৰুষ আৰু সচেতন অসম প্ৰেমিক। তেওঁৰ মনৰ দৃঢ়তা, সংযম, ধৈৰ্য, ত্যাগ, কৰ্মোদ্যম, উদাৰতা আৰু মানৱতাবোধ বিশেষভাৱে উল্লেখযোগ্য। বহু গুণৰ অধিকাৰী সুদৰ্শন পুৰুষ নীলমণি ফুকন অসম মাতৃৰ গৌৰৱময় সন্তান আছিল। নিৰৱচ্ছিন্নভাৱে ওজস্বী বক্তৃতা দিব পৰা গুণৰ কাৰণে ৰাইজে তেওঁক আখ্যা দিছিল 'বাগ্মীবৰ' বুলি, আৰু বয়সত আটাইতকৈ আগ বঢ়া কাৰণে তেওঁক সম্বোধন কৰিছিল 'ককা' বুলি।

বহু গুণৰ অধিকাৰী হলেও অসম সাহিত্য সভা আৰু অসমৰ ৰাইজে তেওঁৰ জন্ম-শত বাৰ্ষিকী পালন কৰিছে সাহিত্যিক ৰত্নগুণিৰ কাৰণেহে। বিশেষকৈ তেওঁ অসম সাহিত্য সভাৰ উনবিংশ আৰু বিংশ অধিবেশনৰ সভাপতি আছিল। তেওঁৰ ৰচনাৱলী হ'ল এইবোৰ — [ক] কবিতা — ১। জ্যোতিকণা (১৯৩৮), ২। মানসী (১৯৪২), ৩। গুটিমালী (১৯৫০), ৪। ঝিৰিৰি (১৯৫১), ৫। শঙ্খানী (১৯৫২), ৬। অমিত্ৰা (১৯৫২), ৭। শতধাৰা (১৯৬২), ৮। মৰ্মবাণী (১৯৬৩), ৯। মৰা ডালত কুঁহিপাত (১৯৬৩), ১০। তৰুণ অসম (১৯৬৫), ১১। আহুতি (১৯৬৬), ১২। মানস-প্ৰতিমা (১৯৭১), ১৩। তুমিনো মোহোৱা কি? (১৯৭৩), আৰু ১৪। পুষ্পিত ধৰণী (১৯৭৫)। [খ] গদ্য— ১। সাহিত্য কলা (১৯৪০), ২। জ্ঞানতীৰ্থ (১৯৪১), ৩। চিন্তামণি (১৯৪২), ৪। মহাপুৰুষীয়া ধৰ্ম (১৯৩২), ৫। জগতগুৰু শ্ৰীমন্ত শঙ্কৰৰ ভক্তিমাৰ্গ দৰ্শন (১৯৫৩), ৬। কীৰ্তনৰ লৱজু (১৯৭৩), ৭। ৰাজৰ্ষিৰ বিভূতি (১৯৭৭), ৮। অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণ (১৯৪৪), ৯। অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণ (১৯৪৭), ১০। তিনিচুকীয়াত অনুষ্ঠিত নিৰ্যাতিত কৰ্মী সন্মিলনীত আগ বঢ়োৱা 'কংগ্ৰেছ কৰ্মী ক্লান্ত কিয়?' (১৯৩২; এইখন হিন্দীলৈও অনুবাদ হৈছিল)। ১১। মোৰ জীৱন-স্মৃতি (কিয়দংশ প্ৰকাশিত)। [গ] ইংৰাজী পুস্তিকা—১। Faderated Government of Hills and Plains, ২। Assam : Her People, Language and Problems, ৩। Aetiology of Hills Movement, ৪। Hills and Plains Defence

Oriented ৫। Assam's Plain and Hills— Bulwork of India, ৬। Independence Day, ইত্যাদি ফুকন ককাৰ ৰচিত আৰু কেবাখনিও পুস্তিকা আছে। সৰু-ডাঙৰ সভা-সমিতিত সভাপতি হিচাপে তেওঁ দিয়া ছপা অভিভাষণৰ সংখ্যা বহুত। [ঘ] সম্পাদনা — ১। আলোচনী (ডিব্ৰুগড়ৰ পৰা ওলোৱা মাহেকীয়া কাকত), ২। বাতৰি (সাপ্তাহিক আৰু দৈনিক), ৩। ন-জোন (মাহেকীয়া), ৪। পীচ সমাজ (তিনি মহীয়া ইংৰাজী পত্ৰিকা)। এইবোৰৰ উপৰিও ককাৰ জীৱিত কালত প্ৰচলিত প্ৰায় অসমীয়া আলোচনী আৰু বাতৰিত ককাৰ কবিতা আৰু প্ৰবন্ধ প্ৰকাশ হৈছিল। মাজে মাজে ককাই গ লিখিছিল। এখন উপন্যাস আৰু এখন নাটক যুগুত কৰাৰ কথাও আমি গম পাওঁ। *

বাগ্মীবৰৰ সাহিত্য-কৰ্মৰ বিষয় আৰু চিন্তা-চৰ্চাৰ পৰিধি ইমান ব্যাপক যে আমি বহুতো বৰেণ্য সাহিত্যি বা চিন্তা-নায়কক একোটা নিৰ্দিষ্ট সূত্ৰৰ জৰীয়তে অন্ততঃ বিশ্লেষণ কৰিব পৰাৰ দৰে এওঁক বিশ্লেষণ কৰিব টান; কাৰণ এওঁ কোনো নিৰ্দিষ্ট বিষয়ৰ প্ৰতি একান্ত অনুৰক্ত ব্যক্তি নাছিল। সময়ৰ তাগিদা, দে দিয়া সমস্যা আৰু তাৰ আশু সমাধানৰ গুৰুত্ব বুজি তেওঁ কলম ধৰিছিল। গতিকে তেওঁৰ লিখনিত অসমী সামাজিক জীৱনৰ বিভিন্ন সমস্যা, ভাৰতীয় সংহতি আৰু মানৱ-সমাজৰ ঐক্য সম্পৰ্কে নানা চিন্তা-চি ফুটি উঠিছে। এই প্ৰসঙ্গত তেওঁৰ বাতৰিৰ বিভূতি, সভাপতিৰ অভিভাষণ চুম্বন আৰু চিন্তা-মণি গ্ৰন্থ আঙুলিয়াব পাৰি। ইংৰাজী পুস্তিকা কেইখনিত খাইকৈ অসমৰ জাতীয় সমস্যা আৰু তাৰ সমাধানৰ নিৰ্দেশন কৰা হৈছে। জ্যোতিকণা, মানসী, সন্ধানী আৰু মৰ্মবাণী নামৰ কবিতা-পুথি কেইখনিত ক আধ্যাত্মিক চিন্তাৰ জেউতি চৰিছে। কিন্তু সেই আধ্যাত্মিক চিন্তাও সংসাৰ-বিৰাগী কোনো এক ধৰ্মচ দাৰ্শনিক তত্ত্বৰ ভাষ্য নহয়; কৰ্ম-নিষ্ঠা আৰু মানৱ সমাজ-প্ৰীতি তাত বিৰাজমান।

তেওঁ এখন মানৱ সমাজ আৰু একেটা মানৱ ধৰ্মত বিশ্বাসী। তেওঁৰ জীৱন-জোৰা মতাদৰ্শ হ'ল — প্ৰকৃত সেৱা-ধৰ্ম। এনে এজন মহৎ মনৰ পুৰুষ বাগ্মীবৰ নীলমণি ফুকন অসম বা ভাৰত কিয় বিশ্বৰ লোক-তিলক। তেওঁ বাহিৰে-ভিতৰে মহান ব্যক্তিত্বৰ অধিকাৰী এজন আদৰ্শ পুৰুষ। ককা আমা চিৰ নমস্য।

ফুকন ককাই অসমৰ সামগ্ৰিক উন্নতিৰ কাৰণে আৰু অসম বাজ্যৰ ভাবমূৰ্তি বাহিৰত উজ্জ্বল কৰাৰ কাৰণে কামে-কাজে আৰু কাগজে-কলমে যিমানখিনি বৰঙণি দি গৈছে তাৰ ঋণ জন্ম-শতবাৰ্ষিকী উৎসৱ পা কৰি শুজিব নোৱাৰি। কিন্তু তেওঁ দেখুৱাই দি যোৱা সাহসত বলীয়ান হৈ, কৰি থৈ যোৱা কাম ব্ৰতী হৈ, ৰাখি থৈ যোৱা আদৰ্শত অনুৰক্ত হৈ যদি প্ৰতিজন অসমীয়াই আগ বাঢ়ে তেন্তে ভাৰত জ বিশ্বত অসমৰ যশস্যা বহুগুণে বাঢ়িব, তেতিয়াহে তেওঁৰ ঋণ কিছু পৰিমাণে শুজা হব। ইয়াৰ কাৰণে ফুকন ককাক বিভিন্ন ব্যৱস্থাৰে বিস্তৃত বিশ্লেষণেৰে জনসাধাৰণৰ ওচৰ চপাই দিয়া উচিত।

* এই লিখকে ১৯৬৮ চনত ইংৰাজীত ককাৰ এখনি চমু জীৱনী লিখিছিল; সেই পুথিৰ পাতনি লিখিছিল ডিব্ৰু বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক ড' শ্ৰীকৃষ্ণ প্ৰসাদে। উক্ত জীৱনী-গ্ৰন্থ প্ৰনয়ণৰ সন্দৰ্ভত ককাৰ বহু দলী চোৱাৰ আৰু কিছু তথ্য-সম্বল জনাৰ সৌভাগ্য ঘটিছিল। এই লিখকলৈ লিখা ককাৰ আবেমান চিঠিত তেওঁৰ দৃঢ়, নিৰপেক্ষ, উদাৰ আৰু আৱেগপূৰ্ণ মনটি জিলিকি আছে।

## পূব ভাৰতৰ তিব্বতো-বৰ্মী ভাষা আৰু তাৰ অধ্যয়ন

ড' সত্যেন্দ্ৰনাৰায়ণ গোস্বামী

ভাৰত উপ-মহাদেশৰ পূব প্ৰান্তত প্ৰচলিত তিব্বতো-বৰ্মী বা ভোট-বৰ্মী (Tibeto-Burman) শাখাৰ ভাষাসমূহ যৰাচলতে ভাষাৰ বংশ বিচাৰত বিশ্বৰ অন্যতম বৃহৎ ভাষা পৰিয়াল ভোট চীনীয় পৰিয়ালৰ অন্তৰ্ভুক্ত। এই ভাষা পৰিয়ালৰ ভাষা-ৰাজি খাইকৈ দুটা ভাগত বিভক্ত: (ক) তিব্বতো-বৰ্মী বা ভোট-বৰ্মী আৰু (খ) চীনীয় শ্যাম (Siamese-Chinese)। ইয়াৰে পিছৰ শাখাটোৰ অন্তৰ্ভুক্ত ভাষাসমূহবো ভাষাগত চাৰিত্ৰিক বিশেষত্বৰ পিনৰ পৰা চালে দুটা ভাগ নিৰ্দেশিত হয়— (ক) চীনা বা চীনীয় (Chinese) আৰু (খ) টাই বা থাই (Tai or Thai)। জনসংখ্যাৰ পিনৰ পৰা এইটো পৃথিৱীৰ দ্বিতীয় বৃহত্তম ভাষা পৰিয়াল। ইণ্ডো-ইউৰোপীয় ভাষা-পৰিয়ালৰ পিছতেই স্থান পোৱা এই ভাষা-পৰিয়াল অধ্যুষিত অঞ্চলটো হ'ল পূব আৰু দক্ষিণ-পূব এচিয়াৰ এক সুবিস্তীৰ্ণ ভূভাগ। ইয়াৰ অন্তৰ্ভুক্ত চীনীয় ভাষা পৃথিৱীৰ সৰ্ববৃহৎ ভাষাই নহয় ইয়াৰ প্ৰাচীনতম নিদৰ্শনো দুহাজাৰ খ্ৰীষ্টপূৰ্বাব্দৰ পৰাই পোৱা যায়। এই পৰিয়ালৰ ভাষাৰ প্ৰধান বিশেষত্ব হ'ল— সুৰৰ (Tones) প্ৰাধান্য। কম বেছি পৰিমাণে পৰিয়ালৰ অন্তৰ্গত সকলো ভাষাৰে সুৰ থকাটো এইটো ভাষা পৰিয়ালৰ এটা অতি মন কৰিব লগীয়া কথা। এই পৰিয়ালৰ তিব্বতো-বৰ্মী বা ভোট-চীন শাখাৰ অন্তৰ্ভুক্ত প্ৰায়খিনি ভাষাই উত্তৰ ভাৰতৰ হিমালয়ৰ পাৰদেশ আৰু ভাৰতৰ পূৰ্বাঞ্চলত প্ৰচলিত। আনহাতে চীনীয় শ্যাম শাখাৰ ভাষাসমূহ খাইকৈ চীন-ব্ৰহ্মদেশ-শ্যাম-থাইলেণ্ড আদিত প্ৰচলিত যদিও টাই শাখাৰ ভিতৰৰ কেইটামান ভাষা পূব ভাৰতত কথিত ৰূপত বৰ্তি থকা দেখা যায়। তিব্বতো-বৰ্মী শাখাৰ অন্তৰ্গত ভাষা সমূহৰ বিৱৰণ আৰু সিবোৰৰ অধ্যয়নৰ এটি সাধাৰণ পৰিচয় দাঙি ধৰাহে এই প্ৰবন্ধৰ উদ্দেশ্য।

আৰম্ভণিতে উল্লেখ কৰা প্ৰয়োজন যে এই ভাষা সম্পৰ্কে যথেষ্ট আলোচনা হোৱা নাই, নাইবা গৱেষণা গ্ৰন্থও তেনেই সীমিত সংখ্যক। ড' জৰ্জ আব্ৰাহাম গ্ৰীয়াৰ্ছন এই বিষয়ত আগবণুৱা। তেখেতে এই সম্পৰ্কে বিধিবদ্ধ আলোচনা আৰু বিচাৰ-বিশ্লেষণৰ অৱতাৰণা কৰি গৈছে তাকেই আজিকোপতি ভাষা-তাত্ত্বিক সকলে প্ৰায় দ্বিধাহীনভাৱে গ্ৰহণ কৰি অহা দেখা যায়। সঁচাকথা, গ্ৰীয়াৰ্ছনক আদৰ্শৰূপে আগত থোৱাৰাকৈ এই বিষয়ক আলোচনাত প্ৰবৃত্ত হোৱাৰ উপায়ো নাই, যিহেতুকে তেখেতেই ইয়াৰ বাটকটীয়া[১]। ভাষাতাত্ত্বিক বিচাৰত তিব্বতো-বৰ্মী ভাষা সমূহৰ ভাগ চাৰিটা—(১) হিমালয়ী (Himalayan)

১. Grierson, G. A. (ed), 1903. Linguistic Survey of India, Vol. 1 Pt. 1 and Vol. III, Pt. I & II.

(২) উত্তৰ অসম ( North Assam ), (৩) অসম-বৰ্মী ( Assam - Burmese ) আৰু (৪) তিব্বতী ( Tibetan )। ইণ্ডো-মঙ্গোলীয় শাখাৰ যিবোৰ জাতি উপজাতিৰ লোকে পূৰ বা উত্তৰ পূৰ্ব ভাৰতত বসবাস কৰিছিল সেই সকলৰ কথিত ভাষা উপ-ভাষা সমূহকে উল্লিখিত 'উত্তৰ অসম' আৰু 'অসম-বৰ্মী' শাখাৰ অন্তৰ্ভুক্ত কৰা হৈছে। এই ভাষা-ভাষী লোকৰ বসতি অঞ্চল তথা ভৌগোলিক অৱস্থান অনুসাৰে ভাষাৰ উক্ত নামকৰণ কৰা হৈছে।

উল্লিখিত 'উত্তৰ অসম' শাখাৰ ভাষাভাষী সকলৰ ভিতৰত প্ৰধান জনজাতি সমূহক আকা, ডফলা, আবৰ, মিৰি আৰু মিচিমি আখ্যা দিয়া হৈছে; কিন্তু এই-বোৰ জনজাতিয়ে সম্প্ৰতি যথাক্ৰমে হ্ৰুছো, নিচি, আদি, মিচিং আৰু মিচিমি ৰূপেহে নিজৰ পৰিচয় দিয়ে। এই সকলো আকৌ ভালেমান শাখা উপ-শাখাত বিভক্ত, আৰু তেওঁলোকৰ মাজত নিজা নিজা স্বকীয় কথ্য ভাষাবো প্ৰচলন আছে। সেই সকলৰ ভাষা উপভাষাসমূহ তলত দিয়া দৰে দেখুৱাব পাৰি—

অকা বা হ্ৰাছো : অকা, মিৰি-অকা, পৰ্বতীয়া মিৰি, বাংনি।

ডফলা বা নিচি : নিচি, আপাতানি, চুলুং, বাংকু।

আবৰ বা আদি : পাদম, পাচি, মিনয়ং, পাঙি, চিমং, আচিং, কাৰ্কো, বাৰি, গাল্ল, ব্যমো, টাঙাম, মিলান, পাইলিব, বোকাৰ।

মিৰি বা মিচিং : আয়ান, দেলু, দামবুগ, পাগৰো, চায়ং, মঙ্গিং।

মিচিমি : ইডু, মিজু, টাৰাও।

এই ভাষাভাষী লোকসকল দৰাচলতে অৰুণাচল আৰু ইয়াৰ চুবুৰীয়া ৰাজ্য অসমৰ দাঁতি কাষৰীয়া অঞ্চলত বসবাস কৰি আহিছে।

সেই একেদৰে 'অসম-বৰ্মী' শাখাৰ ভাষাৰাজি আকৌ 'বড়ো নগা' আৰু 'বৰ্মী-কুকি-চীন' দুটি উপ-শাখাত বিভক্ত। ইয়াৰে 'বড়ো-নগা' উপশাখাৰ সৰহ খিনি ভাষা অসম, মেঘালয়, ত্ৰিপুৰা, পূৰ্বব ( সম্প্ৰতি বাংলাদেশ ) আৰু উত্তৰ বঙ্গৰ এক বৃহৎ অঞ্চল আৰু নগাভূমিত প্ৰচলিত হৈ আছে। আন হাতে 'বৰ্মী-কুকি-চীন' উপশাখাটোৰ ভাষাবো মণিপুৰ, মিজোৰাম তথা লুচাই পাহাৰ আৰু ইয়াৰ সংলগ্ন ত্ৰিপুৰা আৰু অসমৰ পৰ্বতীয়া অঞ্চলত দখল কৰি আছে। এই বড়ো-নগা শাখাটোও আকৌ বহু সংখ্যক সকলৰ ভাষা উপভাষাৰ সমষ্টি। এই আটাই খিনি ভাষা তলত কিছু বিতংভাৱে দিয়া দৰে 'বড়ো' আৰু 'নগা' এই দুটা প্ৰধান ভাগত বিভক্ত :

(ক) বড়ো শাখা : বড়ো (ভৈয়াম কছাৰী), ডিমাছা (পৰ্বতীয়া কছাৰী), গাৰো ( আচিক আবেং, আৱং, অৰি, ছিবুক, ... পোৱা, ইত্যাদি), ৰাভা, হাজং, ... লালুং, তিপ্ৰা, চুটিয়া, মিকিৰ (=কাৰ্বি ... মৰাণ ইত্যাদি।


(খ) নগা শাখা : নগাৰাজ্যত থকা চৈধ্যটা ... প্ৰায় কুৰিটা জৈদৰ লোকৰ মাজত ... শাখাৰ ভাষাসমূহ মুখ বাগৰি ... আছে। সিবোৰৰ ভিতৰত ... জেমি, লিয়াংমেই, ৰংমেই ( = ... নগা ), বেংমা, চক্ৰ, মাও, পোঁৱা, পো... ( কহিমা জিলাত প্ৰচলিত ), ... চেমা ( মোককচাং আৰু জুনহে... জিলাত প্ৰচলিত ), লোথা, ... ( ৱখা জিলাত প্ৰচলিত ), কোম ... চাঙটাম, য়িমচুঙ্গেৰ, মাকৱাৰা, ... গান ( টুৱেনচাং জিলাত প্ৰচ... কন্যাক, আংকাং, যাবলেং, ... লেংপাই, মোন ( মোন জিলাত প্ৰচ...





আদিয়েই প্ৰধান[২]। ইয়াৰ বাহিৰেও অৰুণাচলৰ টিৰাপ জিলা আৰু ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলত তাংচা, ৱাঞ্চু, নক্টে আদি জনজাতিৰ ভাষাও এই শাখাৰ অন্তৰ্ভুক্ত ভাষা।

বৰ্মী কুকি-চীন বিভাগত কথিত ভাষাসমূহো কেইবা-টাও উপশাখাত বিভক্ত। ইয়াৰ ভিতৰত কুকি, মেইতৈ ( মণিপুৰত প্ৰচলিত ), চিংফৌ ( অৰুণাচলত প্ৰচলিত ), চাকমা ( ত্ৰিপুৰাত প্ৰচলিত ), লুচাই ( মিজোৰামত প্ৰচলিত) আদিয়েই প্ৰধান। তিব্বতো-বৰ্মী ভাষা উপভাষা সমূহৰ মাজত থকা পাৰস্পৰিক সম্পৰ্ক অধ্যাহৰ্নৰ আহিত তলত দিয়া ধৰণে দেখুৱাব পাৰি :—




তিব্বতো-বৰ্মী ভাষাৰাজিৰ উল্লিখিত শ্ৰেণী বিভাগ তথা শাখা-প্ৰশাখাৰ বিভাগ-বিচাৰ আৰু নামকৰণ খুব সন্তোষজনক নহয়। গ্ৰীয়াৰ্ছনে 'উত্তৰ অসম' আৰু 'অসম-বৰ্মী' শাখাৰ যি নামকৰণ কৰিছে তাক স্বীকাৰ কৰি লোৱা হৈছে যদিও দৰাচলতে সেই শ্ৰেণীবিভাগ ভৌগোলিক অৱস্থান ভিত্তিকহে, ভাষাতাত্ত্বিক বা ভাষাৰ বংশানুক্ৰমিক তথ্যভিত্তিক নহয়। বিভিন্ন ভাষাভাষী বহুসংখ্যক লোক নানা কাৰণত সিসকলৰ আদি বাস-স্থানৰ পৰা অন্য ভাষা প্ৰচলিত অঞ্চললৈ গৈ বসবাস কৰিছে। ফলত একেখিনি ঠাইতে ভিন্ন শ্ৰেণীভুক্ত ভাষা-ভাষী লোক নিগাজীভাৱে বসবাস কৰিব লাগিছে; কেৱল সেইটো কাৰণতে সেইবোৰ অঞ্চল একক ভাষা-ভাষী লোকৰ স্থান হৈ থকা নাই। গতিকে ভৌগোলিক শ্ৰেণীবিভাগ আৰু সেই আদৰ্শভিত্তিক ভাষাৰ নামকৰণ বিজ্ঞান সম্মত নোহোৱাটো স্বাভাৱিক। এই কথা বহুজন ভাষাবিদৰ দৃষ্টিগোচৰ হোৱাৰ উপৰিও ভাষাৰ শ্ৰেণীৰ নাম সম্পৰ্কেও একাধিক পৰামৰ্শ আমাৰ চকুত পৰে। ড° সুনীতিকুমাৰ চট্টোপাধ্যায়ে[৩] মঙ্গলয়ড বা কিৰাত জনগোষ্ঠী সম্পৰ্কীয় আলোচনাৰ যি অৱতাৰণা কৰি গৈছে তাৰ আধাৰত উত্তৰ অসম আৰু অৰুণাচল আদি অঞ্চলৰ জনজাতিসমূহৰ ভাষাক 'কিৰাত ভাষা' বোলা উচিত বুলি একাধিক ব্যক্তিয়ে পৰামৰ্শ দিয়া দেখা যায়। কোনো কোনোৱে আকৌ এই শাখাৰ অন্তৰ্ভুক্ত ভাষা-সমূহক 'তানি শাখা' ৰূপে অভিহিত কৰিবলৈকো পৰামৰ্শ দিব খোজে। এওঁলোকৰ যুক্তি হ'ল তানি ভাষাসমূহৰ কেবাটাও ভাষাত থকা শব্দ, আৰু 'এই শব্দটোৰ অৰ্থ হ'ল 'উপৰিপুৰুষ বা জগতৰ আদিজন ব্যক্তি।' সেই একেদৰে আন এটা পৰামৰ্শ হ'ল যে এই শ্ৰেণীৰ নামকৰণৰ শব্দ 'মি-ভাষা' হোৱাহে শ্ৰেয়। এওঁলোকৰ এই নামকৰণৰ যুক্তিও উক্ত 'তানি' নাম-কৰণৰ যুক্তিৰ সমপৰ্য্যায়ৰ। কোনোটো পৰামৰ্শই সন্দেহ-বিতৰ্কৰ উৰ্দ্ধত নোহোৱা বাবে সিবোৰৰ কোনো টোৱে গ্ৰহণযোগ্য বুলি বিবেচিত হোৱা নাই। ভাষাৰ এই ভৌগোলিক অৱস্থান ভিত্তিক শ্ৰেণীবিভাগ ভাষা-

২. Basic Facts on Nagaland, N. G. Publication, 1974, and A Brief Historical Account of Nagaland, N. G. Publication, 1970.

৩. Chatterji, S. K., 1951, Kirata-Jana-Kriti

তত্ত্ব-নীতি সমস্ত মহলেও উক্ত ভাষাসমূহৰ ভাষাগত, যেনে ধ্বনিতত্ত্বগত কিম্বা ৰূপতত্ত্বগত নীতিৰ ভিত্তিত নতুন নামকৰণেৰে শ্ৰেণীবিভাগ কৰিবলৈ এতিয়াও প্ৰয়োজনীয় সমলৰ যথেষ্ট অভাৱ। গ্ৰীয়াৰ্চনেও 'উত্তৰ অসম' নামকৰণত নিজেই মনৰ খু-দুৱনি প্ৰকাশ কৰি কোৱা কথাষাৰ এই প্ৰসঙ্গত মনত ৰখা দৰ্কাৰ। এই ভাষাসমূহৰ চিন্তা-চৰ্চা বা গবেষণা তেনেই সামান্য। তদুপৰি এইবোৰ ভাষাভাষী লোকৰ চৰকাৰী গণনা তথা পৰিসংখ্যাও বহু খেলিমেলিপূৰ্ণ, শুদ্ধ হিচাপ পোৱা নাযায়; তাতে আকৌ ইয়াৰে সৰহভাগ ভাষাৰেই লিখিত সাহিত্যও নাই, সৰহভাগেই কথ্য ভাষা ৰূপেহে বৰ্ত্তি আছে। এইবোৰৰ প্ৰকৃত ভাষা আৰু তাৰ উপভাষা নিৰ্ণয়ৰ তথ্যাদিও যথেষ্ট সীমিত। সেই কাৰণেই এইবোৰ ভাষাৰ প্ৰকৃত ভাষাবিজ্ঞান ভিত্তিক শ্ৰেণী বিভাগ বা তৰ্কবিহীন নামকৰণ এতিয়াও সম্ভৱ হৈ উঠা নাই। এইবোৰ ভাষাৰ বৰ্ণনামূলক আৰু তুলনামূলক উভয়বিধ গবেষণাৰ দৰ্কাৰ। তেতিয়াহে ভৌগোলিক অৱস্থান-ভিত্তিক শ্ৰেণীবিভাগৰ বিকল্প হিচাপে এটা গ্ৰহণযোগ্য সিদ্ধান্ত লব পৰা যাব। সম্প্ৰতি যিখিনি চিন্তা-চৰ্চা বা গবেষণা হৈছে তাৰ আলমত এই বিষয়ত ক্ৰটীহীন সিদ্ধান্ত সম্ভৱ নহয় যদিও সীমিত পৰিসৰৰ মাজত থাকিও তলত দিয়া দৰে এই ভাষাবোৰৰ শ্ৰেণী বিভাগৰ এটা পৰামৰ্শ দিব পাৰি :—

(ক) মি-শাখা : 'উত্তৰ-অসম' শাখাৰ ভাষা-উপভাষা সমূহ।

(খ) বড়ো-নগা শাখা : গ্ৰীয়াৰ্চনৰ দৰে

(গ) কুকি-চীন শাখা : গ্ৰীয়াৰ্চনৰ দৰে

অদূৰ ভৱিষ্যতত এই সন্দেহ আঁতৰিব বুলি আশা কৰিব পাৰি।

স্বাধীনোত্তৰ কাল ছোৱাত যি দুটা লোক পিয়ল হৈ গ'ল তাৰ ফল স্বৰূপে এই অঞ্চলৰ বিভিন্ন ভাষাভাষী লোকৰ হিচাপৰ কিছু পৰিসংখ্যা পোৱা যায়। অৱশ্যে লোক-পিয়লৰ ৰৰমূৱাৰ দায়িত্ব-প্ৰাপ্ত বিষয়া সকলেই পুথিৰ মুখবন্ধ উপক্ৰমণিকা আদিত সেই হিচাপত সন্দেহ প্ৰকাশ কৰি যোৱা কথাবোৰ অৰ্থপূৰ্ণ। পিয়লৰ নথি-পত্ৰই কিন্তু এটা সংবাদ দিয়ে যে এই ভূখণ্ডৰ ভালেমান জনজাতি আৰু অন্য ভাষিক সম্প্ৰদায়ৰ নিজস্ব কথ্য-ভাষা-উপভাষা আদি থকা সত্ত্বেও পাৰিবাৰিক জীৱন তথা সাম্প্ৰদায়িক পৰিসৰৰ বাহিৰত সামাজিক জীৱন, আদিৰ ক্ষেত্ৰত প্ৰয়োজন উপলব্ধি কৰিয়েই অসমীয়া ভাষাক প্ৰথম ভাষা হিচাপে গ্ৰহণ কৰিবলৈ প্ৰেৰণা লাভ কৰি আহিছে নিতান্ত আপোন ইচ্ছাৰে। কোনোৱে তেওঁলোকক অসমীয়া ভাষা গ্ৰহণ কৰিবলৈ হুকুলোৱা নাই কিম্বা বলেৰে জাপিও দিয়া নাই। তদুপৰি বহুকেইটা ভাষাই ভাৰতৰ এই পূৰ্বাঞ্চলৰ লিপিও গ্ৰহণ কৰি লৈছে। ইয়াৰ ফলত সেই ভাষা-ভাষীলোকসকল যিদৰে উপকৃত হৈছে অসমীয়াসকলেও ব্যক্তিগত প্ৰচেষ্টাৰে সেইবোৰ ভাষাৰ লগত পৰিচয় হবলৈ সুযোগ পাইছে। উক্ত লোক-পিয়লৰ এই বিষয়ক পৰিসংখ্যাবোৰ তুলনা কৰি চালেই সেই কথাৰ সত্যাসত্যতা ওলাই পৰে। অসমকে ধৰি পূৰ্বাঞ্চলত প্ৰচলিত এই ভাষাবোৰৰ বিষয়ে সময়ে সময়ে কিছুসংখ্যক লোকে প্ৰবন্ধ, কিতাপ আদি ৰচনা কৰি আহিছে। সেইবোৰ এই প্ৰসঙ্গত এবাৰ চালিজাৰি চোৱা দৰ্কাৰ। গ্ৰীয়াৰ্চন চাহাবে ভাৰতীয় ভাষাসমূহৰ নিৰীক্ষণ কামত হাত দিয়াৰ আগতো এই অঞ্চলত ভালেমান চৰকাৰী-বেচৰকাৰী কৰ্মচাৰীয়ে উল্লিখিত কথ্য-ভাষাবোৰৰ প্ৰতি আকৃষ্ট হৈ নিজ নিজ বিচাৰ বুদ্ধিৰে সিবোৰৰ বিষয়ে কিছু কথা লিখি ৰাখি গৈছে, যিবোৰৰ আলম লৈ পৰৱৰ্তী কালৰ অনুসন্ধিৎসু ভাষাপ্ৰেমী লোকে ভাষাৰ দিশত গবেষণা কৰিবলৈ প্ৰেৰণা পাইছে। দৰাচলতে সেইসকলৰ গ্ৰন্থৰাজিয়েহে এই বিষয়ৰ অধ্যয়ন, গবেষণাৰ খাপ বান্ধি যোৱা বুলিব পাৰি। সেইবোৰ গ্ৰন্থ ঘাইকৈ তিনিপ্ৰকাৰৰ—

(ক) সাধাৰণ ব্যাকৰণ ( Simple Grammar )

(খ) অভিধান বা শব্দাৰ্থ গ্ৰন্থ।



এই শ্ৰেণীৰ পুথিবোৰত একো একোটা ভাষাৰ দৈনন্দিন জীৱনত ব্যৱহৃত শব্দৰাজিৰ ইংৰাজী অৰ্থৰ সমাবেশ কৰা হৈছে; আৰু কিছুমানত সমপৰ্যায়ৰ সাদৃশ্যযুক্ত কেইটামান ভাষাৰ সমাৰ্থক শব্দবোৰৰ তুলনামূলক তালিকা প্ৰস্তুত কৰি ইংৰাজী অৰ্থ দিয়াৰ হৈছে। সেইবাবে এইবোৰক সাধাৰণ ভাৱে অভিধান বুলি কোৱা হৈছে।

(গ) ভাষাবিষয়ক টোকা বা মতামত ( Notes or observations on language ) — এই শ্ৰেণীৰ সৰহভাগ ৰচনা নানা আলোচনী, সিঁচৰিত হৈ আছে।

উল্লিখিত ৰচনাসমূহৰ বিশেষভাৱে নাম লব লগীয়া পুথি সমূহৰ ভিতৰত জে, এফ, নিদম প্ৰণীত 'চিয়াং মিৰি ভাষাৰ সংক্ষিপ্ত ব্যাকৰণ' ( ১৯১৩ ) আৰ, চি. হেমিল্টনৰ 'দফলা ভাষাৰ সংক্ষিপ্ত ব্যাকৰণ' (১৯০০), ডব্লিউ ৰবিনচনৰ 'মি-চিমি ভাষাৰ টোকা', এচ. এণ্ডলেৰ দৰং জিলাত প্ৰচলিত 'কছাৰী ( বড়ো ) ভাষাৰ সংক্ষিপ্ত ব্যাকৰণ' ( ৮৮ ). এচ, স্ক্ৰেফচাৰ্ড প্ৰণীত 'বড়ো বা মেচ ভাষাৰ চমু ব্যাকৰণ' (১৮৮৯), টি. জে. কীথৰ 'গাৰো ভাষাৰ সংক্ষিপ্ত ব্যাকৰণ' (১৮৭৪), আৰ, চি. মেকবেৰ 'শব্দমালাসহ আঙ্গামি নগাভাষাৰ সংক্ষিপ্ত ব্যাকৰণ' ( ১৮৮৭ ), শ্ৰীমতী ই. ডব্লিউ-ক্লাৰ্কে শব্দাৰ্থ আৰু বাক্যাংশ সহ যুগুত কৰা 'আও নগা ব্যাকৰণ' (১৮৯৩), ৰেভ. ডব্লিউ, ই, উইন্টাৰ প্ৰণীত 'লোথা নগা ভাষাৰ সংক্ষিপ্ত ব্যাকৰণ' ( ১৮৮৮ ), চি, এ, সোপিট প্ৰণীত ভাষা, শব্দমালাসহ উত্তৰ কাছাৰ পাহাৰৰ 'কাচা নগা জাতিৰ চমু পৰিচয়' (১৮৮৫), মেজৰ চি, আৰ, মেকগ্ৰেগৰৰ 'চিংফৌ ব্যাকৰণ', ৰেভ, ডব্লিউ পেটিগ্ৰু প্ৰণীত 'টাংখুল নগা ব্যাকৰণ আৰু অভিধান' (১৯১৮) ডব্লিউ চি-এম ডুণ্ডাচৰ 'কছাৰী ( ডিমাচা ) ভাষাৰ সংক্ষিপ্ত ব্যাকৰণ' (১৮৮০), এচ. এণ্ডলে প্ৰণীত ব্যাকৰণ সহ 'কছাৰী জাতি' ( ১৯১১ ), জে, এইচ. হাটন প্ৰণীত ব্যাকৰণৰ চমু টোকা যুক্ত 'আঙ্গামি নগা' (১৯২১), 'চেমা নগা' ( ১৯২১ ), চাৰ চাৰ্লচ লাইল প্ৰণীত ব্যাকৰণৰ টোকা যুক্ত 'মিকিৰ জাতি' (১৯০৮), আদিয়েই প্ৰধান। এনেকুৱা ৰচনা আৰু বহুতো আছে। এইবোৰেই দৰাচলতে উক্ত ভাষাৰাজিৰ অধ্যয়ন-গবেষণাৰ আদৰ্শ ৰচনা। ইয়াৰ উপৰিও বৃটিছ শাসনৰ কালছোৱাত উল্লিখিত দ্বিতীয় আৰু তৃতীয় শ্ৰেণীৰ গ্ৰন্থও কিছু ৰচিত হৈছিল; অৱশ্যে সেই গ্ৰন্থ ৰচয়িতা সকল আগৰ খিনি লেখকৰ দৰে ভাষাতত্ত্ব কিম্বা অভিধান প্ৰণয়নৰ কোনো প্ৰশিক্ষণ প্ৰাপ্ত লোক নাছিল। নতুন ঠাইত নতুন নতুন ভাষাভাষী লোকৰ সংস্পৰ্শলৈ আহিহে সেই ভাষাৰ বিষয়ে ভাষাগত টোকা, ব্যাকৰণ, অভিধান আদি ৰচনা কৰিবলৈ প্ৰয়াস কৰিছিল। এইবোৰ ভাষাতাত্ত্বিক গবেষণাৰ নিদৰ্শন নহয় সঁচা; কিন্তু তিব্বতো-বৰ্মী ভাষাৰ গবেষণামূলক চিন্তাচৰ্চাৰ ক্ষেত্ৰত সেই গ্ৰন্থপ্ৰণেতা সকলৰ উক্ত পৰ্যায়ৰ অৱদান সমূহ অতি মূল্যবান সম্পদ। ইয়াৰ সৰহভাগেই হ'ল সেই জাতি আৰু ভাষাৰ চমু পৰিচয়মূলক ৰচনা। স্বাধীনতাৰ পৰৱৰ্তী কালত অৱশ্যে অনুন্নত অঞ্চলৰ উন্নয়নমূলক পৰিকল্পনাক্ৰমে এই কথিত ভাষাবোৰৰ কিছু কিছু কাম কৰা হৈছে। সেইবোৰ মূলত প্ৰাথমিক পৰ্যায়ৰ কাম। তদুপৰি এই অধ্যয়নৰ প্ৰাপ্ত ফলাফলো তেনেই সীমিতাৱস্থাতে আছে।

কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ 'ভাষাবিভাগ' 'ভাৰতৰ নৃতাত্ত্বিক নিৰীক্ষণ', 'নেফা ( অৰুণাচল ), গবেষণা বিভাগৰ অন্তৰ্গত 'ভাষাতত্ত্ব বিভাগ' ইত্যাদি চৰকাৰী এজেন্সিবোৰৰ জৰিয়তে এই ভাষা সমূহৰ ওপৰত কিছু কিছু গবেষণামূলক কাম আমাৰ চকুত পৰে। নগাৰাজ্যৰ কেতবোৰ নগাভাষা সম্পৰ্কে সৰ্বসাধাৰণৰ উপযোগী সৰৱৰহী সক পুথি প্ৰণয়নৰ আঁচনি অনুসৰি 'নগাৰাজ্য ভাষা-পৰিষদে' আও অঙ্গামি লোথা কন্যাক আদি ভাষা কেইখনমান কিতাপ প্ৰকাশ কৰা কথা প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি। অৰুণাচলৰ ভাষাতত্ত্ব বিভাগটোৱে সীমিত পৰিসৰৰ মাজত থাকিও 'ইদুভাষা', 'তৰাও ভাষা', 'মিজু ভাষা', 'গালং ভাষা'

আদি ভাষা' 'মিচিমি ভাষা' আদি অৰুণাচলৰ কেতবোৰ কথ্য-ভাষা সম্পৰ্কে প্ৰশাসনীয় প্ৰয়োজন-পূৰণলৈ লক্ষ্য ৰাখি কেইখনমান পুথি প্ৰণয়ন কৰিছে। এইবোৰ ৰবাচলতে উক্ত-ভাষা সমূহৰ ব্যাকৰণৰ সাধাৰণ আভাস আৰু শব্দাৰ্থৰ তালিকা এনেভাৱে যুগুত কৰা হৈছে যাতে তাৰ সহায়ত সেই অঞ্চলত থকা অন্য ভাষা-ভাষী লোকে কথ্য-ভাষাবোৰ সহজে আয়ত্ত কৰিব পাৰে।

ভাৰতীয় ভাষাসমূহৰ কেন্দ্ৰীয় বিদ্যালয় (C.I.I.L., ১৯৬৯) এটা চৰকাৰী শিক্ষানুষ্ঠান। এই অনুষ্ঠানটোৰ প্ৰধান কাম হ'ল ভাৰতীয় ভাষা সমূহৰ অধ্যয়ন-গৱেষণাৰ প্ৰতি উৎসাহ যোগোৱা, অনুন্নত তথা কথ্য ভাষাসমূহৰ লিপি নিৰ্ণয়ৰ পৰা আৰম্ভ কৰি প্ৰাথমিক পৰ্য্যায়ৰ শিক্ষাদানৰ পাঠ্যপুথি যুগুত কৰা নগাবাজ্যৰ 'আওনগা', 'চেমা নগা' 'লোথা নগা' আদি ভাষাৰ 'ধ্বনি সংক্ৰান্ত পাঠ' (Phonetic Reader) ইতিমধ্যে প্ৰকাশিত হৈ ওলাইছে। উত্তৰ-পূব ভাৰতত প্ৰচলিত তিব্বতো-বৰ্মী ভাষাৰাজি সম্পৰ্কে উক্ত শিক্ষানুষ্ঠানৰ আঁচনি বিদৰে সৰ্বসাধাৰণ বিদিত নহয় সেইদৰে এই বিষয়ক কাৰ্য্যৰ অগ্ৰগতিতো এওঁলোক এতিয়াও প্ৰথম স্তৰতে আছে।

ভাৰতৰ কেইটামান বিশ্ববিদ্যালয়ে গৱেষক সকলক বৃত্তি, ফেলোশ্বিপ আদিৰে কিছু উৎসাহ যোগাই এই ক্ষেত্ৰত কাৰ্য্য-ব্যৱস্থা লোৱা কথা মন কৰিব লগীয়া। কলিকতা বিশ্ববিদ্যালয়, গুৱাহাটী বিশ্ববিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয়, পুনা বিশ্ববিদ্যালয়, দিল্লী বিশ্ববিদ্যালয়, জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়, আগ্ৰা কে. এম, মুন্সী কেন্দ্ৰীয় হিন্দী ইনষ্টিটিউট আদিৰ নাম এই বিষয়ত বিশেষ উল্লেখযোগ্য। অৱশ্যে Linguistic Society of India, Asiatic Society of Bengal-অৰ নামো এই প্ৰসঙ্গত উল্লেখ যোগ্য। কলিকতা বিশ্ববিদ্যালয়ে অসমৰ জনজাতীয় ভাষা, গাড়িভাষা আদিৰ গৱেষণাত উৎসাহ যোগোৱাৰ দৰে গুৱাহাটী বিশ্ববিদ্যালয়ে ড প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্যৰ 'বড়োভাষাৰ বৰ্ণনামূলক বিশ্লেষণ', ড° ইউ. চি. সিংহৰ 'মেইতেই ভাষাৰ গঠনমূলক বিশ্লেষণ' আদি নিবন্ধক ডক্টৰেট ডিগ্ৰীৰ বাবে স্বীকৃতি দিয়া কথা সকলোৱে জানে। ডিব্ৰুগড় বিশ্ববিদ্যালয়েও অসমীয়া বিভাগৰ যোগে দেউৰীভাষা, মিচিং ভাষা, আইতনিয়া, কাকিয়াল, কাৰবী, আদি, আহোম, গাল', নাগামিজ প্ৰভৃতি ভাষাৰ অধ্যয়ন-গৱেষণাৰ ক্ষেত্ৰত উৎসাহ যোগোৱা কথা মন কৰিব লগীয়া। পূৰ্বাঞ্চলৰ তিব্বতো-বৰ্মী ক সংখ্যক ভাষাৰ নানা দিশত আলোকপাত কৰি লিখা ভাষাতত্ত্ব মূলক, সাধাৰণ পৰিচয় জ্ঞাপক ভালেমান প্ৰবন্ধ নিবন্ধ বহু গৱেষণামূলক আলোচনী, সন্মিলনৰ প্ৰতিবেদন (Proceding) আদিৰ পাততে সিঁচৰিত হৈ আছে।

এইদৰে দেখা যায় যে কেইগৰাকীমান বৃটিছ তথা ইউৰোপীয়লোকে তিব্বতো-বৰ্মী ভাষা-উপভাষা সম্পৰ্কে আলোচনা অধ্যয়নৰ যি সূচনা কৰিছিল পৰৱৰ্তী কালত দেশী-বিদেশী পণ্ডিতে সেই পথেৰে আগবাঢ়ি আছিল। এই ভাষাসমূহৰ আটাইতকৈ মন কৰিবলগীয়া কথা হ'ল সেইবোৰ ভাষাত সুৰৰ (tone) অৱস্থান। এই ভাষাৰাজিৰ গৱেষণাৰ আঁচনি প্ৰস্তুতিৰ ক্ষেত্ৰত চাৰিটা বিষয় বিশেষভাৱে মনত ৰ দৰকাৰ: (ক) প্ৰতিটো ভাষাৰ গঠনমূলক বিশ্লেষণ (খ) ভাষাবোৰৰ সাদৃশ্যমূলক/বৈসাদৃশ্যমূলক বিশ্লেষণ (গ) আঞ্চলিক ভাষা অসমীয়া ভাষাৰ প্ৰতি এইবোৰ ভাষাৰ অৰিহণা, বা অসমীয়া ভাষাৰ এইবোৰ ভাষা প্ৰতি অৰিহণা আৰু (ঘ) অভিধান প্ৰণয়ণ — ভাষাবোৰৰ তুলনামূলক অভিধান প্ৰণয়ন ইত্যাদি। জাতীয় তথা আঞ্চলিক ঐক্য আৰু সংহতিৰ মূলনীতি আগত ৰাখি এই কথ্য ভাষাবোৰৰ অধ্যয়ন গৱেষণাৰ আঁচনি প্ৰস্তুত কৰাহে মূল কথা।

—

## কথা-ভক্তি ৰত্নাকৰ ঃ গোপালচৰণ দ্বিজ

শ্ৰীনবীনচন্দ্ৰ গোস্বামী

(যোৱা সংখ্যাৰ পিছৰ পৰা)

তলত প্ৰত্যেক অনুবাদকৰে এটা পৰ্যালোচনা কৰা হৈছে ঃ

(১) প্ৰথম মাহাত্ম্যৰ ১১।৩।২১ শ্লোক অনুবাদ কৰোঁতে গোপালচৰণে স্বামী-টীকাৰ অনুবাদ দিয়েই সন্তুষ্ট হৈছে। কিন্তু ৰামচৰণে বিস্তাৰিত অৰ্থ দি কৈছে :—

'শাস্ত্ৰক জানয় মাত্ৰ নুহিকে ভকত,
তাৰ উপদেশে বোধ নুপুজে লোকত।
যদি বা ভকত হে ৰে শাস্ত্ৰ নজানয়,
নপাৰে খণ্ডিতে তেৰে শিষ্যৰ সংশয়।'

গোপালে কৈছে — 'বেদ-তত্ত্ব জানিব নজানিলে সংশয় গুচাইতে নপাৰে, কৃষ্ণৰ একান্ত দাস হইব, নতেলে শিষ্যৰো বোধ জন্মাইতে নপাৰে।'

(২) দ্বিতীয় মাহাত্ম্যৰ ১১।২৬।১ শ্লোকৰ গোপালচৰণে কৰা অনুবাদ — 'যাৰে এই নৌ পাৱে, মৃত্যুৰে যাতো ব্যাপি আছে। এতেকে পবিত্ৰ প্ৰায় বিষয়ক পুনু শূকৰ কুকুৰ আদি যোনিতো পায়।'

ৰামচৰণৰ ভাঙনি —

'বিনাশি যদ্যপি সাধয় তথাপি পুৰুষাৰ্থ সমস্তক,
নতু পৰে যাৰে শীঘ্ৰে যত্ন তাৰে কৰোক মোক্ষ সুখক।
পশু-শৰীৰতো আছে জানা ইটো বিষয়ৰ যত সুখ,
যিটো জীৱ হয় তেজিয়া বিষয় তৰোক সংসাৰ দুখ।

এই ক্ষেত্ৰত দেখা গৈছে যে গোপালচৰণৰ কথা আপাততঃ সাংকেতিক হৈ পৰিছে।

(৩) পঞ্চম মাহাত্ম্যৰ ৩।৯।৩ শ্লোকৰ গোপালচৰণে কৰা অনুবাদ ইমান সংক্ষেপ আৰু সাংকেতিক যে মূলতত্ত্বৰ অৰ্থ বুজাত বাধাৰ সৃষ্টি হৈছে, যেনে — 'এতেকে হে দেৱ, অনাবৃত প্ৰকাশ, ভেদ-ৰহিত আনন্দময়, এনয় যি তোমাৰ এই ৰূপক আশ্ৰয় কৰিলোঁ।'— ইয়াত এটা যৌগিক বাক্যতে সমস্ত কথা প্ৰকট কৰিবৰ চেষ্টা কৰা হৈছে, ফলত অৰ্থ পৰিস্ফুট হোৱা নাই। আনহাতে বাক্য-গঠনতো ত্ৰুটী ঘটিছে। কিন্তু এই প্ৰসঙ্গত ৰামচৰণ অধিক প্ৰাঞ্জল। উদাহৰণ :—

'ভূত প্ৰাণ ইন্দ্ৰি যত সবাৰো কাৰণ,
জগতকে স্ৰষ্টা প্ৰভু তুমি নাৰায়ণ।
এতেকেসে জগতত ভিন্ন তুমি স্বামী,
এতেকেসে আনৰূপ নেদেখোহো আমি।
তুমিসে প্ৰকাশ কৰা কেৱল সাক্ষাত,
কিঞ্চিতেকো ভেদ প্ৰভু নাহিকে ইহাত।
এতেকে তুমিসে মাত্ৰ আনন্দ পৰম,
ভজিবাক যোগ্য প্ৰভু তুমিসে উত্তম।
তুমিসি নিৰ্গুণ হৰি আনন্দস্বৰূপ
নেদেখোহো মই আতপৰে আনৰূপ।'

ইয়াৰ পাছৰ শ্লোক অনুবাদ কৰোঁতে গোপালচৰণে 'যো নাদৃতো নৰকভাজিৰসং প্ৰসঙ্গৈ :' এই অংশ এৰি দিছে। ৰামচৰণৰ এই শ্লোকৰ অনুবাদ আৰু ব্যাখ্যা সুন্দৰ হৈছে, মূলৰ আৰু টীকাৰ সুন্দৰ সমন্বয় ঘটিছে।

গোপালচৰণে অন্য ঠাইতো টীকাৰ কথালৈ লক্ষ্য কৰোঁতে মূললৈ দৃষ্টি এৰি দিছে।

(৪) পঞ্চম মাহাত্ম্যৰ ১১।২৯।৫ শ্লোকৰ অনুবাদত গোপালচৰণে স্বামী টীকাৰ একাংশৰ অনুবাদ কৰা নাই, যাৰ ফলত অৰ্থসঙ্কট উৎপন্ন হৈছে। স্বামীকৃত এটা শ্লোকৰ অনুবাদ এজনেও কৰা নাই (যা বৈ সাধন সম্পত্তি পুৰুষাৰ্থ চতুষ্টয়ে)। একে মাহাত্ম্যৰে ৪।১১।২৭ আৰু ১০।২।৩০ দুটা শ্লোকৰ এক অংশৰ অনুবাদ গোপালচৰণত নাই। ৰামচৰণৰ অনুবাদ প্ৰাঞ্জল আৰু যথাযথ।

(৫) ষষ্ঠ মাহাত্ম্যৰ ১।২।১৯ ৰ অনুবাদ আৰু টীকাৰ কথা-এৰি গোপালচৰণে "যেবে ভগৱন্তৰ ভক্তি যোগে" বুলি সংহৰি থৈ প্ৰধান কথা ৰজঃ তমঃ জনিত কামাদিৰ কথা উপেক্ষা কৰিছে। ৰামচৰণত "ৰজস্তম বৃত্তি কাম লোভ আদি যত" স্পষ্ট আছে।

(৬) দশম মাহাত্ম্যৰ ১।৮।৩৬ শ্লোকৰ অনুবাদত গোপালচৰণে শ্লোকৰ শেষ অংশ এৰি দিছে।

(৭) একাদশ মাহাত্ম্যৰ ৩।২৫।৩২ ৰ প্ৰথমাৰ্দ্ধৰ ৰামচৰণে অনুবাদ বা ব্যাখ্যা কৰা নাই কিন্তু গোপালচৰণত এই অংশৰ স্পষ্ট অনুবাদ আৰু ব্যাখ্যা আছে। গোপালচৰণে টীকাৰ গুণ সিদ্ধ আৰু আনুশ্ৰৱিক শব্দৰ ব্যাখ্যা দিয়া নাই। ভক্তি ৰত্নাৱলীৰ পদত মাধৱদেৱেও ইয়াৰ ব্যাখ্যা দিয়া নাই। এই মাহাত্ম্যৰ ৬।১।১৫ শ্লোকৰ গোপালচৰণৰ অনুবাদ পালমৰা যেন হৈছে। ৰামচৰণে টীকাৰ ব্যাখ্যা ভাল দৰে দিছে। ইয়াৰ পাছৰ ৫।৬।১৮ ৰ অনুবাদ সংক্ষেপ হোৱা কাৰণে অৰ্থ পৰিষ্কাৰ হোৱা নাই। ৰামচৰণৰ পদত প্ৰবুদ্ধৰ ঠাইত পিপ্পলায়ন হব লাগিছিল। ইয়াৰ আগৰ স্বামী টীকাৰ (১০।৮৭।২১) অনুবাদ মাধৱদেৱৰ ঘোষাত (৬৪৩) বিস্তাৰিত ব্যাখ্যা আছে। ৰামচৰণ-গোপালচৰণে ঘোষাৰ অৰ্থলৈ লক্ষ্য কৰা নাই। টীকাৰ "মুক্তা অপি লীলয়া বিগ্ৰহং কৃত্বা" এই অংশৰ ঘোষাৰ তাৎপৰ্য মূলক কথাটি এজনেও প্ৰকাশ কৰা নাই।

(৮) দ্বাদশ মাহাত্ম্যৰ ১১।২৯।২১ শ্লোকৰ গোপালচৰণে ভাবাৰ্থ মাত্ৰ দি ক্ষান্ত হৈছে। ৰামচৰণে টীকাৰ দৃষ্টান্তস্বৰূপ কথা খিনি "ভয় শোকাদেঃ হেতোঃ পলায়ন ক্ৰন্দনাদি ক্লেশঃ" পদত অৰ্থ প্ৰকট কৰি দিছে। গোপালচৰণে "লৌকিক নিষ্ফল আয়াস ভগৱন্তত অৰ্পিলে সফল হয়।' এই মাত্ৰ কৈ বিৰত হৈছে।

(৯) ত্ৰয়োদশ মাহাত্ম্যৰ ৩।২৯।১১, ৩।২৯।১২ ৰ অনুবাদত ৰামচৰণে শ্লোকৰ দ্বিতীয় শাৰী এৰি থৈ গৈছে। ৰামচৰণে টীকাৰ অনুবাদ কৰোঁতে মূল শ্লোকৰ দৃষ্টান্তটো এৰি থৈ গৈছে। এই দুটাৰ অনুবাদত ৰামচৰণৰ পদ সংক্ষেপ, কেৱল টীকাৰ অনুবাদ কৰোঁতে শ্লোকৰ দৃষ্টান্তটো বাদ পৰি গৈছে। গোপালচৰণত এনে হোৱা নাই। "অহৈতুক্যৱহিতা" শব্দৰ অনুবাদ "ভেদ দূৰ কৈলে কৰে নিষ্কাম ভকতি" বোলাত তাৎপৰ্য ফুটি নোলাল। এই মাহাত্ম্যৰে ১১।২৫।৩২ শ্লোকৰ অনুবাদত গোপালচৰণে "গুণেসে সংসাৰ কৰায়" বোলাত অৰ্থ সাংকেতিক হৈ পৰিছে। ৰামচৰণৰ অনুবাদ স্বামীৰ টীকাতকৈও অধিক প্ৰাঞ্জল। যেনে :—

তিনি গুণময় জ্ঞান কৰ্ম আদি যত
সেহি কৰ্মে বন্ধ হুয়া জীৱে সংসাৰত
ফুৰি থাকে নানাবিধ শৰীৰক ধৰি
এবাৰে গুণক মোৰ ভকতি আচৰি।

(১০) চতুৰ্দ্দশ মাহাত্ম্যৰ ১১।১৪।২৪ ৰ প্ৰসিদ্ধ শ্লোকটো ভক্তি-ৰত্নাৱলীতে আছে আৰু কান্তিমালাত তাৰ বিশদ ব্যাখ্যা আছে। মাধৱদেৱে কান্তিমালাৰ কথাৰে মনোৰম পদ (২২৯-৩১) কৰিছে। গোপালচৰণেও অনুৰূপ কথাৰে বিস্তাৰিত ব্যাখ্যা দিছে। শঙ্কৰদেৱেও নিমিনৱসিদ্ধৰ ৬৩-৬৪ পদত এই শ্লোকৰ অনুবাদ কৰিছে। ৰামচৰণত বিলজ্জ শব্দৰ ব্যাখ্যা নাই। ইয়াৰ পাছৰটো শ্লোক ১১।১২।৮ ৰ ৰামচৰণত অনুবাদ নাই, মাধৱদেৱে ৰত্নাৱলীত (২৭৭-২৭৮) তাৰ ব্যাখ্যা কৰিছে। এই সাৰ অন্তিম ১১।৫।৪৮



ৰ অনুবাদত ৰামচৰণে পৌণ্ড্ৰকৰ নামটো বাদ দিছে আৰু গোপালচৰণে দন্তবক্ৰৰ নামটো জোৰাই দিছে। মাধৱদেৱে ৰত্নাৱলীত (৯২২-২৩) "গতিবিলাসবিলোকনাদ্যৈঃ" আৰু 'শয়না শনাদৌ' শব্দ দুটাৰ অনুবাদ দিয়া নাই। ৰামচৰণে এনে কৰা নাই, স্বামীৰ টীকা আৰু কান্তিমালাত তৃণগুচ্ছৰ কথাও উল্লেখ কৰিছে আৰু ভাগৱতৰ শ্লোক এটাৰো উদ্ধৃতি লগাই দিছে। ৰামচৰণ, গোপালচৰণ আৰু মাধৱদেৱত এই উদ্ধৃতি গৃহীত হোৱা নাই। উদ্ধৃত শ্লোকটি সমাসোক্তিৰ এটা উৎকৃষ্ট নিদৰ্শন।

(১১) পঞ্চদশ মাহাত্ম্যৰ ১১।২৫।২৪ শ্লোকটো তাৰ আগৰ ২৩ শ্লোকটো পঢ়িলেহে পৰিষ্কাৰ হয়। ৰামচৰণ আৰু গোপালচৰণ দুয়ো এই কথালৈ লক্ষ্য নকৰি "দেহৰ হিতাহিত জ্ঞানকে ৰাজস" বা "দেহাদিক জ্ঞানে মাত্ৰ ৰাজসিক সেহিজ্ঞান" বুলি ২৪ শ্লোকৰ টীকাৰ কথাকে বচনভেদে বুজাবৰ চেষ্টা কৰিছে আৰু ২৩ শ্লোকৰ "ৰাজসং কৰ্দম্ কামদং হিংসা প্ৰাৰ্থাদি তামসং" সেই কথাৰ ইঙ্গিতৰ প্ৰতি দৃষ্টি দিয়া নাই, ফলত স্পষ্ট অৰ্থৰ উদয় হোৱা নাই। দেহত বৈৰাগ্য, দেহত অহং বুদ্ধি আৰু জাগতিক বস্তুৰ প্ৰতি মমতা আৰু ইন্দ্ৰিয় লোলুপতা এই তাৎপৰ্য প্ৰকাশ হোৱা নাই। ভাগৱতত এই শ্লোকৰ আগে পাছে এই তত্ত্বৰে প্ৰচাৰ কৰা হৈছে। এই মাহাত্ম্যৰ ১১।২৫।২৩ শ্লোকৰ সুন্দৰ ব্যাখ্যা স্বামীৰ টীকাত আছে। গোপাল চৰণৰ "মোত প্ৰীতি উপদেশ দিয়া" কথাষাৰ উচিত হোৱা নাই। ৰামচৰণেও টীকাৰ "মৎপ্ৰীত্যুদ্দেশেন কেৱলং দাস ভাবেনৈৱ কৃতং যজ্ঞিয়ং কৰ্ম" এই অৰ্থ কোনোজনে প্ৰকট কৰা নাই। "হিংসোদ্দেশেন কৃতং হিংসা বহুলবং" অংশটো এৰি "দম্ভমাৎসৰ্য্যাদি কৃতং" "এই অংশতহে গুৰুত্ব দিছে।

(১২) ষষ্ঠদশ মাহাত্ম্যৰ ১১।২।৫৪ ৰ চাৰিশাৰীয়া শ্লোকটোৰ গোপালচৰণে মাত্ৰ দুটা বাক্যত সমাপ্ত কৰি থৈছে, শ্লোকৰ টীকাৰ বিস্তৃত ব্যাখ্যা আৰু উপমাবোৰলৈ ভ্ৰূক্ষেপ কৰা নাই। ৰামচৰণে এই ক্ষেত্ৰত কোনো কাৰ্পণ্য কৰা নাই আৰু টীকাৰ মূলৰ সুন্দৰ সমন্বয় কৰি পদত দিছে। শঙ্কৰদেৱে নিমিনৱসিদ্ধত ৯৬-৯৭ পদত চমৎকাৰ অনুবাদ কৰিছে। গোপালচৰণে শ্লোকৰ পূৰ্বত থকা-প্ৰসঙ্গ উল্লেখ কৰা নাই কাৰণে অৰ্থ সুগম হোৱা নাই। ইয়াৰ পাছৰ ১১।২।৫৫ ৰ গোপালচৰণৰ অনুবাদ সংক্ষেপ আৰু পালমৰা যেন হৈছে আৰু বাক্যৰ ভাষাও সুখকৰ নহয়। গোপালচৰণে কেৱল স্বামী টীকাৰ অনুবাদ কৰাত অৰ্থক্লিষ্টতা আহি পৰিছে। ১১।১৪।১৩ ৰ অনুবাদত ৰামচৰণ আৰু গোপালচৰণ দুয়োজনে অকিঞ্চন শব্দৰ নিষ্কিঞ্চন অনুবাদ কৰিছে। কান্তিমালাত তাৰ অৰ্থ দিছে নিষ্পৰিগ্ৰহ আৰু মাধৱদেৱে "মোত পৰে আনত আগ্ৰহ নাহি যাৰ" বুলি অনুবাদ কৰিছে আৰু সেইটোৱেই সম্যক অৰ্থ। ১১।১৪।১৩ ৰ গোপালচৰণে স্বামী টীকাৰ ভাঙনি দিছে। ৰামচৰণৰ অৰ্থ পৰিষ্কাৰ কিন্তু শঙ্কৰদেৱে অলপ শব্দেৰেই চমৎকাৰ অৰ্থ প্ৰকাশ কৰিছে (কীৰ্ত্তন, বৈকুণ্ঠ প্ৰয়াণ ৪৫)। ১১।১৪।১৭ ৰ অনুবাদ গোপালচৰণৰ এটা বাক্যতে শেষ, ৰামচৰণৰ কিছু বহল। কিন্তু "নৈৰপেক্ষং" শব্দৰ "একোৰে অপেক্ষা নাহিকয় যাৰ মনে" বোলাত অৰ্থ প্ৰকাশ নহল। গোপালচৰণে নৈৰপেক্ষাদি-গুণযুক্ত বুলি অনুবাদ কৰিছে; সিও সুগম হোৱা নাই।

(১৩) সপ্তদশ মাহাত্ম্যৰ ১১।৩।২৩ শ্লোক গোপালচৰণে অনুবাদ কৰা নাই। ৰামচৰণে টীকানুযায়ী কৰিছে। শঙ্কৰদেৱে নিমিনৱসিদ্ধত (১৪১) তাৰ অনুবাদ দিছে।

(১৪) অষ্টাদশ মাহাত্ম্যৰ ১।৫।১৭ ৰ অনুবাদত গোপালচৰণে টীকাৰ সকলো খিনি কথা দিয়া নাই। এইটোৰ অনুবাদত ৰামচৰণ আৰু মাধৱদেৱৰ পদত মিল আছে। ভক্তিৰসিক নীচযোনিৰ কথা গোপালচৰণত উল্লেখ হোৱা নাই। ১।৫।১৯ ৰ অনুবাদত দুটা প্ৰধান শব্দৰ উপগ্ৰহণ আৰু ৰসগ্ৰহৰ প্ৰতি গোপাল-

চৰণে গুৰুত্ব দিয়া নাই আৰু ফলত অৰ্থৰ বিকাৰ ঘটিছে; মুকুন্দৰ পাদপদ্ম আলিঙ্গনৰ স্মৰণ কথাটো তল পৰিছে। ১।৬।৩৬ ৰ অনুবাদত "কামলোভহতো মুহুঃ" বাক্যাংশৰ অৰ্থ গোপালচৰণে দিয়া নাই। শ্লোকৰ অংশলৈ লক্ষ্য নকৰি কেৱল টীকাৰ অনুবাদ কৰাত তেনে হৈছে। গোপালচৰণত ১০।১৪।৩৫ ৰ অনুবাদ নাই, বোধহয় আদৰ্শ পুথিত এই শ্লোক নাছিল। ৰামচৰণত ইয়াৰ অনুবাদ সুন্দৰ ভাবে আছে। টীকাৰ জটিলতাও ৰামচৰণত বিশদ ৰূপে ভাঙি দিয়া আছে। কীৰ্ত্তনত শঙ্কৰদেৱৰ অনুবাদ ত্ৰুটি কিন্তু প্ৰাঞ্জল (শিশুলীলা ১১৪)।

(১৫) উনবিংশ মাহাত্ম্যৰ প্ৰথম চাৰিটা শ্লোক গীতাৰ। এই কেইটাৰ অনুবাদ মাধৱদেৱৰ ঘোষাত (৬০৭—১১) আছে। গোপালচৰণৰ কথা যথাযথ, ৰামচৰণৰ বিস্তাৰিত আৰু সৰস। গোপালচৰণে ৰাজৰ্ষি শব্দ ঋষি ধৰ্মত স্থিত ক্ষত্ৰিয় বুলিছে। ৰামচৰণে কিন্তু তাৰ অৰ্থ "ক্ষত্ৰী দেহ পায়া" কৰিছে। স্বামী টীকাত "ৰাজানশ্চ ঋষয়শ্চ" বুলি আছে, গতিকে গোপালচৰণ টীকাৰ বেচি ওচৰ। স্বামী টীকাৰ ৬।১।১ ৰ চাৰিটা শ্লোকৰ টীকা নাই। অৱশ্যে মাজুলিৰ পুথিত সংক্ষেপ টীকা আছে। শ্লোকৰ অতিলঙ্ঘিত মৰ্য্যাদ শব্দৰ অনুবাদত ৰামচৰণে "লঙ্ঘিল মৰ্য্যাদ" বুলি কৈছে, প্ৰকৃত অৰ্থ বেদবিধান লঙ্ঘনকাৰীৰ কথা এজনেও কোৱা নাই। স্বামী শ্লোকৰ এটা শাৰীৰ অনুবাদ "অজামিলস্য ভক্তত্বং বিষ্ণুদূতৈ নিৰূপিতং" গোপালচৰণত নাই। ৰামচৰণত আছে। ৰামচৰণৰ "দেৱৰ ঐশ্বৰ্য্য অধীন কৰিলে শক্ৰক জিনি জীৱয়" পদৰ সমাৰ্থক কথা গোপালচৰণত নাই। নৰসিংহ পুৰাণৰ ৯/৫ শ্লোকৰ অনুবাদত "কাপকলুষস্তৰিং" ৰ অৰ্থ আন্ধাৰ বুলি কৈছে; কিন্তু গোপালচৰণে "আশা বাহন চইতো" বুলি সম্যক অৰ্থকে দিছে। এই পুৰাণৰ ৯/১ শ্লোকৰ অনুবাদ গোপালচৰণত নাই। ১১।৫।৪১ ৰ অনুবাদ ভক্তিৰত্নাৱলীত (১১৪৬—৪৯) কৰিছে। ৰামচৰণে ইমান বহলাই পদ কৰা নাই। গোপালচৰণ তাতকৈও সংক্ষেপ। নিমিনৱসিদ্ধতো (৩৯৫—৯৬)

তাৰ অনুবাদ আছে। ১১।৫।৪২ ৰ অনুবাদত টীকাৰ "নহি বস্তু শক্তি বৰ্ত্তিতামুপেক্ষ্যতে" ৰ অৰ্থ ৰামচৰণে "বস্তুৰ শকতি প্ৰাৰ্থনাক আৰু অপেক্ষা যেন নকৰে" আৰু গোপালচৰণৰ "বস্তুৰ এনয় শক্তি প্ৰাৰ্থনাকো অপেক্ষা নকৰে"—এজনৰো স্পষ্ট অৰ্থ নহল। শঙ্কৰদেৱে লিখিছে-

হৃদয়তে আছা হৰি ভকতিৰ পতি
পাপ সংহাৰক তাৰ স্বভাৱে শকতি। ৪০১

আৰু মাধৱদেৱৰ ৯১ ৪৬ পদত আছে —

উৎপত্তি মাত্ৰকে পাপ তেখনে হৰয়
বস্তুৰ শকতি প্ৰাৰ্থনাক নাপেক্ষয়।

গোপালচৰণে পদ্ম পুৰাণৰ ১৫/১৩৮ শ্লোক অনুবাদ কৰা নাই।

(১৬) বিংশ মাহাত্ম্যৰ ৩।১৫।৪৯ ৰ টীকাত স্বামীয়ে এটা গভীৰ অৰ্থ দিছে। কৰ্ণৰন্ধ্ৰৰ আকাশগুণ আৰু ভগৱন্তৰ অমৃত অনন্ত গুণ। ৰামচৰণ আৰু গোপালচৰণে এই অৰ্থ প্ৰকাশ কৰা নাই। পাণ্ডৱী গীতাৰ শ্লোকটো ৰামচৰণ আৰু গোপালচৰণে একে ক্ৰমত দিয়া নাই, বুজিব পাৰি যে দুয়োজনৰ আদৰ্শ পুথি একে নহয়। ১১।৬।১৯ শ্লোকটোৰ ক্ৰমটোও আগ-পিছাকৈ আছে। ৰামচৰণে ১০।৪৭।৬৬ ৰ অনুবাদ দিয়া নাই আৰু দত্ত বৰুৱাৰ মুদ্ৰিত ৰত্নাকৰত এই শ্লোক নাই। ৰত্নাৱলীত শ্লোকটো আছে ৩।১৫। ১০।৮৪।২... শ্লোকত কৈছে ভক্তিয়ে জীৱকোশ নাশ কৰে, গোপালচৰণে এইটো উক্তি কৰা নাই, কিন্তু ৰামচৰণে কৰিছে। ১০।৮৭।৪০ ৰ স্বামী টীকাৰ শ্লোকৰ পাছত গোপালচৰণত চৰণস্মৰণং প্ৰেম্নাৰ অনুবাদ আছে ৰামচৰণত নাই। ১০।৮৭।২০ ৰ টীকাৰ শ্লোক "ত্বদংশস্য মমেশান..." ৰামচৰণ আৰু দত্ত বৰুৱাত নাই, তাৰ ঠাইত ১১।... ৰহে অনুবাদ ৰামচৰণত পোৱা যায়। ১১।২৯।... শ্লোক দত্তবৰুৱাত নাই, ৰামচৰণতো তাৰ অনুবাদ নাই। কিন্তু এই শ্লোকৰ অনুবাদ গোপালচৰণত আছে আৰু ৰাধেশ্বৰৰ সংস্কৃত ৰত্নাকৰত এই শ্লোক আছে। ৰামচৰণে "মাজে মাজে অল্পমান কিছু সংহৰিলো" বুলিছে



সংহৰা শ্লোকবিলাক ১১।৬।১৯, ১০।৪৭।৬৬, ১১।৮৭।২০ ৰ টীকাৰ শ্লোক, ১১।২৯।৪০ এই চাৰিটাৰ অনুবাদ ৰামচৰণে কৰা নাই। দত্ত বৰুৱাৰ মুদ্ৰণত ১০।৪৭।৬৬ আৰু ১১।২৯।৪০ শ্লোক দুটা নাই।

(১৭) ভাগৱতৰ ১১।৫।৩২ শ্লোকটো বঙ্গদেশীয় আৰু কামৰূপীয় দুয়োটা বৈষ্ণৱ সম্প্ৰদায়ৰে প্ৰভূত সমাদৰ পোৱা শ্লোক। "ত্বিষাকৃষ্ণ" শব্দই গৌৰাঙ্গ চৈতন্যক সূচিত কৰে বুলি বঙ্গদেশৰ বৈষ্ণৱ সকলে কৃষ্ণদাস কবিৰাজৰ দিনৰপৰা স্বীকাৰ কৰি আহিছে। স্বামীয়ে তাৰ অৰ্থ উজ্জ্বল নীলমণিবৎ বুলি ধৰিছে আৰু শঙ্কৰদেৱেও তাকেই গ্ৰাহ্য কৰিছে। ৰামচৰণত অৰ্থও তেনেকুৱাই। শঙ্কৰদেৱ আৰু ৰামচৰণে কৃষ্ণৰ চাৰি হাতত চাৰি অস্ত্ৰ বৰ্ণনা কৰি কৃষ্ণ বিষ্ণুৰ অভিন্নত্ব দেখুৱাইছে। গোপালচৰণ এই তত্ত্বলৈ অহা নাই। দত্ত বৰুৱাৰ মুদ্ৰণত ১১।৫।৪০ শ্লোকৰ ওপৰ শাৰীটোৰ লগত এটা শাৰী জোৰাই দিছে, সেইটো ভাগৱতৰ নহয়। কোনো অনুবাদতে এই শ্লোক পোৱা নাযায়, গতিকে প্ৰক্ষিপ্ত বুলি ধৰা যা। ১২।৩।৩২ শ্লোকৰ টীকাত এটা সমৰ্থক শ্লোক দিছে। গোপালচৰণে এই শ্লোকৰ অনুবাদত একেটা মাত্ৰ বাক্যত ভাবাৰ্থ প্ৰকাশ কৰি ক্ষান্ত হৈছে। এই মাহাত্ম্যৰ বিষয় ঠাইত গোপালচৰণে পৰধৰ কৰা যেন লাগে। এইটোৰ অনুবাদ মাধৱদেৱৰ ভক্তিৰত্নাৱলীতো আছে (৮৬২—৬৩)। ৰামচৰণে ১১।৩ ৪০ ৰ বক্তা ভুল কৰি প্ৰবুদ্ধ বুলিছে, হব লাগে পিপ্পলায়ন আৰু গোপালচৰণেও শুদ্ধ-শব্দ পিপ্পলায়ন বুলি কৈছে। ১২।৩।৪১ শ্লোকটোৰ অনুবাদ গোপালচৰণ আৰু ৰামচৰণত আছে কিন্তু দত্ত বৰুৱাৰ মুদ্ৰণত নাই।

(১৮) দ্বাবিংশ মাহাত্ম্যৰ ১১।২৩।৪৫ শ্লোকটো ৰামচৰণে ভুল কৰি উদ্ধৱৰ প্ৰতি ভগৱন্তৰ উক্তি বুলি কৈছে। প্ৰকৃততে এইটো ভিক্ষুগীতত ব্ৰাহ্মণৰ উক্তি। ইয়াৰ আগৰ ৪।১৯।২৫ শ্লোকটো একেলগে থকাৰ

পৰা বুজিব পাৰি যে মাধৱদেৱে ঘোষাৰ "তুমি শুদ্ধ বুদ্ধ" আৰু 'অখণ্ডিত সদা শুদ্ধ' জুনাকি ঘোষা ভক্তিৰত্নাকৰৰ পৰাই গ্ৰহণ কৰিছে। টীকাৰ "অতিৰোহিত জ্ঞানেন" পদৰ ৰামচৰণে 'অনুপুত জ্ঞানে' অৰ্থ কৰা উচিত হোৱা নাই।

(১৯) ত্ৰয়োবিংশ মাহাত্ম্যৰ ৩।৯।৮ ৰ গোপালচৰণৰ অনুবাদ সাৰাংশৰ দৰে হৈছে; ৰামচৰণৰ অনুবাদ বিস্তৃত আৰু ব্যাখ্যামূলক। ইয়াৰ পৰৱৰ্ত্তী ৩।৯।১০ ৰ গোপালচৰণৰ অনুবাদো তেনেই। ভক্তিৰত্নাৱলীত ২৪৫-৪৭ পদত ইয়াৰ সুন্দৰ আৰু বিশদ ব্যাখ্যা আছে। ৰামচৰণৰ পদৰ লগতে ৰত্নাৱলীৰ পদৰ মিল দেখা যায়। গোপালচৰণত টীকাৰ গোটেইকথাখিনি নাই। ৩।৫।১৪ ৰ অনুবাদ ভক্তিৰত্নাৱলীৰ ৫৮০-৮৩ পদত আছে। ৰামচৰণ ইমান বিস্তাৰিত নহয় আৰু পোচ্য, পোচ্যতৰ, পোচ্যতমৰ বিশ্লেষণ গোপালচৰণত নাই। বৃহৎ নাৰদীয় পুৰাণৰ "শ্বপচো পি নৰপাল" শ্লোকটো দত্ত বৰুৱাৰ মুদ্ৰণত নাই, কিন্তু ৰামচৰণৰ পদত আছে। গোপালচৰণে বৃহৎ নাৰদীয় পুৰাণৰ পৰা উদ্ধৃত ৪টা শ্লোকৰ শেষৰটো এৰিছে, কিন্তু ৰামচৰণত তাৰ অনুবাদ আছে। গীতাৰ ৯/১২ শ্লোকৰ অনুবাদ গোপালচৰণত নাই, কিন্তু ৰামচৰণত আছে। সেয়া স্বামী টীকাৰ অনুবাদ মাত্ৰ। ৰামচৰণে পুৰাণান্তৰৰ (প্ৰকৃততে নৃ পু ১৬/১৫) শ্লোকটো এৰিছে। এইটো শ্লোক মুদ্ৰিত ভক্তিৰত্নাকৰত বৈকুণ্ঠানন্দ লহৰীৰ বুলি কৈছে, কিন্তু সেইটো নহয়।

(২০) চতুৰ্বিংশ মাহাত্ম্যৰ মুদ্ৰিত ৰত্নাকৰ "পৰদাৰাং পৰদ্ৰব্যং" এটা শ্লোক আছে কিন্তু সাঁচিপতীয়া পুথিত এই শ্লোক নাই। বোধ হয় ই প্ৰক্ষিপ্ত; সেইয়া নহলে ৰামচৰণ আৰু গোপালচৰণত তাৰ অনুবাদ থাকিল হেঁতেন।

(২১) পঞ্চবিংশ মাহাত্ম্যৰ ১০।৮০।৪ শ্লোকৰ উত্তমশ্লিঙ্গ শব্দৰ ব্যাখ্যা স্বামী টীকাত স্থাৱৰ জঙ্গম বুলি অৰ্থ কৰিছে। ৰামচৰণতো সেই অৰ্থকে ধৰা হৈছে। কান্তিমালাত ইয়াৰ অৰ্থ ভক্ত আৰু প্ৰতিমাদি ৰূপ বুলিছে। গোপালচৰণে বিষ্ণু বৈষ্ণৱ বুলি কান্তি-

মালাৰ অৰ্থকে গ্ৰহণ কৰিছে। ইয়াৰ লগতে কীৰ্ত্তনৰ পদৰ প্ৰস্তাৱ পৰা কেইটামান কথা আছে।

(২ ) ষষ্ঠবিংশ মাহাত্ম্যৰ ১।২।৬ শ্লোকৰ অনুবাদ ভক্তিৰত্নাৱলীতো দিছে। গোপালচৰণ আৰু মাধৱদেৱে স্বামী টীকাৰ প্ৰবৃত্তি নিবৃত্তি ধৰ্মৰ ভেদ উল্লেখ কৰা নাই। কিন্তু ৰামচৰণত স্বামীৰ গোটেইখিনি কথাই ঠাই পাইছে। গোপালচৰণে নিষ্কাম ভক্তিকে যে ঐকান্তিক শ্ৰেয়স বোলে এই কথা টীকাতকৈ বঢ়াকৈ কৈছে। এই মাহাত্ম্যৰ ১।২।১৩, ১১।৬।১৯ আৰু ১।৫।১১ শ্লোক ৰামচৰণৰ অনুবাদত নাই। গোপালচৰণে ১।২।১৩ৰ অনুবাদ আৰম্ভ কৰি সু অনুষ্ঠিত বৰ্ণাশ্ৰম ধৰ্মক হৰিতোষণেই চৰমফল এই কথা বুজোৱা নাই।

(২৩) সপ্তবিংশ মাহাত্ম্যৰ প্ৰথম তিনিটা শ্লোক ৪।৩১।১০-১২ ৰ অনুবাদ গোপালচৰণে একে বাক্যতে নিঃশেষ কৰিছে, স্বামীৰ কিন্তু পৃথকে টীকা আছে। ৰামচৰণৰ অনুবাদ তেনেকৈয়ে কৰা হৈছে, তথাপি অৰ্থ ব্যাহত হোৱা নাই। ২৭ মাহাত্ম্যৰ ১।৫।১২ শ্লোকটো মুদ্ৰিত গ্ৰন্থত আৰু মাজুলীৰ পুথিত আছে, কিন্তু বাৰেঘৰৰ সংস্কৃত পুথিত নাই। গোপালচৰণ আৰু ৰামচৰণৰ অনুবাদ আছে। ৰামচৰণে নৃসুৰ ৯/৪ শ্লোকটো পদ্মপুৰাণৰ বুলি ভুল কৰিছে। ৰামচৰণত নাঃ পুঃ ৰ ৩৪/৫৯ শ্লোকটো অনুবাদ কৰা নাই; গোপালচৰণত দুয়োটাৰ অনুবাদ আছে।

(২৪) অষ্টাবিংশ মাহাত্ম্যৰ ১২।১২।৫০ শ্লোকটো দত্ত বৰুৱাৰ গ্ৰন্থত নাই আৰু ৰামচৰণতো তাৰ অনুবাদ নাই। গোপালচৰণত অনুবাদ সংক্ষিপ্ত আৰু এই শ্লোক মাজুলী আৰু বাৰেঘৰৰ পুথিত পোৱা যায়।

(২৫) ত্ৰিংশ মাহাত্ম্যৰ পৰা বাৰেঘৰ, মাজুলী, গোপালচৰণৰ কথা এহাতে আৰু মুদ্ৰিত ৰত্নাকৰ আৰু ৰামচৰণৰ পদৰ আনহাতে মিল দেখা যায়। ইয়াৰ পৰা প্ৰমাণ হয় যে গোপালচৰণ আৰু ৰামচৰণৰ আদৰ্শ পুথি বিভিন্ন। বাৰেঘৰ, মাজুলীৰ সংস্কৃত ৰত্নাকৰ আৰু গোপালচৰণৰ কথা-ৰত্নাকৰৰ ৩০ মাহাত্ম্য দঃ বঃ আৰু ৰামচৰণত একত্ৰিংশ মাহাত্ম্য। ৬।১।৯ শ্লোকৰ ৰামচৰণৰ অনুবাদতকৈ গোপালচৰণৰ কথা অধিক স্পষ্ট। শেষৰ তিনিটা শ্লোক ৬।২।১৬, ৬।২।১৭ আৰু ৬।২।১১ ভক্তি ৰত্নাৱলীৰ ৫ম বিৰচনত আছে ৫।২২, ৫।২৩, ৫/১৭। এই কেইটাৰ স্বামী আৰু কান্তিমালাৰ টীকা আছে। অনুবাদক দুয়োজনে টীকাৰ সাৰাংশ মাত্ৰ দিছে, গোপালচৰণৰ কথা চুটি।

(২৬) বাৰেঘৰ আৰু মাজুলীৰ ৩১ মাহাত্ম্য দত্তবৰুৱা আৰু ৰামচৰণৰ ৩০ মাহাত্ম্য। ইয়াৰ প্ৰথম শ্লোকৰ অৰ্থ ৰামচৰণত বিবৃত হৈছে। বেদে প্ৰবৃত্তি পথক নিন্দা কৰাটো অৰ্থ নহয়। গোপালচৰণত অৰ্থ ব্যাহত হোৱা নাই। দুয়োজন অনুবাদকে বিষয়ত গুণৰ আৰোপ কথাটো ভালদৰে বুজোৱা নাই। ৰামচৰণৰ "বিষয়ক গুণবুদ্ধি কৰিলতে" আৰু গোপালচৰণৰ "গুণ বুদ্ধিয়ে চিন্তিলে" অৰ্থ প্ৰকাশ কৰা নাই।

(২৭) গোপালচৰণৰ ৩২ মাঃ ৰামচৰণত ৩১ মাহাত্ম্য হৈছে। তাৰ প্ৰথম শ্লোক ১১।১০।২১ ৰ টীকাত স্বামীয়ে স্পৰ্দ্ধা, অসূয়া, অত্যয় বাৰ এই কেইটাৰ ব্যাখ্যা দিছে যদিও এজন অনুবাদকেও তাক সমাদৰ কৰা নাই, সেইদৰে "কৃষিবৎ নিষ্ফলং" উক্তিটোও ঠাই দিয়া নাই। দুইজনে ১১।১০।২৩—২৬ শ্লোক একে লেঠাৰিয়ে অনুবাদ কৰিছে। শেষৰ শ্লোকৰ অনুবাদত স্বামীয়ে কলে বিমানৰ পৰা পেলায় কথাৰ ক্ষেত্ৰত গোপালচৰণে "গন্ধৰ্ব অপ্সৰায়ে বোলোতে কঢ়া কথা কোৱা হৈছে।

(২৮) ৩৩ মাঃ ৰ ( দঃ বঃ ৩২ ) প্ৰথম শ্লোকটো ৫।১৯।২১ ভক্তিবিবেকতো আবৃত। প্ৰসঙ্গ নিৰ্দেশৰ স্বামীৰ টীকাত "যতঃ স্বৰ্গে কেবলং দুঃখমাত্ৰং" আছে, ৰামচৰণৰ মুদ্ৰিত পুথিত সুখময় বোলা আছে। সম্ভৱ এইটো ৰামচৰণৰ নহৈ লিপিকাৰ বা মুদ্ৰাকাৰৰ হে হব। দত্তবৰুৱা আৰু ৰামচৰণত ৫।১৯।২৪ শ্লোক নাই, কিন্তু



গোপালচৰণৰ অনুবাদত আৰু বাৰেঘৰ আৰু মাজুলীৰ পুথিত আছে। ৰামচৰণৰ পাছৰ পদবিলাক এই শ্লোক নথকাৰ কাৰণে সঙ্গতিহীন হৈ পৰিছে। গোপালচৰণে বিষ্ণুপুৰাণৰ ২।৩।২৬ শ্লোকৰ শেষ শাৰীটো এৰি নিজৰ কথা অলপ লগাই দিছে। "যে ভাৱতে নেন্দ্ৰিয় বিপ্ৰহীনা।" বাক্যাংশৰ অৰ্থ "ভাৰতে মনুষ্য হৈলে সাধন সম্পূৰ্ণ" নহয়, দেৱতা সকল ইন্দ্ৰিয়বিহীন, মানুহ ইন্দ্ৰিয়-যুক্ত এই কথাহে কৈছে।

(২৯) দত্তবৰুৱাৰ ৰত্নাকৰত ভক্তি অধিকাৰীৰ ভক্তি-যোগ ৩৫ মাহাত্ম্যৰ মায়াতৰণোপায়ৰ ভিতৰত সুমাই লোৱা আছে। প্ৰকৃততে এইটো এটা পৃথক মাহাত্ম্য। কোনোবা পণ্ডিতে নাৰদীয়পুৰাণ থনত থকা শ্লোক কেইটাক শঙ্কৰদেৱৰ ছাব মাৰি ভক্তি ৰত্নাকৰত প্ৰক্ষেপ কৰিছে। ভাগৱতত নটা ভক্তিৰ বিৱৰণহে আছে, দশটা নহয়। লক্ষ্য কৰিবলগীয়া কথা এই যে এই কেইটা শ্লোকৰ টীকা নাই আৰু বোম্বাইৰপৰা প্ৰকাশিত নাৰদীয় পুৰাণতো টীকা নাই। ভক্তি ৰত্নাকৰত ৩৮ টা মাহাত্ম্য আছে আৰু মাজুলীৰ পুথিত এই কথা উল্লেখ কৰিছে। গতিকে দশবিধ ভক্তি নামৰ মাহাত্ম্য এটা যোগ দিলে ৩৯টা মাহাত্ম্য হব আৰু সেই কাৰণে ভক্তি অধিকাৰীৰ ভক্তিযোগ অধ্যায়টো মায়াতৰণোপায় হিচাপে সুমাই লবলগীয়া হল। "ভক্তি অধিকাৰিণো ভক্তিযোগং নৰভিঃ" বোলাত প্ৰত্যক্ষ ভাৱে বুজা যায় যে এইটো এটা পৃথক মাহাত্ম্য।

মাজুলীৰ পুথিত ৩৪ মাহাত্ম্যৰ প্ৰথম শ্লোকটো ১১।২০।৭, ১১।২০।৮ ৰ এটাৰ এশাৰী আৰু ইটোৰ এশাৰী জোৰাই দি কৰা পদ, বাৰেঘৰৰ পুথিত সেইটো নাই। এই মাহাত্ম্যৰ প্ৰথম শ্লোকটো ১১।২০।২৭ হে হব লাগে। তেনেদৰে গোপালচৰণত আছে। প্ৰথম দুটা শ্লোক গোপালচৰণে এটা বাক্যতে সাঙ্গ কৰিছে। ফলত অৰ্থ সঙ্কুচিত হৈ পৰিছে।

(৩০) গোপালচৰণৰ ৩৫ মাহাত্ম্য ৰামচৰণ আৰু দত্তবৰুৱাত ৩৪ মাহাত্ম্য হৈছে। প্ৰথম শ্লোক ১১।১৯।১৭ ৰ ৰামচৰণে টীকাৰ শাব্দিক অনুবাদ কৰিছে কিন্তু "সেহিমতে চৈতন্য ঈশ্বৰ যোতপৰে দেখিবেক যত আন মিছা নিৰন্তৰে" এই কথাই "নেহমাস্থাস্তিকিকনৰ" ভাব বুজোৱা নাই। গোপালচৰণে মূল শ্লোকৰ অনুবাদ কৰি ক্ষান্ত। ১১।৩।১৮ ৰ অনুবাদত ৰামচৰণে মিথুনীচাৰী শব্দৰ উল্লেখ কৰা নাই, গোপালচৰণে কৰিছে। ৰামচৰণৰ "সুখ হোৱয় কিঞ্চিত" "নোহয় কিঞ্চিত" হব লাগিছিল; নিমিনৰসিদ্ধত "সুখ দুহিকে কিঞ্চিত" বোলা আছে। গোপালচৰণে ১১।৩।১৯ আৰু তাৰ টীকাৰ একে লগে অনুবাদ সংক্ষেপে কৰিছে যদিও দৃঢ় ভাৱে অৰ্থ প্ৰকাশ হৈছে। মাজুলীৰ পুথিত দুটা অধিক শ্লোক পোৱা যায় তাৰ অনুবাদ ৰামচৰণ আৰু গোপালচৰণত নাই, সেই কাৰণে প্ৰক্ষিপ্ত শ্লোক বুলি ধৰিব পাৰি। ১১।১০।৩০ ৰ অনুবাদত ৰামচৰণে ব্ৰহ্মাৰো সুখ নাই, এই বুলি কৈছে। প্ৰকৃততে ব্ৰহ্মাৰো ভয় আছে এনে হব লাগে। ব্ৰহ্মাৰ দিব্য শতেক বছৰ কথাটো বুজোৱা নহল। গোপালচৰণে দ্বিপৰাৰ্দ্ধপৰমায়ু কথাটো ব্যাখ্যা কৰা নাই। দুয়ো ১০।৮৯।১৫ শ্লোকটো শুকদেৱৰ উক্তি বুলি কৈছে, প্ৰকৃততে সেইটো শ্লোক টীকাকাৰৰ। ৰামচৰণে চাৰিবিধ বৈৰাগ্যৰ স্বামীয়ে দিয়া চাৰিটা নাম ব্যক্ত কৰা নাই। গোপালচৰণে এই কেইটা নাম দিছে, যতমান ব্যতিৰেক, একেন্দ্ৰিয় আৰু বশীকৃত্য। ৰামচৰণত ৩।১১।৩২ আৰু গোপালচৰণত শান্তিশতকৰ ২য় শ্লোকৰ অনুবাদ নাই। এই মাহাত্ম্যৰ শেহত গোপালচৰণে কথাত মোহ মুদ্গৰৰ অনুবাদ দিয়া নাই। প্ৰকৃততে এইটো লিপিকাৰৰ পূৰ্ণকামদেৱৰ সংযোজন, তেওঁ মোহমুদ্গৰৰ পদ কৰিছিল আৰু তাকে সাতোটা শ্লোক কথাৰে মাহাত্ম্যৰ শেহত জোৰাই দিছিল।

( ক্ৰমশঃ )

# অসমৰ জনজাতিসকলৰ ডেকাচাং অনুষ্ঠান

শ্ৰীলোকেশ্বৰ গগৈ

ডেকাচাং অনুষ্ঠান ভাৰতৰ উঃ পূঃ অঞ্চলৰ জনজাতিসকলৰ সমাজত বাৰেবৰণীয়া সাংস্কৃতিক অনুষ্ঠান, যাৰ গুৰুত্বপূৰ্ণ ভূমিকা সমাজ গঠনত লেখত লবলগীয়া। এনে এটা বৈশিষ্ট্যপূৰ্ণ অনুষ্ঠানে পৰোক্ষ আৰু প্ৰত্যক্ষভাৱে সামাজিক প্ৰগতিৰ পথত যিদৰে অৰিহনা যোগাইছে, তাক অনুধাৱন কৰি বিস্মিত নহৈ নোৱাৰি। ই জনজাতিৰ কৃষ্টি-সংস্কৃতিৰ কঠীয়াতলী। ডেকাচাঙৰ দৰে গাভৰু চাঙো বহুতো জনজাতিৰ মাজত অদ্যাপিও প্ৰচলিত হৈ আছে। বৰ্তমান জনজাতিসকল আধুনিক শিক্ষাৰে শিক্ষিত হোৱাৰ লগে লগে ইয়াৰ প্ৰচলন নাইকিয়া হৈ পৰিছে আৰু অচিৰেই যাদুঘৰৰ বস্তু হৈ পৰাৰ ধাৰণা হৈছে। নিজা গাঁঠিৰ ধন খৰচ কৰি নেফা (বৰ্তমান অৰুণাচল) আৰু অন্যান্য ঠাইৰ সংগৃহীত সমলেৰে ডেকাচাঙৰ বৈশিষ্ট্যসমূহ এই প্ৰবন্ধত প্ৰকাশ কৰা হল।

ডেকাচাং আৰু গাভৰুচাঙত যথাক্ৰমে আবিয়ৈ ডেকা আৰু গাভৰুহঁতে ৰাতিটো কটাৰ সুবিধা পায়। ডেকাচাঙৰ ঐতিহ্য মন কৰিবলগীয়া, যাৰ মাধ্যমেদি তেওঁলোকে নিজ নিজ পুৰণিকলীয়া শাৰীৰিক, মানসিক, নৈতিক, ধৰ্মীয় তথা সামাজিক শিক্ষাৰ উপযুক্ত শিক্ষা আহৰণ কৰিব পাৰিছিল। তদুপৰি কৃষি-কৰ্ম, ৰণ বিদ্যা, চিকাৰ, গৃহ-নিৰ্মাণ, গ্ৰাম্য উন্নয়ন, গাঁৱ নিৰাপত্তা, সমবায় পদ্ধতি আৰু সামাজিক উন্নতিৰ লেখীয়া এশ-এবুৰি বিদ্যাশিক্ষা ডেকাচাঙতেই প্ৰতিফলিত হৈছিল। গাভৰুহঁতেও সূতা কটা, কাপোৰ বোৱা, উদ্যোগীয়া উন্নতি, নৃত্য-গীতৰ চৰ্চা, গাৰ্হস্থ্য জীৱনৰ জ্ঞান আৰু তিৰোতাৰ আৱশ্যকীয় সকলো জ্ঞান গাভৰু চাঙতে লাভ কৰিছিল। মুঠতে এই চাঙেই তেওঁলোকৰ যাদুঘৰ, ক্লাব ঘৰ, বিচাৰালয়, অতিথি শুশ্ৰূষালয়, কুটীৰ শিল্পালয়, সমূহীয়া মন-ভাৱ-ভাৱালয় তথা কামৰ মিলনৰ বিজয় নিচান স্বৰূপ।

জনজাতি অনুসৰি ডেকাচাং নিৰ্মাণৰ প্ৰণালীও ভিন ভিন। অসমীয়াৰ ভঁৰালৰ ৰূপত ডেকাচাঙক বিজনি দিব পাৰি, অৱশ্যে কোনো কোনোৱে চাংঘৰৰ পৰিৱৰ্তে মাটিতেই ঘৰ বান্ধি লোৱা দেখা যায়। ডেকাচাঙলৈ গাভৰু আৰু গাভৰু চাঙলৈ কোনো ডেকাই বিনা কাৰণত প্ৰৱেশ কৰিব নোৱাৰে, অৱশ্যে কোনো কোনো ডেকাচাঙত ইয়াৰ ব্যতিক্ৰম দেখা যায়।

অৰুণাচলৰ পাদামে ডেকাচাঙক মচুপ, ছোৱালীৰ ডেকাচাঙক ৰাচেং, মিন্যাঙোৱে ডেৰে, মিলাঙে ডাপটেং, ৰবি আৰু আচিঙে ব্যাংগ বুলি অভিহিত কৰে। এই সকলোবিলাক আদিৰে ঠাল-ঠেঙুলি। বেঁত, বাঁহ আৰু কাঠেৰে সজা মচুপৰ চাংখন চাৰি পাঁচ ফুট ওখ আৰু ওপৰলৈ উঠিবলৈ কাঠ বা বাঁহৰ খটখটি সাজি লয়। প্ৰতি গাঁৱৰ একাষত বা পাহাৰৰ দাঁতিত ত্ৰিশ ফুট বহল আৰু ডেৰশ ফুট দীঘলীয়াকৈ এই ঘৰ সজা হয়। কৌ-পাতৰ চাৰনিৰে দুয়োখন চাল দুয়ো মূৰে গাঁথৈত লগলগোৱা। বাকী দুয়ো-



ফালে, বতাহ আৰু শীতক বাধা দিবৰ বাবে কৌ-পাতেৰে ঢাকি লয়। মাত্ৰ একোঠলীয়া ঘৰটোৰ ভিতৰলৈ সোমাবলৈ এটা বাট থাকে। দিনত মাক-বাপেকৰ সৈতে কাম বন কৰাৰ পাচত বেলি মৰহাৰ আগতে ঘৰত ভাত পানী খাই ডেকা-গাভৰুহঁতে নিজ নিজ মচুপলৈ আহে আৰু ৰাতি সুখে-স্বচ্ছন্দে ঘুমতি যায়। দহ বছৰীয়া লৰা-ছোৱালীক মচুপত ভৰ্তি কৰোৱা হয় আৰু বিবাহ নোহোৱালৈকে ইয়াতেই ৰাতি কটোৱাটো তেওঁলোকৰ দৈনিক কৰ্তব্য। মচুপৰ খুটাত জীৱ-জন্তু আৰু বনৰীয়া বৃক্ষ-বিহংগৰ ভাস্কৰ্য্য দেখিবলৈ পোৱা যায়। কেৱল এয়ে নহয়, বাঘ, ঘোং, মেঠন আদি জীৱ-জন্তুৰ হাড়, মূৰ, জকা, শিং, নখ আদি মচুপৰ খুটাত প্ৰদৰ্শনী হিচাপে আঁৰি থৈ সৌন্দৰ্য্য বঢ়ায়। সেয়েতেই আদিৰ যুৱক-যুৱতীৰ ব্যক্তিত্ব সাঁচত গঢ়নৰ প্ৰকৃত আলয়। ইয়াতেই বৃন্দ নৃত্য, ওমৰাগীত আৰু অন্যান্য গীতৰ আখৰা হয়। মুঠতে ডেৰেই আদিৰ ডেকা-গাভৰুৰ জীৱনৰ বসন্তৰ মধুৰ কাল। মচুপত কেবাখনো মৰোম থাকে, য'ত তেওঁলোকে জুই পুৱায়। মৰোমৰ ওপৰত একোখনকৈ ওগমা চাং থাকে, য'ত চিকাৰ কৰি অনা জীৱ-জন্তুৰ হাড়-মূৰ সংৰক্ষিত কৰি ৰাখে। মৰোমৰ বাদেও আৰু এখন প্ৰধান জুহাল আছে, যাক ৰ'মচ'ম বোলে। ইয়াত গাঁৱৰ বয়োজ্যেষ্ঠসকল আৰু দুৰ্বললোক গোট খায় আৰু ৰাতি নিদ্ৰাৰ আশ্ৰয় লয়। মৰোমৰ দায়িত্ব বয়োজ্যেষ্ঠ যুৱকসকলৰ হাতত ন্যস্ত থাকে আৰু তেওঁলোকেই সুবিচাৰ কৰি অপৰাধীসকলক শাস্তি বিহে।

সোঁ মাজত অৱস্থিত কেইখনমান জুহালৰে সৈতে ৰাচেং এটি সৰু ঘৰ, য'ত আদিৰ নিজ নিজ কৈদৰ আবিয়ৈ আৰু যৌৱনপ্ৰাপ্ত ছোৱালীহঁতে ৰাতি নিদ্ৰা যায়। বিভিন্ন মচুপৰ ডেকাই ৰাচেঙত পৰিদৰ্শন কৰাৰ স্বাধীনতা আছে। ইয়াৰ মাজেদিয়েই ডেকা-গাভৰু প্ৰণয়াসক্ত লিপ্ত হয় আৰু ভবিষ্যতৰ জীৱনৰ লগৰীয়া হোৱাৰ পথ মেলে। ডেকা-গাভৰুৰ মত মিল মিল অভিভাৱকৰ গ্ৰহণযোগ্য হ'লে ডেকাই সেই দিনাৰ পৰা ছোৱালীৰ ঘৰলৈ অহা-যোৱা কৰাত কোনো বাধা আৰোপ নকৰে আৰু বিয়া নোহোৱা পৰ্য্যন্ত ৰাচেঙত দুয়ো ৰাতি থকাৰ স্বাধীনতা পায়।

মুৰাং বা পা ৰাংচুসকলৰ কলিজাৰ আমঠু, য'ত প্ৰাচীন কালত নৰমুণ্ড চিকাৰৰ আয়োজন কৰিছিল আৰু মুণ্ডবোৰ ইয়াতেই সংগ্ৰহ কৰি ৰখাৰ সুব্যৱস্থা আছিল। তদুপৰি শত্ৰুৰ হাতখন আঙুলিৰে সৈতে মুৰাঙৰ খুটাত বিজয়ৰ চিন স্বৰূপে আঁৰি থৈছিল। অস্ত্ৰ-শস্ত্ৰ নিৰ্মাণ আৰু সংৰক্ষণ হয় এই মুৰাঙতেই। মুৰাঙতেই প্ৰায় ত্ৰিশ ফুট দীঘলৰ নৌকা আকৃতিৰ কাঠৰ ঢোল (খুাম) থাকে, যাৰ বাদন শুনিলে, গঁৱাই বিপদৰ ইংগিত বুলি ভাবি সতৰ্ক হয় শত্ৰুৰ বিপক্ষে ৰণ দিবলৈ। খুামত চিত্ৰিত কৰা নৰমুণ্ড, বিবিধ চৰাই, জন্তুৰ মূৰ, সাপ আদি দেখিলে বিস্ময় মানিব লাগে। বৰ্তমান এই অনুষ্ঠান সমূহত নিয়মানুৱৰ্তিতা, সংহতি স্থাপন আৰু সামাজিক মংগলৰ বাবে সকলো কামৰ শিক্ষা দিয়া হয়। ৰাংচু ছোৱালীৰ বাবে বেলেগ মুৰাং ঘৰ নাথাকে, লৰাৰ মুৰাঙৰ লগতেই তেওঁলোকৰ বাবে সুবিধাজনক ঘৰৰ ব্যৱস্থা আছে। এগৰাকী বিধৱা বুঢ়ীৰ দায়িত্বত তেওঁলোক পৰিচালিত হয়। এনে নাউচা জুপ হাম ঘৰেই ৰাংচু ছোৱালীৰ মুৰাংঘৰ, য'ত ল'ৰা প্ৰৱেশৰ কোনো বাধা নাই আৰু ডেকা-গাভৰুৰ কোনো বস্তুৰ উপহাৰ বিনিময় হয়। কচহুৱা গল্পৰ মেল, বন্ধু-বান্ধৱীৰ নিভাজ যোগসূত্ৰ স্থাপন আৰু অবাধ যৌন মিলনেৰে ৰাতি কাল-যাপন কৰাৰ স্বাধীনতা পায়। গুপুত মিলনৰ যৌনাকাংখ্যা থাকিলেও তেওঁলোকে নিজ কৈদৰ সামাজিক ৰীতি-নীতি লংঘন নকৰে আৰু কেতিয়াও অসৱৰ্ণ মিলনক প্ৰশ্ৰয় নিদিয়ে। অসৱৰ্ণৰ আশ্ৰয় দিলে, তেওঁলোকে মৃত্যুৰ বেলা শাস্তি পায় বুলি বিশ্বাস কৰে। ছোৱালীয়ে নিজ কৈদৰ লৰাৰ লগত গান নাগায়, যাক তেওঁলোকে আপোন ভাই-ককাই বুলি মানে।

পুৰণি কালত চেৰেন্দুকপেনসকলৰ সমাজত আবিয়ৈ লোকৰ ৰাতি কটোৱাৰ কোনো ঘৰৰ ব্যৱস্থা নাছিল। আজি-কালি তেওঁলোকৰ সমাজত শিথিল পৰিবেশত ৰাতি কটাব পৰা ঘৰৰ ব্যৱস্থা নাছিল। সমবয়সীয়া চামৰ লৰা-ছোৱালীয়ে বেলেগ বেলেগ দলৰ গঠন কৰি ৰাতি সেই ঘৰতেই শিথিল শিষ্টাচাৰৰ আলমত নিদ্ৰা যায়। কোনো কোনো পৰিয়ালৰ বাহিৰে পকা ঘৰৰ একোঠাত গাৱঁৰ লৰা-ছোৱালীক একেলগে স্বাধীন হিচাপে থকাৰ ব্যৱস্থা লেৰন্তলৱলগীয়া। এই মিচিমা যুৱকইতে অসীম বীৰত্বৰে শত্ৰু মিছি আৰু অকাইতৰ দুঃসাহসিক আক্ৰমণ ভেদি গাওঁ ৰক্ষা কৰাত সহায় কৰিছিল।

জনজাতি সকলে ডেকাচাঙত বহি জীৱ-জন্তুৰ হাড়-মূৰ, মণি, পাথৰ, গাহৰি দাঁত, হস্তী দাঁত, চিচা, পিতল, গৰু-ছাগলীৰ বিভিন্ন ৰঙৰ নোম, চৰাই ঠোঁট-নখাদিৰ পৰা ব্যক্তি সাজ-সজ্জা তথা লাহ-বিলাহৰ অঙ্গ-অলংকাৰ বনাবলৈ শিকে। এই ক্ষেত্ৰত ৱাংচু আৰু নক্টেসকলৰ অৰুণাচলৰ অন্যান্য জনজাতিতকৈ বহু গুণে অধিক বুলি ক'ব পাৰি। নক্টেৰ কাপোৰৰ লেংটি আৰু ৱাংচুৰ পিতলৰ লেংটিও মূৰাঙতেই তৈয়াৰ হয়। দা (যুকচা), যাঠি, ধনু-কাড় আদিৰ নিৰ্মাণ আদি ইয়াতেই। নক্টেসকলে ছাগলি বা বান্দৰৰ নোমত ৰং দি, তাৰ ফুলমালিৰে যাঠি বনায় আৰু অন্যান্য বস্ত্ৰ শিল্প তৈয়াৰ কৰে। সৰুঁৱা, গোৰা, পেটী, কমৰ-বন্ধ, বেঁতৰ ৰং দিয়া হাৰ, বাজু তৈয়াৰ কৰা নক্টে ডেকাৰ ঘৰুৱা শিল্পৰ বহুমূলীয়া অৱদান। ৱাংচু ডেকাইতে কাঠৰ মূৰ্তি, পুতলা, ঘোঁৰা-খোৱা, বাঁহৰ ফুল জালি, নানা কাৰুকাৰ্য্যৰে সজা বাঁহৰ পাত্ৰ, হোৰা, সৰুঁৱা, পেটী, বাজু, কমৰ-বন্ধ, ৰং দিয়া বেঁতৰ হাৰৰ প্ৰশিক্ষণ মূৰাঙতেই পায়। ৱাংচু, নক্টে, আদি, গালং গাভৰুৱে গছৰ আঁহ আৰু কপাহৰ পৰা সূঁতা কাটি বিধে বিধে কাপোৰ বয়। তাংচা ডেকাই ঢোল, কালি, দৰ কাঁহ, গগনা, টোকাৰী, আদি অনেক বাদ্য মূৰাঙতেই সাজে। তেওঁলোকে বাঁহৰ ফুলজালি সাজে আৰু ওমলা-ধুমতীয়া গীতৰ চৰ্চা কৰি আনন্দেৰে ৰাতিটো কটায়। আদিৰ গাভৰুৱে গালে (মেখেলা), গালুক (চোলা), মিৰ কাপোৰ, লেংটি আৰু তাংচাৰ গাভৰুৱে ৰং-বিৰঙৰ মোনা, লুঙি, তৈয়াৰ কৰাৰ উপৰিও কাপোৰত নানা মূৰ্ত্তি তথা ফুলৰ চানেকিৰে সপোন ৰচনা কৰে। তাংচাই মূৰাঙক লুপ্‌পং বোলে।

আও নগাৰ সমাজত ডেকা আৰু গাভৰু চাঙৰ বৈশিষ্ট্য স্মৰণযোগ্য, কিন্তু ডেকাই গাভৰু চাঙত আৰু গাভৰুৱে ডেকা চাঙত প্ৰৱেশ কৰা নিষেধ। তেওঁলোকে ডেকা চাঙক মুৰাং বোলে। প্ৰতি তিনি বছৰৰ মূৰে মূৰে গাৱঁৰ চেঙেলীয়া লৰাইতে মুৰাঙলৈ আহে। প্ৰথম দলটোৰ নাম মোজোবা-বিহাৰী। তিনি বছৰৰ পাচত সেই দলটো টুকাপৰাবিহাৰী মৰ্য্যাদালৈ উন্নীত হয়। ইয়াৰ তিনি বছৰৰ মূৰত চুচেনবাবিহাৰী সন্মানৰ অধিকাৰী হয়। শেষত এই দলেই টাটাৰী পদ মৰ্য্যাদালৈ উন্নীত হয়। এইদৰে এচামৰ পাচত আন চামে পদোন্নতি কৰি সমাজৰ সুখ-দুখৰ ভাগী হয়। চুচেনবাবিহাৰী দলেই মুৰাঙৰ দলপতি হয় আৰু দলপতিৰ আদেশত মুৰাঙৰ সকলো কাম নিয়াৰিকৈ সমাধা কৰা হয়। টাটাৰী অৱস্থাত তেওঁলোকে গাৱঁৰ শাসনভাৰ, শৃংখলা আদি গধুৰ দায়িত্বসমূহ মূৰ পাতি লয়। এইদৰে প্ৰতি তিনি বছৰৰ অন্তৰে অন্তৰে এদলৰ শুভাগমন আৰু এদলৰ বহিৰাগমন হৈ থাকে। প্ৰধান হোৱা প্ৰক্ৰিয়াম আও নগাই গাৱঁৰ সামাজিক, নৈতিক, শৃংখলাবদ্ধ জীৱন-যাপন, ৰণ-কৌশল, নৃত্য-গীত, পাৰস্পৰিক ভাব-ভাষা বিনিময়, গ্ৰাম্য সাংগঠনিক উন্নয়ন, কৃষি-কৰ্ম, সমাজ ব্যৱস্থা, অভ্যৰ্থনা, দৈনন্দিন জীৱন-যাত্ৰাৰ প্ৰণালী, সুনাগৰিকত্ব, ধৰ্মীয় আচাৰ-ব্যৱহাৰ আৰু আমোদ-প্ৰমোদৰ চৰ্চাৰে স্বৰ্গীয় সুখ অনাৰ সমলেৰে প্ৰশিক্ষণ প্ৰাপ্ত হয়। এই বাবেই আও নগাই মুৰাঙক বাদ দি জীয়াই থাকিব নোৱাৰে, যাক কেন্দ্ৰীভূত কৰি তেওঁলোকৰ জীৱন যাত্ৰা প্ৰতি পদে



পদে ঘূৰিব লাগিছে।

আও নগাৰ মুৰাং ঘৰবোৰ বৰ দীঘলীয়া আৰু যথেষ্ট আহল বহল। প্ৰাচীন কালত ইয়াৰ পৰাই নৰমুণ্ড চিকাৰৰ অভিযান আৰম্ভ হৈছিল। ৰণ জয় কৰি অনা নৰ-মুণ্ডৰে ডেকাবীৰসকলক ইয়াতেই সন্মান জনাইছিল আৰু নৃত্য-গীতেৰে আনন্দ দিবলৈ পাহৰা নাছিল। মুৰাঙৰ খুটাত জীৱ-জন্তুৰ ভাস্কৰ্য্য দেখিলে, তেওঁলোক নিপুণ বাটৈ আছিল বুলি ঠাৱৰ কৰিব পাৰি। নানা বিধ বৃক্ষ-লতা-পাত, জীৱ-জন্তুৰ হাড়-মূৰ-নখ ছাল, শিং আদিৰে মুৰাঙৰ ভিতৰখন আটিক ধুনীয়াকৈ ৰাখি যাদুঘৰত পৰিণত কৰিছিল। ইয়াতে গাঁওৰ সমাজ বহাৰ ব্যৱস্থা আছে আৰু গাঁওৰ সুখ-দুখ, পূজা-পাৰ্বণ ইত্যাদি বিষয়ৰ আলোচনা হয়।

লুচাই (মিজো) সকলে মুৰাঙক জলতক বোলে। ই জাতীয় জীৱনৰ মেৰুদণ্ড ৰূপে অভিহিত আৰু ইয়াক কেন্দ্ৰ কৰি ডেকাইতে নৃত্য-গীতৰ আধাৰত অকৃত্ৰিম আনন্দৰ দিনবোৰ বোৱাই ঐক্যৰ এনাজৰীৰে বান্ধ খাইছিল।

গাৰোসকলে মুৰাঙক নোকফান্তে বোলে। দিনত তেওঁলোকে মাক-বাপেকৰ লগত কাম কৰে আৰু ৰাতি নোকফান্তেত শুৱেহি। অতীতৰ নোকফান্তে ঘৰ দুই মহল আৰু চল্লিশ ফুটমানকৈ দীঘল আছিল। ইয়ালৈ প্ৰৱেশ কৰা পথৰ আগত থকা অংশত বেৰ নাই আৰু সন্মুখৰ দুটা ফ'লে কেইটামান আধা বেৰ দিয়া পথ আছিল। ঘৰটো অসমীয়া মানুহৰ ভঁৰালৰ নিচিনাকৈ সজা। বেঁত-বাঁহেৰে সজা কাঠৰ খুঁটাবোৰৰ কাৰুকাৰ্য্যৰে চাতনি দিয়ে। অতীতত ইয়াৰ নীতি-নিয়মবোৰ আছিল কঠোৰ আৰু বৰ্তমান ইয়াৰ কঠোৰতা শিথিল হৈ পৰিছে।

জেমি নগাৰ দীঘলীয়া মৰং (হাংচৌকিয়া) আন পাহাৰীয়া জাতিৰ চাংঘৰৰ নিচিনা নহয়। হাংচৌকিয়া ত্ৰিভুজাকৃতিৰ খোক ঘৰ ওখ-চাওৰ। ইয়াৰ বেৰৰ দুচোকাতে ৰাতি শুবৰ বাবে একোখনকৈ দীঘলীয়া চাং থাকে। মাজৰ খালি ঠাইডোখৰত কেবাখনো হেমিবাম (জুহাল) থাকে, য'ত জুই পুৱায় আৰু বহি নানা বিষয়ৰ আলোচনা কৰে। ব্যৱহৃত দা-যাঠি আদি ইয়াতেই ৰাখে আৰু চিকাৰ কৰা জীৱ-জন্তুৰ লাও-খোলাবোৰ চাল-বেৰত ওলোমাই থয়। কোনো ছোৱালী বা তিৰোতাই ইয়াত প্ৰৱেশ কৰিব নোৱাৰে আৰু কেতিয়াবা কোনো কাৰণত আহিলেও ঠিয় হৈ থাকিব লগীয়া হয়। জুমখেতিৰ পথাৰৰ পৰা কোনো লোকে আহা পলম কৰিলে বিচাৰি অনা, গাঁৱত জুই লাগিলে নুমোৱা, কোনো মানুহ মৰিলে মৃতকৰ ঘৰ ৰখীয়া হোৱা, আৰু ঘৰৰ যাৱতীয় কামত সহায় কৰা কৰ্তব্য মৰঙৰ ডেকাহঁতৰেই। জান-জুৰিৰ পৰা ফলীয়া বাঁহ জোঁৰা দি পানী অনা, সামাজিক কামত ব্যৱহাৰ কৰিবলৈ হাবিৰ পৰা বনা জন্তু চিকাৰ কৰি অনা আদি কৰ্তব্য হাংচৌকিয়াৰ ডেকা সকলৰেই। অৱশ্যে এয়ে নহয় গাঁওক শত্ৰুৰ হাতৰ পৰা ৰক্ষা কৰা আৰু হাইকাজিয়া বন্ধ কৰা দায়িত্বও এই ডেকাহঁতৰ ওপৰতেই ন্যস্ত।

জেমিৰ ছোৱালীৰ মৰঙো (লাউচেকি) আছে। সহ-এঘাৰ বছৰৰ বয়সীয়া লৰা-ছোৱালীক মৰঙত ভৰ্তি কৰোৱা হয়। ইয়াতেই সৰু সৰু লৰা-ছোৱালীক ধৰ্মীয় ৰীতি-নীতি, ঐক্যৰ ভোলেৰে বাস কৰা সামাজিক কৰ্ত্তব্য, আত্ম বা বয়োজ্যেষ্ঠজনক মান কৰা আদি শিক্ষা দিয়াৰ প্ৰথা আছে। গাঁৱৰ ইয়াতেই মেল-মিটিং, বিচাৰ সভা আৰু অন্যান্য ৰাজহুৱা বিষয়ৰ আলোচনা কৰে। লাউচেকিৰ ছোৱালীহঁতে মৃতকৰ ঘৰত গৈ পানী অনা, উৎসৱত দান কৰা, খৰি কটা প্ৰভৃতি কামত সহায় কৰে। মৰঙৰ মাধ্যমেৰে ডেকা-গাভৰুৰ মনত মনৰ মিলন ঘটে। গুপ্ত প্ৰণয় বিনিময়ত তেওঁলোকৰ স্বাধীনতা আছে। যুৱক-যুৱতীয়ে মদন-পাত আ লক্ষ হৈ শেষত সামাজিক প্ৰথাৰে প্ৰিয়জনৰ লগত বিবাহ পাশত বান্ধ খায়। এনেকুৱা ক্ষেত্ৰত অবাধ স্বাধীনতা থাকিলেও তেওঁলোকে নিজৰ বংশৰ ভিতৰত কেতিয়াও বিয়া

নাপাতে। বিবাহৰ পাচত কোনো ডেকা-ডেকেৰীক হাংচৌকিয়া বা লেউচেকিত ৰাতি থাকিবলৈ দিয়া প্ৰথা নাই।

আপাটানিৰ মিটে-মুৰাৰ বংশৰ প্ৰতিটো ফৈদত একোখনকৈ কাঠৰ চাং লাপাং আছে। অৱশ্যে ইয়াত ডেকা-গাভৰু নিদ্ৰা নাযায়। তেওঁলোকৰ চাংবোৰ ৫ফুট ওখ আৰু চাংলৈ উঠিবলৈ ৰেকে-আইবা (জখলা) আছে। লাপাঙত মেল-মিটিং, পুজা-পাৰ্বণ, সমূহীয়াকৈ আলোচনা আৰু বিচাৰ আদি কৰাৰ কেন্দ্ৰ। ইয়াৰ উপৰিও প্ৰতিটো বংশৰ (হালু) একোখনকৈ নাগ' আছে, য'ত চিকাৰ কৰি অনা জীৱ-জন্তু উৎসৰ্গা কৰি পুজা-পাটল আৰম্ভ কৰে। নাগ'ক অসমীয়া নামঘৰৰ দৰে পবিত্ৰ আৰু ধৰ্ম বিশ্বাসৰ স্বৰ্গীয় আলয় হেন জ্ঞান কৰে। লাপাঙত বহা বিচাৰ সভা তিনি ধৰণৰ, যেনে—জাঁকা বুলিয়াং, ইয়েপা বুলিয়াং আৰু আজাং বুলিয়াং। গাৱঁৰ প্ৰতি বংশৰ বৃদ্ধলোকৰে গঠিত বুলিয়াঙক (বিচাৰ সভা) আকাঁ, আদহীয়ালোকেৰে গঠিত বুলিয়াঙক ইয়েপা আৰু ডেকাসকলেৰে গঠিত বুলিয়াঙক আজাং বোলা হয়। ইয়াৰ প্ৰত্যেক বুলিয়াঙেই নিজ নিজ দায়িত্বত থকা কৰ্তব্য পালন কৰে। বুলিয়াঙত বিচাৰ কৰা বিষয়-সমূহ হল হাই-কাজিয়া, চুৰি কাৰ্য্য, সম্পত্তি ভাগ-বতৰা, মাটি-বাৰীৰ সীমাৰ গণ্ডগোল, পুজা-উৎসৱ ইত্যাদি।

বৰ্তমান অসমীয়া সমাজৰ সাংগঠনিক নীতি জন-জাতিসকলৰ পৰম্পৰাগত হিচাপে চলি অহা মৰংবোৰৰ প্ৰভাৱ বুলি কলেও অত্যুক্তি কৰা নহয়। জনজাতীয় আদিৰ হাংচৌকিয়া, বুলিয়াং, বাংগ, কেবাঙেই হল বৰ্তমান গাৱঁ-পঞ্চায়তৰ মূল ভেঁটি।

কাৰ্বিসকলৰ সোণাইপাৰৰ গড়মাৰী আৰু জানু-গুটিৰ মাছখোৱাত অদ্যাপিও ডেকাচাং আছে। কৌটিকলীয়া যুগৰ পৰা চলি অহা এই ডেকাচাঙবোৰত উদ্ধাৰ-পৰাচিতৰ ব্যৱস্থা আছে আৰু দোষীক বিচাৰ কৰাৰ আদালতৰ কাম সমাধা নকৰা হয়। তদুপৰি ই আৱশ্যকীয় সমূহীয়া উন্নয়ন, কুটীৰ শিল্প তথা সামাজিক গাঁঠনিৰ শিক্ষালয়। ইয়াৰ মাধ্যমেদি তেওঁলোকে সভ্যতাৰ প্ৰগতিৰ পথত আগ বাঢ়িব পাৰিছে।

ভৈয়ামৰ মিচিংসকলৰ মৰংঘৰৰ প্ৰচলন বৰ্তমান সময়লৈকে জীৱিত আছে, যাৰ মৰং ঘৰবোৰ আদিৰ নিচিনা দীঘলীয়া চাংঘৰ। অৱশ্যে মিচিঙে খেৰেৰে ঘৰ চাৱনি কৰে আৰু বেঁত-বাঁহেৰে বেৰ বৈ লয়। তেওঁলোকে ইয়াতেই পূজা-পাৰ্বণ পালন কৰে আৰু সংগীতৰ চৰ্চা কৰে। ইয়েই মিচিঙৰ বিচাৰালয়, ক্লাব ঘৰ আৰু হস্ত-বিদ্যালয়। ইয়াতে ডেকাহঁতেই ভবিষ্যতলৈ জীয়াই থকাৰ সোণালী সপোন দেখে।

দেউৰী-চুতীয়াৰ মৰংবোৰ সমাজ প্ৰতিষ্ঠাৰ স্নায়ু কেন্দ্ৰ স্বৰূপ। খেল হিচাপে তৈয়াৰী কৰা মৰংঘৰবোৰ আদৰ্শৰ চৰম নিদৰ্শন; গাওঁ পহৰা দিয়া, কোনো বিষয়ে আলোচনা কৰা, বিচাৰ কৰি শাস্তি দিয়া, নৃত্য-গীত আৰু নকল্লা শিল্পৰ শিক্ষাৰ আলয়। ইয়েই আধুনিক পুথি ভঁৰাল আৰু নৈশ স্কুল। মৰঙৰ ডেকাই ঢোল, তাল, পেঁপা, গগনা, বাঁহী, সুতুলী, টোকাৰী, বীণ আদি বজাই নাচ-গান কৰি ৰং-তামচাৰে ঐক্যৰ মহামিলন পাতে। মৰঙত সজা পাচি, টৌম, খৰাহী, জাপি, উঘা, চেৰেকী, ফান, কৰনি, লেটাই ইত্যাদি দেউৰী-চুতীয়াৰ পৈণত শিল্পীৰ এক উজ্জ্বলতম উদাহৰণ।

উত্তৰ কাছাৰৰ দিমাছাসকলৰ প্ৰতি গাৱঁতেই নদ্ৰা (ডেকাচাং) আছে, অৱশ্যে আদিৰ মচুপৰ দৰে এখন চাং সংযুক্ত নহয়। নদ্ৰাঙত কেবাগনো সৰু সৰু চাঙৰে সৈতে এটীয়া কোঠা থাকে। দুৰনি বটীয়া আলহী ৰাতি থাকিবৰ বাবে সু-ব্যৱস্থা আছে। দিমাছাই নদ্ৰাঙৰ চোতালত এডোখৰ বিৰাট ডাঙৰ কাঠ পেলাই থয়, য'ত বহি তেওঁলোকে বয়োজ্যেষ্ঠ সকলৰ লগত মেল পাতে আৰু বিহুনাচ হলে আনন্দ উপভোগ কৰে। পুৰনি কালত নদ্ৰাঙৰ ডেকাহঁতে গাওঁৰক্ষী বাহিনীৰ কাম কৰিছিল। গাৱঁলৈ কোনো





শত্ৰু আহিলে গঞ্জাক জগাই দিছিল। তেওঁলোকে শত্ৰুৰ বিপক্ষে যুদ্ধ দি গঞ্জাক আন ঠাইলৈ পলাই যাবলৈ সুবিধা দিছিল আৰু সুবিধানুযায়ী আবাল-বৃদ্ধ-বণিতাক শত্ৰুৰ বিপক্ষে যুদ্ধ দিবলৈ সুযোগ মিলাইছিল। কোনো হিংস্ৰ জন্তু গাঁৱত সোমালে নদ্ৰাঙৰ ডেকাহঁতে সিহঁতক প্ৰহাৰ কৰি গঞ্জাক উপদ্ৰৱৰ পৰা নিৰাপদ কৰাৰ ব্যৱস্থা আছিল। যুগৰ বিৱৰ্তনৰ লগে লগে নদ্ৰাঙৰ ডেকাহঁতে বৰ্তমান নিৰানন্দ মনে শুৱৰ চেগ পাইছে। বৰ্তমান তেওঁলোকে ঢোল, পেঁপা, মাদল বজাই বিহু নৃত্য কৰি আনন্দ পায়। অধ্যাপিও ডেকাহঁতে এন (পানী তুলিবলৈ ব্যৱহাৰ কৰা আঠাৰে তৈয়াৰী এবিধ জাহিলা), বেঁতৰ কলহ, ড্ৰাইং (জগ বা কেটলীৰ নিচিনা এবিধ সঁজুলি), টৰী (মাকো), হালাই (কাচনী), চাম্পৰ (চিৰিবাৰী), টৌলোঠা, লেটাই, চেৰেকী, পেপা (মুড়ী), আদি সাজি কুটীৰ শিল্পৰ কাম কৰি দেশ প্ৰগতিৰ পথত আগ-বঢ়াত যথেষ্ট অৰিহণা যোগাইছে। ঢোল-বাদন, দোহা, কথোপকথন চৰ্চা নদ্ৰাঙেই। নদ্ৰাঙত থকা ডেকাসকলৰ মাজৰ পৰা এজন ডেকাক নগাহোজা (দলপতি) পাতি লয়, যাৰ হাতত নদ্ৰাঙৰ সকলো দায়িত্ব অৰ্পণ কৰা হয়।

তিয়াই মৰঙক চামাদি বোলে। সাত বছৰীয়া লৰাক চামাদিত ভৰ্তি কৰা হয়। চামাদিত তিনিবিধ পাম্বাই থাকে যেনে, খৰকিয়া পাম্বাই (৭ বছৰৰ পৰা ১৬ বছৰ), পাম্বাই (১৬ বছৰৰ পৰা ২৮ বছৰ), আৰু গ্ৰা পাম্বাই (২৮ বছৰৰ পৰা বিবাহ নোহোৱা পৰ্যন্ত)। গ্ৰা পাম্বায়ে বাকী পাম্বাইক সকলো কামত সহায়-সহানুভূতি দেখুৱায়। চামাদিত ডেকাহঁতৰ পৰি-চালনা কৰাৰ গুৰুভাৰ চাংদলৈ, চাংসাজি আৰু সকমা নামৰ বিষয়াৰ হাতত ন্যস্ত থাকে। তদুপৰি এই তিনিও-জন বিষয়াই লৰ'ৰ (সেনাপতি) আদেশত যাৱতীয় সকলো কামত পাম্বাইহঁতক প্ৰতিনিধিত্ব কৰে। এই তিনিজন বিষয়াই চামাদি সাজিবৰ কাৰণে তিনিটা থুনা খুটা দান কৰে। চামাদিত আৱশ্যক হোৱা বাকী কেইটা খুটা ৰীতি-নীতি অনুসৰি হাবিৰ পৰা কাটি আনে। তিৱাৰ থুনা কটা আৰু পোতাৰ বহুতো সামাজিক নীতি-নিয়ম আছে। ইয়াতেই পুৰুষৰ জন-নাংগ আৰু স্তন চিত্ৰিত কৰা হয় আৰু কোনো খুটাত বেঁতৰ মালা গাঁঠি আঁৰি দিয়ে। তিৱা ডেকাই চামাদিত ৱানচাৱা, চগ্ৰামিছাৱা আদি উৎসৱ পালন কৰে। ওপৰত উল্লেখ কৰা স্ত্ৰীৰ অংগই প্ৰজননৰ প্ৰতীক। পাম্বাইসকলে চামাদিত বহি নৃত্য-গীত, গাৰ্হস্থ্য জীৱন-যাপন, হস্ত-শিল্প, কৃষি-কৰ্ম প্ৰভৃতিৰ শিক্ষা পায়। তিৱাৰ চামাদিত আদিৰ লেগীয়া কেবাং (বিচাৰ সভা) বহে; যি কোনো বিষয়ৰ আলোচনা সভা পাতে আৰু ইয়াতেই দোষী-নিৰ্দোষী বিচাৰি শাস্তি বিহা হয়। উমৈহতীয়া মাছ মৰা সঁজুলি আৰু জীৱ-জন্তু চিকাৰৰ আহিলা চামাদিতেই সংৰক্ষিত কৰা হয়। গাৱঁৰ প্ৰতি-ৰক্ষা কৰা, জুম খেতি কৰা আৰু কটা আৰু গাৱঁৰ সামূহিক কামবোৰ চামাদিৰ পাম্বাইসকলে কৰে, গতিকে ইয়াক বৰ্তমান সমবায় প্ৰথাৰ লগত ৰিজনি কৰিব পাৰি। চামাদিত মিচিঙৰ মৰঙৰ দৰে ছোৱালীৰ প্ৰবেশ নিষেধ আৰু লৰা-ছোৱালী মিলি নৃত্য-গীত চৰ্চা কৰাবো নিয়ম নাই।

মুঠতে ডেকাচাং অনুষ্ঠান জনজাতিসকলৰ কৃষ্টি-সংস্কৃতি, সমাজ সংগঠন ধৰ্মীয় ৰীতি-নীতি, গঞ্জাৰ ঐক্য সাধন আৰু সংহতিৰ ক্ষেত্ৰত জীৱন নৌকা স্বৰূপ; য'ত তেওঁলোকে মানৱ জীৱনৰ সাৰ্থকতা বিচাৰি পাইছিল আৰু আজিও পাই আছে। এখন সমাজ সুশৃংখলিত ভাৱে পৰিচালনা কৰাত ইয়াৰ অৱদান উলাই কৰিব নোৱাৰি। ডেকাচাঙ অসমীয়া নামঘৰৰ দৰে পবিত্ৰ আৰু মানৱ কল্যাণত ব্যৱহৃত হোৱা মহান সংঘ। নিজ নিজ সমাজৰ শাসন সুচাৰুৰূপে পৰিচালিত কৰি মানৱীয় মংগল কামনা কৰাৰ প্ৰেৰণা দিয়া ডেকা-চাঙৰ দৰে নিৰ্ভাজ অনুষ্ঠানৰ ভূমিকা স্মৰণযোগ্য।

# কালিকাপুৰাণৰ দেৱী দিক্কৰবাসিনীৰ অঞ্চল

ডঃ সৰ্বেশ্বৰ ৰাজগুৰু

অসম সাহিত্য সভা পত্ৰিকাৰ ষট্‌ত্ৰিংশ বছৰৰ দ্বিতীয় আৰু চতুৰ্থ সংখ্যাত শ্ৰীযুত বিশ্বনাৰায়ণ শাস্ত্ৰীদেৱৰ "কালিকাপুৰাণ আৰু অসমৰ ভৌগোলিক বিৱৰণ" শিৰো-নামাৰে এটা অতিশয় মূল্যবান আলোচনামূলক প্ৰবন্ধৰ কিছু অংশ প্ৰকাশ হৈছে। কালিকাপুৰাণ আৰু যোগিনী-তন্ত্ৰৰ অধ্যয়নৰ ওপৰত ভিত্তি কৰি প্ৰাচীন কামৰূপ তথা অসমৰ এটি পূৰ্ণপৰ্যায়ৰ ভৌগোলিক বিৱৰণ এতিয়াও প্ৰস্তুত হৈ উঠা নাই। আনন্দচন্দ্ৰ আগৰৱালাকে ধৰি দুই একজনে ছেগা-চোৰোকাকৈ আৰু আন কেইজনমান পণ্ডিতে তেওঁলোকসকলৰ আলোচনাৰ সন্দৰ্ভত কালিকা-পুৰাণ আৰু যোগিনীতন্ত্ৰৰ ভৌগোলিক বিৱৰণৰ অলপ অচৰপ আলোচনা কৰিছে যদিও এই বিষয়ে পূৰ্ণপৰ্যায়ৰ শৃঙ্খলাবদ্ধ আলোচনা এতিয়াও হৈ উঠা নাই। গতিকে শাস্ত্ৰীদেৱৰ এই প্ৰচেষ্টা অতি প্ৰয়োজনীয়। কিন্তু কালিকাপুৰাণ আৰু যোগিনীতন্ত্ৰত উল্লেখ কৰা অসমৰ বা প্ৰাচীন কামৰূপৰ ঠাইবোৰ চিনাক্ত কৰি উলিওৱাত কেইবাটাও প্ৰধান অন্তৰায় আছে। তাৰ প্ৰথম আৰু প্ৰধান হ'ল সঘন বানপানী আৰু ভূমিকম্পৰ ফলত অসমৰ ভৌগোলিক ব্যাপক পৰিৱৰ্তন ঘটা কাৰ্য। বানপানী আৰু ভূমিকম্পৰ ফলত অসমৰ বহুত নদ-নদী হয় নিশ্চিহ্ন হৈছে, নতুন গতিৰে প্ৰবাহিত হৈছে, পৰ্বত পাহাৰ, বিল আদি মাটিৰ তলত সোমাই গৈছে, আৰু নতুন নদ-নদী, পাহাৰ আদিৰ সৃষ্টি হৈছে। এনে হোৱাৰ ফলত কালিকাপুৰাণ আৰু যোগিনীতন্ত্ৰত উল্লেখ কৰা বৃহত ঠাই বৰ্তমান চিনাক্ত কৰি উলিওৱা টান হয়। দ্বিতীয়তে অসমত একে নামৰ একাধিক নদ-নদী, পৰ্বত-পাহাৰ আৰু স্থান দেখা যায়। এইটোও হৈছিল সম্ভৱ বানপানী, ভূমিকম্প আদি নৈসৰ্গিক বিপৰ্যয়ৰ কাৰণে মানুহবোৰে প্ৰব্ৰজন কৰাৰ ফলত। সম্ভৱতঃ প্ৰব্ৰজনকাৰীসকলে নতুন বাসস্থানতো সেই পুৰণা বাসস্থানৰ নামানুসাৰে নদ-নদী, স্থান আদিৰ নামকৰণ কৰি লৈছিল। ইয়াৰ কাৰণেও গ্ৰন্থ দুখনত উল্লেখ কৰা মূল ঠাই বা নদ-নদী আদি চিনাক্ত কৰি উলিওৱা টান হৈ পৰে। তৃতীয় কাৰণ হ'ল ১৭৮০ চনত ইউৰোপীয় পণ্ডিতসকলৰ প্ৰচেষ্টাত কলিকতাত প্ৰতিষ্ঠিত হোৱা চ'চাইটি আৰু সোসাইটিৰ সৌজন্যত ভাৰতৰ পুৰাতত্ত্ব চৰ্চা আৰম্ভ হোৱাৰ সময়ত অসম স্বাধীন আছিল, সেই সময়ত কাম আৰম্ভ কৰা পণ্ডিতসকলে পুৰাণ, তন্ত্ৰ-গ্ৰন্থ, বেদ-উপনিষদ আদিত অসমৰ বা কামৰূপৰ বিশেষ স্থান, নদ-নদী, পাহাৰ আদিৰ কথা উল্লেখ কৰা হৈছে সেইবোৰ অসমত সোমাই বিচাৰি চোৱাৰ সুবিধা পোৱা নাছিল। সেইকাৰণে অসমৰ বাহিৰৰ যিতো বৰ্ণিত স্থান বা নদ-নদীৰ অলপ মাত্ৰ সাদৃশ্য দেখিছিল তাতেই সেইবোৰ নিৰ্ণয় কৰি থৈ গৈছিল। এনেবোৰ কাৰণৰ নিমিত্তে প্ৰাচীন অসম তথা কামৰূপৰ প্ৰাচীন স্থান, নদ-নদী পৰ্বত-পাহাৰ আদি চিনাক্ত কৰি উলিওৱাটো বৰ্তমান জটিল হৈ পৰিছে।

ষট্‌ত্ৰিংশ বছৰৰ দ্বিতীয় সংখ্যা পত্ৰিকাত প্ৰকাশ



হোৱা প্ৰবন্ধ ছোৱাৰ শেহত শ্ৰীশাস্ত্ৰীদেৱে কামৰূপৰ সীমা সম্পৰ্কে যোগিনীতন্ত্ৰৰ শ্লোক উদ্ধৃতি কৰি কৈছে: "তীৰ্থ শ্ৰেষ্ঠ দীক্ষু নদী যদি বৰ্তমানৰ দিখৌ নদী হয় (নোহোৱাৰ যুক্তি নাই) তেনেহলে কামৰূপৰ পূৱ সীমা তথা দিক্কৰবাসিনীৰ অৱস্থান দিখৌৰ পাৰত হব লাগিব। দেখাতে উক্ত বৰ্ণনা স্বতঃ বিৰোধী।" একেখিনি কথাৰ সন্দৰ্ভতে ষট্‌ত্ৰিংশ বছৰৰ ৪ৰ্থ সংখ্যাত প্ৰকাশ হোৱা প্ৰবন্ধছোৱাৰ আৰম্ভনিতে লিখিছে: "যোগিনীতন্ত্ৰৰ বৰ্ণনা অনুসাৰে যদি দিখৌ নদীক কামৰূপৰ পূৱ সীমা বুলি ধৰা যায় তেনেহলে দিখৌ নৈৰ পাৰৰ কোনো ঠাইত দেৱী দিক্কৰবাসিনীৰ পীঠ আছিল বুলি অনুমান কৰাৰ থল আছে। ব্ৰহ্মপুত্ৰৰ সৈতে দিখৌৰ সংগমৰ ওচৰত শিৱসাগৰ মহকুমাত বামাখা নামৰ দেৱালয়ৰ ভগ্নাৱশেষ আছে। বামখো যে বামাখ্যাৰ ৰূপান্তৰ সেই কথা সুস্পষ্ট। মন্দিৰৰ ভগ্নাৱশেষে প্ৰাচীনত্বৰ প্ৰমাণ দিদিয়ে যদিও, প্ৰাচীন পীঠত পিছৰ যুগত দেৱী মন্দিৰ প্ৰতিষ্ঠা হোৱা প্ৰচলিত ৰীতি। যোগিনীতন্ত্ৰৰ ৰচয়িতাই এনে প্ৰাচীন পীঠৰ কথাকে উল্লেখ কৰিছে। এই বিষয়ে অধিক অনুসন্ধানৰ প্ৰয়োজন।" — প্ৰবন্ধটিৰ এইখিনি কথাই আমাৰ দৃষ্টি প্ৰধানকৈ আকৰ্ষণ কৰিছে আৰু এইখিনিয়েই কথাই আমাৰ প্ৰধান আলোচ্য বিষয়। পৰৱৰ্তী আলোচনাৰ সন্দৰ্ভতেই ওপৰত উল্লেখ কৰা অসমৰ ভৌগোলিক অধ্যয়নৰ প্ৰধান অন্তৰায়বিলাকৰ কথা উল্লেখ কৰি লোৱা হৈছে। তদুপৰি এই কথাখিনিৰ প্ৰসংগত ভৌগোলিক অধ্যয়নৰ প্ৰথম অন্তৰায়টোও নিহিত আছে।

শাস্ত্ৰীদেৱে বামাখ্যা দেৱালয়কে দিক্কৰবাসিনী পীঠ বুলি কৈ "অধিক অনুসন্ধানৰ প্ৰয়োজন" বুলি খাটাং সিদ্ধান্তত উপনীত নোহোৱাৰ ইঙ্গিত এটা দিলেও আমি অলপ আচৰিতেই হৈছোঁ যে ইতিমধ্যে উত্তৰ পাৰৰ প্ৰাচীন হাবুং (বৰ্তমান লক্ষীমপুৰ জিলা) অঞ্চলেই দেৱী দিক্কৰবাসিনীৰ অঞ্চল আৰু তাতেই দেৱীৰ পীঠ থকা বুলি এটা প্ৰায় নিশ্চিত আৰু যুক্তিসম্মত সিদ্ধান্ত হোৱাৰ পাছতো শাস্ত্ৰীদেৱে এই দিক্কৰবাসিনী অঞ্চল আৰু দিক্কৰবাসিনীৰ পীঠথন কিয় দক্ষিণ পাৰৰ দিখৌৰ পাৰত থাপিলেহি ?

"নেপালস্য কাঞ্চনাদ্রিং ব্ৰহ্মপুত্রস্য সংগমম্ ।
কৰতোয়াং সমাশ্রিত্য যাবাদ্দিক্কৰ বাসিনীং ॥
উত্তৰস্যাং কঞ্জগিৰিঃ কৰতোয়া তু পশ্চিমে ।
তীৰ্থশ্ৰেষ্ঠা দিক্ষুনদী পূৰ্ব্বস্যাং গিৰিকন্যকে ॥
দক্ষিণে ব্ৰহ্মপুত্ৰস্য লাক্ষায়াঃ সঙ্গমাবধি ।
কামৰূপ ইতি খ্যাতঃ সৰ্বশাস্ত্ৰেষু নিশ্চিতঃ ॥"

শাস্ত্ৰীদেৱে উদ্ধৃত কৰা যোগিনীতন্ত্ৰৰ এইটোৱে মূল শ্লোক। এই শ্লোকত কোৱা হৈছে যে "নেপালৰ কাঞ্চনজঙ্ঘা পৰ্বতৰ পৰা ব্ৰহ্মপুত্ৰৰ সংগম পৰ্যন্ত আৰু (পশ্চিমে) কৰতোয়াৰ পৰা আৰম্ভ কৰি দিক্কৰবাসিনী পৰ্যন্ত (এয়ে কামৰূপ)। হে গিৰিকন্যা উত্তৰত কঞ্জগিৰি (কাঞ্চনজঙ্ঘা) পশ্চিমত কৰতোয়া নদী, পূৱত তীৰ্থশ্ৰেষ্ঠা দিক্ষু নদী আৰু দক্ষিণত ব্ৰহ্মপুত্ৰ আৰু লাক্ষাৰ সংগম স্থান — এইখিনি ঠায়েই কামৰূপ বুলি শাস্ত্ৰত খ্যাত।" এই বৰ্ণনাখিনি তেখেতে স্বতঃ বিৰোধী বুলি অভি-হিত কিয় কৰিলে বুজিব নোৱাৰিলো। বোধহয় পূৱত এবাৰ দিক্কৰবাসিনী পৰ্যন্ত আৰু এবাৰ দিক্ষুনদী (দিখৌ) বোলা কাৰণেই তেখেতে স্বতঃ বিৰোধী বুলি কৈছে। কাৰণ তেখেতে কৈছে যে কামৰূপৰ পূৱসীমা যদি দিখৌ নদী হয় তেনেহলে দিক্কৰবাসিনীৰ অৱস্থান দিখৌৰ পাৰত হব লাগিব। উক্ত শ্লোকত পূৱত এবাৰ দিক্কৰ-বাসিনী আৰু এবাৰ দিখৌ নদী বুলি কোৱাত পূৱ সীমাটো অধিক স্পষ্ট হৈছে বুলিহে ধাৰণা হয়। ব্ৰহ্ম-পুত্ৰৰ উত্তৰ পাৰে একেবাৰে উত্তৰত নেপালৰ কাঞ্চনজঙ্ঘা পৰ্বত আৰু পশ্চিমে কৰতোয়াৰ পৰা পূৱে দিকৰং নৈৰ অঞ্চলত থকা দেৱীস্থান পৰ্যন্ত আৰু ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে পশ্চিমে ব্ৰহ্মপুত্ৰ আৰু লাক্ষাৰ সংগমৰ পৰা আৰম্ভ কৰি পূৱে দিখৌ নদী পৰ্যন্ত এই অঞ্চলটোৱেই কামৰূপ। গতিকে এই শ্লোকত কথাখিনি স্বতঃ বিৰোধী নহৈ অধিক স্পষ্ট কৰিহে দিয়া হৈছে।

দিখৌ নৈৰ পাৰৰ কোনো ঠাইত দেৱী দিক্কৰ-বাসিনীৰ পীঠ থকা বা দিখৌমুখৰ (দিখৌ আৰু ব্ৰহ্মপুত্ৰৰ সংগম) ওচৰৰ থামাথা দেৱালয়ক দিক্কৰবাসিনী পীঠ বুলি অনুমান কৰিব খোজাটো বিপদজনক। প্ৰথম কথা থামাথা দেৱালয়খন যে কত আছিল আৰু দিখৌ আৰু ব্ৰহ্মপুত্ৰৰ সংগম যে ক'ত আছিল তাক নিৰ্ণয় কৰা অতি কঠিন। এইটো নিৰ্ঘাত সত্য যে বৰ্তমান যি দিখৌ আৰু ব্ৰহ্মপুত্ৰৰ সংগম তাত বা তাৰ ওচৰৰ ক'ৰবাত দিখৌ আৰু ব্ৰহ্মপুত্ৰৰ সংগম নাছিল। দিখৌৰ গতিয়েই আছিল সম্পূৰ্ণ বেলেগ ধৰণৰ। এই সম্পৰ্কত মীৰজুমলাৰ অসম আক্ৰমণৰ সময়ত, অৰ্থাৎ সপ্তদশ শতাব্দীৰ মাজভাগত (দিক্কৰবাসিনীৰ কথা উল্লেখ কৰা কালিকাপুৰাণৰ ৰচনা কাল নৱম-ম বা তাতোকৈ পাচলৈ আহিলে একাদশ শতাব্দী হব) দিখৌৰ গতি কেনে আছিল সেই বিষয়ে গেইটৰ বুৰঞ্জী চালেই পাব। মীৰজুমলাৰ আক্ৰমণ সহিব নোৱাৰি আহোম সৈন্য 'লখৌ' নামৰ ঠাইত থকা গড়লৈ পশ্চাদপসৰণ কৰি আহা সম্পৰ্কত দিখৌৰ কথা লিখিব লগা হৈছে; কাৰণ লখৌ ঠাইটুকুৰা বৰ্তমান চিনাক্ত কৰিব পৰা নাযায়। গেইটে লিখিছে ; "Lakhau lies at what was then the confluence of the Dihing and the Brahmaputra. At the period in question, the latter river (অৰ্থাৎ ব্ৰহ্মপুত্ৰ) flowed down the course of what is now called the Lohit river, along the north of the Majuli island, while the Dihing followed the present channel of the Brahmaputra to the south of it, and, after receiving the waters of the Disang and the Dikhu, united with the Brahmaputra at its western extremity. At a still earlier period the Dihing is believed to have flowed into the Brahmaputra further east then the Buri Dihing does now. At the time, according to native traditions, the Dikhu had on independent course as far as Kajalimukh, part of which still survives in the Majuli as the Tuni river, and part in Nowgong, as the Kallang."

দিখৌ নৈৰ সম্পৰ্কত আনন্দচন্দ্ৰ আগৰৱালা দেৱেও একে কথাকে কৈছে; তেখেতৰ বৰ্ণনাৰ পৰাও কামৰূপৰ পুবসীমা ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে দিকৰং নদী পৰ্যন্ত আৰু দক্ষিণপাৰে দিখৌ নদী পৰ্যন্ত আছিল বোলা কথাষাৰ যে যুক্তিসংগত হৈছে, সেইটো স্পষ্ট হৈ ওলাই পৰিছে। কাৰণ দক্ষিণপাৰে দিখৌ নদী আগৰ কালত য'ত ব্ৰহ্মপুত্ৰত পৰিছিল, প্ৰায় তাৰ বিপৰীতে উত্তৰ পাৰে উত্তৰ লক্ষীমপুৰৰ দিকৰং নদী ব্ৰহ্মপুত্ৰত পৰিছিল। আগৰৱালাদেৱে লিখিছে: "অতি পূৰ্বে ব্ৰহ্মপুত্ৰ বা লৌহিত্য মাজালীৰ* ভালেখিনি উত্তৰেৰে এৰ'ভীয়া হৈ বৈছিল। এতিয়াৰ বুঢ়ী সুঁতি নৈয়েই আগৰ লৌহিত্যৰ সুঁতি। দিহ্ম বা দিখৌ নৈ দিহিংৰ লগত লগলাগি মাজালীৰ মাজেদি যে আহি দিকৰং নৈৰ প্ৰায় বিপৰীত স্থানে লৌহিত্যত পৰিছিল। পাছে লৌহিত্যই যেতিয়া মাজালীৰ দক্ষিণে ভুলা ল'লে আৰু সেইদিনেই ধাইকৈ ছলা ল'লে তেতিয়া মাজালীৰ মাজেদি বোৱা দিখৌৰ সুঁতিটো এৰা সুঁতি হ'ল। সেই এৰা সুঁতিৰ নাম কালক্ৰমে টুনি হ'ল।"

দিক্কৰবাসিনীক দক্ষিণৰ দিখৌৰ পাৰলৈ অনাত কালিকা পুৰাণতেই বাধা আছে; কাৰণ কালিকাপুৰাণৰ বৰ্ণনাতেই দিক্কৰবাসিনীৰ লগত স্বৰ্ণদী বা সোৱণশিৰি নদী সংশ্লিষ্ট হৈ আছে। কালিকাপুৰাণতে কোৱা হৈছে, "প্ৰান্তে দিক্কৰবাসিন্যাঃ সদা বহতি স্বৰ্ণদী।" দিক্কৰবাসিনীৰ প্ৰান্তত (পুব-প্ৰান্তত) সদা সৰ্বদা স্বৰ্ণদী (সোৱণশিৰি) প্ৰৱাহিত। গতিকে সোৱণশিৰিক দিক্কৰবাসিনীৰ লগৰ পৰা বাদ দিব যেতিয়া নোৱাৰি, তেনেস্থলত দিক্কৰ বাসিনীক কেনেকৈ দক্ষিণ পাৰে দিখৌৰ পাৰত অনুমান কৰিব পাৰি? স্বৰ্ণদী, দিক্কৰ আদি নদীবোৰ যে উত্তৰ পাৰৰ নদী সেই কথাও কালিকাপুৰাণত স্পষ্ট কৰি কোৱা হৈছে; কাৰণ কালিকাপুৰাণত এই নদীবোৰ দক্ষিণ প্ৰবাহী নদী বুলি স্পষ্টভাৱে কৈছে। দিখৌ নদী উত্তৰবাহী নদী; কিন্তু সোৱণশিৰি আদি নদীৰ বিষয়ে কালিকাপুৰাণত কৈছে:— "এতা যাঃ কথিতা নদ্যঃ সকলা দক্ষিণস্ৰবাঃ।" গতিকে দিক্কৰবাসিনী যে ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰৰ সেই কথা কালিকাপুৰাণৰ কথাতেই সুস্পষ্ট।

এতিয়া এই দিক্কৰ বা দিকৰং নৈ কোনখন? দিকৰং বা দিকৰাই নামৰ কেবাখনো নৈ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে আছে। এখন দিকৰং নৈ শদিয়াৰ ওচৰত আছে। দৰং জিলাত তিনিখন দিকৰাই নৈ আছে। উত্তৰ লক্ষীমপুৰ মহকুমাৰ পশ্চিমে থকা দৰং জিলাৰ দিকৰাই নৈ খনক আগেয়ে দিক্কৰিকা বুলিছিল। দিক্কৰবাসিনী আৰু দিক্কৰিকা যে একে নহয় সেই কথাও কালিকা পুৰাণতে কোৱা আছে: "দিগ্‌গজক্ষেত্ৰ সংযাতা তেন দিক্কৰিকা স্মৃতা।" দিগ্‌গজক্ষেত্ৰৰ পৰা বৈ অহা কাৰণে ইয়াক দিক্কৰিকা বোলে। আন-হাতেদি শদিয়াৰ ওচৰৰ দিকৰঙকো দিক্কৰবাসিনী নদী বুলিব নোৱাৰি, কাৰণ এই দিকৰঙৰ পুবত সোৱণ-শিৰি নদী নাই; গতিকেই উত্তৰ লক্ষীমপুৰৰ ওচৰৰ দিকৰং নদীয়েই দিক্কৰবাসিনী নদী বুলি বহুত পণ্ডিতে ঠাৱৰ কৰিছে। কিন্তু এই দিকৰং নদীৰ ওচৰতেই দেৱী দিক্কৰবাসিনীৰ স্থান নিৰ্ণয় কৰাত আন এটা সমস্যাৰ কথাও শাস্ত্ৰীদেৱে উল্লেখ কৰিছে। সেইটো হৈছে কালিকাপুৰাণৰ ৩৮ অধ্যায়ৰ ১২৫—১২৮ নং শ্লোকত উল্লেখ কৰা ললিত কান্তাৰ (দেৱী দিক্কৰ-বাসিনীৰ অন্য এটা ৰূপ) পূবে থকা সাগৰখনৰ কথা। তেখেতে কৈছে যে "আমাৰ বৰ্তমানৰ ভূগোলৰ জ্ঞানেৰে ললিত কান্তাৰ পূবে সাগৰৰ তীৰবৰ্তী অঞ্চল ধাৰণা কৰা টান।" আমাৰ বৰ্তমানৰ ভূগোলৰ জ্ঞানৰ পৰা সাগৰৰ যি ধাৰণা, সেই ধাৰণা এই সম্পৰ্কত নখটোৱাই ভালনেকি? কাৰণ কালিকা-পুৰাণৰ সেই একেটা অধ্যায়ৰ বৰ্ণনাতে ব্ৰহ্মপুত্ৰক সাগৰ বুলি অভিহিত কৰিছে। কালিকাপুৰাণৰ শ্লোকৰ পৰা শাস্ত্ৰীদেৱেই লিখিছে:, "অহমৰ উত্তৰ দিশত নাটকশৈলত মানস সৰোবৰৰ নিচিনা এখন সৰোবৰ আছে। সেই সৰোবৰ পুব, পশ্চিম আৰু মাজভাগৰ পৰা তিনিখন দক্ষিণ বাহিনীলৈ ওলাই সাগৰত (ব্ৰহ্মপুত্ৰ) পৰিছে।" উল্লেখ কৰা তিনিওখন নদী দক্ষিণবাহী আৰু তিনিওখনেই ব্ৰহ্মপুত্ৰত পৰিছে। গতিকে এই তিনিওখন নদী পৰা সাগৰখন যে ব্ৰহ্মপুত্ৰই তাত সন্দেহ নাই। শ্লোকটো এই:—

তস্য পশ্চান্মধ্যপূৰ্ব - ভাগেভ্যস্তু সৰিতত্ৰয়ম্॥
অৱতীৰ্ণং প্ৰয়াতোৱ দক্ষিণং সাগৰং প্ৰতি" —

গতিকে উল্লেখ কৰা সাগৰক বৰ্তমানৰ ভূগোলৰ জ্ঞানেৰে নোচোৱাই ভাল। শাস্ত্ৰীদেৱে নিজেই উক্ত শ্লোকত উল্লেখ কৰা সাগৰ খনেই যে ব্ৰহ্মপুত্ৰক বুজাইছে তাক বুজাবলৈ সাগৰ শব্দৰ দাঁতিত বন্ধনীৰ ভিতৰত ব্ৰহ্মপুত্ৰ শব্দটি দিছে। তদুপৰি সেই অঞ্চলত প্ৰাচীন কালত বহুত ডাঙৰ ডাঙৰ সৰোবৰ, বিল আৰু ডাঙৰ ডাঙৰ

* আনন্দচন্দ্ৰ আগৰৱালা গ্ৰন্থাৱলীৰ সম্পাদক ড° মহেন্দ্ৰ বৰাদেৱে মজালীৰ সম্পৰ্কত পাদটীকাত লিখিছে যে "লেখকে মাজুলীৰ সলনি মাজালী শব্দটো লিখিছে।" (আনন্দচন্দ্ৰ আগৰৱালা গ্ৰন্থাৱলী—পৃষ্ঠা ৩৫৭—পাদটীকা)। প্ৰকৃতাৰ্থত আগৰৱালাৰ সমসাময়িক বা তাৰ আগৰ চাম লোকে মাজুলী নুবুলি মাজালীহে বুলিছিল। বুৰঞ্জী পুথিত মাজুলীক মাজালী বোলা উদাহৰণ আছে। দুই নৈৰ মাজৰ ঠাই বা চাপৰি এই অৰ্থত মাজালী চাপৰি বা বিশেষণক বিশেষ্য ৰূপে ব্যৱহাৰ কৰি মাজালী বুলিছিল। মাজালী বুলিলেহে চিহ্নিত শব্দটোৰ অৰ্থ অধিক স্পষ্ট হয়। আগালী (আগালি), আগাৰী (আগাৰি) শব্দৰ দৰেই মাজালী, মাজাৰ আদি শব্দ অসমীয়া ভাষাত ব্যৱহাৰ কৰা হয়। — লিখক।

নদী আছিল।

বৰ্তমানৰ শিৱসাগৰ মহকুমাৰ দিখৌমুখত থকা ৰামাখা দেৱালয় খনকে শাস্ত্ৰীদেৱে দিক্কৰবাসিনী দেৱীৰ পীঠস্থান বুলি অনুমান কৰিব খুজিছে। কিন্তু ৰামাখা দেৱালয়ে এই দেৱালয়ক দেৱী দিক্কৰবাসিনীৰ পীঠ বুলি ভাবিবলৈ অৱকাশ নিদিয়াৰ বহুত কাৰণ আছে। প্ৰথম কথা এই দেৱালয়ত দেৱী দিক্কৰবাসিনীৰ দুই ৰূপৰ ( তীক্ষ্ণকান্তা আৰু ললিত কা ন্ত ) কোনো ৰূপৰেই মূৰ্ত্তি নাই ; নাইবা শাস্ত্ৰীদেৱে কোৱাৰ দৰে ইয়াত কোনো প্ৰাচীন মন্দিৰৰ ভগ্নাৱশেষো নাই। দিখৌমুখৰ এই দেৱালয় থকা গাওঁখনক দেওধৰীয়া গাওঁ বুলি কোৱা হয়। বৰ্তমান তাত এটা নামঘৰ আছে। নামঘৰৰ মনি-কূটতে পীঠ আছে। এটা শিলৰ কুণ্ড বা গহ্বৰ আছে, তাৰ ভিতৰত বিগ্ৰহৰূপী এক শিলা খণ্ড আছে। এই শিলৰ গহ্বৰ বা কুণ্ড আৰু শিলাখণ্ড উদ্ধাৰ কৰাৰ বিষয়েও জনশ্ৰুতি আৰু কাহিনী আছে। সেইকালৰ পৰাও এই ৰামাখা পীঠক দেৱী দিক্কৰবাসিনীৰ পীঠ বুলি ভবাৰ কোনো যুক্তি নাই। তদুপৰি এই দেৱা-লয়ৰ লগত এই দেৱালয়ৰ তত্বাৱধানত থকা দেওধৰীয়া গাওঁখনৰ কথাও প্ৰণিধান যোগ্য। দেওধৰ বা দেওধৰীয়া শব্দয়ো অন্য প্ৰসংগৰ আলোচনাৰ বাট মুকলি ৰাখিছে। তদুপৰি দেৱী দিক্কৰবাসিনীৰ দুই ৰূপ যথা —

পীঠে দিক্কৰবাসিন্যা দ্বিৰূপা বসতে শিৱা॥
তীক্ষ্ণকান্তাহৱয়া দেৱৈকাযাগ্ৰেতসৱা প্ৰকীৰ্ত্তিতা।
পৰা ললিতকান্তাখ্যা যা (সা) শ্ৰীমঙ্গলচণ্ডিকা॥

অৰ্থাৎ দিক্কৰবাসিনী দেৱীৰ দুই ৰূপ, তীক্ষ্ণকান্তা বা উগ্ৰতাৰা আৰু ললিতকান্তা বা মঙ্গলচণ্ডিকা। দিখৌ-মুখৰ ৰামাখা দেৱালয়ক দেৱী দিক্কৰবাসিনীৰ এখন পীঠ বুলি চিনাক্ত কৰিলে ( কথাটো উচিত নহব বা যুক্তিৰ কালৰ পৰা কৰিব নোৱাৰিয়েই ) ওচৰে-পাজৰে দেৱীৰ আন এখন পীঠ দেখুৱাব পাৰিব লাগিব। তদুপৰি কালিকাপুৰাণত এই দেৱী দিক্কৰবাসিনীৰ পীঠৰ ওচৰত বিষ্ণু পীঠ আৰু শিৱপীঠ থকাৰো উল্লেখ আছে। ৰামাখা দেৱালয়ক দিক্কৰবাসিনী দেৱীৰ এখন পীঠ বুলি অনুমান কৰিলে দেৱীৰ আনখন পীঠ আৰু বিষ্ণুপীঠ আৰু শিৱপীঠ ওচৰে-পাজৰে দেখুৱাব স্থল নাই। গতিকে ৰামখাক দিক্কৰবাসিনী দেৱীৰ পীঠ বুলি অনুমান কৰাৰ কোনো যুক্তি বিচাৰি পোৱা নাযায়।

উত্তৰ লক্ষীমপুৰ বা প্ৰাচীন হাবুং অঞ্চলক কেন্দ্ৰ কৰিয়েই যে দেৱী দিক্কৰবাসিনীৰ অঞ্চল সেই বিষয়ে অধিক যুক্তি প্ৰদৰ্শন নকৰি ড° কাকতিৰ কথা উদ্ধৃত কৰিলেই সম্ভৱ যথেষ্ট হব। ড° কাকতিয়ে তেওঁৰ 'Mother Goddess Kamakhya' গ্ৰন্থত কৈছে: This region is called the Saumara Pitha in the Yogini Tantra within the following boundary: in the east a forest named Saun-sila, in the west the river Swarnasri, in the south Brahmayupa and in the north the Manasa lake ( 2/1.4/-48 ). The Kalika-purana refers to it as the land under the spiritual command of Goddess Dikkaravasini. She has two forms: Tiksna-kanta ( dreadfully attractive ) and Lalita-kanta ( gracefully attractive ). Tiksnakanta is black, pot-bellied and with one look of malted hair ( Eka-jata ). She is also called Ugratara ( K. P. 83/39 ) *× × ×. From her epithets Ugratara, Ekajata she seems to have been of Buddhist origin. But she dom-inates later history as the dreadful Goddess Tamreswari calling for annual human sacr-ifice' মানুহ বলি দিয়াৰ কাৰণে এওঁক কেচাইখাতী গোসাঁনীও বোলা হৈছিল। ড° কাকতিয়ে ললিতকান্তা বা মঙ্গলচণ্ডীৰ পীঠৰ কথা উল্লেখ কৰা নাই। এসময়ত দিকৰং নৈৰ পাৰত এই ললিতকান্তা বা মঙ্গলচণ্ডী বা চণ্ডীৰ দেৱালয় আছিল। সেই দেৱালয় কালক্ৰমত





ধ্বংসপ্ৰাপ্ত হয়, কিন্তু তাৰ ধ্বংসাৱশেষ এতিয়াও আছে। আনন্দচন্দ্ৰ আগৰৱালাদেৱে এই ধ্বংসাৱ-শেষেই ললিতকান্তা বা মঙ্গলচণ্ডীৰ পীঠ বুলি অনুমান কৰিছে। বৰ্তমান নবোৱা অঞ্চলৰ নবোৱা মহন্তসকলে বাস কৰা বাহঃদেৱৰ থানেই কালিকাপুৰাণত উল্লেখ কৰা দিক্কৰবাসিনী অঞ্চলৰ বাহঃদেৱ বিষ্ণুপীঠ। আন কি গুপ্তকাশী বিশ্বনাথৰ কথাও দেৱী দিক্কৰ-বাসিনীৰ কথা থকা একে অধ্যায়তে স্পষ্ট হৈ আছে: 'বৃদ্ধ গঙ্গাজলস্যান্তৰ্তীৰে ব্ৰহ্মঃ তস্য বৈ॥ বিশ্বনাথহৰয়ো দেৱ: শিৱলিঙ্গসমন্বিতঃ।' এই সকলো যুক্তিয়ে দেৱী দিক্কৰবাসিনী অঞ্চল আৰু দেৱী দিক্কৰবাসিনীৰ পীঠ উত্তৰ পাৰে লক্ষীমপুৰ বা প্ৰাচীন হাবুং অঞ্চলক কেন্দ্ৰ কৰি আছিল আৰু উত্তৰ লক্ষীমপুৰৰ দিকৰং নদীখনকে দিক্কৰবাসিনী নদী বুলি প্ৰতিপন্ন কৰে। এনেস্থলত শাস্ত্ৰী ডাঙৰীয়াই দিক্কৰবাসিনী নদী আৰু পীঠ দক্ষিণ পাৰৰ দিখৌৰ পাৰলৈ নিয়াটো যুক্তিসম্মত বা যুক্তিসংগত হোৱা নাই নেকি?

( ২ )

ৰুক্মিণীৰ পিতৃৰাজ্য বিদৰ্ভ যে অসমত নাছিল এই বিষয়ে শাস্ত্ৰীদেৱৰ লগত দ্বিমত হবৰ থল নাই। কিন্তু শোণিতপুৰক দিনাজপুৰলৈ নিয়াৰ যুক্তি নেদেখো। শোণিতপুৰ শব্দটো সম্ভৱ তেজপুৰৰ সংস্কৃতীয়া ৰূপান্তৰ। শাস্ত্ৰীদেৱেই উল্লেখ কৰিছে যে হৰিবংশত ভবিষ্যদ্বাণী কৰিছে যে য'ত বাণৰ নগৰ হব তাৰ নাম হব তেজপুৰ। তেজপুৰ আৰ্য্যামূলীয় শব্দ। তদুপৰি শোণিত-পুৰ গুপ্তকাশীৰ ওচৰত বুলি হৰিবংশত কোৱা হৈছে বুলি শাস্ত্ৰীদেৱেই লিখিছে। এই গুপ্তকাশী বাণেই প্ৰতিষ্ঠা কৰিছিল। উনকোটি শিৱলিঙ্গৰ এই গুপ্তকাশী দৰং জিলাৰ বিশ্বনাথত — য'ত "বিশ্বনাথ গোসাঁই লৰক-ফৰক। ছমাহ পানীত, ছমাহ তৰত।"

( ৩ )

প্ৰাচীন কাব্যশাস্ত্ৰত ৰাজ্যখনৰ পৰিবৰ্তে ৰাজধানীৰ নাম আৰু ৰাজধানীৰ পৰিবৰ্তে ৰাজ্যখনৰ নাম ব্যৱহাৰ কৰা দেখা যায়। প্ৰাগজ্যোতিষ আৰু কামৰূপ সন্দৰ্ভতো মহাকাব্যত এনেদৰে কৰা হৈছে বুলি ড° কাকতিয়ে কৈ গৈছে। শাস্ত্ৰীদেৱে প্ৰাগ-জ্যোতিষপুৰ কামৰূপৰ মাজ ভাগত বুলি কোৱা কথাৰো সামঞ্জস্য বিচাৰি পোৱা নাই। যোগিনীতন্ত্ৰৰ পৰা এই কথা অধিক স্পষ্ট হোৱা দেখা যায়। যোগিনীতন্ত্ৰত কামৰূপক ত্ৰিকোণাকাৰ বুলি কৈছে ; ই বহলে ত্ৰিশ যোজন আৰু দীঘে এশ যোজন। "ত্ৰিংশদ্-যোজন বিস্তীৰ্ণং দীৰ্ঘেণ শতযোজনং। কামৰূপং বিজানীহি ত্ৰিকোণাকাৰমুত্তমং॥" প্ৰাচীন কামৰূপ সাম্ৰাজ্য অতি বিশাল আছিল। বৰ্তমানৰ দিনাজপুৰ, ৰংপুৰ, মৈমনসিংহ জিলাৰ কিছু অংশ, ভূটানৰ কিছু অংশ পৰ্য্যন্ত পৰিব্যাপ্ত আছিল। গতিকে প্ৰাগজ্যোতিষপুৰ কামৰূপ ৰাজ্যৰ মাজভাগত বা কেন্দ্ৰত হোৱাটো সামঞ্জস্য-হীন কথা যেন নালাগে। এই বিষয়ে ৰায়বাহাদুৰ কনকলাল বৰুৱাদেৱৰ অভিমতো প্ৰণিধানযোগ্য। তেখেতে যোগিনীতন্ত্ৰৰ বৰ্ণনা আৰু অন্যান্য ঐতিহাসিক তথ্যৰ ওপৰত ভিত্তি কৰি শেষত মন্তব্য কৰিছে: "According to paurnic accounts the temple of Kamakhya was in the centre of the kingdom which extended in all directions for one hundred yojanas. × × × It would appear from these accounts also, that even at a later period, the kingdom included not only the whole of the Assam valley but also parts of nothern and eastern Bengal, part of Bhutan, the Khasi and Garo hills and the northern portion of the district of Sylhet. In any case it is clear that Pragjyotisha or ancient Kam-arupa was a much larger kingdom than

* শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰীদেৱে সম্পাদন কৰা আৰু চৌধাৰাই প্ৰকাশ কৰা কালিকাপুৰাণৰ ৮০ অধ্যায়ৰ ৩৮ নং শ্লোকত এইদৰে কথা আছে। — লিখক।

most of the other kingdoms mentioned in the Mahabharata and most of the sixteen Mahajanapadas existing during the time of Buddha." গতিকে প্ৰাগজ্যোতিষ বা কামাখ্যা, কামৰূপ ৰাজ্যৰ সোঁমাজত বুলি কোৱা কথাই কোনো সমস্যাৰ অৱতাৰণা কৰা নাই যেন লাগে।

( ৪ )

নৰকে গংগাত বুৰ মাৰি প্ৰাগজ্যোতিষপুৰ ওলোৱাৰ সন্দৰ্ভত শাস্ত্ৰীদেৱে গংগাৰে সৈতে অসমৰ জলপথৰ সংযোগ ক'ত সেই লৈও চিন্তা কৰিছে। এই লৈও তেতিয়াৰ ভৌগোলিক অৱস্থানৰ বিষয়ে চিন্তা কৰিবলগীয়া। কাৰণ পশ্চিমকালে ব্ৰহ্মপুত্ৰ বৰ্তমান যি অঞ্চলেদি বৈ গৈছে তাৰ বহুতদিনৰ আগতে তাৰ বহুত আগেদি বৈছিল। আনকি উনবিংশ শতাব্দীৰ শেষভাগলৈকে ব্ৰহ্মপুত্ৰ নদী বৰ্তমানৰ মৈমনসিংহ জিলাৰ মাজেদি বৈ গৈছিল। তদুপৰি গংগা শব্দটোও সংকৰ্ষণশীলতাৰে নাচাই উদাৰভাৱে চোৱা ভাল হব। গংগা অৰ্থৰ — যোগিনীতন্ত্ৰৰ মতে পুতি পীঠত গংগা। অসমত দিখৌ, কাপিলী, কৰতোৱাৰ উপৰিও বুঢ়ীগংগা, বৰগংগা আদি অলেখ গংগা আছে। কালেমান পণ্ডিতৰ মতে গংগা শব্দটোও অনাৰ্য্যমূলীয় 'গাং' শব্দৰে সংস্কৃতীয় ৰূপান্তৰ।


গ্ৰন্থপঞ্জী :

১। কালিকাপুৰাণ : শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী সম্পাদিত আৰু চৌখাম্বাৰ দ্বাৰা প্ৰকাশিত।

২। যোগিনীতন্ত্ৰম্ : দত্তবৰুৱা এণ্ড কোম্পানী।

৩। যোগিনীতন্ত্ৰম্ : কালিমোহন ভট্টাচাৰ্য্য সম্পাদিত।

৪। A History of Assam : E. A. Gait, 1933

৫। Early Htistory of Kamarupa : K. L. Barua, 1933

৬। Mother Goddess Kamakhya : Dr. B. Kakati

৭। আনন্দচন্দ্ৰ আগৰৱালা গ্ৰন্থাৱলী : ড° মহেশ্ব নেওগ সম্পাদিত।

৮। বাসুদেৱীয় বিষ্ণু সম্প্ৰদায় আৰু অসমৰ দুখন বাসুদেৱীয় বিষ্ণুপীঠ : ড° সৰ্বেশ্বৰ ৰাজগুৰু, অসম সাহিত্য সভা পত্ৰিকা, ত্ৰয়োত্ৰিংশ বছৰ, দ্বিতীয় আৰু তৃতীয় সংখ্যা।


—



# ৰামচৰিত মানসৰ অসমীয়া অনুবাদক শ্ৰীকান্ত সূৰ্য্যবিপ্ৰ

শ্ৰীমতী কেশদা মহন্ত

অসমীয়া সমাজত তুলসীদাসৰ 'ৰামচৰিত মানস'ৰ প্ৰভাৱ বেছি নহয়। মাধৱ কন্দলি ৰামায়ণৰ আদৰেই সমাজতে বেছি বুলি কব পাৰি। ইয়াৰ প্ৰধান কাৰণ হ'ল কন্দলি ৰামায়ণত অসমীয়া সমাজৰ লগত খাপখোৱা বহুখিনি কথা আছে। তথাপি, ৰামচৰিত মানস' অসমীয়াত অনূদিত হোৱালৈ চাই কব পাৰি যে অসমীয়া সমাজে ৰামায়ণ সম্পৰ্কীয় আন আন ভাষাৰ কাব্যকো আদৰ কৰিছিল। সেই কাৰণে অসমীয়া লিখক শ্ৰীকান্ত সূৰ্য্যবিপ্ৰই 'ৰামচৰিত মানস'ৰ অনুবাদ কাৰ্য হাতত লৈছিল। এওঁ অনুবাদ কৰা তুলসীদাসী ৰামায়ণৰ 'লংকা কাণ্ড'টি ড° মহেশ্বৰ নেওগৰ সম্পাদনাত অসম সাহিত্য সভাই ১৯৭৫ চনৰ মাৰ্চ মাহত প্ৰকাশ কৰি উলিয়াইছে। প্ৰকাশিত গ্ৰন্থখনিৰ ভূমিকাত শ্ৰীকান্তৰ ব্যক্তিগত পৰিচয় সম্পৰ্কত তেওঁ কেৱল লংকা কাণ্ডটিহে অনুবাদ কৰিছিল নে আন আন কাণ্ড অনুবাদ কৰিছিল তাৰ কোনো উল্লেখ কৰা হোৱা নাই।

ভিতৰৰ-জালুকনি অঞ্চলত তুলসীদাসী ৰামায়ণৰ অসমীয়া পদ্যানুবাদ পুথি এখন (যে কাণ্ড এটা) থকাৰ কথা ১৯৫৫ চনতে শুনিছিলোঁ। ১৯৭০ চনত শ্ৰীযুত শচীচন্দ্ৰ বৰবৰুৱাই মোক 'লংকা কাণ্ড' পাণ্ডুলিপিটো চাবলৈ দিছিল। ইতিমধ্যে অধ্যাপক শ্ৰীযুত নবীনচন্দ্ৰ গোস্বামীয়ে ঢেঁকিয়াজুলি অঞ্চলৰ শ্ৰীশিৱেশ্বৰ চাৰিঙীয়া বৰদলৈৰ পৰা 'ৰামচৰিত মানস'ৰ উত্তৰাকাণ্ডৰ অসমীয়া পদ্যানুবাদৰ পুথি এখন আনি মূল অৱধী পাঠৰ লগত মিলাই চোৱাৰ সন্দৰ্ভত এই লেখিকাই মূল পাঠ যোগাই দিছিল। মই তেতিয়া 'লংকাকাণ্ড'খন তেখেতক দেখুৱাইছিলোঁ।

যোৰহাটৰ পুৰণিমাটি সত্ৰৰ পৰা ৺হিতেশ্বৰ বৰবৰুৱাই ৰামায়ণ সম্পৰ্কীয় পুথি এখন আনিছিল বুলি অনুসন্ধান কৰি জানিছিলোঁ। এতিয়া অসম সাহিত্য সভাৰ প্ৰকাশিত 'লংকা কাণ্ড'ৰ আধাৰ ৺ বৰবৰুৱাৰ সংগৃহীত পাণ্ডুলিপিটোৰ মূল এই পুথিখনেই বুলি ভাবিব পৰা আছে।

শ্ৰীকান্তৰ আত্ম পৰিচয় :

আমাৰ হাতত পৰা শ্ৰীকান্তৰ 'উত্তৰাকাণ্ড'টোত ১১৪৫ টা পদ আছে। গ্ৰন্থৰ অন্তত লিখকৰ আত্মপৰিচয়ৰ আভাস পোৱা যায়। তাত আছে—

'দৈবজ্ঞ কুলত জাত শ্ৰেষ্ঠ মজুন্দাৰ।<br>
তাহান কনিষ্ঠ পুত্ৰ মতি অনুসাৰ॥ ১১৪৪<br>
ৰামৰ পদক নমি মুগুধ শ্ৰীকান্তে।<br>
ভণিল শ্ৰীৰাম-লীলা পৰম একান্তে॥"

পদ-কৰ্তা শ্ৰীকান্ত দৈবজ্ঞ কুলত জন্মে; তেওঁৰ পূৰ্বপুৰুষ এজন শ্ৰেষ্ঠ মজুন্দাৰ আছিল। হৰকান্ত বৰুৱাৰ 'আসাম বুৰঞ্জী'ৰ পাতনিত ড° সূৰ্য্যকুমাৰ ভূঞাই লিখিছে—' এই বংশৰ আদি পুৰুষ সূৰ্য্যবৰ সূৰ্য্যবিপ্ৰ আহোম স্বৰ্গদেৱ খোৰা ৰজাৰ দিনত পৰশুৰাম কুণ্ডত স্নান কৰিবৰ সংকল্পে কনৌজৰ পৰা অসমলৈ আহে।

সেই সময়ত কোঁচাসৰ মহাৰাজা নৰনাৰায়ণে অসম আক্ৰমণ কৰাত খোৱা ৰজাই চৰাইখোৱোঙলৈ পলাই যায়। অসম ৰাজ্য আৰু ৰজাৰ বিষয়ে জ্যোতিষী পণ্ডিত সূৰ্য্যবৰে গোটাচেৰেক ভবিষ্যৎবাণী কৰে। পণ্ডিতৰ গণিতা ফলিওৱাৰ আপাহতে স্বৰ্গদেৱে সূৰ্য্যবৰক সোণামুৱা উপাধিৰে নামাম বঁটা-বাহন দিয়ে।'* এই সূৰ্য্যবৰ সোণামুৱা বৰদলৈৰ নাতিয়েক ময়ূৰধ্বজ সোণামুৱা বৰদলৈক ১৫৫০ শকত ( ইং ১৬২৮ চন, স্বৰ্গদেউ প্ৰতাপ-সিংহৰ ৰাজত্ব-কাল ) মজুন্দাৰ বৰুৱা পতা হয়। 'এইদৰে কনৌজৰ পাণ্ডে ব্ৰাহ্মণ বংশৰ ময়ূৰধ্বজ ওৰফে দৈত্যাৰি সোণামুৱা বৰদলৈয়ে স্বাধীন অসমৰ স্বৰ্গদেউ সকলৰ বৰচ'ৰাত সোণামুৱা মজিন্দাৰ বা মজুন্দাৰ বৰুৱা বংশৰ পাতনি মেলে।' (সদৰামীনৰ আত্ম-জীৱনী, পৃঃ ২০/০)। §


ময়ূৰধ্বজ মজুন্দাৰ বৰুৱাৰ আজোনাতি অম্বৰীষ স্বৰ্গদেউ লক্ষ্মীকান্ত সিংহৰ দিনত মজুন্দাৰ বৰুৱাৰ পদত আছিল। হৰকান্ত বৰুৱা সদৰামীনৰ 'আসাম বুৰঞ্জী'ৰ পৰিশিষ্টত ( ১৪৫ পৃষ্ঠাত ) অম্বৰীষৰ কথা এইদৰে আছে —'এওঁ অতি প্ৰতাপী ৰাজা-বল্লভ আছিল। নানাৰ বিদ্যা অৰ্থাৎ ফাৰ্চী, নাগেৰী, বাঙ্গালা, কোচৰ ও মানৰ দেশৰ বিদ্যাকো জানিছিল। চকু কিছো সৰু আছিল। সেই হেতু ৰাজাদেৱে আনন্দতে ও কৌতুকে নগাৰ নিচিনা সৰু চকু নগা এনে বুলিলে। সেই কাৰণে নগা মজুন্দাৰ নাম হয়। অপৰ পুত্ৰ ঈশদত্ত। ঐ নগা মজুন্দাৰৰ পুত্ৰ ৰাধাকান্ত ১, শ্ৰীকান্ত ২।' ‡

* সম্পাদকৰ টোকা :

উক্ত 'আসাম বুৰঞ্জী'ৰ পাতনিত (ঙ) সূৰ্য্যকুমাৰ ভূঞাই সূৰ্য্যবৰ সম্পৰ্কে কোৱা কথাখিনি 'সন্দীপিকা' গ্ৰন্থৰ সৈতে মিলা নাই। তাত লিখা আছে যে স্বৰ্গদেৱ দিহিঙীয়া ৰজাৰ অনুগ্ৰহত ১৪৩০ শকত কনৌজৰ গদাধৰ পাণ্ডেৰ বংশোদ্ভূত দয়াশীল পণ্ডিতে নগাওঁৰ কলিয়াবৰত মাটি-বৃত্তি লৈ বসতি কৰে। ১৪৫২ শকৰ ভাদ মাহৰ কৃষ্ণানৱমী তিথিত তেওঁ পুত্ৰ দৈত্যাৰি ওৰফে সূৰ্য্যবৰ পণ্ডিতক সৰ্বস্ব অৰ্পণ কৰি স্বৰ্গী হয়। কলিয়াবৰ চকিত থকা তনগাম বৰগোঁহাইৰ নিৰ্দেশক্ৰমে সূৰ্য্যবৰ স্বৰ্গদেউৰ চৰাইখোৱা ৰাহৰলৈ গৈ গণিপড়ি ভবিষ্যতৰ ফল মহাৰাজক জনায়। গণনা অনুযায়ী ৩ মাহ ২৪ দিনৰ পাছত স্বৰ্গদেৱে পুনৰ ৰাজসিংহাসন লাভ কৰাত 'সূৰ্য্যবৰৰ মুখ সোণাৰ মুখ বুলি কৈ গামখাৰু, পঢ়িদোলা, সোণৰ লগুণ আৰু সোণৰ মুখ সহিত অনেক মাটি-বৃত্তি, গোলাম-বন্দী দি মৰ্য্যাদা কৰিলে। সকলো বৰদলৈৰ ওপৰত বৰচ'ৰাত ৰাখিলে।' ( সন্দীপিকা, ১৯৩৩, পৃঃ ১৩, ১৪ )

§ হৰকান্ত বৰুৱা সদৰামীনে তেওঁৰ আত্ম-জীৱনীত 'ময়ূৰধ্বজ ওৰফে দৈত্যাৰি সোণামুৱা বৰদলৈ' বুলিলেও তেওঁলোকৰ বংশাৱলী মতে ময়ূৰধ্বজ দৈত্যাৰি ওৰফে সূৰ্য্যবৰৰ নাতিহে হয়। 'সন্দীপিকা'ৰ ২৩ পৃষ্ঠাত সেই বংশাৱলী দিয়া আছে।— সম্পাদক।

‡ শ্ৰীকান্ত সূৰ্য্যবিপ্ৰৰ বংশাৱলী 'সন্দীপিকা'ত এইদৰে দিয়া আছে :—






উক্ত গ্ৰন্থৰ প্ৰথম ভাগৰ ১৪৯ পৃষ্ঠাত আছে— 'শ্ৰীকান্ত কিছো ইংৰেজী ও ফাৰ্চী ও কিছো চিত্ৰকৰ বিদ্যা জানিছিল। গজপুৰ প্ৰদেশৰ হাজৰিকা বিষয় পাইছিল। কিন্তু নগা মজুন্দাৰে ৰাজা ও বুঢ়াগোহাঁইক জগনীয়াত জনালে যে মোৰ দুটি পুত্ৰ, এটি মজুন্দাৰ বৰুৱা হ'ল, এটি হাজৰিকা নামে থাকিল। কিন্তু হাজৰিকা নামটি ওচাই বৰুৱা নাম দি জাপিত ৰূপৰ চুলা দিলে ভাল হয়। সেই মত আজ্ঞা দিলে। তাৰ পৰাহে বৰুৱা নাম হ'ল। তেওঁ অতি সাহসী আড়ম্বৰী লোক আছিল। দুই বেলি শৰৎ কালি পুজা কামাখ্যাত কৰাবলৈ চমুৱা বৰুৱা হৈছিল। অথচ গৌহাটী আহি ৰজাৰ সন্নতি স্বৰূপ পুজা কৰাইছিল। তাতে পুজাৰ কোনো দ্ৰব্য ত্ৰুটী হোৱাত বদনচন্দ্ৰ বৰফোকনক দাই ধৰি ৰাক্য বচন বুলিছিল। এওঁ ভাললুৱা ঘৰৰ দেৱনাথ বৰদলৈৰ জীয়েক চেমতী নামে কন্যা নি বিবাহ কৰালে।'

অম্বৰীষৰ পুত্ৰ শ্ৰীকান্ত আৰু ৰামায়ণৰ পদকৰ্তা শ্ৰীকান্ত একেজন :

কমলেশ্বৰ সিংহৰ ৰাজমন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ আদেশত 'লংকা কাণ্ডৰ' পদ ৰচনা কৰাৰ কথা ছপা হোৱা লংকা কাণ্ড'ত ( ৭৮ পৃষ্ঠাত ) আছে। পুনৰ 'উত্তৰা কাণ্ড'তো কোৱা হৈছে —

দেৱে চাৰু মন্ত্ৰীবৰৰ ধৰি বিনৰ্ষণ
অনুমতি দেৱ আদেশিলা হৰ্ষমন ॥ ১৭
তুলসীদাসৰ চাৰু কৃত ৰামায়ণ।
.... পণ্ডিতা ভাষায়ে সিটো ৰামলীল যত।
নানা ছন্দে নিবন্ধিলা উত্তৰা কাণ্ডত ॥ ১৯
তান ভাষাচয় মহামন্ত্ৰী আজ্ঞা ধৰি।
......পদবন্ধে নিবন্ধিবো কৰিয়া যতন ॥ ২০

পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ আদেশত তুলসীদাসৰ ৰামায়ণ পদছন্দে নিবন্ধন কৰা শ্ৰীকান্ত, নগা মজুন্দাৰৰ কনিষ্ঠ পুত্ৰ শ্ৰীকান্তহে যে হয় তাত কোনো সন্দেহ নাই।

হৰকান্ত বৰুৱাই আত্ম-জীৱনীত তেওঁৰ খুৰাক শ্ৰীকান্ত সম্পৰ্কে লিখিছে — 'ঐ ১৭৫৪ শকৰ আৰে-ৰিতে আমাৰ জেষ্ঠ শিৱকান্ত বেমাৰ পৰি অহাত ... । ... সেই সময় শ্ৰীকান্ত গজপুৰীয়া বৰুৱা খুৰাদেউ গৌহাটীৰ পৰা সপৰিবাৰে উঠি আহি উত্তৰ পাৰে ব্ৰহ্মপুত্ৰৰ পাৰতে ঘৰ কৰি আছিল।' ( পৃঃ ৮, ৯ )। আত্ম-জীৱনী পুথিখনৰ মূল পাণ্ডুলিপিটোৰ মুঠ ২৮ টা পৃষ্ঠা ( বিভিন্ন অংশৰ ) হেৰোৱাৰ কথা পাতনিত উল্লেখ কৰা হৈছে ; সেই হেৰোৱা পাতৰ কৰবাত শ্ৰীকান্তৰ বিষয়ে কিবা কথা আছিল যদিও তাক জনা নাযায়। আনহাতে শ্ৰীকান্তৰ পুত্ৰ ৰমাকান্ত তেজপুৰত মুন্সিফ হৈ থকাৰ কথা ( পৃঃ ৫৩ ), শ্ৰীকান্তৰ এগৰাকী পত্নী ডালিমীৰ ১৮৫৫ চনত মৃত্যু হোৱাৰ কথা (পৃঃ ৯২), ১৮৮৯ চনত পুত্ৰ লক্ষ্মীকান্তৰ মৃত্যুৰ কথা বৰ্ণনা কৰাৰ উপৰিও শ্ৰীকান্তৰ পুত্ৰ সকলৰ কথা কেইবাটাও প্ৰসঙ্গত সদৰামীনে বৰ্ণনা কৰিছে। শ্ৰীকান্তৰ পত্নী আৰু পুত্ৰ-কন্যাৰ বিৱৰণ 'আসাম বুৰঞ্জী'ৰ পৰিশিষ্টত দিয়া আছে।

শ্ৰীকান্ত, বৈষ্ণৱ সাহিত্য আৰু একশৰণ ধৰ্ম :

শ্ৰীকান্তই 'লংকা কাণ্ড'ত শিক্ষকাকৰ আখ্যান-প্ৰসংগত 'সাৰশেষে নিবন্ধিবো উত্তৰাকাণ্ডত' বুলি উত্তৰাকাণ্ডটো ৰচনা কৰাৰ কথা কৈছে। কিন্তু বৰ্তমানে প্ৰাপ্ত লংকা কাণ্ড' আৰু 'উত্তৰা কাণ্ড'ৰ এটাতো শ্ৰীকান্তই অন্যান্য কাণ্ড ৰচনা কৰাৰ ইঙ্গিত পোৱা নাযায়।

শ্ৰীকান্তৰ অনূদিত তুলসীদাসী কাণ্ড দুটাত আধ্যা বিলাকৰ অন্তত বৈষ্ণৱ কবিসকলৰ পৰতত দিয়া উপদেশ-মূলক ভণিতাৰ পদ-দৃষ্টৰ নানা ঠাইত কীৰ্ত্তন-নামঘোষাৰ পদৰ প্ৰভাৱ স্পষ্ট। তলত তেনে দুটিমান পদ তুলি দিয়া হ'ল :—

(১) যাৰ নাম লৈলে মাত্ৰ যজ্ঞ কৰিবাৰ পাত্ৰ
হোৱে মহা ম্লেচ্ছ অন্ত্যজাতি।
নঙজিয়া হেন দেৱ আনকেসে কৰে সেৱ
সেহিজন জানা আত্মঘাতী ॥ ৫৫৬

দুৰ্লভ মনুষ্য জন্ম    পায়া সিটো নৰোত্তম
লয়ে একশৰণ সাক্ষাত। ইত্যাদি (উত্তৰাকাণ্ড)

(২) নমো নমো ৰাম    তুমি পূৰ্ণকাম
দীন দয়াশীল স্বামী।
কৰিয়ো উদ্ধাৰ    জগত আধাৰ
শৰণ পশিলো আমি ॥ ৬৮৫ (উত্তৰাকাণ্ড)

(৩) অতি সুকোমল    পৰম মঙ্গল
দিয়ে সিটো অনুক্ষণ। ৬৭৯ (উত্তৰাকাণ্ড)

* * *

অতি সুকোমল    পৰম মঙ্গল
ৰামৰ কথা পবিত্ৰ ( লংকাকাণ্ড, ৯২ পৃঃ )

* * *

তুলনীয়— দুগুটি অক্ষৰ ৰাম-নাম
শ্ৰীৰাম-নাম অমিয়া মধুৰি ক্ষৰে।
অতি সুকোমল পৰম মঙ্গল
সৰে মনোৰথ পূৰে ॥ ৭৬৬ (নাম-ঘোষা)

(৪) হে দেৱ জগন্নাথ    নমো মোৰ দমাই মাথ
কৰা পৰিত্ৰাণ মোৰ স্বামী। × × ২৯৯
( উত্তৰাকাণ্ড )

* * *

তুলনীয়—হে প্ৰভু ৰঘুনাথ    প্ৰণামো দমায়া মাথ
তুমি মোৰ হৈৱা নিজগতি হৰি ৰাম
ৰঘু কুল-নন্দন মুৰাৰি ॥ ৮৩৭ ( নামঘোষা )

এনেকুৱা পদসমূহে শ্ৰীকান্তৰ ওপৰত অসমীয়া বৈষ্ণৱ সাহিত্যৰ গভীৰ প্ৰভাৱ সূচনা কৰে। তদুপৰি কবিজনাৰ উপদেশ-পদসমূহত ৰামত শৰণ লোৱাৰ বাৰম্বাৰ উল্লেখ-কাৰ্য্যই তেওঁ যে 'একশৰণ' ধৰ্মৰ প্ৰতি আগ্ৰহশীল তাৰো সংকেত দিয়ে। তেনেকুৱা দুটিমান পদো উল্লেখ কৰা হল :—

(১) শুনা সভাসদ পদ উত্তৰাকাণ্ডৰ।
পূৰ্ণানন্দ ৰাঘৱৰ লীলা নিৰন্তৰ ॥ ৫৫৪
বেদে কহি আছে একদেৱ জনাৰ্দ্দন।
তান মহাভক্তি দুটা শ্ৰৱণ কীৰ্ত্তন ॥
তাংক একশৰণে নিশ্চয় চিত্ত কৰি।
একান্তে ভজিয়ো সীতাপতি দেৱহৰি ॥ ৫৫৫
( উত্তৰাকাণ্ড )

(২) যদ্যপি কহিছে শাস্ত্ৰে নানা ধৰ্ম যত
হৰি নাম বিনে জানা বিফল সমস্ত ॥ ৯৭১
এতেকে মহন্ত সবে জানি শাস্ত্ৰ-তত্ত্ব।
ৰাম-নাম ধন সদা ৰাখয় যতনত ॥
শ্ৰীৰাম দেৱৰ নাম নাম আত্মপৰে।
নাহি আন ধৰ্ম আৰ সংসাৰ ভিতৰে ॥ ৯৭২
৩ * — নমো নমো ৰঘুনাথ অগতিৰ গতি।
… তুমি বিনে মোৰ নাহি নাহি আন দেৱ। ৯৭৩
( উত্তৰাকাণ্ড )

সদৰামীনৰ আত্ম-জীৱনীত শ্ৰীকান্তৰ পুত্ৰ ৰমাকা… আৰু ৰতিকান্তই ন-গোসাঁইৰ শৰাহে মন্ত্ৰ লোৱা… কথা আছে। হৰকান্তৰ প্ৰসঙ্গত তেওঁলোক ন-গোসাঁই… তিনি পুৰুষীয়া শিষ্য বুলি কোৱা হৈছে। সেইমতে… শ্ৰীকান্তও শাক্তগুৰু ন-গোসাঁইৰ শিষ্য হব লাগে… ইফালে হৰকান্ত আৰু ককায়েক শিৱকান্তই আউনিআটী… কৃষ্ণদেৱ গোসাঁইত শৰণ লোৱা * কথাই মহুৰ… ৰকতাৰ পৰিয়ালত আগতেও আউনিআটী সত্ৰত শ… লোৱা প্ৰথা থকাৰ ইঙ্গিত দিয়ে।

শ্ৰীকান্ত সূৰ্য্যবিপ্ৰ সম্পৰ্কে বিশেষ অনুসন্ধান… নাই, কিন্তু ৰামায়ণৰ অনুবাদক হিচাপে অস… সাহিত্যৰ বুৰঞ্জীত শ্ৰীকৃষ্ণৰ স্থান দুই কবিৰ লোৱাৰি… ব্যাপক অনুসন্ধান কৰিলে তেওঁৰ অন্যান্য সাহিত্য… সম্পৰ্কেও জনা যাব বুলি আমাৰ দৃঢ় বিশ্বাস।


* সদৰামীনৰ আত্ম জীৱনী, পৃষ্ঠা ১৩।

# জন্ম-শতবাৰ্ষিকীৰ শ্ৰদ্ধাঞ্জলি

অসম সাহিত্য সভাৰ

উনবিংশ আৰু বিংশ অধিবেশনৰ সভাপতি

বাগ্মীবৰ নীলমণি ফুকন



জন্ম: ১৮০২ শকৰ ৭ আহাৰ

মৃত্যু: ১৮৯৯ শকৰ ৬ মাঘ

কাকাচাহেব কালেলকাৰৰ লগত গৰ্কী ভৱনত গৰ্কী পৰিয়ালৰ সৈতে

মাজত থকাজন 'বকা'।

অসম সাহিত্য সভাৰ
চতুৰ্দ্দশ অধিবেশনৰ সভাপতি
জ্ঞানদাভিৰাম বৰুৱা



জন্ম: ১৮০২ শকৰ ৪ ভাদ    মৃত্যু: ১৮৭৬ শকৰ ১০ মাঘ

## জ্ঞানদাভিৰাম বৰুৱা আৰু তেওঁৰ সময়

শ্ৰীনন্দ তালুকদাৰ

প্ৰথিতযশা কথা-সাহিত্যিক জ্ঞানদাভিৰাম বৰুৱাই এশ বছৰ পূৰ্বে নগাওঁৰ বিহ কুটীৰত জন্ম গ্ৰহণ কৰিছিল। জন্মৰ দিনটো আছিল ভাদ মাহৰ পূৰ্ণিমা তিথি, বৃহস্পতিবাৰ। ঊনৈশ শতিকাৰ আধুনিক অসমীয়া ভাষা সাহিত্যৰ ৰেনেছাঁৰ অগ্ৰদূত গুণাভিৰাম বৰুৱাৰ দ্বিতীয়া পত্নী বিষ্ণুপ্ৰিয়াৰ পঞ্চম আৰু কনিষ্ঠ সন্তান জ্ঞানদাভিৰাম বৰুৱা। জন সমাজত জে-বৰুৱা নামেৰে খ্যাত সৰবহী ৰোমন্তোলা জে-বৰুৱাৰ ব্যক্তিত্বৰ বহু কথাই তেওঁৰ জীৱনকালতে লিজেণ্ড স্বৰূপ হৈ পৰিছিল। এখন ভৰপূৰ ঘৰত উপজি ডাঙৰ-দীঘল হৈছিল যদিও ১৪ বছৰ বয়সত তেওঁ একমাত্ৰ বায়েক স্বৰ্ণলতাৰ বাহিৰে পিতৃ-মাতৃ আৰু তিনি গৰাকী ককায়েক সত্যাভিৰাম, কৰুণাভিৰাম আৰু কমলাভিৰামক অকালতে হেৰুৱাব লগা হৈছিল।

পোন্ধৰ বছৰ বয়সতে তেওঁ ১৮৯৫ চনৰ চেপ্তেম্বৰ মাহত উচ্চ শিক্ষাৰ উদ্দেশ্যে অকলশৰে এমাহকাল সাগৰ ভ্ৰমণ কৰি লণ্ডনত উপস্থিত হলগৈ। ১৯০৯ চনত তেওঁ লণ্ডনত বাৰিষ্টাৰী পৰীক্ষা পাছ কৰে। তেওঁৰ 'বিলাতৰ চিঠি' গ্ৰন্থ এই বিলাত যাত্ৰা আৰু অধ্যয়ন কৰা কালছোৱাৰ মনোৰম কাহিনী।

অসমলৈ আহি জে-বৰুৱা ১৯১২ চনৰ ১০ ডিচেম্বৰৰ পৰা মেজিষ্ট্ৰেট হয়; পিছত তেওঁ ১৯১৪ চনৰ ১৫ জুলাইৰ পৰা নতুনকৈ স্থাপন কৰা গুৱাহাটীৰ আৰ্ল ল কলেজৰ অধ্যক্ষ হয়। ১৯৩৭ চনত তেওঁ এই পদৰ পৰা অৱসৰ গ্ৰহণ কৰে।

বাৰিষ্টাৰ হলেও প্ৰকৃতাৰ্থত জ্ঞানদাভিৰাম বৰুৱা এজন শিক্ষাবিদহে আছিল। দীঘলী পুখুৰীৰ পাৰৰ তেওঁৰ অধ্যক্ষৰ বাস-ভৱনেই আছিল তাহানিৰ অসমীয়া সাহিত্য-সংস্কৃতিৰ মন্ত্ৰণা-কক্ষ। ৰবীন্দ্ৰনাথ ঠাকুৰ, আশুতোষ মুখাৰ্জী প্ৰভৃতি বহুজন খ্যাতনামা ব্যক্তিৰ শুভাগমন হৈছিল তেওঁৰ বাস-ভৱনলৈ।

জে-বৰুৱাৰ পিতৃ গুণাভিৰাম আৰু আনন্দৰাম ঢেকিয়াল ফুকন একে বংশৰ লোক; এই বংশটো উজনিৰ টিয়ক অঞ্চলৰ। গুণাভিৰামৰ পিতৃ যোগাই ওৰফে ৰণৰাম, আনন্দৰামৰ উপৰি পুৰুষ পৰশুৰাম আৰু কালিৰাম বৰুৱাৰ পিতৃ শম্ভুৰাম ভাগ্য-বিপৰ্য্যয়ত পৰি অসমলৈ অহা দ্ৰাবিড় দেশীয় লক্ষীনাৰায়ণ ব্ৰহ্মচাৰীৰ আশ্ৰয়ত থাকিব লগীয়া হয়। ব্ৰহ্মচাৰীৰ আশ্ৰিত বৰুৱা-ফুকন বংশৰ উত্তৰাধিকাৰী সকলেই ঊনৈশ শতিকাৰ অসমৰ ৰেনেছাঁৰ অগ্ৰদূত স্বৰূপ।

বৃহ দিশতেই বৰুৱাৰ বংশৰ ভালে কেইজন লোকৰ একালৰ কৰ্ম-ভূমি আছিল নগাওঁ চহৰ। ১৮৫৩ চনৰ এপ্ৰিল মাহত (১৭ চ'তত) আনন্দৰাম ঢেকিয়াল ফুকনৰ সৌজন্যত নগাওঁ চহৰত স্থাপিত হৈছিল 'জ্ঞান প্ৰদায়িনী সভা'। তেওঁৰ জীৱন-বন্তিও নিৰ্বাপিত হৈছিল ইয়াতেই। ১৮৮৫ চনৰ জানুৱাৰী মাহৰ পৰা নগাওঁত থাকি গুণাভিৰামে উলিয়াইছিল 'আসাম-বন্ধু'। এওঁ আছিল স্ত্ৰী-শিক্ষাৰ সমৰ্থক। গুণাভিৰামে ৰৱজীয়াৰী

স্বৰ্ণলতাক ১৮৮০ খৃষ্টাব্দত কলিকতাৰ বেথুন স্কুলত ৰাখি পঢ়ুৱাইছিল।

১৮৩৬ খৃষ্টাব্দৰ পৰা। অসমত বঙলা ভাষা চলিছিল। অসমৰ জনসাধাৰণে তেতিয়া চুৰচুৰীয়াকৈ ইয়াৰ প্ৰতিবাদ কৰিছিল। আমেৰিকান বেপ্তিষ্ট মিছনেৰী সকলে ১৮৪৬ চনৰ জানুৱাৰী মাহৰ পৰা 'অৰুণোদই' কাকত উলিয়াই ইয়াৰ বাবে জনমত গঠন কৰিছিল। অসমীয়া ভাষা পুনৰ প্ৰচলনৰ বাবে এই নগাওঁ চহৰৰ পৰাই ১৮৭২ খৃষ্টাব্দৰ ১৯ মাৰ্চ তাৰিখে ২১৬ জন আবেদনকাৰীৰ চহীসহ ড° মাইলচ্ ব্ৰন্সনৰ নেতৃত্বত তেতিয়াৰ চৰকাৰক এখন আবেদন-পত্ৰ দিয়া হৈছিল। সেই আবেদনৰ স্বাক্ষৰকাৰী সকলৰ ভিতৰত আছিল গুণাভিৰাম বৰুৱা, ৰুদ্ৰৰাম বৰদলৈ, পদ্মহাস গোস্বামী প্ৰভৃতি অসমীয়া সকলৰ লগতে জানকীনাথ সেন উকিল, ৰামলোচন সেন, কৃষ্ণদেৱ উকিল প্ৰভৃতি কেইজনমান নগাওঁ নিবাসী বঙালী লোক। উনবিংশ শতিকাৰ নগাওঁ চহৰৰ এই বঙালী ভদ্ৰলোক কেইজনৰ আদৰ্শ যদি অসমত বসবাস কৰা আন বঙালীয়ে গ্ৰহণ কৰিলে হেঁতেন তেনেহ'লে অসমত বঙালী-অসমীয়াৰ সম্প্ৰীতিৰ এনাজৰীডাল আজি নিঃশকনীয়া হ'ল হেঁতেন।

অসম-হিতৈষী গুণাভিৰাম বহু ক্ষেত্ৰত উদাৰ আৰু দূৰদৰ্শী পুৰুষ আছিল। ৰক্ষণশীল অসমীয়া সমাজখনক তেওঁ আধুনিকতাৰ দৈতে গতিশীল কৰিব বিচাৰিছিল আৰু তাৰ বাবে তেওঁ নিজে কিছুমান বাট কৰি দেখুৱাইছিল। ১৮৬৯ খৃষ্টাব্দত তেওঁ প্ৰকাশ্যে ব্ৰাহ্মধৰ্ম গ্ৰহণ কৰিছিল। ১৮৭০ খৃষ্টাব্দৰ এপ্ৰিল মাহত তেওঁ পৰশুৰাম বৰুৱাৰ বিধবা বিষ্ণুপ্ৰিয়া দেৱীক বিয়া কৰায়। গুণাভিৰামৰ আগৰ গৰাকী পত্নী ব্ৰজসুন্দৰী দেৱী ১৮৬৭ চনতে ঢুকায়। ১৮৭২ খৃষ্টাব্দৰ ডিচেম্বৰ মাহত তেওঁ নিজৰ বিধৱা-বিবাহৰ ৰেজিষ্টাৰী কৰে। অসমত এইখনেই প্ৰথম ৰেজিষ্টাৰী বিয়া। তেওঁ জীয়েক স্বৰ্ণলতাক বিয়া দিছিল ঢাকা নিবাসী ডা° নন্দকুমাৰ

ৰায়ৰ লগত। ১৮৯৭ খৃষ্টাব্দৰ মাৰ্চ মাহত স্বৰ্ণল[illegible] বিধৱা হয়। গুণাভিৰামে পুনৰ তেওঁৰ জীয়ৰীৰ বি[illegible] পাতিলে কলিকতাৰ শিক্ষাবিদ ক্ষীৰোদ চন্দ্ৰ ৰায়[illegible] লগত।

নানা ঘাত-প্ৰতিঘাত, বাধা-বিঘিনিৰ মাজে[illegible] গুণাভিৰামে অসমীয়া সাহিত্যৰ ভঁৰাললৈ আগবঢ়াইছি[illegible] কেইবাখনিও পুথি। সেইবোৰ হ'ল — ৰাম-নৱমী নাট[illegible] (১৮৫৭), লৰা পুথি (১৮৭৪), আসাম বুৰঞ্জী (১৮৭[illegible]) অসমীয়া ল'ৰাৰ ভূগোল (১৮৭৯) আনন্দৰাম ঢেকিয়াল[illegible] ফুকনৰ জীৱন-চৰিত্ৰ (১৮৮০), কাব্য-কুসুম (১৮৮[illegible]) পদাৰ্থ-বিদ্যা, কঠিন শব্দৰ ৰসস্থ-ব্যাখ্যা প্ৰভৃতি বি[illegible] বিষয়ৰ গ্ৰন্থ। তেওঁৰ পত্নী বিষ্ণুপ্ৰিয়া দেৱীৰ 'নী[illegible] কথা' (১৮৮৩), কন্যা স্বৰ্ণলতাৰ 'আতি তিৰো[illegible] আৰু দ্বিতীয় পুত্ৰ জ্ঞানাভিৰাম বৰুৱাৰ সম্পাদ[illegible] ১৮৮৮ খৃঃ ত প্ৰকাশ হৈছিল মাহেকীয়া শিশু আলোচ[illegible] 'লৰা বন্ধু'।

১৮৯২ খৃঃ ত বিষ্ণুপ্ৰিয়া দেৱীৰ মৃত্যু হয়। গুণা[illegible] বাবে পত্নীৰ স্মৃতি-ৰক্ষাৰ্থে কলিকতা বিশ্ববিদ্যাল[illegible] ব্যৱস্থা কৰিলে 'বিষ্ণু প্ৰিয়া দেৱী বঁটা'ৰ। ১৮৯২ খৃষ্টা[illegible] পৰা প্ৰতিবছৰে বি-এ পৰীক্ষাত প্ৰথম হোৱা ছাত্ৰ[illegible] এই বঁটা লাভ কৰিছিল। ১৮৯০ খৃঃ ত চৰকা[illegible] চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰি গুণাভিৰামে কলিকতা[illegible] বসবাস কৰিছিল। তেওঁ কলিকতাত বাস কৰাৰ কা[illegible] হ'ল — পুত্ৰসকলৰ সুশিক্ষাৰ ব্যৱস্থা কৰা আৰু এক[illegible] পত্নীয়াকৈ সাহিত্য-চৰ্চা কৰা, তদুপৰি ব্ৰাহ্মধৰ্ম [illegible] কৰা আৰু বিধৱা বিয়া কৰাৰ কাৰণে অসমৰ [illegible] ব্ৰাহ্মণ সমাজত তেওঁৰ স্থান নাছিল।

ইংৰাজী শিক্ষা লাভ কৰা, ইংৰাজৰ আদব-কায়দা[illegible] চলা আৰু সুৰা'পান কৰাৰ বাবে সেই সময়ত ফুক[illegible] ঘৰটো জাত গৈছিল। সেয়েহে শূলপাণি বৰুৱাৰ ঘ[illegible] নন্দীশ্বৰ বৰুৱাই আনন্দৰাম ঢেকিয়াল ফুকনৰ বি[illegible] কন্যা পদ্মাৱতীক বিয়া কৰোৱা বাবে ঘৰপনে তেওঁ[illegible] আলাপ কৰি গৈছিল আৰু নন্দীশ্বৰেও 'ফুকন' উপা[illegible]





লৈছিল। আনন্দৰামৰ দ্বিতীয় পুত্ৰ অন্নদাৰাম মৃত্যুৰ সময়ত (সম্ভৱতঃ ১৮৮৩/৮৪ খৃঃ ত) শ্মশানলৈ কোনো ব্ৰাহ্মণ লোক যাব বিচৰা নাছিল। বহু টকা নে তাতোকৈ বেছি টকা দি কোনোমতে এজন বামুণ নিব পাৰিছিল। জে-বৰুৱাই নিজেই সেই কথা লিখিছে। আনন্দৰামৰ বৰপুত্ৰ (অসমৰ প্ৰথম ডক্টৰেট ডিগ্ৰীধাৰী) ৰাধিকাৰামে মেইদা নামৰ ইংৰাজ মহিলা এগৰাকীক বিয়া কৰাইছিল। সেই সময়ৰ অসমীয়া সমাজখনৰ ৰক্ষণশীলত ভাঙিবলৈ কেইবাজনো শিক্ষিত অসমীয়া লোকে চেষ্টা কৰিছিল। সাহিত্যৰথী বেজবৰুৱাও সেই সকলৰ ভিতৰত অন্যতম আছিল।

জ্ঞানদাভিৰাম বৰুৱাই কলিকতাৰ বিখ্যাত ঠাকুৰ পৰিয়ালৰ নিচিনা এটি উচ্চ অভিজাত বঙালী পৰিয়ালৰ লগত বিবাহ-সূত্ৰেৰে আবদ্ধ হৈছিল। তেওঁ লতিকাদেৱীক বিয়া কৰিছিল। এই প্ৰসঙ্গত তেওঁ লিখিছে :— 'কবিগুৰু ৰবীন্দ্ৰনাথৰ লগত বাইদেউৰ বিয়া নহ'ল ; কিন্তু বাইদেউৰ সৰু ভায়েক মোৰ লগত বৰি ঠাকুৰৰ বৰ ককায়েক বিজ্ঞ দাৰ্শনিক পণ্ডিত দ্বিজেন্দ্ৰনাথ ঠাকুৰৰ মাজিউ পুতেক অৰুণেন্দ্ৰ নাথ ঠাকুৰৰ জেষ্ঠ কন্যা লতিকা দেৱীৰ বিয়া ১৯০৬ চনৰ পহিলা জুলাইত হ'ল। মানুহৰ মতৰ কি পৰিবৰ্তন! এই বিয়া বাইদেউ স্বৰ্ণলতা দেৱীয়ে দিয়াইছিল।'

বিলাতৰ পৰা ঘূৰি আহি জে-বৰুৱা ১৯১২ চনৰ ২০ ডিচেম্বৰত মেজিষ্ট্ৰেট হয়। ১৯১৪ খৃঃৰ ১৫ জুলাইৰ পৰা তেওঁ আৰ্ল ল কলেজৰ অধ্যক্ষ ৰূপে কাম কৰে ; তেতিয়া তেওঁৰ দৰমহা আছিল ৭০০্ টকা, লগত এলাৱেন্স পাইছিল ১০০্ টকা।

হাকিম হিচাপে জে-বৰুৱা বৰ উদাৰ প্ৰকৃতিৰ লোক আছিল। কোনো দোষীক জৰিমনা কৰাৰ পিছত কন্দা-কটা কৰিলে অলপ ৰেহাই দিছিল। এই কথা তেওঁ 'মোৰ কথা'ত উল্লেখ কৰি গৈছে। কোনো কোনোৱে তেওঁক জেপৰ পৰা দোষীৰ হৈ জৰিমনা দিয়া বুলি কোৱা কথা সত্য নহয়।

পিতৃ-পুৰুষৰ দৰে নগাওঁ চহৰ জে-বৰুৱাৰ কৰ্মভূমি আছিল বুলি কলে ভুল কোৱা নহব। ১৯২৫ চনৰ ২৭ ডিচেম্বৰত উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈৰ পৌৰহিত্যত নগাওঁত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ অষ্টম অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল জে-বৰুৱা। অভ্যৰ্থনা সমিতিৰ সভাপতি হিচাপে আগবঢ়োৱা তেওঁৰ অভিভাষণখনি অতি মূল্যবান।

সাহিত্যিক স্বৰূপে জে-বৰুৱাই অসমীয়া সাহিত্যৰ ভঁৰাললৈ কেইবাখনিও পুথি আগ বঢ়ায়। সেইবোৰ আকাৰত সৰু হলেও প্ৰকাৰত চকুতপৰা গুণ-বিশিষ্ট। ভেনিচৰ সাউদ (১৯১২), পঞ্চৰত্ন আৰু দদাইৰ পঁজা (১৯৩০) বিদেশী পুথিৰ আধাৰত ৰচনা কৰা গ্ৰন্থ। স্বেক্সপীয়েৰৰ অমৰ নাটকেই 'ভেনিচৰ সাউদ' আৰু 'পঞ্চৰত্ন'ৰ মূল ভেটি। 'দদাইৰ পঁজা'ৰ আধাৰ-গ্ৰন্থ হ'ল মিচেচ্ হ্যৰীয়েট বীচাৰ ষ্টোৰ জনপ্ৰিয় গ্ৰন্থ 'Uncle Tom's Cabin'. তেওঁৰ উক্ত গ্ৰন্থখনিৰ ভাষা সহজ সৰল আৰু নিৰ্ভাজ অসমীয়া। তেওঁৰ 'Folk Tales of Assam' (১৯১৪) পুথিখন সাহিত্যৰথী বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধু'ৰ ১৭ টা বচা বচা সাধুৰ ইংৰাজী ৰূপান্তৰ। এইখন পুথিৰ জৰিয়তে জে-বৰুৱাই অনা-অসমীয়া পাঠকক অসমীয়া সাধুৰ সোৱাদ দিব পাৰিছিল। তেওঁৰ আন এখন গ্ৰন্থ হ'ল 'বিলাতৰ চিঠি' (১৯৩৯)। জে-বৰুৱাই বিলাতত থকা সুদীৰ্ঘ ১৪ বছৰ কাল আৰু সেই সময়ৰ বিলাত যাত্ৰাৰ মনোৰম কাহিনী তাত সন্নিবিষ্ট কৰা হৈছে। তেওঁ 'ৰামধেনু' আলোচনীত ধাৰাবাহিক ভাৱে 'মোৰ কথা' নাম দি আত্ম-জীৱনী এখন লিখিবলৈ লৈছিল; কিন্তু সেইখন আধৰুৱা হৈ ৰ'ল। বাঁহী, আৱাহন, মিলন, বৰদৈচিলা, বাহৰি, তৰুণ অসম, ৰামধেনু আদি কাকত সমূহত প্ৰকাশিত জে-বৰুৱাৰ ৰচনাবোৰ নিভাঁজ অসমীয়া গদ্যৰ চানেকি। ইংৰাজী কওঁতে আৰু লিখোতে তেওঁ যেনে এজন চাহাব, অসমীয়া ভাষা-প্ৰয়োগৰ ক্ষেত্ৰতো তেওঁ এজন

নিৰ্ভাজ অসমীয়া।

১৯৩৩ চনৰ ২৭ ডিচেম্বৰৰ পৰা উত্তৰ লক্ষীমপুৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ চতুৰ্দশ অধিৱেশনৰ জ্ঞানদাভিৰাম বৰুৱা সভাপতি। অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল সৰ্বেশ্বৰ বৰুৱা। জে-বৰুৱাৰ অভিভাষণ খনি গতানুগতিক অভিভাষণ নহয়। আজিৰ এই জাতীয় সন্ধিক্ষণত অসমীয়া সমাজে যি কৰ্ম আৰু ধৰ্মৰ কথা চিন্তা কৰিছে, দুকুৰি সাত বছৰ আগেয়ে সেই কৰ্ম আৰু ধৰ্মৰ বিষয়ে সকিয়াই দিছিল বৰুৱা ডাঙৰীয়াই তেওঁৰ অভিভাষণ খনিৰ মাজেৰে। জে-বৰুৱাৰ স্বাধীন-চিন্তীয়া মনোভাৱ, স্বাবলম্বী হোৱাৰ প্ৰয়োজনীয়তা, জাতিৰ আত্ম-মৰ্যাদা ৰক্ষাৰ উপায়, স্বদেশ-প্ৰেমৰ মহত্ত্ব আৰু স্বদেশ ৰক্ষাৰ গুৰুত্ব সম্পৰ্কে অনেক মূল্যবান কথা মণি-মুকুতাৰদৰে তেওঁৰ ভাষণত জিলিকি আছে।

জে-বৰুৱা যেনে এজন আদৰ্শস্থানীয় সাহিত্যিক আছিল, তেওঁ তেনে এজন সুনিপুণ অভিনেতাও আছিল। জোৰা-সাঁকোৰ ঠাকুৰ পৰিয়ালৰ মাজত হোৱা 'বাল্মীকি-প্ৰতিভা' নাটকৰ অভিনয়ত স্বয়ং ৰবীন্দ্ৰ নাথে বাল্মীকিৰ ভাও লৈছিল, জে-বৰুৱাই লৈছিল দস্যু চৰ্দাৰৰ ভূমিকা। বেজবৰুৱাৰ কন্যা অৰুণাই লৈছিল বনদেৱীৰ ভাও। তেওঁ আলৰ্ট কলেজত ছাত্ৰৰ লগতো অভিনয় কৰিছিল। তদুপৰি জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'ইন্দ্ৰমালতী' কথাছবিত এটি প্ৰধান চৰিত্ৰৰ ভাও লৈছিল। জে-বৰুৱাক ভাও লবলৈ দি হেনো জ্যোতিপ্ৰসাদে কৈছিল — "আইনজীৱী জে-বৰুৱাক আনিছো, তেখেতে কোৰ্টত কোৱা অতি সুন্দৰ এটি ইংৰাজী ভাষণ মই 'ইন্দ্ৰমালতী'ত ডকুমেণ্টৰী ৰূপে ধৰি ৰাখিম, জে-বিৰুৱা অসমৰ দুৰক্ষীত সদায় থাকিব। তেখেতৰ দৰে বাৰিষ্টাৰৰ ভাষণ দুৰক্ষী হৈ ৰব, আৰু মই দলিল-চিত্ৰ (ডকুমেণ্টৰী) দুৰক্ষীক বন্দী কৰিম যাতে ভৱিষ্যত অসমীয়া চামে তেখেতক আৰু তেখেতৰ ইংৰাজীক মনত ৰাখে।" সঁচাকৈয়ে জে-বৰুৱাৰ মুখৰ ইংৰাজী নিৰ্ভাজ চাহাবী ইংৰাজী; আৰু অসমীয়া নিৰহ-নিপানী অসমীয়া। তেওঁ কেতিয়াও আমাৰ দৰে



অসমীয়া বাক্যত ইংৰাজী শব্দ 'use' নকৰে।

জ্ঞানদাভিৰাম বৰুৱাই নিজকে 'Unworthy son of a worthy father' বুলি ভাবিলেও তেওঁ দৰাচলতে পিতৃ-পুৰুষৰ উপযুক্ত পুত্ৰ আছিল। গুণাভিৰামৰ বহুত গুণ তেওঁৰ গাত প্ৰতিফলিত হৈছিল। সাহিত্য-চৰ্চা, জাতীয় চিন্তাধাৰা আৰু স্বদেশ-প্ৰেম তেওঁৰ কৰ্মৰ মাজেৰে ফুটি উঠিছিল। বিলাতত সুদীৰ্ঘ কাল থাকিলেও, বঙালী পৰিয়ালত বিয়া কৰালেও তেওঁ হাড়ে-হিমজুৱে অসমীয়া আছিল।

১৯০১ চনৰ কথা। তেতিয়া জে-বৰুৱা বিলাতত। বিলাতৰ আলিবাটেৰে মহাৰাণী ভিক্টোৰীয়া পাৰ হৈ যায়। ৰাণী পাৰ হৈ যোৱাত টুপী খুলি ইংৰাজসকলে hurrah কৰিলে; আৰু কুৰি বছৰীয়া জ্ঞানদাভিৰামে চিঞৰি কলে'—জয় মহাৰাণী কি জয়।' তেওঁৰ এই আচহুৱা মাত শুনি মহাৰাণীয়ে হেনো তেওঁৰ পিনে চাই bow কৰিলে। সেইজন জে-বৰুৱাৰ মুখত আমি কোৱা কমলা। টেঙা সোণতৰা হৈ ওলায়। জে-বৰুৱাৰ শেষ জীৱনৰ এদিনৰ কথা। দুপৰীয়া খাবৰ সময়ত কিবা কথাত লাগি বৰ পুত্ৰ মনোভিৰামৰ ওপৰত তেওঁ ওকন্দ পাতিছে, খোৱাৰ টেবুললৈ নাযায়। এনেতে তেওঁৰ বৰ বোৱাৰী অনা-অসমীয়া জীয়ৰী গুলপী বৰুৱাই মাতিলে — 'দেউতা, আহক, ভাত খাওক।' অনা-অসমীয়া বোৱাৰীৰ মুখত নিভাঁজ অসমীয়া 'দেউতা' মাতষাৰ শুনি জে-বৰুৱাৰ হৃদয় পমি গ'ল — 'তুমি মোক দেউতা বুলি মাতিছা, মই আৰু নেখামনে!' এই বুলি তেওঁ ভাতৰ পাতত বহিল। এইজনেই আপোনভোলা জে-বৰুৱা।

তেওঁ মানুহক যেনেকৈ মৰম-চেনেহ কৰিছিল, জীৱ-জন্তুকো তেওঁ দয়াৰ চকুৰে চাইছিল। তেওঁৰ 'টাইগাৰ' কুকুৰটো আছিল পৰিয়ালৰ মানুহৰ দৰে এজন। বহল হৃদয়ৰ সভা-ভৰণী খুলন্তৰ জে-বৰুৱা ১৯৫৫ চনৰ ২৭ জানুৱাৰীত 'অভিৰাম'ত স্বৰ্গী হয়। তেওঁৰ আদৰ্শময় কৰ্ম আৰু চিন্তা অসমীয়াৰ পক্ষে প্ৰেৰণাদায়ক।

# বাগ্মীবৰ নীলমণি ফুকনৰ সোঁৱৰণত

শ্ৰীশৰৎকুমাৰ দত্ত

আহোম স্বৰ্গদেউৰ অধীনত 'খাৰঘৰীয়া ফুকন'ৰ বিষয়-বাব পোৱা ঘনশ্যামৰ নাতি নীলমণি ফুকনে ১৮৮০ খৃঃৰ ২২ জুনৰ দিনা ডিব্ৰুগড়ত জন্ম গ্ৰহণ কৰে। ঘনশ্যাম সংস্কৃত বিদ্যাত পাৰ্গত আছিল, তেওঁৱেই সংস্কৃত কলিপুৰাণৰ অসমীয়া পদ ভাঙনি কৰিছিল। তেওঁৰ সন্তানা পুতেকৰ নাম আছিল লম্বোদৰ ফুকন; লম্বোদৰৰ দ্বিতীয় পুত্ৰই হ'ল নীলমণি ফুকন।

নীলমণি ফুকনৰ বাল্য কালত ডিব্ৰুগড়ৰ স্কুল বিলাকত বঙলা ভাষা চলিছিল; সেয়ে তেওঁ বঙলা ভাষাৰ ছাত্ৰবৃত্তি স্কুলত পঢ়ি ১৮৯৩ চনত ছাত্ৰবৃত্তি পৰীক্ষা পাছ কৰিছিল। তাৰ পাছত তেওঁ ডিব্ৰুগড়ৰ চৰকাৰী ইংৰাজী বিদ্যালয়ৰ পৰা ১৯০১ খৃঃত প্ৰথম বিভাগত এণ্ট্ৰেন্স পাছ কৰি কলিকতাৰ প্ৰেচিডেন্সী কলেজত নাম লিখিছিল। কিন্তু ১৯০১ চনত গুৱাহাটীত কটন কলেজ স্থাপিত হোৱাত তেওঁ সেই কলেজত ভৰ্তি হয়, আৰু ১৯০৩ চনত এফ-এ পাছ কৰি কোচবিহাৰৰ ভিক্টোৰীয়া কলেজত বি-এ পঢ়েগৈ। দুবছৰ পাছত তেওঁ তাৰে পৰাই বি-এ ডিগ্ৰী লয়।

সুখ্যাতিৰে বি-এ পাছ কৰা চোকা হৃদীয়া নীলমণি ফুকনে ১৯০৭ চনৰ সময়ত অনায়াসে ভাল চৰকাৰী চাকৰি এটা লব পাৰিলে হেঁতেন। তদুপৰি তেখেতৰ বংশ-মৰ্য্যাদাও কম নাছিল। ৰায়বাহাদুৰ বিষ্টুৰাম বৰুৱা তেখেতৰ ভিনিহিয়েক আছিল। আনহাতে ফুকন নিজেই আছিল এজন দেখনিয়াৰ মানুহ; সাহস, বুদ্ধিমত্তাৰ তেখেতৰ অভাৱ নাছিল; তথাপি তেখেতে চৰকাৰী চাকৰিৰ প্ৰতি মুঠেও হাবিয়াস কৰা নাছিল। সকৰ পৰাই ফুকনৰ কথাত, কামত আৰু চলন-ফুৰণত ওখ থাপৰ ব্যক্তিত্বৰ জিলিঙনি দেখা গৈছিল।

নীলমণি ফুকন ডাঙৰীয়া এজন স্বাধীন-চিন্তীয়া লোক আছিল। জন্ম-স্থান ডিব্ৰুগড়ৰ শিক্ষাৰ অনগ্ৰসৰতা তেখেতে ৰাককৈয়ে উপলব্ধি কৰিছিল। ১৯১২ চনৰ আগলৈকে ডিব্ৰুগড়ত দ্বিতীয় এখন হাইস্কুল নাছিল; এই বিৰাট অঞ্চলটোৰ লৰা-ছোৱালীয়ে হয়তো একমাত্ৰ চৰকাৰী হাইস্কুলখনতে পঢ়িব লাগিছিল নতুবা তাত ঠাই নহলে পঢ়াটো বাদ দিব লাগিছিল। ডিব্ৰুগড়ৰ গণ্য-মান্য লোকসকলে এই বিষয়ে চিন্তা কৰিছিল আৰু ফুকন ডাঙৰীয়াই তাক ভালকৈয়ে হৃদয়ঙ্গম কৰিছিল। তেখেতৰ আশাশুধীয়া চেষ্টাৰ ফলতেই ১৯১২ চনৰ ২ ফেব্ৰুৱাৰী তাৰিখে ডিব্ৰুগড়ত 'জৰ্জ ইন্সটিটিউশ্যন' নামৰ হাইস্কুলখন স্থাপিত হয় আৰু নিজে উক্ত স্কুলৰ প্ৰধান শিক্ষক হিচাপে কাৰ্য-নিৰ্বাহ কৰে।

স্কুলীয়া ছাত্ৰ অৱস্থাৰে পৰা মই ফুকন ডাঙৰীয়াক জানিছিলোঁ। তেখেত আছিল এজন সুন্দৰ-সুঠাম ব্যক্তি, পোচাক-পৰিচ্ছদ সদায় টিপ-টপকৈ পিন্ধিছিল আৰু হেড মাষ্টৰ হিচাপে স্কুললৈ আহোঁতে চাহাবৰ দৰে আহিছিল। তেখেতৰ গাম্ভীৰ্যপূৰ্ণ ব্যক্তিত্ব দেখি মানুহ মোহ গৈছিল।

সেই যুগত বে-চৰকাৰী উদ্যোগ হিচাপে হাইস্কুল পতা সহজ কাম নাছিল। কিন্তু বৰ আচৰিত কথা যে ফুকন ডাঙৰীয়াই প্ৰায় অকলেই ধন সংগ্ৰহ কৰি জৰ্জ ইন্সটিটিউশ্বন গঢ়ি তুলিছিল। তেওঁৰ নিজা ধন একেবাৰেই নাছিল। আনহাতে তেখেতে ইয়াকো জানিছিল যে ডিব্ৰুগড়ৰ ধুনীয়া বাইজে হাইস্কুল পাতিব পৰাকৈ দান-দৰ্ছিনা দিব নোৱাৰে; ইউৰোপীয় বিষয়া আৰু চাহ-বাগিচাৰ মালিক সকলে আৰ্থিক সাহায্য নিদিলে হাইস্কুল পতা সম্ভৱ নহয়। গতিকে তেখেতে ইংৰাজ ব্যক্তি সকলৰ মনোযোগ আকৰ্ষণৰ উদ্দেশ্যে হাইস্কুলখনৰ নাম ৰাখিলে জৰ্জ ইন্সটিটিউশ্বন; চাহাব বিলাকৰ মনত এনে এটি ধাৰণা সুমাই দিয়া হ'ল যেন পঞ্চম জৰ্জৰ ভাৰত আগমনৰ স্মৃতিৰ চিন স্বৰূপেহে উক্ত হাইস্কুলখন পাতিবলৈ লোৱা হৈছে। এই ক্ষেত্ৰতো ফুকনে কম কষ্ট কৰিব লগীয়া হোৱা নাছিল! কাৰণ, তেতিয়াৰ দিনত আৱশ্যকমতে বাছ-গাড়ী চলাচল কৰা নাছিল, ফুকন ডাঙৰীয়াৰ মটৰ গাড়ীও নাছিল, গতিকে তেখেতে ধন-সংগ্ৰহৰ কাৰণে চাইকেল চলাই বাগিচাই বাগিচাই ঘুৰিব লগীয়া হৈছিল। এনেকুৱা কঠোৰ শাৰীৰিক শ্ৰম কৰি ফুকন ডাঙৰীয়াই জৰ্জ ইন্সটিটিউশ্বনৰ ঘৰ-দুৱাৰ, ছাত্ৰাবাস, খেল-পথাৰ আৰু অন্যান্য সা-সুবিধা কৰি ললে। কম দিনৰ ভিতৰতেই এই স্কুলে চৰকাৰী হাইস্কুলখনৰ লগত কেৰ মাৰিব পৰা হ'ল। ফুকন ডাঙৰীয়াৰ অধীনত গোবিন্দচন্দ্ৰ শৰ্মা, বলোৰাম দুৱৰা, কুশকান্ত পাটৈ, মোহনচন্দ্ৰ বৰদলৈ প্ৰভৃতি কেইজনমান অৰ্হতাসম্পন্ন আৰু নিষ্ঠাবান শিক্ষকে জৰ্জ ইন্সটিটিউশ্বনৰ প্ৰভূত গৌৰৱ বঢ়াইছিল। আনকি ক্ৰমে ক্ৰমে এই স্কুলখন ডিব্ৰুগড়ীয়া ৰাইজৰ সাংস্কৃতিক চিন্তা-চৰ্চাৰ কেন্দ্ৰস্বৰূপ হৈ পৰিছিল। খুব কম বছৰৰ ভিতৰতেই নীলমণি ফুকন ডাঙৰীয়া এজন অতি সফল হেড মাষ্টৰ বুলি সমাজত পৰিগণিত হৈছিল। ছাত্ৰ আৰু সহকৰ্মী — উভয়ে তেখেতক বৰ সন্মান কৰিছিল। অতি উদণ্ড স্বভাৱৰ ছাত্ৰও তেখেতক দেখিলে থৰহৰি কম্পমান হৈছিল।

ফুকন ডাঙৰীয়াই নিয়মানুবৰ্ত্তিতা সদায় ৰক্ষা কৰিছিল। নিৰ্দ্দিষ্ট সময়তকৈ পলম হোৱা দেখিলে বা কৰিব লগা কামটো পেলাই থলে তেখেতে ঘোৰ আপত্তি কৰিছিল। তদুপৰি কিছুমান মানুহৰ বহু অভ্যাস তেখেতে দেখিব নোৱাৰিছিল। আজি কালি চিকিৎসা-বিজ্ঞানে ধূমপান কৰাটো স্বাস্থ্যৰ বাবে ভীষণ ক্ষতিকাৰক বুলি অভিমত দিছে। কিন্তু ফুকন ডাঙৰীয়াই ৫০/৬০ বছৰ আগতেই ধূমপান কৰা ছাত্ৰক দোষী সাব্যস্ত কৰি সেই অভ্যাস গুচাবলৈ যত্ন কৰিছিল। যেতিয়াই কৰবাত বিড়ী-চিগাৰেট হুপি থকা ছাত্ৰ দেখিছিল তেতিয়াই তেখেতে তেওঁক ধৰিছিল আৰু লগত থকা বাকী চিগাৰেটবোৰ নষ্ট কৰি পেলাইছিল। অসম বিধান পৰিষদৰ ( Assam Legislative Council ) সদস্য হৈ তেখেতে বেভাৰেণ্ড জে-জে-এম নিকলচ-ৰয়ৰ সৈতে লগ লাগি কম বয়সীয়া লৰাই ধূমপান কৰাটো আইনমতে দোষী সাব্যস্ত কৰিবলৈ Assam Juvenile Smoking Act পাছ কৰাইছিল। দুৰ্ভাগ্যবশতঃ সেই অধিনিয়মখন ক্ৰমে নিষ্ক্ৰিয় হৈ পৰিল।

মণ্টেগু-চেমচ্‌ফোৰ্ড বিফৰ্ম অনুযায়ী গঠন হোৱা অসম বিধান পৰিষদলৈ ফুকন ডাঙৰীয়া ১৯২১ চনত নিৰ্বাচিত হৈছিল। সেই পৰিষদত তেখেতে ৰাজনৈতিক দক্ষতা আৰু বাগ্মীতাৰে বাকী সদস্যসকলৰ মনত ৰেখাপাত কৰিব পাৰিছিল। সেই যুগত অসমৰ ৰাজনীতিত চিলেটৰ ৰাজনৈতিক নেতা সকলে আধিপত্য বিস্তাৰ কৰিছিল। এই জিলাখনৰ পৰা আয়-উৎপন্ন এক্ষেত্ৰ নহৈছিল অথচ অসম প্ৰদেশৰ অধিকাংশ সা-সুবিধা সেই জিলাখনেই ভোগ কৰিছিল। সেই জিলাৰ নেতা-সকলে ফুকন ডাঙৰীয়াক এজন শক্তিশালী বিৰোধী নেতা হিচাপে পাইছিল। ফুকন ডাঙৰীয়া দ্বিতীয় বাৰৰ কাৰণে পৰিষদৰ মনোনীত সদস্য হৈছিল। এইদৰে ৰাজনীতিত জড়িত হৈ পৰি ফুকন ডাঙৰীয়াই অসমৰ বৃহত্তৰ স্বাৰ্থত



খাতিৰত জৰ্জ ইন্সটিটিউশ্বনৰ প্ৰধান শিক্ষকৰ পদ ত্যাগ কৰিছিল। অৱশ্যে সেই সময়ত উক্ত হাই-স্কুলখন সম্পূৰ্ণৰূপে প্ৰতিষ্ঠিত হৈ উঠিছিল।

ইতিমধ্যে ফুকন ডাঙৰীয়া স্বনামধন্য শিৱপ্ৰসাদ বৰুৱাৰ দ্বাৰা প্ৰকাশিত সাপ্তাহিক বাতৰিৰ সম্পাদক হয়। এই কাকতখন দৈনিক কৰাত তেখেতে যোৰহাটত থাকিবলৈ লয়। ইয়াৰ পাছৰ পৰা মই তেখেতক প্ৰায়ে লগ কৰিবলৈ ধৰোঁ। তেখেতৰ ব্যক্তিত্ব তেতিয়া গোটেই অসমতে জনাজাত হৈ পৰিছিল। ইতিমধ্যে দেশপ্ৰাণ অম্বিকাগিৰি ৰায়চৌধুৰীৰ অসম সংৰক্ষিণী সভাৰ জোঁৱাৰ উঠিছিল। ফুকন ডাঙৰীয়া ৰায়চৌধুৰীৰ লগ লাগিল আৰু দুয়োজনে আন বহুতৰ লগতে অসমৰ উন্নতিৰ হকে কাম কৰিবলৈ ধৰিলে।

মই ফুকন ডাঙৰীয়াৰ জীৱনী লিখিব খোজা নাই; তেখেতৰ বিস্তৃত কথা লিখিবলৈ মই সক্ষমো নহয়; মোক মুগ্ধ কৰি তোলা তেখেতৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ কেইটিমান দিশহে ইয়াত চমুকৈ উল্লেখ কৰিব খুজিছোঁ। মোৰ দৃষ্টিত তেখেত এজন নিঃস্বাৰ্থ অসম-প্ৰেমিক পুৰুষ। অসমৰ পৰ্বত-ভৈয়ামৰ ঐক্য সাধনৰ উদ্দেশ্যে তেখেতে ভালেমান কাম কৰিছে। দেশভক্ত তৰুণৰাম ফুকনৰ দৰেই তেখেত আছিল এজন ওজস্বী বক্তা; সেয়ে তেখেতে 'বাগ্মীবৰ' বুলি জনাজাত। চমুকৈ কলে বাগ্মীবৰ নীলমণি ফুকন আছিল এজন শিক্ষাবিদ, সাংবাদিক, কবি, কথা-সাহিত্যিক, ৰাজনীতিবিদ, গান্ধীবাদী আৰু নৈষ্ঠিক বৈষ্ণৱ। একেজন মানুহৰ গাত ইমান কেইটা গুণৰ সমাৱেশ ঘটা বৰ বিৰল দৃষ্টান্ত; সেয়েহে ফুকন ডাঙৰীয়া অসমৰ এজন আগ শাৰীৰ যশস্বী পুৰুষ। তেখেতৰ সম্পাদনাত ওলোৱা 'বাতৰি' মই পঢ়িছোঁ। আলোচনী, ন-জোন তেখেতে সুপাতিৰে সম্পাদনা কৰিছিল। কবিতা-পুথি সমূহৰ ভিতৰত জ্যোতিকণা, মানসী, সন্ধানী, গুটি মালি, জিঞ্জিৰি আৰু অমিত্ৰা জনপ্ৰিয় পুথি। সাহিত্য-কলা, চিন্তামণি নামৰ পুথি দুখনে ফুকন ডাঙৰীয়াৰ গদ্য-শৈলী দাঙি ধৰিছে। অসমৰ বহু কেইখন আলোচনীত তেখেতৰ ভালেমান কবিতা আৰু গদ্য-ৰচনা প্ৰকাশ পাইছে। অশেষ সভা-সমিতিত দিয়া তেখেতৰ ভাষণ শ্ৰুতিমধুৰ, স্পষ্ট আৰু ব্যক্তিত্বপূৰ্ণ।

ফুকন ডাঙৰীয়া অদম্য সাহস আৰু শক্তিৰ অধিকাৰী আছিল। সংগঠনমূলক কামত তেখেত আগৰণুৱা। ১৯৬৮ চনত শিৱসাগৰত বহা ভাৰত-ৰুচ সাংস্কৃতিক সংঘৰ ( Indo-Soviet Cultural Union Society ) অধিবেশনত মোক অসম-নগালেণ্ড উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে মুখ্য অতিথি স্বৰূপে নিমন্ত্ৰণ কৰিছিল। সভাত ৰাচিয়াৰ ৰাষ্ট্ৰদূতে যোগ দিছিল। উক্ত সংঘৰ কাৰ্য-নিৰ্বাহক সমিতিৰ কেইজন মান সদস্যই পূব জাৰ্মেনি ভ্ৰমণৰ কাৰণে কোনো এজন যোগ্য ব্যক্তিৰ নাম মোৰ পৰা বিচাৰিছিল। মই ততালিকে ফুকন ডাঙৰীয়াৰ নামটো কৈছিলোঁ। তেতিয়া তেখেতৰ বয়স হৈছিল ৮৮ বছৰ। কিছুমান সদস্যই তেখেতৰ বয়সৈসে চাই বিদেশ ভ্ৰমণ কৰিব পাৰিব নে নোৱাৰে সেই বিষয়ে সন্দেহ প্ৰকাশ কৰিছিল। মই তেখেত সকলক নিৰ্ভয় দি কৈছিলো যে বহু ডেকা মানুহতকৈ ফুকন ডাঙৰীয়া অধিক সক্ষম। সেই মতে ফুকন ডাঙৰীয়া পূব জাৰ্মেনিলৈ গৈ ঘূৰি আহিল। তাত গৈ তেখেতে পূব জাৰ্মেনিৰ লৰা ছোৱালীৰ লগত মিলি পৰা, কেবাখনো সভাত ভাষণ দিয়া, তাৰে মানুহে তেখেতক 'Grand Pa' বুলি সম্বোধন কৰা ইত্যাদি বহুকথা পিছত মোক কৈছিল আৰু খবৰ কাগজত ওলোৱা তেখেতৰ ফটোও মোক দেখুৱাইছিল।

১৯৭৪ চনত তেখেতে নতুন দিল্লীত 'শঙ্কৰদেৱ অনুষ্ঠান' পতাৰ কাৰণেও উঠি-পৰি লাগিছিল। তেখেতে কৈছিল যে যমুনাৰ পাৰত এখণ্ড আহল-বহল মাটিত এটা মনোৰম গৃহ নিৰ্মাণ কৰিব পৰা হব। এই ক্ষেত্ৰত অসম চৰকাৰে আৱশ্যকমতে ধন দিব। তাৰ আয়োজন অসমীয়া সৰস্ব যদুনাথ শইকীয়াই এই কামত নেতৃত্ব

দিছিল। এই সন্দৰ্ভত দিল্লীত বহা এখন সভাত ৰাষ্ট্ৰপতি ফকৰুদ্দিন আলি আহমদে সভাপতিত্ব কৰিছিল; পঞ্জাবৰ ৰাজ্যপাল শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীয়ে তাত অংশ গ্ৰহণ কৰিছিল; নীলমণি ফুকন ডাঙৰীয়াও তাত উপস্থিত আছিল। তেতিয়া ককা ফুকন অসুস্থ আছিল, তথাপিও তেখেতে আলোচনাত ভাগ লৈছিল। পিছত অসম-ভৱনলৈ মাক মাতি নি 'শঙ্কৰদেৱ অনুষ্ঠান' পতাৰ গুৰুত্ব সম্পৰ্কে দঢ়াই দঢ়াই কৈছিল। আনকি ইয়াকো কৈছিল যে তেখেতে নিজেই জীৱনৰ শেষ সময়খিনি দিল্লীৰ শঙ্কৰদেৱ অনুষ্ঠানতে কটাই দিব। ইমানেই আছিল তেখেতৰ অসমৰ ভাৱমূৰ্ত্তি বাহিৰত দাঙি ধৰাৰ হাবিয়াস! দুৰ্ভাগ্যৰ বিষয় যে শ্ৰীযোগেন্দ্ৰনাথ শইকীয়া ঢুকাল আৰু 'শঙ্কৰদেৱ অনুষ্ঠান' পতাৰ পৰিকল্পনাও সিমানতে অন্ত পৰিল।

কেই বছৰমান আগতে গুৱাহাটীত 'শ্ৰীমন্ত শঙ্কৰ কৃষ্টি বিকাশ সমিতি'ৰ কাৰ্য্য-নিৰ্বাহকৰ এখন বৈঠক বহিছিল। তাত তেখেত উপস্থিত থাকি উক্ত সমিতিৰ কল্যাণৰ অৰ্থে এক লাখ পঁচিশ হেজাৰ টকা দান কৰিছিল। তাতে তেখেতে সমিতিৰ ওপৰত কেইটামান চৰ্ত্ত আৰোপ কৰিছিল; সেই চৰ্ত্ত সমূহ হ'ল যে মহাপুৰুষ গৰাকীৰ মৌলিক ধৰ্ম বাণী কিছুমান সমিতিয়ে মানি চলিব লাগিব; সেই ধৰ্ম-বাণী এনেকুৱা:— (১) 'এক দেৱ একসেৱ এক বিনে নাহি কেৱ'। (২) 'অন্য দেৱী-দেৱ নকৰিবা সেৱ' কিন্তু 'আন ধৰ্মক নিন্দিবাকো নাহি, বন্দিবাকো নাহি।' (৩) 'যত তপোধৰ্ম বেদ বেদাঙ্গ। হৰিনাম বিনে নাহি সুসাঙ্গ॥' আৰু 'হৰি-ৰাম হৰি-ৰাম এ মূল মন্ত্ৰ। কলিত নাহি তপ-যপ-যন্ত্ৰ॥' ফুকন ডাঙৰীয়াই নিজে চহী কৰি দিয়া আৰু কমিটিয়ে গ্ৰহণ কৰা প্ৰস্তাৱৰ নকল ১৯৭৫ চনৰ ৪ মে তাৰিখে মোলৈ পঠায়। মই আশা কৰো যে কমিটিয়ে যথাযোগ্য কাম হাতত লৈছে।

ফুকন ডাঙৰীয়া ধনী মানুহ নাছিল। এসময়ত তেখেতে টকা নহলে ৰাজনীতিত নামিব নোৱাৰে বুলি নিজৰ নামত এখন চাহ বাগিচা খুলিছিল। কিন্তু কৃতকাৰ্য্য হব নোৱাৰিলে। এদিন ধেমালি কৰি মোক কৈছিল— 'শৰৎ বুজিছা, মই Nil Money অৰ্থাৎ মোৰ টকা শূন্য।' মই উত্তৰ দিছিলোঁ— 'আপোনাৰ গুণ বহুত, কিন্তু এটা গুণ নাই, আপুনি টকা কৰিব নাজানে।' তেখেতে হাঁহিলে।

ফুকন ডাঙৰীয়াই বিয়া-বাৰু কৰোৱা নাছিল। জীৱনৰ শেষ কালত তেখেতে সকলো অসমীয়া ল'ৰা-ছোৱালীৰ ত্ৰাৰ 'ককা' হৈ পৰিছিল। তেখেতে সকলো ল'ৰা-ছোৱালীকে নিজৰ নাতি-পুতিৰ দৰে মৰম কৰিছিল; গোটেই অসমখনেই তেখেতৰ মনত ঘৰৰ নিচিনা আছিল।

ফুকন ডাঙৰীয়া অসমৰ এজন ভীষ্ম-প্ৰতিম পুৰুষ আছিল। তেখেতৰ সময়-নিষ্ঠা, কৰ্মপটুতা, ধৈৰ্য্য আৰু মনোবল আদৰ্শতুল্য। অতি মৰমৰ ভতিজাক সমাজ-কৰ্মী জীৱন ফুকনৰ অকাল মৃত্যুতো তেঁখেতে অসীম ধৈৰ্য্যৰ পৰিচয় দিছিল।

১৯৭৮ চনৰ ২০ জানুৱাৰী তাৰিখে তেখেতে স্বৰ্গাৰোহণ কৰে। আজি অসমৰ দুৰ্দ্দিনত তেখেতৰ দৰে সাহসী, দূৰদৰ্শী পুৰুষ এজনৰ অভাৱ আমি বাৰুকৈয়ে অনুভৱ কৰিছোঁ। ফুকন ডাঙৰীয়াৰ আশীৰ্বাদী শক্তিয়ে আমাক দুগুণ বল দিয়ক। ইয়াকে কামনা কৰিছোঁ।

---

## পুথি-পৰিচয়

**গধূলিৰ ৰং**

দেৱস্মৃতি প্ৰকাশন, ডিব্ৰুগড়

পকাবন্ধা, ৪+১২৪ পৃষ্ঠা

মূল্য ৭·০০ টকা

'গধূলিৰ ৰং' আঠজন লেখকৰ আঠোটা চুটিগল্পৰ সংকলন। দেৱদাস তালুকদাৰৰ অকাল বিয়োগত শোকসন্তপ্ত পৰিয়ালে তেওঁৰ স্মৃতি ৰক্ষাৰ্থে 'দেৱস্মৃতি প্ৰকাশন'ৰ যোগেদি কিতাপখন প্ৰকাশ কৰিছে। গল্পৰ নিৰ্বাচন আৰু সম্পাদন কৰিছে পাঁচজনীয়া দল এটাই। গল্প বাছোতে কি নীতি প্ৰণালী অনুসৰণ কৰিছে তাক সম্পাদকসকলে উল্লেখ কৰা নাই, আনকি পাতনি এখন লগাই দি পাঠকৰ মনত তত্ব কৰিবলৈকো চেষ্টা কৰা নাই। বিষয় বস্তু, কথন ভঙ্গী আদি দিশৰ পৰা নিৰ্বাচনৰ ভিত্তি বহল হৈছে। নানান সোৱাদৰ গল্প আছে, আটাই কেইটাতে কমবেছি, পৰিমাণে লেখকৰ শৈলত হাতৰ বুননি আছে।

অসমীয়া গল্পৰ কিতাপ যেতিয়া প্ৰেমৰ গল্প থাকিবই, কিন্তু ইয়াৰ প্ৰেমৰ গল্প কেইটা গতানুগতিক ধৰণৰ নহয়। 'মনোৰমা'ত চিত্ৰ সাংবাদিক এগৰাকী যৌবন শিল্পী এজনৰ অন্তৰৰ গোপন কথা উলিয়াই আনিছে। 'ধোঁৱাৰ সিপাৰে'ত অদ্ভুত চৰিত্ৰ এটাই দেহোপজীৱিনীৰ কাষত ভগবানতকৈয়ো অধিক ৰূপ ঐশ্বৰ্য লাভ কৰি নিজৰ বন্ধুক চমক খুৱাইছে। 'ৰোকা'ৰ মানুহ বিমল গুণ্ডাৰ হৃদয়তো প্ৰেম আছে, নয়নাক লুকাই নয়নভৰি চাবলৈ আহি বেচেৰাৰ কি যে লটিঘটিখন মহল! 'গধূলিৰ ৰং' এক বুঢ়াৰ অতীত ৰোমন্থনৰ এটি পৰিবেশ-প্ৰধান ৰোমাণ্টিক গল্প। তাতো প্ৰেমৰ ইংগিত পোৱা হ'ল।

বাদ-বাকী গল্পৰ ভিতৰত 'বিষৰ ডুগৰ'ত শইকীয়ানী বাইদেউৰ ভাঁতৰ শালক কেন্দ্ৰ কৰি বহা মুখৰোচক পৰচৰ্চাৰ মেলখনৰ মাজেদি উদ্যোগ নগৰীৰ মধ্যবিত্ত অসমীয়া সমাজৰ ফটফটীয়া ছবি এখন ওলাই পৰিছে। সূক্ষ্ম নিৰীক্ষণ, প্ৰাসংগিক বৰ্ণনা আৰু সংলাপত লেখকে দক্ষতা দেখুৱাইছে। 'স্বীকৃতি'তো সামাজিক চেতনা আছে। একমাত্ৰ মহিলা লেখিকা গল্প 'নিমন্ত্ৰণ'ত লেখিকাই শেষলৈকে পাঠকৰ কৌতূহল ৰক্ষা কৰিব পাৰিছে। 'স্বৰ্গাৰূপী পৰিয়নী'ত ঘটনাৰ পাকে পাঠকৰ মন টানিৰাখে। লেখকসকল মধ্যবিত্ত সমাজৰ গণ্ডীৰ বাহিৰলৈ যোৱা নাই।

গল্পকেইটাত চুটি গল্পৰ বিভিন্ন কৌশলৰ প্ৰয়োগ হৈছে। চুটি গল্পৰ ঠিক পৰিসীমাৰ মাজত ভাষাৰ ক্ষেত্ৰত মিতব্যয়ী হোৱা উচিত। কোনো কোনোজন লেখকে উচ্ছ্বাসত বেছি কথা কৈছে। ইংগিত একোটাৰেই বহুতো কথা সামৰি থব পাৰি। 'ৰোকা'ত লেখকৰ উপমাবিলাকে বিমলৰ মনৰ অৱস্থাটোক চকুৰে দেখাকৈ অঙ্কন কৰিছে। ভাষাৰ ওপৰতো লেখকৰ দখল আছে। তথাপি তুলনা ভিত্তিক চিত্ৰকল্পৰ ব্যৱহাৰ আৱশ্যকতকৈ অধিক হৈছে। অথবা, বাৰে বাৰে

'দৰে' ব্যৱহাৰ নকৰি আন ধৰণেৰে কোৱা হলে পদ্যটোৰ সৌষ্ঠৱ আৰু বাঢ়িলহেঁতেন। একেবিধ অলঙ্কাৰ ঘনাই ব্যৱহাৰ কৰিলে আমনি লগা হয়।

প্ৰকাশকসকলে ছপা বন্ধালৈ বৰ মন দিয়া নাই যেন লাগিল। অসমৰ প্ৰেছবিলাকে আজিকালি ফৰ্মা সজাওঁতে সকস্থৰা কেতবোৰ কথালৈ মন নকৰা হৈছে। যেচিনত তোলোতে ভালকৈ চকু নিদিয়াৰ কাৰণে পিঠিয়া-পিঠি পৃষ্ঠাবোৰৰ ছপা কেতিয়াবা কেতিয়াবা লেতেৰা আৰু অস্পষ্ট হৈ পৰে। কিতাপখনৰ মাজে মাজে এনে আসোৱাঁহ আছে। ডাঙৰ কিতাপত পিন মৰাতকৈ চিলাই থোৱাই ভাল, হাতত লবলৈ সুচল হয়।

শ্ৰীসুনীল কুমাৰ বৰঠাকুৰ।

## চাহ বাগিচাৰ সাহিত্য সংস্কৃতি

সম্পাদক : যতীন্দ্ৰনাথ শৰ্মা

প্ৰকাশক : চামডাং সাহিত্য সভা

পৃষ্ঠা : ৭০

মূল্য : ৪ টকা

"চাহ বাগিচাৰ সাহিত্য সংস্কৃতি" গ্ৰন্থৰ উদ্দেশ্য নিঃসন্দেহে প্ৰশংসনীয়। চামডাং সাহিত্য সভাখনো এইবাবেই আনবোৰ শাখা সভাবো অনুকৰণীয় যে, এই সভাখনে ফুলি থকা কুলিকে প্ৰতিপাল কৰি থকাৰ পৰিৱৰ্তে গেৰেকনি অটাই পিটাই ফুলনি পাতিব খুজিছে। অসমীয়া জাতিৰ এই পিছপৰা অংশটোৰ সাংস্কৃতিক জীৱনৰ আভাস দিবলৈ যত্ন কৰা হৈছে গ্ৰন্থখনিৰ যোগেদি। এখন শাখা সাহিত্য সভাৰ সীমিত পৰিসৰ, সীমিত সামৰ্থ স্বত্বেও নিৰ্ভুল ছপা, মনজুৰোৱা বেটুপাত আৰু অংগসজ্জাই পাঠকক আকৃষ্ট নকৰাকৈ নাথাকে। গঠনমুখী মানুহ মাত্ৰেই চামডাং সাহিত্য সভাৰ প্ৰতি প্ৰশংসাৰ ফুল চটিয়াবলৈ আৰু মন যাব — যেতিয়া পুথিখনিৰ বাট চ'বাতে থকা সভাৰ সভাপতি পদ্মধৰ বৰগোহাঁইৰ একাষাৰ আৰু সম্পাদক যতীন্দ্ৰ নাথ শৰ্মাৰ নিবেদনৰ যোগেদি সাহিত্য সভাখনৰ কাৰ্য্যাৱলীৰ বুজ পোৱা যাব। সাহিত্য সভাৰ অন্যান্য কাৰ্য্যসূচী সময়ে সময়ে পালন কৰাৰ ৰীতিৰ উপৰিও অসমীয়া জাতিৰে সুবিৰ অংশ মজদুৰ সকলৰ জীৱন গতিশীল কৰাত এইখন সাহিত্য সভাৰ সক্ৰিয় ভূমিকাৰ যি আভাস সম্পাদকৰ নিবেদনত তুলি ধৰা হৈছে সি যিদৰে প্ৰশংসনীয় সেইদৰে আনবোৰ শাখা সভা আৰু মূল সভাৰো কৰ্তব্য আৰু আদৰ্শ হোৱা বাঞ্ছনীয়।

গ্ৰন্থখনিৰ দুৱাৰ দলিত এগৰাকী জনপ্ৰিয় কবি আৰু সমালোচক ড° মহেন্দ্ৰ বৰাদেৱে আগলিকা প্ৰসঙ্গত অসমীয়া সাহিত্যৰ ইতিহাসে উপেক্ষা কৰি থোৱা এটা বিশেষ দিশৰ বিষয়ে তাৎপৰ্য্যপূৰ্ণ সময়োপযোগী ইঙ্গিত দিছে। গ্ৰন্থখনিত আঠোটা প্ৰবন্ধ আৰু পাচোটা কবিতা সন্নিবিষ্ট কৰা হৈছে। অসমীয়া চাহ মজদুৰ সমা আৰু সংস্কৃতিৰ ইতিবৃত্ত বিভিন্ন তথ্যপাতি সংকাৰে দাঙি ধৰাত ড° সত্যেন্দ্ৰনাৰায়ণ গোস্বামীদেৱ কৃতকাৰ্য্য হৈছে। আনহাতে সাম্প্ৰতিক জনপ্ৰিয় লেখক সুনীল কুৰ্মীৰ প্ৰবন্ধটোও ভাল হৈছে। অসমীয়া জাতীয় জীৱনৰ লগত জ্ঞাতে বা অজ্ঞাতে কিন্তু মনঃস্তাত্বিকভাৱে অসমৰ মজদুৰ সমাজ যে কোনোবা কাহানিবাই লীন গ'ল এইকথা দুয়োটা প্ৰবন্ধতে সাজত লগাকৈ দেখুওৱা হৈছে। — বাকী ছটা প্ৰবন্ধতো অসমীয়া মজদুৰ সমাজৰ সাংস্কৃতিক জীৱনৰ ওপৰত আলোকপাত কৰিবলৈ যত্ন কৰা হৈছে। সন্দেহ নাই স্বতন্ত্ৰ প্ৰবন্ধ হিচাপে এই কেউটা প্ৰবন্ধৰে নিজা মূল্যমান একোটা আছে। কিন্তু ড° গোস্বামী আৰু কুৰ্মীৰ প্ৰবন্ধ দুটা পঢ়ি ইটোৰ পিছত সিটোকৈ যেতিয়া পিছৰ প্ৰবন্ধ কেইটা পঢ়ি যোৱা যায় তেতিয়া একেধৰণৰ কথাৰে পুনৰুল্লেখে পুথিখনৰ স্তুতি ক্ৰমান্বয়ে সেৰেকা কৰি নিয়ে আৰু সম্পাদনা গ্ৰন্থৰ ত্ৰুটি স্পষ্ট কৰি তোলে। গ্ৰন্থত সন্নিবিষ্ট প্ৰতিটো প্ৰবন্ধতে অসমৰ চাহ বাগিচাৰ সমাজখন গঠন হওঁতে যিবোৰ গোষ্ঠী আছিল সেই গোষ্ঠীবোৰ যেনে, মুণ্ডা, গড়, তাতী, চমাৰ, ঘাঁচী আদিৰ কথা কোৱা হৈছে। সেইদৰে মজদুৰ সমাজৰ ধৰ্মীয় অনুষ্ঠান আৰু অন্যান্য লোক উৎসৱ বোৰৰ কথাও একাধিক প্ৰবন্ধত আলোচনা কৰা হৈছে। তাকে নকৰি মজদুৰ সমাজৰ ধৰ্মীয় বিশ্বাস, পূজা পাৰ্বন, লোকউৎসৱ আদি বিষয়ত পৃথকে পৃথকে প্ৰবন্ধ লেখা হব লাগিছিল।

তদুপৰি আৰু প্ৰশ্ন হয় — এটা জাতি বা এখন সমাজৰ সংস্কৃতি মানে জানো কেৱল ধৰ্ম আৰু লোক উৎসৱ বোৰকেই বুজায়? গতিশীল সামূহিক চেতনাদ্যোতক সামাজিক ধ্যান-ধাৰণা, বিশ্বাস, আচাৰ-অনুষ্ঠান এই সকলোবোৰকে সংস্কৃত শব্দটোৱে সামৰি লয়। গতিকে সম্প্ৰতি অসমৰ বৃহৎ জাতীয় সংস্কৃতিৰ শক্তিবিকাশত চাহ মজদুৰ সকলে যি এটা সাংস্কৃতিক প্ৰক্ৰিয়া ৰচনা কৰিছে তাৰ চাবি চুক মাৰি আপুৰুগীয়া বিশ্লেষণেৰে গ্ৰন্থখনি সফল কৰি তুলিলেহেঁতেন।

প্ৰসঙ্গক্ৰমে সম্পাদনাৰ বিষয়ে আৰু অলপ কোৱা হওক। গ্ৰন্থখনৰ বিষয়-বস্তু প্ৰকাশক প্ৰবন্ধ-পাতিৰ বাবে কোনো প্ৰকাৰ বিজ্ঞানসম্মত আঁচনি যুগুত কৰি লোৱা যেন নালাগে।

আৰু এষাৰ কথা কব লাগিব। গ্ৰন্থখনিত সন্নিবিষ্ট পঁচোটা কবিতাৰ খুলটি কবিতা হিচাপে আদৰণীয়। বিশেষকৈ মহেন্দ্ৰ বৰাদেৱৰ 'এনিশা কুমুৰ' কবিতাটো আধাৰ আৰু আধেয়ৰ সুষম মিলন বৈশিষ্ট্যৰ বাবে এটি অনুপম কবিতা। কিন্তু তথাপি ক'ব লাগিব — পুথিখন অসমৰ চাহবাগিচাৰ সাহিত্য সংস্কৃতি বিষয়ক আলোচনা পুথি যেতিয়া ইয়াত কবিতা থুপিটোৰ সংযোজন নোহোৱাটোৱেই বাঞ্ছনীয় আছিল। যদি অত্যান্ত কবিতা দিবই লাগে তেনেহলে এতিয়ালৈকে আখৰৰ মুখ নেদেখা আৰু মজদুৰ সকলৰ মুখ বাগৰি বাগৰি জীয়াই থকা গীত মাতকে বিচাৰি বুটলি আনি থাপি দিব পৰা হলে ভাল আছিল। সেইদৰে চাহ মজদুৰৰ হাঁহি কান্দোন আৰু অনেক অনুভূতিক কোনোবা কবিৰ কাপত কবিতা ৰূপ দি আনি পাঁচোটা কবিতাৰ জোকাটোতে গাঁথি আন এটা কবিতা সংকলনকে প্ৰকাশ কৰাৰ আঁচনি লৈ পেলোৱাই উচিত হলহেঁতেন।

তথাপি সংগঠনৰ দিশত যদি কিবা ক'ব লাগে তেনেহলে এইষাৰ হয়তো অতি হক কথা কোৱা হ'ব যে— চামডাং সাহিত্য সভাই অসম সাহিত্য সভাৰ আনবোৰ শাখাৰ কৰ্তব্যবোধ জগাই তুলিব এইখন গ্ৰন্থৰ যোগেদি। এই ক্ষেত্ৰত চামডাং সাহিত্য সভাৰ লগতে সভাৰ সম্পাদক যতীন্দ্ৰনাথ শৰ্মাও সাহিত প্ৰেমী সকলৰ অনুকৰণীয় ব্যক্তি হোৱা উচিত।

শ্ৰীপ্ৰহ্লাদ কুমাৰ বৰুৱা

## চয়নিকা

সম্পাদক : শ্ৰীৰমেশ চন্দ্ৰ গোস্বামী

প্ৰকাশক : তেজপুৰ সাহিত্য চ'ৰা

পৃষ্ঠা : ৭০

প্ৰকাশ : ১৯৮০

মূল্য : ৩'০০

আন্তৰ্জাতিক শিশুবৰ্ষ উপলক্ষে এই প্ৰবন্ধ (লগতে চাৰিটা কবিতা) সংকলনটি প্ৰকাশ কৰা হৈছে। অসমীয়া ভাষাত শিশু সাহিত্যৰ লগতে তেনে সাহিত্য সম্পৰ্কীয় আৰু শিশু সম্পৰ্কীয় আলোচনামূলক কিতাপৰো বৰ অভাৱ। এই পুথিখনিত শিশু সাহিত্য সম্পৰ্কীয়

আৰু শিশু সম্পৰ্কীয় প্ৰবন্ধ সন্নিবিষ্ট হৈছে। শিশু সাহিত্য সম্পৰ্কীয় প্ৰবন্ধ কেইটিত দেশ বিদেশৰ সাধু কথা আৰু অসমীয়া শিশু সাহিত্যৰ কিছু আভাস দাঙি ধৰা হৈছে। শিশু সম্পৰ্কীয় প্ৰবন্ধ কেইটিত শিশুৰ বিভিন্ন প্ৰবৃত্তি আৰু অভিৰুচি সম্পৰ্কে আলোচনা কৰা হৈছে।

সংকলনটিৰ 'অসমীয়া শিশু আলোচনীৰ ইতিহাস', 'শিশু বিজ্ঞানীক বিজ্ঞানৰ পৰিবেশ লাগে', 'শিশু সাহিত্য : স্বকীয়তা আৰু সৃষ্টি' আদি প্ৰবন্ধই পাঠকক উপকৃত কৰিব বুলি আমাৰ ধাৰণা। ইয়াৰে দ্বিতীয় প্ৰবন্ধটিত লেখকে আমাৰ দেশত শিশুৰ বাবে বিজ্ঞানৰ পৰিবেশ নথকাৰ কাৰণবোৰ ফঁহিয়াই দেখুৱা হলে প্ৰবন্ধটি অধিক মনোগ্ৰাহী আৰু উপযোগী হ'লহেঁতেন।

শ্ৰীমদন চন্দ্ৰ ডেকা।

## নিজান বনৰ ফুল :

লিখক : শ্ৰীকটিক হাজৰিকা
প্ৰকাশক : ঈশাণ প্ৰকাশ, গুৱাহাটী-২১
প্ৰথম প্ৰকাশ — মাৰ্চ, ১৯৮০
পৃষ্ঠা — ৪৬
মূল্য — ৩·০০

শিশুৰ কল্পনাপ্ৰৱণ কোমল মনক আনন্দ দিয়াৰ লগতে সজকথা শিকাব পৰাকৈ সাধুকথা ৰচনা কৰাটো তেনেই উজু কাম নহয়। শ্ৰীকটিক হাজৰিকাই বিদেশী সাধু কেইটিমান অসমীয়া মনৰ উপযোগীকৈ 'নিজান বনৰ ফুল' নামেৰে পুথিত চেমনীয়া সকললৈ উপহাৰ দিছে। পুথিখনত মুঠতে সাতটা সাধু আছে। সাধু কেইটাত অসমীয়া মাহ, বতৰ, অসমৰ হাবি, বিবিধ জন্তু, চৰাই-চিৰিকতি, গছ-গছনি, ফুল-পাত আৰু অসমীয়া সমাজখনৰ কথা লিখকে যিদৰে বৰ্ণনা কৰিছে, তাৰ চাই সাধু কেইটা ভাঙনি কৰা যেন নালাগে। এই খিনিতে লিখকৰ সফলতা ফুটি উঠিছে।

সাধু কেইটাৰ মাজে মাজে কিছুমান চুটি চুটি গীত আৰু ফকৰা-যোজনা সুমাই দিয়া কাৰণে সাধুবোৰ মনোৰম হৈছে; যেনে —

'মিঠা মৌ পকা আম চেনি-চম্পা কল,
তাকে খাই তুমি পাবা গাত বৰ বল।'

* * *

'হেলত বন্দী হ'ল তেলিনী পকৰা
শালত বন্দী হ'ল হাতী।' ইত্যাদি।

প্ৰথম সাধুটোত শিশুৰ আইতাকৰ প্ৰতি থকা আগ্ৰহৰ সুন্দৰ বৰ্ণনা আছে। অৱশ্যে শেষত বাঘে আইতাকক খোৱাৰ পিছত বনমালাই কন্দাৰ কথা উল্লেখ কৰিলে সাধুটোৱে কিশোৰীহঁতক আৰু বেছি আকৰ্ষণ কৰিব পাৰিলেহেঁতেন। তৃতীয় গল্পত লাটু নামৰ মৃত কুকুৰটোৰ আত্মাই আহি সপোনতে বুঢ়ীক কথা কোৱাৰ বৰ্ণনা আছে। 'আত্মা' শব্দটো শিশুৰ বাবে আচহুৱা যেন লাগে। 'অৰণ্যৰ মৰম', 'গাৰ মহাৰাজ', 'দাসত্ব-বন্ধন', 'সাধুতাৰ পৰীক্ষা' আৰু 'ভেকুলী ৰজাৰ কথা' নামৰ সাধুত দিয়া হাবি-বনৰ বৰ্ণনা, চৰাই-চিৰিকতি আৰু জীৱ-জন্তুৰ পাৰস্পৰিক ভাব-ভঙ্গীৰ বৰ্ণনা আদি মনোৰম হৈছে।

সাধু কেইটিৰ ভাষা আৰু বৰ্ণনা-ৰীতি সহজ-সৰল আৰু আকৰ্ষণীয় হৈছে। বেটুপাতৰ চিত্ৰ-কল্পও ভাল হোৱা বুলি কব লাগিব। অসমীয়া শিশু সমাজৰ বাবে এনেকুৱা পুথি শ্ৰীহাজৰিকাৰ পৰা আমি আৰু আশা কৰোঁ।

শ্ৰীমতী নমিতা দাস।



## সামাজিক অৰ্থনীতিৰ লেখ (প্ৰথম সংখ্যা)

লিখক : ডঃ বিমান কৰ
এন, কে, বুকচ এণ্ড পাবলিকেচনছ, গুৱাহাটী-১২
মাৰ্চ, ১৯৮০ ইং
পৃষ্ঠা—১০২
মূল্য : সাত টকা

অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত (১৯৭৯-৮০) যি কম-সংখ্যক বঙালী-ভাষা-ভাষী অসমীয়াই ব্ৰতী হৈছে তাৰ ভিতৰত ডঃ বিমান কৰ অন্যতম। আলোচ্য পুথিখনি মূলতঃ উক্ত সংগ্ৰামৰ বিষয়ে লিখকৰ চিন্তা-চৰ্চাৰ প্ৰতিফলক। আটাইবোৰ মতামত বা উক্তি মৌলিক নহয় যদিও এই বিষয়ত লিখক যে অতি গভীৰ ভাবে জৰীত হৈ পৰিছে তাৰ প্ৰমাণ প্ৰতি পৃষ্ঠাতে পোৱা যাব। অসমৰ বৰ্তমান আন্দোলনৰ মূল কাৰণ, ইয়াত হোৱা ধন-জনৰ ক্ষয়-ক্ষতি আৰু ইয়াৰ সমাধানৰ উপায় সম্বন্ধে লিখকে নিজৰ বিশ্লেষণ দাঙি ধৰিছে। একালৰ ছাত্ৰ-নেতা আৰু বৰ্তমানৰ অৰ্থনীতিৰ ছাত্ৰ ডঃ কৰ অসমীয়া জাতীয় জীৱনৰ সামাজিক, ৰাজনৈতিক আৰু আৰ্থিক দিশৰ লেখ দিব পৰা যোগ্য ব্যক্তি।

পুথিখনৰ প্ৰথম প্ৰবন্ধ "আমি সকলোৱেই সংকীৰ্ণতাবাদী" এক ব্যঙ্গাত্মক ৰচনা। পূৰ্বাঞ্চলৰ মধ্যবিত্ত বঙালীৰ কলিকতা মুখী মন, কলিকতীয়া সংবাদ পত্ৰৰ অসম-আন্দোলনৰ বিৰূপ সমালোচনা কৰি বেছি পইচা ঘটা মনোবৃত্তি, অসমৰ শিক্ষিত নিবনুৱাৰ কোনো পৰীক্ষা নিদিয়াকৈ ভাল দৰমহাৰ চাকৰি বা চাকৰিত কোটাৰ দাবী, চি, পি, এম, দলৰ সৰ্ব্ব-ভাৰতীয় ৰাজনৈতিক ক্ষমতা হাতত পালেহে সৰ্ব্বহাৰাক উদ্ধাৰ কৰিব পৰাৰ দাবী, আন ৰাজনৈতিক দলসমূহৰ নিজ নিজ প্ৰভাব বিস্তাৰৰ চেষ্টা ইত্যাদিয়ে আটাইৰে সংকীৰ্ণ মনোবৃত্তিৰহে পৰিচয় দিয়ে। মনোবিজ্ঞানৰ দিশৰ পৰা লিখকৰ এই বক্তব্য শুদ্ধ হলেও ব্যৱহাৰিক অৰ্থত সকলোৱে তেওঁক সমৰ্থন নকৰিবও পাৰে।

দ্বিতীয় প্ৰবন্ধ 'উকম সমস্যাৰ সমাধান' ব্যঙ্গাত্মক আৰু প্ৰতীকধৰ্মী। বিভিন্ন প্ৰতীকৰ মাধ্যমেৰে লিখকে ভাৰতীয়ৰ স্খলিত ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক জীৱনৰ ছবি দাঙি ধৰিছে।

প্ৰথম ছয়োটা প্ৰবন্ধ 'ডায়েৰী' হিচাপে লিখা কাৰণে বিষয়-বস্তুৰ অসংলগ্ন উপস্থাপন লক্ষ্য কৰিব-লগীয়া। দেশৰ সমকালীন দুৰ্যোগবোৰে লিখকৰ মনত ইমান দ্ৰুত আৰু গভীৰ প্ৰতিক্ৰিয়া কৰিছে যে যিবোৰৰ তৎকালীন খতিয়ান নাৰাখিলে তেওঁ যেন পাহৰি যাব; আৰু তেনে অসংলগ্ন খতিয়ানৰ কোনো পৰিবৰ্ত্তন নকৰাকৈ ছপাই দিয়াত পঢ়ুৱৈৰ কাৰণে লিখনিবোৰ দুৰ্বোধ্য হৈ পৰিছে।

"যোৱা দশকৰ ভাৰতীয় ৰাজনীতি" নামৰ প্ৰবন্ধত লিখকে যোৱা স্বাধীনোত্তৰ কালৰ ভাৰতীয় ৰাজনীতিৰ গতি সম্পৰ্কে বিতৰ্কমূলক ব্যাখ্যা দাঙি ধৰিছে; যেনে, (১) কমিউনিষ্ট দলে ভাৰতীয় সমাজত আগৰ জনপ্ৰিয়তা হেৰাইছে; কংগ্ৰেছ চৰকাৰৰ গণতান্ত্ৰিক সমাজতন্ত্ৰৰ আদৰ্শ, চীনৰ ভাৰত আক্ৰমণ, কমিউনিষ্ট দলৰ বিভাজন, নক্সালপন্থী দলৰ আবিৰ্ভাৱ আদিয়েই ইয়াৰ কাৰণ। (২) নিৰ্ব্বাচনী যুদ্ধৰ ফলাফলে ভাৰতীয় সমাজৰ মৌলিক পৰিবৰ্ত্তন আনিব পৰা নাই; এতিয়া-লৈকে হোৱা প্ৰগতিশীল পৰিবৰ্ত্তনখিনিৰ কাৰণে জন-গণৰ সচেতনতাই মুখ্যতঃ দায়ী। (৩) ভাৰতত এতি-য়ালৈকে সৰ্ব্বভাৰতীয় ৰাজনৈতিক আন্দোলন হোৱা নাই; বৰুৱা সমস্যাকলৈয়ে আঞ্চলিক আন্দোলন গঢ় লৈ উঠিছে। (৪) কংগ্ৰেছ দলৰ কোনো কৌশলেই আজিলৈ বিফল হোৱা নাই। (৫) জনতা চৰকাৰে ইন্দিৰাৰ ভাবমূৰ্ত্তি উজ্জ্বল কৰাত সহায় কৰিছিল, ইত্যাদি।

অসমৰ চলিত আন্দোলনৰ সম্পৰ্কত লিখা 'ইন্দিৰা বিপ্লৱৰ পৰিপ্ৰেক্ষিতত অসমৰ সাম্প্ৰতিক সংগ্ৰাম', আৰু 'অসমত সংগ্ৰাম চলিছে, চলিব' প্ৰবন্ধ দুটি 'অগ্ৰদূত' কাকতত প্ৰকাশ পাইছে। লিখকৰ মতে ইন্দিৰাই বঙালী হিন্দু আৰু মুছলমানৰ ভোট হেকওৱাৰ ভয়ত অবৈধ বাংলাদেশীক অসমৰ পৰা বহিষ্কাৰ নকৰে। এই সংগ্ৰাম অসমীয়া সভ্যতা ৰক্ষাৰ সংগ্ৰাম; জন-জাগৰণৰ ইতিহাসত এনে সংগ্ৰাম বিৰল বুলি লিখকে মন্তব্য কৰিছে।

'অগ্ৰদূত'ত প্ৰকাশ পোৱা আন এটি বিতৰ্কমূলক প্ৰবন্ধ 'চি, পি, এম, আচলতে সাম্প্ৰদায়িক দল'। লিখকে এই মতৰ সমৰ্থনত দাঙি ধৰা উদাহৰণ কেইটা বৰ তৰল যেন অনুমান হয়। যেনে, (১) স্বাধীনতা সংগ্ৰামৰ বিৰুদ্ধে কাম কৰা কমিউনিষ্ট দলে স্বাধীনতাৰ পিছত এই স্বাধীনতা মিছা বুলি কৈ ফুৰিলে; কাৰণ তেওঁলোকৰ বাহিৰে কোনেও আচল স্বাধীনতা আনিব নোৱাৰে। (২) নেতাজীলৈ অশ্ৰদ্ধা দেখুৱালে বঙালীৰ ভোট হেৰুৱাব বুলি পশ্চিমবঙ্গৰ চি, পি, এম, চৰকাৰে নেতাজীৰ জন্মদিনৰ উৎসৱ পালন কৰে। (৩) ভোটৰ আশাত এই দলে বঙালী-ত্ৰিপুৰা আৰু অসমীয়াৰ মাজত কাজিয়া লগাই থাকে। ইত্যাদি।

লিখকে ১৪-২-৮০ তাৰিখে অসমৰ বৰ্তমান আন্দোলনৰ সম্পৰ্কত শ্ৰীমতী গান্ধীলৈ দিয়া ইংৰাজী ভাষাৰ মুকলি চিঠিখনো এই পুথিখনত সন্নিবিষ্ট কৰিছে। চিঠিখনত লিখকে বৰ্তমান আন্দোলনৰ ঐতিহাসিক কাৰণ সমূহ আৰু ইয়াৰ সমাধানৰ পথ যুক্তি সহকাৰে দাঙি ধৰিছে।

অসম তথা পূৰ্বাঞ্চলৰ কাৰণে এক বিশেষ জনসংখ্যা নীতিৰ কাৰণে যুক্তি দেখুৱাই লিখা প্ৰবন্ধ দুটা অতি সময়োপযোগী হৈছে। পূৰ্বাঞ্চলৰ ভৌগলিক, গোষ্ঠিক আৰু সামাজিক বিশেষত্বলৈ চাই সৰ্বভাৰতীয় জনসংখ্যা নীতি এই অঞ্চলৰ কাৰণে যে প্ৰযোজ্য নহয়, এই কথা সকলোৱে স্বীকাৰ কৰিছে। অৱশ্যে সুকীয়া জনসংখ্যা নীতিয়েই নহয়; এই অঞ্চলৰ কাৰণে জনসংখ্যা বিষয়ৰ এটি সুকীয়া আঞ্চলিক গৱেষণা কেন্দ্ৰও নিতান্ত প্ৰয়োজন।

"শিক্ষক সমাজে কৰিব লগীয়া কামখিনি এতিয়াৰ পৰাই আৰম্ভ কৰক" নামৰ প্ৰবন্ধত লিখকে নিজ কৰ্তব্যৰ পৰা আতৰি থাকি প্ৰচাৰ অভিযান চলাই, অসহযোগ, সত্যাগ্ৰহ আদি কৰি, ধৰ্ম গ্ৰন্থ পঢ়ি আন্দোলনত যোগ দিবলৈ শিক্ষক সমাজলৈ আহ্বান কৰিছে।

আন তিনিটা প্ৰবন্ধৰ যোগেদি লিখকে অসমৰ সাম্প্ৰদায়িক সম্প্ৰীতিৰ কাৰণে কিছুমান দীৰ্ঘম্যাদী পৰামৰ্শ দাঙি ধৰিছে। হিন্দু-মুছলমান, অসমীয়া-বঙালীৰ মাজত থকা সাম্প্ৰদায়িক বিদ্বেষৰ কাৰণে আন বহুতৰ দৰে লিখকেও ৰাজনৈতিক দল সমূহক জগৰীয়া কৰিছে। এই দলবোৰে অসমীয়া-বঙালীৰ মাজত কোনো বিভেদ নাই বুলি মিছা মাতি সম্প্ৰদায় দুটাক প্ৰকৃত বুজাবুজি আৰু আত্মশুদ্ধিৰ সুযোগৰ পৰা বঞ্চিত কৰি ৰাখে যাতে বিভেদ দীৰ্ঘস্থায়ী হয়। প্ৰতিটো সম্প্ৰদায়ে দোষবোৰ আন সম্প্ৰদায়ৰ ওপৰত জাপি দিবলৈ চেষ্টা নকৰি আত্মানুসন্ধান কৰি নিজৰ নিজৰ দোষবোৰ বিচাৰি উলিয়ালেহে প্ৰকৃত সম্প্ৰীতি স্থাপন হব। ভয় খুৱাই বা বলেৰে জাতি সংমিশ্ৰণৰ কাম নহয়।

উত্তৰ কামৰূপত ঘটা সাম্প্ৰদায়িক সংঘৰ্ষ আৰু তাৰ ক্ষয়-ক্ষতিৰ চাক্ষুষ বৰ্ণনা এটিও পুথিখনত সন্নিবিষ্ট কৰিছে।

মুঠতে 'সামাজিক-অৰ্থনীতিৰ লেখ' (প্ৰথম সংখ্যা) যদিও পৈণত লিখকৰ লিখনি নহয় তথাপি অসমৰ অৰ্থনৈতিক তথা সামাজিক জীৱনৰ বিষয়ে লিখকে গভীৰ ভাবে চিন্তা-চৰ্চা কৰিছে বুলি কব পাৰি। সেই চিন্তা-চৰ্চাবোৰ সজাই-পৰাই নিয়াৰিকৈ লিখা হলে পুথিখনে পাঠকৰ মন বেছিকৈ আকৰ্ষণ কৰিলেহেঁতেন। পুথিখনৰ দ্বিতীয় সংখ্যাৰ লিখনি পুৰঠ হব বুলি আশা কৰিব পাৰি।

ড° হোমেশ্বৰ গোস্বামী



## শংকৰী সাহিত্যৰ ভূমিকা

লেখক : নাৰায়ণ দাস, অধ্যাপক দৰং কলেজ
প্ৰকাশিকা : জ্যোৎস্না দাস, কৃষ্ণ প্ৰকাশ, ডেকাপাৰা, গুৱাহাটী
প্ৰথম প্ৰকাশ : নৱেম্বৰ ১৯৭৯
পকাবন্ধা, ডিমাই আকাৰৰ
পৃষ্ঠা ১৮৪
দাম : ১২·০০ টকা।

'পাঠ-সমীক্ষাৰ ভূমিকা' আৰু 'বিশ্ব লিপিৰ ভূমিকা' পুথিৰ লেখক শ্ৰীনাৰায়ণ দাসৰ শংকৰী সাহিত্য সম্পৰ্কীয় এইখন এখন বিশ্লেষণাত্মক পুথি। ড° নেওগে পুথিখনৰ আগকথাত এইখন পুথিক "এক প্ৰকাৰে অভিনৱ ধৰণৰ পুথি হৈছে" বুলি মন্তব্য কৰিছে। ইংৰাজীত এই ধৰণৰ পুথিক bibliographical study আখ্যা দিয়া হয়। অসমীয়া সাহিত্যত তেনে ধৰণৰ অধ্যয়ন নাই। শ্ৰীদাস এই ধৰণৰ ৰচনাৰ বাটকটীয়া।

পুথিখনত বিশটা নিবন্ধ সংকলিত হৈছে। এই কুৰিটা প্ৰবন্ধৰ শেষৰ ৫ টা প্ৰবন্ধত লেখকে শংকৰদেৱৰ ৰচনাৰাজিৰ চমু পৰিচয় সুকীয়া সুকীয়াকৈ দাঙি ধৰিছে। বাকী পোন্ধৰটা প্ৰবন্ধত শংকৰদেৱৰ সৌন্দৰ্য্য-বোধ, সাহিত্যৰ সমীক্ষিত পাঠ আদিৰ পৰা শংকৰী সাহিত্যৰ অলংকাৰ, ছন্দ, ভাষা, পূৰ্বকবিৰ প্ৰভাৱ আদিলৈকে শংকৰী সাহিত্য সম্পৰ্কে ভাবিব পৰা প্ৰায় সকলো বিষয়কে সামৰি লৈছে। আলোচনা চমু হলেও মহাপুৰুষ জনাৰ সমগ্ৰ ৰচনাৱলীৰ অন্তৰ্নিহিত আলোচনা একে থুপতে কৰিছে। প্ৰতিটো প্ৰবন্ধ স্বতন্ত্ৰ হলেও তাৰ মাজত এটা পাৰস্পৰিক সম্বন্ধ পৰিস্ফুটিত হৈছে।

মহাপুৰুষ শংকৰদেৱৰ ৰচনাৰাজিৰ তাত্ত্বিক আৰু সৌন্দৰ্যময় আলোচনা অসমীয়া সাহিত্যত বহু কেইগৰাকী লব্ধপ্ৰতিষ্ঠ সাহিত্যিকে কৰি গৈছে। কিন্তু লেখকে কোৱাৰ দৰে "বৰ্তমানলৈকে শংকৰদেৱৰ ৰচনাৰাজিৰ প্ৰণালীবদ্ধ একত্ৰিত অধ্যয়ন অসমীয়া ভাষাত পৰ্যাপ্ত নহয়।" শ্ৰীদাসে যথেষ্ট কষ্ট কৰি বিভিন্ন গ্ৰন্থ অধ্যয়ন কৰি প্ৰণালীবদ্ধ ভাবে একত্ৰিত কৰিছে, তদুপৰি বিভিন্ন দৃষ্টি-কোণৰ পৰা শংকৰী সাহিত্যত দৃষ্টিপাত কৰি বিশ্লেষণ কৰাত সফলতা লাভ কৰিছে। আলোচনা চমু অথচ মনোগ্ৰাহী আৰু অনুসন্ধিৎসা জাগৰিত কৰিব পৰা। প্ৰবন্ধৰাজিৰ মাজেৰে লেখকৰ বিশ্লেষণাত্মক মনটো সুন্দৰ ভাৱে প্ৰকট হৈ উঠিছে।

পুথিখনত সুকীয়াকৈ লেখকে প্ৰবন্ধপঞ্জী বা গ্ৰন্থপঞ্জী সন্নিবিষ্ট নকৰিলেও, শংকৰদেৱ সম্পৰ্কীয় বিভিন্ন দিশৰ লগত জড়িত পুথি আৰু প্ৰবন্ধৰ খবৰ এই পুথিত সন্নিবিষ্ট কৰা হৈছে। অনিসন্ধিৎসু পাঠকক মূল পুথি পঢ়াৰ বাবে ই উদগনি যোগাব। অৱশ্যে দাসে পুথিৰ শেহত এখন গ্ৰন্থপঞ্জী বা প্ৰবন্ধপঞ্জী সন্নিবিষ্ট কৰা হলে বেছি ভাল হ'লহেঁতেন। পুথিখনৰ ছপা আৰু বন্ধা মজলীয়া। ছপাৰ ভুল যথেষ্ট। অৱশ্যে পুথিখনৰ শেহৰফালে এখনি শুদ্ধৱলি সন্নিবিষ্ট কৰা হৈছে।

পুথিখন শংকৰী সাহিত্যৰ অধ্যয়ন পিয়াসীসকলৰ বাবে বৰ উপযোগী হৈছে। আৰু সি সকলৰ গভীৰ অধ্যয়নৰ অত্যন্ত সহায়ক হব। পুথিখন যে সৰ্বজন সমাদৃত হব সি ধ্ৰুৱ।

শ্ৰীপ্ৰদ্যুম্নচন্দ্ৰ ভট্টাচাৰ্য

## প্ৰাপ্তি-স্বীকাৰ

১। ৰঙ্গমঞ্চ

সম্পাদনা : শ্ৰীপ্ৰফুল্ল বৰুৱা, শ্ৰীপ্ৰফুল্ল ৰাজগুৰু, শ্ৰীকৃষ্ণ প্ৰসাদ বৰুৱা, শ্ৰীঅৱনী ঠাকুৰ, শ্ৰীযোগানন্দ গোস্বামী

প্ৰকাশক : শ্ৰীকৃষ্ণপ্ৰসাদ বৰুৱা, সাঃ সম্পাদক,
অসম নাট্য সন্মিলন
প্ৰকাশ-কাল : ১৯৭৯
মূল্য : ৪·০০ টকা।

২। ৰঙ্গৰেখা ( ১ম খণ্ড )
লিখক : ললিত বৰা
প্ৰকাশক : ডিম্বেশ্বৰ বৰা
প্ৰথম সংস্কৰণ : জুলাই ১৯৮০
মূল্য : পাঁচ টকা।

৩। আই অসমী ( কবিতা-সংকলন )
লিখক : শ্ৰীতনুৰাম গগৈ
প্ৰকাশিকা : শ্ৰীযুতা বিজয়া ঠাকুৰ
প্ৰথম প্ৰকাশ : ১৯৮০
বেচ : দুটকা মাথোন।

৪। মৃত্যুঞ্জয়ী ( কবিতা-সংকলন )
লিখক : শ্ৰীঘনশ্যাম চৌধুৰী
প্ৰকাশনত : শ্ৰীসুধন্য দাস, শ্ৰীমতী ঠুনু চৌধুৰী
প্ৰথম প্ৰকাশ : ১৯৮০ চন
অবিহণা : ১·৭৫ টকা।

৫। ক্ষেপণাস্ত্ৰ ( কবিতা-সংকলন )
লিখক আৰু প্ৰকাশক : শ্ৰীপ্ৰফুল্ল চন্দ্ৰ মহন্ত
প্ৰথম প্ৰকাশ : মে ১৯৮০
মূল্য : এটকা।

৬। আই অসমী ( কবিতা-পুথি )
লিখক : শ্ৰীগুণাৰাম বড়া
প্ৰকাশক : শ্ৰীবুদ্ধীন্দ্ৰ কুমাৰ বৰুৱা
প্ৰথম প্ৰকাশ : আষাৰ, ১৯৮০ ইং চন
মূল্য : ০·৭৫ পইচা।

# অসম সাহিত্য সভাৰ ভিতৰ চ'ৰা

## কাৰ্য-নিৰ্বাহক সমিতিৰ প্ৰথম পূৰ্ণাংগ অধিৱেশন, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট
১০।৫।৮০

**উপস্থিত সদস্যসকল :** শ্ৰীযুত যতীন্দ্ৰ নাথ গোস্বামী (সভাপতি), শ্ৰীযুত লীলা গগৈ ( উপ সভাপতি ), শ্ৰীযুত নগেন শইকীয়া ( প্ৰধান সম্পাদক ), শ্ৰীযুত প্ৰকাশ গোস্বামী ( সহকাৰী সম্পাদক ), শ্ৰীযুত সতীশ চৌধুৰী ( সহকাৰী সম্পাদক ), শ্ৰীযুত প্ৰফুল্ল চন্দ্ৰ ভট্টাচাৰ্য্য (কোষাধ্যক্ষ), ড° পৰীক্ষিত হাজৰিকা (পত্ৰিকা সম্পাদক), শ্ৰীযুত মহেশ ভট্টাচাৰ্য ( ভাষা-জ্ঞান পৰীক্ষা সংসদৰ সচিব ), শ্ৰীযুত ৰাম গোস্বামী, এম. ইলিম উদ্দিন দেৱান, শ্ৰীযুত বুদ্ধীন্দ্ৰ কুমাৰ বৰুৱা, শ্ৰীযুত ভদ্ৰকৃষ্ণ গোস্বামী, শ্ৰীযুত নবীন শৰ্মা, শ্ৰীযুত ইন্দ্ৰেশ্বৰ পেগু, শ্ৰীযুত নিৰিকান্ত ৰায়, শ্ৰীযুত গৌৰীকান্ত কাকতি, শ্ৰীযুত সিদ্ধেশ্বৰ তামুলী, শ্ৰীযুত ৰ্নেল বংহাং, শ্ৰীযুতা সুপ্ৰভা মেধি, শ্ৰীযুত প্ৰবীণ দাস।

**বিশেষভাৱে নিমন্ত্ৰিত সকল :** শ্ৰীযুত আনন্দ চন্দ্ৰ বৰুৱা, শ্ৰীযুত বিনন্দ চন্দ্ৰ বৰুৱা, শ্ৰীযুত যতীন্দ্ৰনাথ বেজবৰুৱা, শ্ৰীযুত দেবেশ্বৰ শইকীয়া, শ্ৰীযুত বসন্ত কুমাৰ গোস্বামী, শ্ৰীযুত অৰুণ গোস্বামী, শ্ৰীযুত দেৱপ্ৰসাদ বৰুৱা, শ্ৰীযুত অমল ৰাজখোৱা শ্ৰীযুতা অৰলা গোহাঁই, ড° লক্ষ্মীনন্দন বৰা, শ্ৰীযুত নবীন বৰদলৈ, শ্ৰীযুত ডিম্বেশ্বৰ শৰ্মা, শ্ৰীযুত কুতুবুদ্দিন আহমেদ, শ্ৰীযুত আব্দুছ ছাত্তাৰ, ড° নিশিপদ চৌধুৰী, শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰ।

১। প্ৰধান সম্পাদকে অসম সাহিত্য সভাৰ সভাপতি শ্ৰীযতীন্দ্ৰনাথ গোস্বামীক চলিত বছৰৰ কাৰ্য-নিৰ্বাহক সমিতিৰ প্ৰথম পূৰ্ণাঙ্গ অধিৱেশন পৰিচালনা কৰিবৰ কাৰণে অনুৰোধ কৰে।

২। সভাপতিয়ে আসন গ্ৰহণ কৰে আৰু সদস্য সকলৰ সহযোগিতা কামনা কৰে।

৩। সভাপতিৰ আসনৰ পৰা তলৰ শোক-প্ৰস্তাৱটি উত্থাপন কৰে। অসম সাহিত্য সভাৰ কাৰ্য-নিৰ্বাহক সমিতিৰ ১৯৮০-৮১ বছৰৰ প্ৰথম পূৰ্ণাঙ্গ অধিৱেশনে তলত নাম দিয়া ব্যক্তিসকলৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে আৰু মৃতকৰ আত্মাৰ সদ্গতিৰ অৰ্থে দুই মিনিট সময় থিয় হৈ মৌনতা অৱলম্বন কৰে : স্বহীদ খগেন ভড়ালী, খৰ্গেশ্বৰ ৰায়, পুষ্পেন্দু সুবেদাৰ, বল্লভ নাথ, প্ৰমোদ কলিতা, জয়ন্ত হাজৰিকা, প্ৰিয় কুকুৰাছোৱা, সুভাষ লোহাৰ, মুনীন্দ্ৰ গোহাঁই, পুণ্যলতা গোহাঁই, সুবোধ গোহাঁই, আশুতোষ দেৱনাথ, নবীন ডেকা, মাৰ্শাল টিটো, আলফ্ৰেড হিচকক, জা পল ছাৰ্ত্ৰে, মহেন্দ্ৰকুমাৰ ভূঞা, ( আজীৱন সভ্য )।

৪। প্ৰধান সম্পাদকে সভাপতি প্ৰমুখ্যে সদস্যসকলক

স্বাগত সম্ভাষণ জনায় আৰু সদস্য সকলৰ পৰিচয় দাঙি ধৰে।

৫। প্ৰধান সম্পাদকে ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ২০।৩।৮০ তাৰিখে ৰহা পূৰ্ববৰ্ত্তী বছৰৰ শেষ কাৰ্য-নিৰ্বাহক সমিতিৰ কাৰ্য-বিৱৰণী উত্থাপন কৰে। সমিতিয়ে গ্ৰহণ কৰে।

৬। প্ৰধান সম্পাদকে নৱগঠিত কাৰ্য-নিৰ্বাহক সমিতিৰ ৰহাত ৰহা প্ৰথম অধিৱেশনৰ কাৰ্য্য-বিৱৰণী উত্থাপন কৰে। সমিতিয়ে গ্ৰহণ কৰে।

৭। প্ৰধান সম্পাদকে জনায় যে— পূৰ্ববৰ্ত্তী কাৰ্য্য-বিৱৰণীত উল্লেখিত তলত দিয়া বিষয়সমূহৰ সম্পৰ্কত প্ৰাথমিক ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

(ক) বাগ্মীবৰ নীলমণি ফুকন শতবাৰ্ষিকী আৰু জ্ঞানদাভিৰাম বৰুৱা শতবাৰ্ষিকী ক্ৰমে ২২ জুন আৰু ১৯ আগষ্টত পৰিব; এই সম্পৰ্কত ২২ তাৰিখে কেন্দ্ৰীয় ভাৱে যোৰহাটত ফুকনৰ শতবাৰ্ষিকীৰ মূল অনুষ্ঠান আৰু ২৩ তাৰিখে ডিব্ৰুগড়ত কেন্দ্ৰীয় আলোচনা চক্ৰৰ আয়োজন কৰিবৰ বাবে ক্ৰমে যোৰহাট আৰু ডিব্ৰুগড় শাখা সভাক আৰু ১৯ আগষ্ট তাৰিখে জ্ঞানদাভিৰাম বৰুৱা শতবাৰ্ষিকীৰ কেন্দ্ৰীয় অনুষ্ঠান নগাঁৱত পাতিবৰ বাবে আয়োজন কৰিবলৈ নগাঁও শাখা সাহিত্য সভাক পুনৰ জনাই চিঠি দিয়া হৈছে। সভাৰ পূৰ্বৰ শতবাৰ্ষিকী অনুষ্ঠান সমূহৰ লগত সংগতি ৰাখি তিনিওখন শাখাক ৫০০'০০ (পাঁচ) শ টকাকৈ আৰ্থিক অনুদান দিয়াৰ সম্ভাৱনাৰ কথাও জনোৱা হৈছে।

তদুপৰি নীলমণি ফুকনৰ প্ৰতীকত ডাক টিকত সম্পৰ্কে ৰাজ্য চৰকাৰৰ যোগে কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট বিভাগৰ লগত যোগাযোগ কৰা হৈছে। সমিতিয়ে অনুমোদন জনায়।

প্ৰধান সম্পাদকে জনায় যে প্ৰাক্তন প্ৰধান সম্পাদক ড. হেমন্ত কুমাৰ শৰ্মাই জ্ঞানদাভিৰাম বৰুৱাৰ জন্ম শতবাৰ্ষিকী গুৱাহাটীতো পাতিবৰ বাবে পৰামৰ্শ দিছে আৰু ১৯৮১ চনৰ ডিচেম্বৰ মাহত নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ জন্ম-শতবাৰ্ষিকী পৰিব বুলি জনাইছে। তদুপৰি চৌধুৰীৰ ৰচনাৱলী প্ৰকাশ কৰা পৰামৰ্শ দিছে। সমিতিয়ে জ্ঞানদাভিৰাম বৰুৱাৰ শতবাৰ্ষিকী উৎসৱৰ এটা অনুষ্ঠান ২০ বা ২১ আগষ্ট তাৰিখে গুৱাহাটীতো পতাৰ সিদ্ধান্ত লয়।

নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ শতবাৰ্ষিকী সম্পৰ্কে যথা সময়ত ব্যৱস্থা লোৱাৰ সিদ্ধান্ত লয়। কিন্তু চৌধুৰীৰ গ্ৰন্থ সমূহ যিহেতু প্ৰকাশন পৰিষদে প্ৰকাশ কৰিছে গতিকে, সভাই আংশিক ৰচনাৱলী প্ৰকাশ কৰাৰ সলনি এই সম্পৰ্কে প্ৰকাশন পৰিষদকে ব্যৱস্থা লবলৈ অনুৰোধ জনায়

(খ) পূৰ্বৰ সিদ্ধান্ত অনুসৰি নীলমণি ফুকন গ্ৰন্থাৱলীৰ প্ৰথম খণ্ড শ্ৰীনগেন শইকীয়াই, দ্বিতীয় খণ্ড শ্ৰীৰাম গোস্বামীয়ে আৰু তৃতীয় খণ্ড শ্ৰীউপেন্দ্ৰ বৰকটকীয়ে সম্পাদনাৰ দায়িত্ব লৈছে। তদুপৰি ফুকনৰ অসম বিধান পৰিষদ আৰু বিধান সভাৰ ভাষণাৱলী সংকলন কৰিবৰ কাৰণে আৰু জ্ঞানদাভিৰাম বৰুৱা ৰচনাৱলী সংকলন কৰিবৰ কাৰণে শ্ৰীযোগেন্দ্ৰ নাৰায়ণ ভূঞাক দায়িত্ব দিয়া হৈছে। ইতিমধ্যে নীলমণি ফুকন সম্পৰ্কীয় প্ৰবন্ধ-সংকলনৰ ছপা শেষ হৈছে।

সংকলক সকলৰ লগত যোগাযোগ কৰিবলৈ সমিতিয়ে প্ৰধান সম্পাদকক পৰামৰ্শ দিয়ে।

(গ) শিশু জ্ঞানকোষৰ কাম আৰম্ভ কৰিবৰ কাৰণে ২ এপ্ৰিল তাৰিখে সাধাৰণ সম্পাদক শ্ৰীনৱকান্ত বৰুৱাক আৰু সহযোগী সম্পাদক ড° বীৰেন্দ্ৰনাথ দত্ত আৰু ড° কুলেন্দু মোহন পাঠকৰ লগত আলোচনা কৰি ব্যৱস্থা কৰা হৈছে। ভগৱতী প্ৰসাদ বৰুৱা ভৱনৰ অতিথি-কক্ষটি শিশুজ্ঞানকোষ প্ৰণয়ণ কৰা কক্ষ স্বৰূপে ব্যৱহাৰ কৰিবলৈ দিয়া হৈছে। ইতিমধ্যে সম্পাদক সকলে বিস্তৃত আঁচনি সম্পূৰ্ণ কৰি প্ৰস্তুত কৰিছে। শিশু জ্ঞানকোষৰ সম্পাদকৰ প্ৰয়োজন-পত্ৰৰ ওপৰত ভিত্তি কৰি ভাষা-শিক্ষা শ্ৰেণীৰ অস্থায়ী কাৰ্যালয় - সহকাৰী শ্ৰীঅতুল্য হালৈক মাহে অতিৰিক্ত ৫০'০০ (পঞ্চাশ) টকাৰ পাৰিতোষিক দি জ্ঞানকোষৰ কামৰো কাৰ্য্যালয়-সহকাৰী স্বৰূপে অস্থায়ীভাৱে ২।৪।৮০ তাৰিখৰ পৰা নিযুক্তি দিয়া হৈছে। চতুৰ্থ শ্ৰেণীৰ চাকৰিয়াল শ্ৰীনৰেণ হালৈক জ্ঞানকোষৰ কাৰ্যালয়ৰ কাম-কাজ কৰিবৰ কাৰণে প্ৰয়োজন হ'ব বুলি জনাইছে।

সমিতিয়ে অনুমোদন জনায় আৰু শ্ৰীনৰেণ হালৈক মাহে ২০'০০ (বিশ) টকা পাৰিতোষিক দিবলৈ সিদ্ধান্ত কৰে। এই সিদ্ধান্ত ১।৫।৮০ তাৰিখৰ পৰা কাৰ্যকৰী হ'ব।

(ঘ) শিশুজ্ঞান-কোষৰ সাধাৰণ সম্পাদকে এটা ইংৰাজী টাইপ ৰাইটাৰ, আলমাৰী আৰু প্ৰয়োজনীয় আচবাবৰ প্ৰয়োজন-পত্ৰ দিছে। অন্যান্য ৬ (ছয়) হেজাৰ টকা এই কামত ব্যয় হ'ব পাৰে।

সমিতিয়ে অনুমোদন জনায়।

(ঙ) জ্ঞানকোষৰ বাবে পোৱা চৰকাৰী অনুদান ৬৫,০০০ হেজাৰ টকা গুৱাহাটীৰ অসম কো-অপাৰেটিভ এপেক্স বেংকৰ শাখাৰ স্থকীয়া হিচাপত ১১।৪।৮০ তাৰিখে জমা কৰা হৈছে।

(চ) লক্ষ্মীৰাম বৰুৱা সদন আৰু ৰাধাকান্ত সন্দিকৈ ভৱনৰ নিৰ্মাণৰ কাৰ্য্য চলি আছে আৰু দুয়োটা ভৱনৰ পুঁজি নিৰ্মাণ সমিতিৰ পুঁজিলৈ স্থানান্তৰিত কৰা হৈছে। ইতিমধ্যে লক্ষ্মীৰাম বৰুৱা সদনৰ দাতা শ্ৰীযুত প্ৰফুল্ল চন্দ্ৰ বৰুৱাই আগৰ ১ লাখ টকাৰ উপৰিও অতিৰিক্ত ২৫ হেজাৰ টকাৰ দান আগ বঢ়াইছে। শ্ৰীযুত বৰুৱালৈ দুয়োটা দানৰ পকা ৰছিদ সহ ধন্যবাদ সূচক পত্ৰ প্ৰেৰণ কৰা হৈছে। সমিতিয়ে সন্তোষ প্ৰকাশ কৰে আৰু শ্ৰীযুত প্ৰফুল্ল চন্দ্ৰ বৰুৱাক ধন্যবাদ জ্ঞাপন কৰে।

(ছ) পূৰ্বৰ কাৰ্য-নিৰ্বাহকৰ সিদ্ধান্ত অনুসৰি কাৰ্যালয় কৰ্মচাৰীসকলৰ মৰগীয়া বানচ দিয়া হৈছে।

(জ) ২৪।৩।৮০ তাৰিখৰ কাৰ্যনিৰ্বাহক সমিতিৰ সিদ্ধান্ত অনুসৰি ১।৪।৮০ তাৰিখৰ পৰা নতুন প্ৰধান সম্পাদক আৰু কোষাধ্যক্ষৰ দ্বাৰা সভাৰ পুঁজিসমূহৰ লেন-দেন আৰম্ভ কৰা হৈছে। ইতিমধ্যে ৩০ মাৰ্চ তাৰিখে বিদায়ী প্ৰধান সম্পাদকৰ পৰা কাৰ্যভাৰ গ্ৰহণ কৰা হয়। সমিতি অৱগত হয়।

(ঝ) পূৰ্বৰ সমিতিৰ সিদ্ধান্ত অনুসৰি ভাষা-শিক্ষা পৰিচালনা উপসমিতিৰ আহ্বায়ক স্বৰূপে গুৱাহাটীৰ সহকাৰী সম্পাদক শ্ৰীসতীশ চৌধুৰীক দায়িত্ব নিৰ্বাহ কৰিবলৈ আৰু আইন-গোট আৰু প্ৰচাৰ-গোটৰ আহ্বায়কৰ দায়িত্ব নৱনিৰ্বাচিত সহকাৰী সম্পাদকক দিলে সুবিধা হয় বুলি বিদায়ী সহকাৰী সম্পাদক ড° নিশিপদ চৌধুৰীক লোৱা হৈছে।

সমিতিয়ে অনুমোদন জনায়

৮। প্ৰধান সম্পাদকে বিষয়-বাছনী সভাৰ কাৰ্য্য-বিৱৰণী উত্থাপন কৰে। সমিতি অৱগত হয়।

(ক) প্ৰধান সম্পাদকে জনায় যে বিষয়-বাছনী সভাই অসমৰ এখন সাপ্তাহিক কাকতত 'সভাৰ এজন প্ৰাক্তন সভাপতি' এই নামত লিখা এখন চিঠিৰ সম্পৰ্কত আইনৰ পৰামৰ্শ লবলৈ পৰামৰ্শ দিছিল। এই বিষয়ে এতিয়াও একো কৰা হোৱা নাই। সমিতিয়ে পৰামৰ্শ দিয়ে যে — সোনকালে আইনজ্ঞৰ লগত পৰামৰ্শ কৰি ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

(খ) বিষয় বাছনী সভাই গ্ৰহণ কৰা নিয়মাৱলী সংশোধনী প্ৰস্তাৱ আৰু অন্যান্য প্ৰস্তাৱ সম্পৰ্কে বিজ্ঞপ্তি যোগে শাখা সভা সমূহক জনোৱা হৈছে। সাধাৰণ প্ৰস্তাৱ (১), (২), (৩), (৪), (৬), (৮), (৯), (১০) এই কেইটা চৰকাৰৰ ওচৰত দাখিল কৰা হৈছে। বাকী প্ৰস্তাৱ সমূহো ইতিমধ্যে প্ৰচাৰ কৰা হৈছে। শ্ৰীইন্দ্ৰেশ্বৰ পেগুৱে পৰামৰ্শ দিয়ে যে ৰহা অধিৱেশনত গৃহীত মাধ্যম সম্পৰ্কীয় প্ৰস্তাৱৰ প্ৰতিলিপি মিছিং আগম কেবাঙলৈও পঠাব লাগে। সমিতিয়ে এই মৰ্মে ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰধান সম্পাদকক জনায়।

৯। প্ৰধান সম্পাদকে জনায় যে ৩০।৩।৮০ তাৰিখে বিদায়ী প্ৰধান সম্পাদকৰ পৰা দায়িত্ব গ্ৰহণ কৰাৰ পিছত

তদন্ত দিয়া কাম সমূহ কৰা হৈছে।

(ক) অসমৰ ৰাজ্যপালৰ নিমন্ত্ৰণ ক্ৰমে ৩১।৩।৮০ তাৰিখে সভাপতিক লৈ ৰাজ্যপালক সাক্ষাত কৰা হয় আৰু সাম্প্ৰতিক আন্দোলন সম্পৰ্কত সভাৰ দৃষ্টিভংগী ব্যাখ্যা কৰা হয়। ৰাজ্যপালক সাক্ষাৎ কৰিবলৈ যোৱাৰ আগতে গুৱাহাটীত সাহিত্য সভাৰ লগত জড়িত কেইগৰাকীমান বিশিষ্ট ব্যক্তিক নিমন্ত্ৰণ কৰি আনি অনানুষ্ঠানিক ভাবে আলোচনা কৰি লোৱা হয়। একে সম্পৰ্কতে ২ এপ্ৰিল তাৰিখে অসমৰ মুখ্য সচিবক লগ ধৰি এখন চিঠি আনুষ্ঠানিক ভাৱে প্ৰদান কৰা হয়।

(খ) ৬ এপ্ৰিল তাৰিখে সদৌ অসম ছাত্ৰসন্থাৰ নিমন্ত্ৰণ ক্ৰমে সাম্প্ৰতিক সমস্যা সম্পৰ্কে সভাপতিৰ সৈতে গৈ আলোচনা কৰা হয় আৰু ৭ এপ্ৰিল তাৰিখে সদৌ অসম গণ-সংগ্ৰাম পৰিষদৰ কাৰ্য-নিৰ্বাহক সমিতিত যোগ দিয়া হয়।

(গ) ৯ এপ্ৰিল তাৰিখে ৰাধাকান্ত সন্দিকৈ ভৱন নিৰ্মাণ সমিতিয়ে নিৰ্মাণৰ অগ্ৰগতি বিচাৰ কৰে। দেখা যায় প্ৰয়োজনীয় ৫ লাখ ১৭ হেজাৰ টকাৰ ভিতৰত সভাৰ হাতত থকা ২ লাখ টকাৰে ভেটিৰ কামখিনিহে আগ-বঢ়াব পৰা হ'ব।

(ঘ) ভাৰতৰ প্ৰধান মন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীৰ নিমন্ত্ৰণ ক্ৰমে ১২ এপ্ৰিল তাৰিখে সভাপতিক লগত লৈ প্ৰধান মন্ত্ৰীক সাক্ষাত কৰা হয় আৰু বৰ্তমান আন্দোলন সম্পৰ্কত সভাৰ দৃষ্টিভংগী প্ৰকাশ কৰি এখন পত্ৰ প্ৰদান কৰা হয়।

(ঙ) ১৫ এপ্ৰিল তাৰিখে ডিব্ৰুগড়ত আকাশ বাণীৰ মহাসঞ্চালকক সাক্ষাত কৰা হয় আৰু শিলচৰ কেন্দ্ৰত অসমীয়া অনুষ্ঠান প্ৰচাৰ কৰিবলৈ অনুৰোধ জনোৱা হয়। মহাসঞ্চালকে জনোৱা মতে প্ৰত্যেক ৰাজ্যৰ আকাশবাণীৰ কেন্দ্ৰসমূহৰ প্ৰচাৰৰ মাধ্যম ৰাজ্য চৰকাৰৰ পৰামৰ্শৰ ভিত্তিত ঠিক কৰা হয়। গতিকে, ৰাজ্য চৰকাৰৰ পূৰ্বৰ পৰামৰ্শৰ সাল-সলনি নঘটিলে প্ৰচাৰ মাধ্যম সলোৱা সম্ভৱ নহয়।

(চ) ১৯ এপ্ৰিল তাৰিখে চকুৱাখানাৰ খেৰকটামুখত অনুষ্ঠিত মিছিং আগম কেবাঙত যোগদান কৰি অসম সাহিত্য সভাৰ দৃষ্টিভংগী ব্যাখ্যা কৰা হয় আৰু আগম কেবাঙত এখন "মিছিং অসমীয়া পাঠ" যুগুতাই দিবৰ বাবে আনুষ্ঠানিক ভাৱে অনুৰোধ জনোৱা হয়।

(ছ) ২৪ এপ্ৰিল তাৰিখে অসমৰ সাম্প্ৰতিক পৰিস্থিতি আৰু সভাৰ দৃষ্টিভংগী বিস্তৃত ভাৱে ব্যাখ্যা কৰি প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীলৈ এখন চিঠি প্ৰেৰণ কৰা হয়। এই চিঠিৰ লগত সংগতি ৰাখি পুনৰ আন এখন চিঠি ৩।৫।৮০ তাৰিখে অসম চৰকাৰৰ যোগেদি প্ৰেৰণ কৰা হয়।

(জ) ৩০ এপ্ৰিল তাৰিখে অসমৰ ৰাজ্যপালক সাক্ষাৎ কৰি দমনমূলক আইন প্ৰত্যাহাৰ কৰিবলৈ আৰু বন্দী-সকলক মুক্তি দি আলোচনাৰ যোগেদি সমস্যা সমাধান কৰিবলৈ অনুৰোধ কৰা হয়। উত্তৰত ৰাজ্যপালে ৩।৫।৮০ তাৰিখে জনাইছে যে সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ-সংগ্ৰাম পৰিষদে প্ৰধান মন্ত্ৰীলৈ ইতিমধ্যে চৰম পত্ৰ পঠোৱাৰ পিছত আনুষ্ঠানিক ভাৱে দুয়োটা অনুষ্ঠানৰ প্ৰতিনিধিক নিমন্ত্ৰণ কৰি আলোচনা কৰা টান হৈ পৰিছে। অৱশ্যে দুয়োটা পক্ষৰ পৰা ইচ্ছা কৰিলে অনানুষ্ঠানিক আলোচনা কৰিবৰ কাৰণে ৰাজ্যপালৰ আগ্ৰহ আছে।

(ঝ) অসমৰ ৰাজ্যপালৰ মুখ্য উপদেষ্টা শ্ৰীএইচ-চি চাৰিণৰ ব্যক্তিগত নিমন্ত্ৰণ ক্ৰমে জ্ঞানপীঠ বঁটা বিজয়ী ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ লগত যোৱা হয় আৰু সাম্প্ৰতিক সমস্যা সম্পৰ্কে প্ৰসংগক্ৰমে অনানুষ্ঠানিক ভাৱে সভাৰ দৃষ্টিভংগী জনোৱা হয়।

বিভিন্ন সময়ত হোৱা আলোচনা-বিলোচনাৰ সাৰাংশ আৰু সভাৰ দৃষ্টিভংগী সদৌ অসম ছাত্ৰসন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদক জনোৱা হৈছে। তদুপৰি দুয়োটা অনুষ্ঠানৰ পৰা আন্দোলনৰ কাৰ্যসূচী সম্পৰ্কত লোৱা সিদ্ধান্ত সভাক লিখিত ভাৱে জনাবলৈ অনুৰোধ জনোৱা হৈছে।



(ঞ) ইতিমধ্যে সাম্প্ৰতিক আন্দোলনৰ বিভিন্ন পৰি-স্থিতিত সভাৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি সভাপতি আৰু প্ৰধান সম্পাদকে যুটীয়াভাৱে আৰু সময় বিশেষে গুটীয়াভাৱে দিয়া বিবৃতি প্ৰচাৰ কৰা হৈছে আৰু চৰকাৰক সভাৰ দাবী তাঁৰ যোগে আৰু পত্ৰ যোগে জনোৱা হৈছে।

(ট) প্ৰধান সম্পাদকৰ তৰফৰ পৰা ৫ এপ্ৰিল তাৰিখে এখন চিঠি আৰু ১৫ এপ্ৰিল তাৰিখে এখন বিস্তৃত বিজ্ঞপ্তি শাখা সভা, জিলা পৰিষদ, স্বীকৃত সভা, কাৰ্য-নিৰ্বাহকৰ সদস্য, আজীৱন সভ্য আৰু সভাৰ লগত জড়িত বিশিষ্ট সাহিত্যিক সকললৈ প্ৰেৰণ কৰা হৈছে।

(ঠ) ১০ এপ্ৰিল তাৰিখে প্ৰসিদ্ধ সাংবাদিক শ্ৰীকুলদীপ নায়াৰক ভগৱতী প্ৰসাদ বৰুৱা ভৱনত আৰু ১২ এপ্ৰিল তাৰিখে এম-ভি কামাথক চন্দ্ৰকান্ত সন্দিকৈ ভৱনত সভাৰ পক্ষৰ পৰা সাক্ষাৎ কৰি বৰ্তমান পৰিস্থিতি সম্পৰ্কে জনোৱা হয়। তদুপৰি গুৱাহাটীত ভাৰতবৰ্ষৰ অন্যান্য ঠাইৰ কেইবা গৰাকীও প্ৰসিদ্ধ সাংবাদিকক লগ পোৱা হয়।

(ড) প্ৰখিতযশা সাহিত্যিক ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই তেখেতৰ 'মৃত্যুঞ্জয়' নামৰ গ্ৰন্থৰ বাবে জ্ঞানপীঠ বঁটা লাভ কৰাৰ খবৰ ২৬ এপ্ৰিলৰ ৰাতি প্ৰচাৰিত হোৱাৰ পিছত ২৭ এপ্ৰিলৰ দিনা ভগৱতী প্ৰসাদ বৰুৱা ভৱনত এটি অনুষ্ঠানীয়া অনুষ্ঠানৰ আয়োজন কৰি সভাৰ পক্ষৰ পৰা ড° ভট্টাচাৰ্যক অভিনন্দন জনোৱা হয়।

(ঢ) অসম সাহিত্য সভাৰ প্ৰচাৰ উপসমিতিয়ে অসমৰ পৰিস্থিতি বাহিৰৰ সাংবাদিক, বুদ্ধিজীৱী আৰু অন্যান্য লোকক অৱগত কৰাবৰ বাবে পৰামৰ্শ দিছিল। পুঁজিৰ অভাৱত সেই কাম কাৰ্যকৰী কৰিব নোৱাৰিলেও অসম, অসমীয়া জাতি আৰু অসমৰ সমস্যাৰ পৰিচয়-জ্ঞাপক ১২ টি প্ৰবন্ধ সংগ্ৰহ কৰি সম্পাদনা কৰা হয়। গুৱাহাটীৰ শৰাইঘাট প্ৰিণ্টাৰ্ছে অনুৰোধ ক্ৰমে ছপা ব্যয় বেহাই দি গ্ৰন্থখন ছপাই দিবলৈ সন্মত হোৱাত কাৰ্য-নিৰ্বাহক সমিতিৰ অনুমোদন সাপেক্ষে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। প্ৰায় ২০০ পৃষ্ঠাৰ ইংৰাজী ভাষাৰ এই পুথিখনৰ ২০০০ সংখ্যক পুথিত আনুমানিক ৬ হেজাৰ টকা ব্যয় হ'ব পাৰে। পুথিখনৰ দাম ১০.০০ টকা ধাৰ্য কৰা হৈছে।

(ণ) অসম আৰু অসমৰ সাম্প্ৰতিক সমস্যা সম্পৰ্কে অসমৰ বাহিৰৰ কাকত-পত্ৰত ওলোৱা ইংৰাজী ভাষাৰ উপযুক্ত প্ৰবন্ধ সমূহ সংগ্ৰহ কৰি দিবৰ বাবে শ্ৰীনৰেন্দ্ৰ নাথ শৰ্মাক অনুৰোধ কৰি কোৱা হৈছে।

(ত) অধ্যাপক নন্দ তালুকদাৰক অসম আৰু অসমীয়া জাতি, ভাষা-সাহিত্য-সংস্কৃতি সম্পৰ্কীয় পুথিৰ এখন তালিকা প্ৰস্তুত কৰিবলৈ অনুৰোধ কৰা হৈছে যাতে সভাৰ কেন্দ্ৰীয় কাৰ্যালয় আৰু গুৱাহাটী কাৰ্যালয়ৰ পুথিভঁৰালৰ আৱশ্যকীয় পুথি সমূহ সংগ্ৰহ কৰাত সুবিধা হয়। তদুপৰি অসমৰ বিভিন্ন ক্ষেত্ৰৰ কৃতী মনীষীসকলৰ জন্ম-মৃত্যুৰ তাৰিখ সম্বলিত এখন তালিকা প্ৰস্তুত কৰি দিবৰ বাবেও শ্ৰীতালুকদাৰক অনুৰোধ জনোৱা হৈছে।

(থ) সপ্ত চত্বাৰিংশ সন্মিলনৰ গৃহীত প্ৰস্তাৱ অনুসৰি জাতীয় ন্যাস গঠনৰ বাবে দান-বৰঙণি বিচাৰি এখন প্ৰাথমিক গোহাৰি পত্ৰ বাতৰি কাকতসমূহলৈ প্ৰচাৰৰ বাবে পঠোৱা হৈছে।

(দ) সভাৰ সপ্তচত্বাৰিংশ সন্মিলনৰ গৃহীত প্ৰস্তাৱ সমূহ চৰকাৰলৈ পঠোৱা হৈছে আৰু মাধ্যম সম্পৰ্কীয় প্ৰস্তাৱৰ পাঠ কাকতত শুদ্ধভাৱে প্ৰকাশিত নোহোৱাত বড়ো ছাত্ৰ সন্থাই অসন্তুষ্টি প্ৰকাশ কৰাত শুদ্ধ পাঠ প্ৰচাৰ কৰা হৈছে আৰু বড়ো ছাত্ৰ সন্থা আৰু বড়ো সাহিত্য সভালৈ তাৰ প্ৰতিলিপি পঠোৱা হৈছে। তদুপৰি, বড়ো সাহিত্য সভাৰ সভাপতিলৈ আমাৰ উমৈহতীয়া সমস্যা সম্পৰ্কত আলোচনাৰ বাবে সন্মতি বিচাৰি চিঠি দিয়া হৈছে।

(ধ) সাহিত্য সভাৰ প্ৰকাশন ছপাবৰ বাবে সুলভ মূল্যৰ ৫ টন কাগজৰ নিমিত্তে চৰকাৰৰ শিক্ষা বিভাগলৈ

অনুৰোধ জনাই দিয়া আবেদনৰ সংহাৰিত উল্লিখিত পৰিমাণৰ কাগজৰ বাবে অনুমোদন জনাই আৰু কলিকতাৰ অৰিয়েণ্ট পেপাৰ এণ্ড ইণ্ডাষ্ট্ৰিজ লিমি.টডলৈ সভাৰ অৰ্ডাৰ সহ ৪০০০ টকা অগ্ৰিম ২৬।৪।৮০ তাৰিখৰ ভিতৰত পঠাবলৈ জনায়। কিন্তু আন্দোলনৰ পিকেটিং কাৰ্যসূচী চলি থকাত অৰ্ডাৰ সহ সময়মতে ধন পঠাব নোৱাৰি গুৱাহাটীৰ বৰুৱা এজেন্সীৰ লগত যোগাযোগ কৰা হয় আৰু উক্ত এজেন্সীয়ে মুঠ মূল্যৰ শতকৰা ৫ টকা পাৰিতোষিকৰ বিনিময়ত কাগজ আনি দিবলৈ দায়িত্ব লবলৈ সন্মতি প্ৰকাশ কৰাত দায়িত্ব দিয়া হয়। উক্ত এজেন্সীয়ে কাগজ সংগ্ৰহ কৰি আনাৰ পিছত বিল পৰিশোধ কৰি সভাই এজেন্সীৰ পৰা কাগজ সংগ্ৰহ কৰিব।

১০। প্ৰধান সম্পাদকে দিয়া কামৰ বিৱৰণত কাৰ্য-নিৰ্বাহক সমিতিয়ে অনুমোদন জনায় আৰু তলত দিয়া সিদ্ধান্ত সমূহ গ্ৰহণ কৰে।

(ক) আকাশবাণীৰ শিলচৰ কেন্দ্ৰৰ যোগে অসমীয়া মাধ্যমৰ অনুষ্ঠান প্ৰচাৰৰ বাবে বিহিত ব্যৱস্থা লবলৈ ৰাজ্য চৰকাৰৰ লগত যোগাযোগ কৰা হওক।

(খ) "আছাম এণ্ড দি আচামিজ মাইণ্ড" নামৰ গ্ৰন্থ প্ৰকাশত অনুমোদন জনোৱা হওক।

(গ) ভাৰতৰ বিভিন্ন ৰাজ্যত সাহিত্য সভাৰ পক্ষৰ পৰা অসমৰ সাম্প্ৰতিক আন্দোলনৰ প্ৰকৃত ছবি দাঙি ধৰিবলৈ এটি শুভেচ্ছা-বাহী দল জুন মাহৰ আগভাগতে পঠাবলৈ ব্যৱস্থা কৰা হওক।

(ঘ) 'এক্লিপ্‌ছ ইন দি ইষ্ট'ৰ লগত সংগতি ৰাখি আৰু এখন ইংৰাজী প্ৰচাৰ পুস্তিকা প্ৰকাশ কৰা হওক।

(ঙ) অসম সাহিত্য সভাৰ প্ৰস্তাৱিত 'জাতীয় ন্যাস' গঠনৰ বাবে অসম কো-অপাৰেটিভ এপেক্স বেংকৰ যোৰহাট শাখাত "অসম সাহিত্য সভা জাতীয় ন্যাস পুঁজি" নামত এটি হিচাপ খোলা হওক। এই সম্পৰ্কে যাবতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বেংকৰ কৰ্তৃপক্ষক জনোৱা হওক। এই পুঁজি অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক আৰু কোষাধ্যক্ষৰ যুটীয়া স্বাক্ষৰত পৰিচালিত হ'ব।

(চ) অসম সাহিত্য সভাৰ কাৰ্য-নিৰ্বাহক সমিতিয়ে ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যক তেখেতে জ্ঞানপীঠ পুৰস্কাৰ পোৱা বাবে অভিনন্দন জ্ঞাপন কৰে আৰু ড° ভট্টাচাৰ্যই পোৱা সন্মান অসমীয়া সাহিত্যই লাভ কৰা সন্মান বুলি অভিহিত কৰে।

(ছ) শ্ৰীনন্দ তালুকদাৰ, শ্ৰীযোগেশ দাস আৰু শ্ৰীৰায় গোস্বামীয়ে পুথিভঁড়ালৰ উন্নয়নৰ বাবে দিয়া আঁচনিৰ ওপৰত ভিত্তি কৰি সভাৰ কেন্দ্ৰীয় কাৰ্যালয় আৰু গুৱাহাটী কাৰ্যালয়ৰ পুথিভঁড়াল দুটিৰ উন্নয়নৰ বাবে চলিত বছৰৰ বাজেটত ধন ধাৰ্য্য কৰিবলৈ প্ৰধান সম্পাদকক পৰামৰ্শ দিয়ে। উল্লেখ থাকে যে এই আঁচনি দীৰ্ঘম্যাদী আঁচনি স্বৰূপে গ্ৰহণ কৰি প্ৰয়োজনীয় ব্যৱস্থা লোৱাৰ যত্ন কৰা হ'ব।

১১। অসম সাহিত্য সভাৰ কাৰ্য-নিৰ্বাহক সমিতিয়ে অসমৰ সাম্প্ৰতিক পৰিস্থিতি সম্পৰ্কে বিশদভাৱে আলোচনা কৰে আৰু সৰ্বসন্মতভাৱে সভাৰ স্পষ্ট মত দাঙি ধৰে।

(১) অসম সাহিত্য সভাই স্বাধীনতা লাভৰ পৰৱৰ্তী সময়ছোৱাতে পৰা চৰকাৰক দাবী জনাই আহিছিল যে অসমত অসমীয়া মানুহৰ স্বাৰ্থ হানি কৰিব পৰাকৈ হোৱা অনুপ্ৰবেশ বন্ধ কৰিব লাগে আৰু ভাৰতৰ বিভিন্ন ঠাইৰ পৰা অহা লোকক অসমৰ ভাষিক আৰু সামাজিক জীৱনৰ লগত মিলি যোৱাৰ পৰিবেশ সৃষ্টি কৰিব লাগে। ১৯৭৮ চনৰ জুলাই মাহত সভাই স্পষ্টভাৱে সকিয়াই দিছিল যে অসমৰ সাংস্কৃতিক আৰু অৰ্থনৈতিক স্বাৰ্থ ৰক্ষাৰ ব্যৱস্থা নকৰিলে অসমৰ জনসাধাৰণে আন্দোলনৰ পথ লবলৈ বাধ্য হ'ব। কিন্তু চৰকাৰে দলীয় ৰাজনীতিৰ স্বাৰ্থক অগ্ৰাধিকাৰ দি অসমৰ মানুহৰ সমস্যাক আওকাণ কৰি থাকিল। সেইবাবে ১৯৭৯ চনৰ



শেষভাগৰ পৰা সদৌ অসম ছাত্ৰ-সন্থা আৰু সদৌ অসম গণ-সংগ্ৰাম পৰিষদৰ আহ্বানত আৰম্ভ হোৱা অসমৰ অস্তিত্বৰ ৰক্ষাৰ সৰ্বাত্মক অহিংস, শান্তিপূৰ্ণ, অসাম্প্ৰদায়িক আৰু গণতান্ত্ৰিক আন্দোলনৰ মাজেৰে অসমৰ জনসাধাৰণে সাংবিধানিক ৰক্ষাকবচ বিচাৰি সংযত ভাৱে অথচ দৃঢ়তাৰে নিজা দাবী তুলি ধৰিবলৈ বাধ্য হৈছে।

(২) সভাই প্ৰথমৰে পৰাই লক্ষ্য কৰি আহিছে যে এই সৰ্বাত্মক অভূতপূৰ্ব গণ-আন্দোলনৰ অহিংস, শান্তিপূৰ্ণ আৰু অসাম্প্ৰদায়িক চৰিত্ৰত কলংক সানিবলৈ ৰাজ্যৰ ভিতৰৰ আৰু বাহিৰৰ ৰাজনৈতিক সাম্প্ৰদায়িক অশুভ শক্তি সমূহে অহোপুৰুষাৰ্থ কৰি আহিছে। সেইবাবে আন্দোলনৰ প্ৰথম পৰ্যায়ত সুযোগ গ্ৰহণ কৰি সংঘৰ্ষ ঘটাবলৈ যত্ন কৰা শক্তিবোৰক আৰু যদি কোনো বিচ্ছিন্নতাকামী বা বিদেশী শক্তিয়ে সুযোগ লোৱা বুলি চৰকাৰে জানে তেনে শক্তিবোৰক চিনাক্ত কৰি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ সভাই দাবী কৰি আহিছে আৰু সভাই পুনৰ সেই দাবী দোহাৰে।

(৩) সভাই উদ্বেগ অনুভৱ কৰে যে চৰকাৰে অশুভ শক্তিবোৰক চিনাক্ত কৰা আৰু তেনে শক্তিৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ পৰিবৰ্তে, অহিংস আৰু শান্তিপূৰ্ণ আন্দোলনৰ মাজেৰে প্ৰকাশিত অসমৰ গণদাবী মধিমূৰ কৰিবলৈ অশান্ত অঞ্চল আইন, নিবাৰক নিৰোধ আইন আৰু অন্যান্য অধ্যাদেশ জাৰি কৰি আন্দোলনৰ নেতৃবৰ্গক আৰু চৰকাৰী অৰ্দ্ধ চৰকাৰী কৰ্মচাৰীসকলক বন্দী কৰিছে আৰু দমন নীতি প্ৰয়োগ কৰিছে। সমস্যা সমাধানৰ ক্ষেত্ৰত এনে কাৰ্য্যই চৰকাৰৰ অনীহা আৰু অগণতান্ত্ৰিক মনোভাৱ দুখ-লগাকৈ প্ৰকাশ কৰিছে আৰু জনসাধাৰণক অধিক কঠোৰ আন্দোলনৰ পথলৈ ঠেলি দিছে। সভাই এই দমন নীতি পৰিত্যাগ কৰিবলৈ, বন্দীসকলক মুক্তি দিবলৈ আৰু আলোচনাৰ মাজেৰে সমস্যা সমাধানৰ বাবে অনুকূল পৰিবেশ গঢ়ি তুলিবলৈ পুনৰ দাবী কৰে।

(৪) সভাই বিশদ আলোচনাৰ পিছত মত প্ৰকাশ কৰে যে সাংবিধানিক আৰু আইনৰ দিশৰ পৰা ১৯৫১ চনক ভিত্তি বছৰ হিচাপে লৈ বিদেশী নাগৰিকৰ চিনাক্তকৰণ নকৰিলে আন কোনো মধ্যৱৰ্ত্তী বছৰৰ সাংবিধানিক আৰু আইন সংগত বৈধতা নাথাকিব। সেইবাবে সাংবিধান আৰু সংশ্লিষ্ট আইনৰ ভিত্তিত বিদেশী নাগৰিক চিনাক্তকৰণ নীতি মানি লৈ, অসমৰ থলুৱা ভাষা-সংস্কৃতি সমন্বিতে অসমীয়া মানুহৰ ভাষিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক স্বাৰ্থ তথা মৰ্য্যাদা কোনো দিন নষ্ট হব নোৱাৰাকৈ সাংবিধানিক ৰক্ষা কবচ দিবলৈ চৰকাৰক সভাই দাবী জনায় আৰু চিনাক্তকৰণৰ পিছত বহিষ্কৰণৰ ক্ষেত্ৰত আলাপ-আলোচনাৰ মাজেৰে গ্ৰহণযোগ্য নীতি নিৰ্দ্ধাৰণ কৰিবলৈ আহ্বান জনায়। সভাই স্পষ্ট কৰি দিয়ে যে অসমৰ সাম্প্ৰতিক আন্দোলন সৰ্বাত্মক গণ-আন্দোলনলৈ ৰূপান্তৰিত হোৱাৰ পিছত আৰু অসমৰ জনসাধাৰণে অশেষ ক্ষতি স্বীকাৰ কৰিও সংবিধান আৰু আইনৰ সীমাৰ ভিতৰত সমাধান নোহোৱালৈকে অহিংস আৰু শান্তিপূৰ্ণ আন্দোলন চলাই যাবলৈ সংকল্পবদ্ধ হোৱাৰ পিছত চৰকাৰে জনসাধাৰণ দাবীৰ ন্যায্যতা মুখেৰে স্বীকাৰ কৰিও কাৰ্যতঃ আন্দোলন দমন কৰাৰ নীতি গ্ৰহণ কৰি সমগ্ৰ বিষয়টোক জটিল কৰি তুলিছে। এখন ৰাজ্যৰ জনসাধাৰণৰ জীৱনৰ স্বাৰ্থতকৈ কোনো প্ৰকাৰৰ ৰাজনৈতিক অথবা দলীয় স্বাৰ্থক অগ্ৰাধিকাৰ দি লোৱা সিদ্ধান্ত অসমৰ জনসাধৰণে গ্ৰহণ কৰিবলৈ সাজু নহয়। সেইবাবে অসম সাহিত্য সভাই দাবী কৰে যে চৰকাৰে আকোৰগোঁজ মনোভাৱ পৰিত্যাগ কৰি দমন মূলক আইন আৰু নীতি পৰিত্যাগ কৰক আৰু অৱতকীয়াকৈ সমস্যা সমাধানৰ ব্যৱস্থা গ্ৰহণ কৰক।

১২। প্ৰধান সম্পাদকে জনায় যে ৩০ এপ্ৰিলৰ ভিতৰত ১৯৮০-৮১ বিত্তীয় বছৰৰ বাবে সভাৰ আঁচনি শিক্ষা বিভাগলৈ প্ৰেৰণ কৰাৰ সন্দৰ্ভত পোৱা চিঠিৰ

উত্তৰত ২১।৪।৮০ তাৰিখে ১২ টা শিতানত মুঠ ১৪, ৭৮,০০০'০০ টকাৰ এখন আঁচনি কাৰ্য-নিৰ্বাহক সমিতিৰ অনুমোদন সাপেক্ষে দাখিল কৰা হৈছে। সমিতিয়ে অনুমোদন জনায়।

১৩। সম্পাদকে জনায় যে গীতিকবি স্বৰ্গীয় পাৰ্বতি প্ৰসাদ বৰুৱাৰ গ্ৰন্থাৱলী সম্পৰ্কত সোণাৰীৰ শ্ৰীপৰনাথ শৰ্মাৰ লগত কৰা যোগাযোগৰ উত্তৰত শ্ৰীশৰ্মাই গীতিকবি গৰাকীৰ প্ৰকাশিত সকলো ৰচনা সংকলন কৰি দিবৰ কাৰণে দায়িত্ব লৈছে আৰু এই ৰচনাৱলী প্ৰকাশৰ কাৰণে গীতিকবিৰ পুত্ৰ শ্ৰীপুণ্যদিৰাম বৰুৱাই সভাক প্ৰকাশৰ স্বত্ব আৰু প্ৰকাশৰ ব্যয় দিবলৈ সন্মতি জনাইছে বুলি জানিবলৈ দিছে।
সমিতিয়ে অনুমোদন জনায়।

১৪। প্ৰধান সম্পাদকে জনায় যে জাগৃতি পৰিষদে অসমৰ সামাজিক অৰ্থনৈতিক, আদি বিভিন্ন সমস্যা সম্পৰ্কে সংশ্লিষ্ট বিষয়ৰ বিশেষজ্ঞৰ দ্বাৰা লিখোৱা ইংৰাজীৰ প্ৰবন্ধসমূহ প্ৰকাশ কৰিবৰ কাৰণে সভাক অনুৰোধ জনাইছে। সমিতিয়ে বিষয়টো প্ৰকাশন উপ সমিতিলৈ স্থগিত ৰাখে।

১৫। প্ৰধানসম্পাদকে সভাৰ বিবিধ বিষয়ৰ উপ-সমিতিসমূহ গঠনৰ আৱশ্যকতাৰ বিষয়ে জনায়। সমিতিয়ে তলত দিয়া দৰে উপসমিতিসমূহ গঠন কৰে; প্ৰয়োজন হলে কোনো উপ সমিতিলৈ কোনো বিশেষজ্ঞক পৰামৰ্শৰ বাবে নিমন্ত্ৰণ কৰিব পাৰিব কিন্তু তেনে ব্যক্তিৰ ভোট নাথাকিব।

(১) চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ন্যাস সমিতি—শ্ৰীকৃষ্ণকান্ত সন্দিকৈ, দাতাৰ প্ৰতিনিধি, উপায়ুক্ত (শিৱসাগৰ জিলা), সভাপতি, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, ধন ভঁৰালী, শ্ৰীনগেন শইকীয়া (প্ৰধান সম্পাদক), শ্ৰীপ্ৰকাশ গোস্বামী (সহকাৰী সম্পাদক)।

(২) ভগৱতী প্ৰসাদ বৰুৱা ভৱন অৱৰক্ষণ সমিতি: শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা, সভাপতি, শ্ৰীযোগেশ দাস, ধনভঁৰালী, শ্ৰীসতীশ চন্দ্ৰ চৌধুৰী, সম্পাদক, ড° মহেশ্বৰ নেওগ—সদস্য, শ্ৰীনগেন শইকীয়া—সদস্য।

(৩) লক্ষ্মীৰাম বৰুৱা সদস্য নিৰ্মাণ সমিতি:— শ্ৰীৰজনীকান্ত দেৱশৰ্মা (সভাপতি), ড° নিৰ্পিপদ চৌধুৰী (সম্পাদক), শ্ৰীসতীশ চন্দ্ৰ চৌধুৰী (সহযোগী সম্পাদক), শ্ৰীযোগেশ দাস (ধনভঁৰালী), সদস্য সকল (সৰ্বশ্ৰী) ড° হেমন্ত কুমাৰ শৰ্মা, যুগল দাস, ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য, নবীন বৰঠাকুৰ, জয়ন্ত বৰুৱা, পূৰ্ণৰ চলিহা, অৰুণ ৰাজখোৱা, সভাপতি — অসম সাহিত্য সভা, প্ৰধান সম্পাদক—অসম সাহিত্য সভা।
উপদেষ্টা সকল:— (সৰ্বশ্ৰী) অতুল চন্দ্ৰ হাজৰিকা, প্ৰফুল্ল চন্দ্ৰ বৰুৱা, অতুল চন্দ্ৰ বৰুৱা।

(৪) ৰাধাকান্ত সন্দিকৈ ভৱন নিৰ্মাণ সমিতি:— (সৰ্বশ্ৰী) যতীন্দ্ৰনাথ গোস্বামী, সভাপতি, দেৱপ্ৰসাদ বৰুৱা, উপ-সভাপতি, অমল ৰাজখোৱা, সম্পাদক, শ্ৰীনগেন শইকীয়া, অধীক্ষক অভিযন্তা, যোৰহাট, নগৰ পৰিকল্পনা বিষয়া, যোৰহাট, সদস্য সকল:—(সৰ্বশ্ৰী) হৰেণ বৰুৱা, অৰু গোস্বামী, অৰলা গোঁহাই বসন্ত কুমাৰ গোস্বামী, সম্পাদক, যোৰহাট সাহিত্য সভা, প্ৰকাশ গোস্বামী সহযোগী সম্পাদক, ড° নিৰ্পিপদ চৌধুৰী, লক্ষ্মীৰাম বৰুৱা সদন নিৰ্মাণ সমিতিৰ সম্পাদক।

[বিঃ দ্ৰঃ— দুয়োটা ভৱনৰ নিৰ্মাণৰ চূড়ান্ত বিলত প্ৰধান সম্পাদকে চহী কৰাৰ পিছতহে বিল পৰিশোধ কৰিব পৰা হব। প্ৰধান সম্পাদকে প্ৰয়োজন বুজি হিচাপ পৰীক্ষা কৰি চাব।]

(৫) পত্ৰিকা সম্পাদনা সমিতি:—(সৰ্বশ্ৰী) তীৰ্থ নাথ গোস্বামী (সভাপতি), নগেন শইকীয়া (প্ৰধান সম্পাদক), প্ৰফুল্ল চন্দ্ৰ ভট্টাচাৰ্য্য, ডিম্বেশ্বৰ চলিহা, ড° সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী, খগেন্দ্ৰনাথ চেতিয়া ফুকন, ড° পৰীক্ষিত হাজৰিকা, সম্পাদক।

(৬) অসমীয়া ভাষা শিক্ষা শ্ৰেণী পৰিচালনা উপসমিতি (ভাষাজ্ঞান পৰীক্ষা সংসদৰ অধীনত)



পৰিচালক:— শ্ৰীৰজনীকান্ত দেৱশৰ্মা, শ্ৰীমহেশ চন্দ্ৰ ভট্টাচাৰ্য্য (সচিব, ভাষাজ্ঞান পৰীক্ষা সংসদ), আহ্বায়ক — শ্ৰীসতীশ চন্দ্ৰ চৌধুৰী, সহকাৰী সম্পাদক, গুৱাহাটী। সদস্য: ড° সত্যেন্দ্ৰনাথ শৰ্মা, শ্ৰীপ্ৰমোদচন্দ্ৰ বৰুৱা—যুটীয়া সঞ্চালক, ৰাজ্যিক ভাষা প্ৰয়োগ শাখা, ড° উপেন্দ্ৰ নাথ গোস্বামী, ৰায়হান শ্বাহ, ড° নিৰ্পিপদ চৌধুৰী, ড° হেমন্তকুমাৰ শৰ্মা, শ্ৰীৰাম গোস্বামী, শ্ৰীৰামচৰণ ঠাকুৰীয়া।

৭) প্ৰচাৰ উপ-সমিতি: (ক) গুৱাহাটী —শ্ৰীযোগেশ দাস, শ্ৰীনৰেন শৰ্মা, ড° বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য, শ্ৰীবীৰেন্দ্ৰ-নাথ বেজবৰুৱা, শ্ৰীযতীন গোস্বামী, শ্ৰীৰাম গোস্বামী, শ্ৰীনন্দ তালুকদাৰ, শ্ৰীসতীশচন্দ্ৰ চৌধুৰী (আহ্বায়ক), শ্ৰীদেবেন দত্ত, ড° নিৰ্পিপদ চৌধুৰী, শ্ৰীলোকনাথ ভঁড়ালী।

(খ) যোৰহাট — শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, শ্ৰীঅৰুণ দত্ত, শ্ৰীঅৰুণ গোস্বামী, শ্ৰীবদন বৰুৱা, ড° লক্ষীনন্দন বৰা, শ্ৰীবিজয় বৰঠাকুৰ, শ্ৰীপ্ৰকাশ গোস্বামী (আহ্বায়ক), শ্ৰীযতীন্দ্ৰ কুমাৰ বৰগোহাঞি।
সকলো কাকত-পত্ৰ প্ৰধান সম্পাদকৰ নামত প্ৰকাশিত হ'ব।

(৮) পুথি ভঁড়াল উন্নয়ন সমিতি: (ক) গুৱাহাটী — শ্ৰীযোগেশ দাস, শ্ৰীৰাম গোস্বামী, শ্ৰীনন্দ তালুকদাৰ, শ্ৰীসতীশচন্দ্ৰ চৌধুৰী — আহ্বায়ক।

(খ) যোৰহাট — শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, আব্দুছ ছত্তাৰ, শ্ৰীবিজয় বৰঠাকুৰ, শ্ৰীপ্ৰকাশ গোস্বামী — আহ্বায়ক।
প্ৰয়োজন হ'লে দুয়োখন সমিতি একেলগে বহিব।

(৯) শিশু জ্ঞানকোষ উপদেষ্টা সমিতি: অসম সাহিত্য সভাৰ সভাপতি (পদেন), অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক — আহ্বায়ক (পদেন), শ্ৰীঅতুল চন্দ্ৰ বৰুৱা, শ্ৰীলীলা গগৈ, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা, শ্ৰীযতীন গোস্বামী, ড° সত্যেন্দ্ৰ-নাথ শৰ্মা, ড° বিনয়কুমাৰ তামুলী, শ্ৰীনীলিমা দত্ত, শ্ৰীনগেন শইকীয়া, ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য।

(১০) মোহনচন্দ্ৰ শৰ্মা বঁটা উপসমিতি: ড: সত্যেন্দ্ৰ নাথ শৰ্মা, শ্ৰীঅতুল চন্দ্ৰ বৰুৱা, শ্ৰীৰজনীকান্ত দেৱশৰ্মা, শ্ৰীৰায়হান শাহ, ড° হেমন্ত কুমাৰ শৰ্মা, শ্ৰীৰাম গোস্বামী, শ্ৰীমহিম বৰা, শ্ৰীসতীশচন্দ্ৰ চৌধুৰী (আহ্বায়ক)।

(১১) হৰিপ্ৰসাদ নেওগ সোণৰ্বৰী মুদ্ৰণ আৰু অলংকৰণ বঁটা উপসমিতি: শ্ৰীযুগল দাস, শ্ৰীৰাম গোস্বামী, শ্ৰীযোগেশ দাস, শ্ৰীকুমাৰ কিশোৰ, শ্ৰীযতীন গোস্বামী, শ্ৰীচন্দ্ৰপ্ৰসাদ শইকীয়া, শ্ৰীসতীশচন্দ্ৰ চৌধুৰী (আহ্বায়ক)।

(১২) ৰঘুনাথ চৌধাৰী বঁটা উপ-সমিতি:— শ্ৰীভবেন বৰুৱা, ড° নিৰ্মল প্ৰভা বৰদলৈ, শ্ৰীনীলমণি ফুকন, শ্ৰীপ্ৰীতি বৰুৱা, শ্ৰীনন্দ তালুকদাৰ, ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, শ্ৰীসতীশচন্দ্ৰ চৌধুৰী (আহ্বায়ক)।

(১৩) শৰত চন্দ্ৰ গোস্বামী বঁটা উপসমিতি:— শ্ৰীগগন চন্দ্ৰ অধিকাৰী, শ্ৰীসুশীল কুৰ্মী, শ্ৰীৰামচৰণ ঠাকুৰীয়া, শ্ৰীভগৱান মৰল, শ্ৰীদুৰ্গেশ্বৰ শৰ্মা, শ্ৰীৰমেশ কলিতা, শ্ৰীসতীশ চৌধুৰী (আহ্বায়ক)।

(১৪) গোপাল চন্দ্ৰ বৰুৱা বঁটা উপসমিতি:— ড° বিনয় কুমাৰ তামুলী, ড° কুলেন্দুমোহন পাঠক, শ্ৰীৰাম গোস্বামী, শ্ৰীসুৰেন মেধি, শ্ৰীশ্যামাপ্ৰসাদ শৰ্মা, শ্ৰীকুমাৰ কিশোৰ, শ্ৰীকনক ডেকা, শ্ৰীসতীশ চন্দ্ৰ চৌধুৰী (আহ্বায়ক)।

(১৫) প্ৰেমধৰ দত্ত সোণৰ্বৰী বঁটা উপ-সমিতি:— শ্ৰীদীনেশ চন্দ্ৰ দত্ত, শ্ৰীমিনতি হাজৰিকা, শ্ৰীঅৰলা গোঁহাই, শ্ৰীআব্দুছ ছাত্তাৰ, শ্ৰীবসন্তকুমাৰ গোস্বামী, শ্ৰীবীৰেণ বৰকটকী, শ্ৰীপ্ৰকাশ গোস্বামী (আহ্বায়ক)।

(১৬) গিৰিধৰ শৰ্মা সোণৰ্বৰী বঁটা উপসমিতি:— শ্ৰীপ্ৰফুল্ল ৰাজগুৰু, শ্ৰীঅখিল হাজৰিকা, শ্ৰীঅৰূপ দত্ত, ড° লক্ষীনন্দন বৰা, শ্ৰীকেশৱ হাজৰিকা, শ্ৰীঅমল ৰাজ-খোৱা, শ্ৰীপ্ৰকাশ গোস্বামী (আহ্বায়ক)।

(১৭) হৰিহৰ চৌধুৰী বঁটা উপসমিতি:— শ্ৰীনবীন গগৈ, শ্ৰীসুৰেন্দ্ৰনাথ বৰদলৈ, শ্ৰীডিম্বেশ্বৰ শৰ্মা, শ্ৰীভৱ গোস্বামী, শ্ৰীৰামেশ্বৰ শইকীয়া, শ্ৰীইন্দ্ৰেশ্বৰ পেগু, শ্ৰীপ্ৰকাশ গোস্বামী (আহ্বায়ক)।

(১৮) বনমালী শইকীয়া বঁটা উপসমিতি :— মাকুম সাহিত্য সভাৰ সম্পাদক, শ্ৰীকৃষ্ণ কুমাৰ মিশ্ৰ, শ্ৰীদেউৰাম তাছা, শ্ৰীঅমল ৰাজখোৱা, শ্ৰীপ্ৰবীণ চন্দ্ৰ গোস্বামী, শ্ৰীপৱন বৰুৱা, শ্ৰী প্ৰকাশ গোস্বামী (আহ্বায়ক)।

(১৯) আইন উপদেষ্টা উপ সমিতি :—

(ক) গুৱাহাটী — শ্ৰীপাঁচু গোপাল বৰুৱা, শ্ৰীখনীন্দ্ৰ চন্দ্ৰ বৰুৱা, শ্ৰীঅজিতকুমাৰ শৰ্মা, শ্ৰীপ্ৰশান্ত গোস্বামী, শ্ৰীবিষ্ণুকিংকৰ গোস্বামী, শ্ৰীযতীন গোস্বামী, শ্ৰীসতীশ-চন্দ্ৰ চৌধুৰী ( আহ্বায়ক )।

(খ) যোৰহাট — শ্ৰীঅৰুণ গোস্বামী, শ্ৰীমাণিক খাউণ্ড, শ্ৰীৰমেশ আগৰৱালা, শ্ৰীবদন বৰুৱা, শ্ৰীপ্ৰকাশ গোস্বামী ( আহ্বায়ক )।

(২০) অসমীয়া ভাষাজ্ঞান পৰীক্ষা সংসদ :— শ্ৰীযতীন্দ্ৰ-নাথ গোস্বামী — সভাপতি, শ্ৰীঅৰুণ গোস্বামী — উপ সভাপতি, স্কুল পৰিদৰ্শক — যোৰহাট, শ্ৰী প্ৰকাশ গোস্বামী, শ্ৰীঅমল ৰাজখোৱা, শ্ৰীদণ্ড হাজৰিকা, কুতুবুদ্দিন আহমেদ, শ্ৰীঅৰুণা গোহাঁই, প্ৰধান সম্পাদক, শ্ৰীমহেশ চন্দ্ৰ ভট্টাচাৰ্য্য — সচিব।

(২১) অসম সাহিত্য সভাৰ কৰ্ম-পৰিষদ :— শ্ৰীযতীন্দ্ৰ-নাথ গোস্বামী, প্ৰধান সম্পাদক, শ্ৰীঅমল ৰাজখোৱা ( আহ্বায়ক ), শ্ৰীযতীন গোস্বামী, শ্ৰীঅৰুণ গোস্বামী, শ্ৰীপাঁচু গোপাল বৰুৱা, শ্ৰীনৰেন শৰ্মা, শ্ৰীপ্ৰফুল্ল চন্দ্ৰ ভট্টাচাৰ্য্য, শ্ৰীদেউৰাম তাছা।

(২২) প্ৰকাশন উপসমিতি :— সভাপতি, প্ৰধান সম্পাদক, শ্ৰীপ্ৰকাশ গোস্বামী, শ্ৰীসতীশ চৌধুৰী, শ্ৰীনন্দ তালুকদাৰ, শ্ৰীৰাম গোস্বামী, শ্ৰীযোগেন্দ্ৰ নাৰায়ণ ভূঞা, শ্ৰীলীলা গগৈ, শ্ৰীসত্যেন্দ্ৰ নাথ শৰ্মা।

(২৩) জাতীয় ন্যাস উপ-সমিতি :— শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী, ড° সত্যেন্দ্ৰ নাথ শৰ্মা, ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, মঃ আবু চামা, শ্ৰীহিতেশ ডেকা, শ্ৰীছগনলাল জৈন, শ্ৰীহৰেশ্বৰ গোস্বামী, শ্ৰীনগেন শইকীয়া।

( প্ৰয়োজন অনুসৰি অতিৰিক্ত তিনিজন সদস্য মনোনীত কৰি ল'ব )।

১৬। প্ৰধান সম্পাদকে উপ-সমিতি সমূহ পৰিচালনাৰ বাবে স্পষ্ট নিৰ্দেশাৱলী থকাৰ আৱশ্যকতাৰ বিষয়ে কয় আৰু উপসমিতি পৰিচালনা বিধিৰ খচৰা উত্থাপন কৰে। সমিতিয়ে আলোচনাৰ অন্তত তলত দিয়াৰ দৰে গ্ৰহণ কৰে।

উপসমিতিৰ বিধি পাছত সংলগ্ন কৰি দিয়া হৈছে।

১৭। সমিতিয়ে পৰামৰ্শ দিয়ে যে বিভিন্ন পুঁজিৰ পৰা দিয়া বঁটা সমূহৰ নাম আৰু বঁটা প্ৰাপ্তসকলৰ তালিকা সংকলন কৰি দিব লাগে।

১৮। সভাৰ প্ৰাক্তন সভাপতি বকুল বনৰ কবি শ্ৰীআনন্দ চন্দ্ৰ বৰুৱাই কাৰ্য-নিৰ্বাহক সমিতিৰ সদস্য সকলক শুভেচ্ছা জনাই পৰামৰ্শ দিয়ে যে, চন্দ্ৰকান্ত অভিধানৰ ৩য় সংস্কৰণ সোনকালে প্ৰকাশৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষক অনুৰোধ জনাব লাগে আৰু হেমচন্দ্ৰ গোস্বামী সম্পাদিত আৰু কলিকতা বিশ্ববিদ্যালয়ৰ দ্বাৰা প্ৰকাশিত অসমীয়া সাহিত্যৰ চানেকি পুনৰ মুদ্ৰণ কৰিবৰ বাবে অসম সাহিত্য সভাই ব্যৱস্থা কৰিব লাগে।

১৯। প্ৰাক্তন প্ৰধান সম্পাদক আব্দুছ ছাত্তাৰে সভালৈ যোৱা বছৰ দিয়া চিঠিৰ উত্তৰ নোপোৱা বুলি উল্লেখ কৰাত সমিতিয়ে বৰ্তমানৰ প্ৰধান সম্পাদকক উক্ত চিঠি চাই সভাৰ পৰা দিব পৰা উত্তৰ যথা সম্ভৱ সোনকালে দিবলৈ পৰামৰ্শ দিয়ে।

২০ (ক) সমিতিয়ে গণ-সংগ্ৰাম পৰিষদৰ কাৰ্যকৰী সমিতিলৈ শ্ৰীযতীন গোস্বামী ( গুৱাহাটী ) আৰু শ্ৰীঅমল ৰাজখোৱাক ( যোৰহাট ) সভাৰ প্ৰতিনিধি স্বৰূপে মনোনীত কৰে।

(খ) সমিতিয়ে সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণসংগ্ৰাম পৰিষদৰ সকলো সিদ্ধান্ত আৰু কাৰ্যসূচীৰ প্ৰতিলিপি অসম সাহিত্য সভালৈ লগে লগে পঠোৱাৰ ব্যৱস্থা কৰিবলৈ সভাৰ প্ৰতিনিধি আৰু গণ-সংগ্ৰাম পৰিষদৰ অন্যতম আহ্বায়ক শ্ৰীযতীন গোস্বামীক জনাবৰ বাবে প্ৰধান সম্পাদকক পৰামৰ্শ দিয়ে। সমিতিয়ে অনুভৱ কৰে যে যোগাযোগৰ বিচ্ছিন্নতাই বহু সময়ত আহুকালৰ সৃষ্টি কৰিব পাৰে।



(গ) সদৌ অসম গণ-সংগ্ৰাম পৰিষদৰ কাৰ্যালয়ত যোৱা ৬ মে তাৰিখে কেইগৰাকীমান লোকে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকৰ বিৰুদ্ধে প্ৰধান সম্পাদকে সাম্প্ৰতিক আন্দোলন সম্পৰ্কে সভাৰ দৃষ্টি-ভংগী অসমৰ ৰাজ্যপাল আৰু ৰাজ্যপালৰ মুখ্য উপ-দেষ্টাক জনোৱাৰ প্ৰসঙ্গত অবাঞ্ছনীয় উক্তি কৰা বুলি সমিতিয়ে গণ-সংগ্ৰাম পৰিষদৰ আহ্বায়কৰ আৰু সভাৰ প্ৰতিনিধিৰ যোগেদি বিষয়টো গণ-সংগ্ৰাম পৰিষদক জনোৱা উচিত বিবেচনা কৰে।

(ঘ) সমিতিয়ে প্ৰকাশ কৰে যে, অসমৰ সৰ্বাত্মক স্বাৰ্থ ৰক্ষাৰ বাবে অসমত চলা সাম্প্ৰতিক অহিংস, শান্তিপূৰ্ণ, অসাম্প্ৰদায়িক আৰু গণতান্ত্ৰিক আন্দোলনৰ সক্ৰিয় সত্তা সম্পৰ্কে ভুল বুজা-বুজিৰ সৃষ্টি হ'ব নালাগে। আন্দোলনৰ মূল লক্ষ্য দাবী আৰু কাৰ্যসূচীৰ সমূহীয়া ভিত্তিৰ পৰা নাতৰাকৈ আলোচনাৰ যোগে সমস্যা সমাধানৰ পথ উলিয়াবলৈ সভাই প্ৰথমৰে পৰা কৰি অহা চেষ্টা অব্যাহত ৰাখিবলৈ যত্ন কৰিব। এই সম্পৰ্কত সভাৰ পক্ষৰ পৰা সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ-সংগ্ৰাম পৰিষদৰ লগত যোগাযোগ কৰিবলৈ ব্যৱস্থা কৰিব লাগে; আৰু চৰকাৰক আলোচনাৰ বাট মুকলি কৰিবলৈ দাবী কৰিব লাগে।

২১। প্ৰধান সম্পাদকে অসম সাহিত্য সভাৰ প্ৰস্তা-ৱিত শিশু জ্ঞানকোষৰ সাধাৰণ সম্পাদক শ্ৰীনৱকান্ত বৰুৱা প্ৰমুখ্যে কেইগৰাকীমান লোকৰ ৪ এপ্ৰিলৰ 'দৈনিক অসমত' ওলোৱা বিবৃতি আৰু ১২ এপ্ৰিলৰ 'দৈনিক অসম'ত ওলোৱা স্পষ্টীকৰণ সম্পৰ্কে ড° সত্যেন্দ্ৰ নাৰায়ণ গোস্বামীয়ে সভালৈ দিয়া চিঠি উত্থাপন কৰে। আন্দোলনৰ বাহিৰত থাকি আন্দোলনত ঢেকা পেলা-বলৈ যত্ন কৰি অহা অশুভ শক্তিৰ বিৰুদ্ধে অসম সাহিত্য সভাই প্ৰথমৰে পৰাই মাত মাতি আহিছে। এই কথাও কৈ আহিছে যে এনে অশুভ শক্তিৰ কাম কাজ আন্দোলনৰ লগত জড়িত কৰিবলৈ যত্ন কৰিলে আন্দোলনৰ মূল লক্ষ্য আৰু উদ্দেশ্যৰ বিৰোধিতা কৰা হ'ব। এই ক্ষেত্ৰত শিশু জ্ঞানকোষৰ সাধাৰণ সম্পাদক গৰাকীৰ দৃষ্টিভংগী অৱগত হবৰ বাবে যোগা-যোগ কৰিবলৈ প্ৰধান সম্পাদকক সমিতিয়ে দায়িত্ব দিয়ে।

২২। জাতীয় ন্যাস সম্পৰ্কে ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই পঠোৱা চমু খচৰা আঁচনি প্ৰধান সম্পাদকে উত্থাপন কৰে। সমিতিয়ে তলত নাম দিয়া সকলক লৈ এখন উপসমিতি গঠন কৰি উপ-সমিতিক ১৫ জুনৰ ভিতৰত আঁচনি প্ৰস্তুত কৰিবলৈ পৰামৰ্শ দিয়া হয়। শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, ড° সত্যেন্দ্ৰ নাথ শৰ্মা, ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, মঃ আবু চামা, শ্ৰীহিতেশ ডেকা, শ্ৰীছগনলাল জৈন, শ্ৰীহৰেশ্বৰ গোস্বামী, শ্ৰীনগেন শইকীয়া।

( প্ৰয়োজন অনুসৰি অতিৰিক্ত তিনিজন সদস্য মনোনীত কৰি ল'ব। )

২৩। ভাষাজ্ঞান পৰীক্ষা সংসদ আৰু ভাষা-শিক্ষা শ্ৰেণী সম্পৰ্কে সমিতিয়ে আলোচনা কৰে আৰু এই বিষয়ত পৰামৰ্শ দিয়ে —

(১) ভাষাজ্ঞান পৰীক্ষা ৰাজ্যখনৰ সাম্প্ৰতিক অৱস্থা সুস্থিৰ হ'লে পতাৰ ব্যৱস্থা কৰিব লাগে।

(২) ভাষা-শিক্ষা শ্ৰেণী শাখা সভা সমূহে নিজা নিজা ধৰণে প্ৰয়োজন অনুসৰি খুলিবৰ বাবে ব্যৱস্থা কৰিব লাগে।

(৩) থলুৱা জনজাতীয় ভাষা নজনা অসমীয়া ভাষীৰ বাবে স্থানীয় সামাজিক সাংস্কৃতিক প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি তেনে একোটা ভাষা-শিক্ষাৰ বাবে শ্ৰেণী মুকলি কৰিবলৈ শাখাসভা সমূহে স্থানীয়ভাৱে ব্যৱস্থা ল'ব লাগে।

(৪) গুৱাহাটী আৰু ডিব্ৰুগড়ত চলাই থকা ভাষা-শিক্ষা শ্ৰেণী পৰিচালনাৰ বাবে আৱশ্যকীয় পৰিচালনা বিধি যুগুত কৰিবলৈ আৰু পাৰিতোষিকৰ ক্ষেত্ৰত এটা

সমতা ৰক্ষা কৰি কাৰ্য-নিৰ্বাহক সমিতিক পৰামৰ্শ দিবলৈ উপ-সমিতিক দায়িত্ব দিয়ে।

(৫) যি সকল প্ৰশিক্ষাৰ্থীয়ে বৰ্ণমালা চিনি নাপায়, তেনে প্ৰশিক্ষাৰ্থীৰ বাবে কমেও ছমাহৰ এটা সুকীয়া প্ৰশিক্ষণৰ ব্যৱস্থা কৰিবলৈ চৰকাৰৰ সংশ্লিষ্ট বিভাগৰ লগত যোগাযোগ কৰিবৰ বাবে সিদ্ধান্ত লোৱা হয়।

(৬) ভাষা শিক্ষা শ্ৰেণী পৰিচালনা উপ-সমিতিয়ে ভাষাজ্ঞান পৰীক্ষা সংসদৰ এটি শাখা স্বৰূপে কাম কৰিব।

২৪। অসম সাহিত্য সভাৰ সপ্তচত্বাৰিংশ সন্মিলনৰ প্ৰস্তাৱৰ ভিত্তিত সমিতিয়ে অসমৰ থলুৱা জন-গোষ্ঠীৰ ভাষা-সাহিত্যৰ অনুষ্ঠানৰ লগত অন্তৰঙ্গ সম্পৰ্ক গঢ়ি তোলাত গুৰুত্ব দিয়ে। প্ৰধান সম্পাদকে বড়ো সাহিত্য সভাৰ সভাপতি শ্ৰীৰাম দাস বসুমতাৰীৰ লগত হোৱা যোগাযোগ সম্পৰ্কে জানিবলৈ দিয়ে। সমিতিয়ে অনুভৱ কৰে যে আমাৰ বিভিন্ন জনগোষ্ঠীৰ মাজত বিভিন্ন কাৰণত স্বাভাৱিক অসন্তুষ্টিৰ সৃষ্টি হৈছে। অসম সাহিত্য সভাৰ পক্ষৰ পৰা এই সম্পৰ্কত জনগোষ্ঠী সমূহৰ অনুভূতিৰ প্ৰতি মৰ্য্যাদা পোষণ কৰা হয় আৰু সভাৰ পক্ষৰ পৰা লব পৰা ব্যৱস্থা গ্ৰহণ কৰাৰ সিদ্ধান্ত কৰা হয়।

২৫। সমিতিয়ে প্ৰস্তাৱ কৰে যে আকাশবাণী গুৱাহাটী আৰু ডিব্ৰুগড় কেন্দ্ৰৰ পৰা থলুৱা ভাষাৰ অনুষ্ঠানৰ লগতে থলুৱা ভাষা সমূহৰ যোগে বাতৰি প্ৰচাৰ কৰিবলৈ আকাশবাণীক অনুৰোধ কৰা হওক।

২৬। কাৰ্য নিৰ্বাহক সমিতিয়ে সংগঠন সম্পৰ্কে আলোচনা কৰে। এই সম্পৰ্কত শ্ৰীভৱানী প্ৰসাদ গোস্বামী, শ্ৰীৰাম গোস্বামী, শ্ৰীভদ্ৰকৃষ্ণ গোস্বামী, শ্ৰীমহেশ চন্দ্ৰ দেৱ গোস্বামী, শ্ৰীকুমাৰ কিশোৰ, শ্ৰীবুদ্ধীন্দ্ৰ কুমাৰ বৰুৱা, শ্ৰীসুশীল কুৰ্মী আদি ব্যক্তিসকলে দিয়া চিঠি আৰু যোৱা বছৰত গ্ৰহণ কৰা আঁচনি প্ৰধান সম্পাদকে উত্থাপন কৰে। সমিতিয়ে সিদ্ধান্ত কৰে যে— পৰামৰ্শসমূহ সংশ্লিষ্ট উপ-সমিতিসমূহত আলোচনাৰ বাবে উত্থাপন কৰিব লাগে।

২৭। প্ৰধান সম্পাদকে জনায় যে—আজীৱন সভ্যৰ অক্ষয় পুঁজিৰ ডাকঘৰত জমা টকা জাতীয় সঞ্চয় পত্ৰৰ নং ৬১৯৫১২— ১০০০·০০ টকা, ৬১৯৫১৩— ১০০০·০০ টকা, ৯৪৭৮৭০—১০০·০০ টকা, ৪৪৫২৭৪— ৫০০·০০ টকা, ০৭৬৩৪৬—১০০০·০০ টকা, ৮৬৩৬১৮— ২৫— ৮০০·০০ টকা, মুঠ— ৪,৪০০·০০ চাৰি হেজাৰ চাৰিশ টকা।

(ক) যোৰহাট ঘাই ডাকঘৰত জাতীয় সঞ্চয় আঁচনিত জমা ৰখা ওপৰত উল্লেখ কৰা ক্ৰমাংক অনুসৰি আজীৱন সভ্যৰ পুঁজিৰ মুঠ ৪,৪০০·০০ (চাৰি হেজাৰ চাৰিশ) টকাৰ ম্যাদ ইতিমধ্যে উকলি গৈছে। পুৰ্বৰ দৰেই উক্ত পুঁজিৰ টকা ডাকঘৰৰ পৰা সুদে-মূলে উঠাই আনিবৰ বাবে প্ৰধান সম্পাদকক দায়িত্ব দিয়া হওক।

(খ) উক্ত আজীৱন সভ্যৰ মূল টকা পুনৰ ষ্টেট বেংক অৱ-ইণ্ডিয়া, যোৰহাট শাখাত দীৰ্ঘম্যাদী স্থায়ীজমা আঁচনিত জমা ৰাখিবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়া হওক। উল্লেখ থাকে যে আজীৱন সভ্যৰ পুঁজিৰ টকা অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকৰ দ্বাৰা পৰিচালিত হ'ব।

২৮। প্ৰধান সম্পাদকে জনায় যে — চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ চৌহদত ন্যূনতম পক্ষে অৰ্ধস্থায়ী এটা সৰু অতিথিশালা কৰাৰ প্ৰয়োজন হৈছে। লগতে চাইকেল থোৱা এখন চালিৰ প্ৰয়োজনো আছে। সমিতিয়ে অনুমোদন জনায়।

২৯। প্ৰধান সম্পাদকে জনায় যে পুৰ্বৰ কাৰ্য-নিৰ্বাহকৰ সিদ্ধান্ত অনুসৰি চাৰ্টাৰ্ড একাউণ্টেণ্ট শ্ৰীজ্ঞানেন শইকীয়াক সভাৰ ১৯৭৯-৮০ বিত্তীয় বছৰৰ হিচাপ পৰীক্ষা কৰিবৰ কাৰণে ইতিমধ্যে জনোৱা হৈছে। চলিত মে' মাহৰ ভিতৰতে হিচাপ সম্পূৰ্ণ হ'ব বুলি আশা কৰা হৈছে।

সমিতিয়ে মে' মাহৰ ভিতৰতে হিচাপ সম্পূৰ্ণ



কৰাৰ বাবে ব্যৱস্থা লবলৈ পৰামৰ্শ দিয়ে যাতে জুনৰ প্ৰথম ভাগতে সভাৰ বাজেট কৰিব পৰা যায়।

৩০। প্ৰধান সম্পাদকে জনায় যে সাম্প্ৰতিক পৰিস্থিতিলৈ চাই সভাৰ বাজেট গ্ৰহণ আৰু জৰুৰী বিষয়ত সিদ্ধান্ত গ্ৰহণ কৰিবৰ কাৰণে সভাপতি, উপ সভাপতি, প্ৰধান সম্পাদক, সহকাৰী সম্পাদকদ্বয়, কোষাধ্যক্ষ আৰু এগৰাকী কাৰ্য-নিৰ্বাহকৰ সদস্যক লৈ কাৰ্য-নিৰ্বাহক সমিতিৰ হৈ কাম কৰিব পৰা এখন কৰ্ণধাৰ সমিতি গঠন কৰাৰ প্ৰয়োজনীয়তা আছে বুলি জনায়। সমিতিয়ে সন্মতি জ্ঞাপন কৰে। কাৰ্য-নিৰ্বাহক সদস্য শ্ৰীৰাম গোস্বামীক কৰ্ণধাৰ সমিতিৰ সদস্য স্বৰূপে মনোনীত কৰে।

৩১। প্ৰধান সম্পাদকে জনায় যে শ্ৰীহেমকান্ত বৰাই সভাৰ প্ৰকাশন অভিকৰ্তা স্বৰূপে কাম কৰিবলৈ আবেদন কৰিছে। সমিতিয়ে সভাৰ নিয়ম অনুসৰি দায়িত্ব দিয়াৰ সন্মতি জনায়।

৩২। প্ৰধান সম্পাদকে জনায় যে মৰিগাওঁ সাহিত্য সভাই এখন চিঠিৰে মৰিগাঁৱত নতুনকৈ গঠন কৰিব খোজা পুৰ মৰিগাওঁ সাহিত্য সভা গঠনৰ বিৰোধিতা কৰিছে। সমিতিয়ে এই সম্পৰ্কত অনুসন্ধান কৰিবৰ কাৰণে ব্যৱস্থা লবলৈ প্ৰধান সম্পাদকক পৰামৰ্শ দিয়ে।

৩৩। প্ৰধান সম্পাদকে জনায় যে সাম্প্ৰতিক পৰিস্থিতিলৈ চাই সৰ্বভাৰতীয় কবি সন্মিলন আৰু আলোচনা চক্ৰৰ আয়োজন কৰিব পৰা হোৱা নাই। সমিতিয়ে সাম্প্ৰতিক আন্দোলন চলি থকাৰ সময়ত এই কাৰ্যসূচীৰ ৰূপায়ন সম্ভৱ নহব বুলি অনুভৱ কৰে; অনুকূল পৰিবেশত আয়োজন কৰিবৰ বাবে পৰামৰ্শ দিয়ে।

৩৪। ড° লক্ষীনন্দন বৰাই পৰামৰ্শ আগবঢ়ায় যে চৰকাৰৰ পৰিসংখ্যা বিভাগৰ যোগেদি অসমীয়া পুথিৰ পঢ়ুৱৈৰ এটা পৰিসংখ্যা উলিয়াব লাগে। সদস্য শ্ৰীৰাম গোস্বামীয়ে ৰাজ্যিক পুথিভঁৰালৰ যোগে তেনে এটা সমীক্ষা চলাই থকাৰ কথা কয়। সমিতিয়ে সেই কামৰ পুনৰাবৃত্তি কৰাৰ সাম্প্ৰতিক প্ৰয়োজনীয়তা নাই বুলি অনুভৱ কৰে।

৩৫। সমিতিয়ে প্ৰকাশিত অসমীয়া গ্ৰন্থসমূহৰ পঞ্জী প্ৰস্তুত কৰাৰ ওপৰত গুৰুত্ব দিয়ে। এই বিষয়ে সদস্য শ্ৰীৰাম গোস্বামীৰ পৰামৰ্শৰ ভিত্তিত পৰৱৰ্তী বৈঠকে সিদ্ধান্ত ল'ব।

৩৬। প্ৰধান সম্পাদকে জনায় যে কেন্দ্ৰীয় কাৰ্যালয়ত নিযুক্ত কাৰ্যালয়-সচিবক যোৱা ২০।৩।৮০ তাৰিখৰ কাৰ্য-নিৰ্বাহক সমিতিয়ে ১ বছৰলৈ নিযুক্তি বঢ়াই দিছিল যদিও এই নিযুক্তি তদৰ্থ হোৱা বাবে ১ বছৰলৈ বঢ়াই দিয়া বিধিসন্মত নহব বুলি জনা গৈছে। সমিতিয়ে সম্প্ৰতি তিনি মাহলৈ নিযুক্তিৰ ম্যাদ বঢ়াই দি অসমীয়া দৈনিক কাকতৰ যোগে বিজ্ঞাপন প্ৰচাৰ কৰিবলৈ আৰু বিধিসম্মত ব্যৱস্থা গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিয়ে। তদৰ্থ নিযুক্তিৰ ক্ষেত্ৰত ৩ মাহত ৪ দিনতকৈ অধিক নৈমিত্তিক ছুটি নাপাব।

৩৭। সপ্তচত্বাৰিংশ বহা সন্মিলনৰ অভ্যাৰ্থনা সমিতিৰ সাধাৰণ সম্পাদক শ্ৰীহিৰণ্যনাৰায়ণ বৰাই জনায় যে অভ্যাৰ্থনা সমিতিৰ হিচাপ-পত্ৰ সম্পূৰ্ণ কৰিবৰ কাৰণে বিভিন্ন ঠাইত বিতৰণ কৰা ৰচী-পত্ৰসমূহ সংগ্ৰহ কৰাৰ ব্যৱস্থা কৰা হৈছে আৰু বিভিন্ন শাখা সমিতিসমূহক হিচাপ দাখিল কৰিবলৈ কোৱা হৈছে। বহা সন্মিলনৰ বাৰ্ষিকীৰ বাবে অহা ১৫ দিন মানৰ ভিতৰতে অসম সাহিত্য সভালৈ আৱশ্যকীয় অৰ্থ পঠোৱাৰ ব্যৱস্থা কৰা হ'ব বুলি শ্ৰীবৰাই জনায়।

৩৮। তিনিচুকীয়া শাখাসভাৰ প্ৰতিনিধি অধ্যাপক সিদ্ধেশ্বৰ তামুলীয়ে জনায় যে অষ্টচত্বাৰিংশ সন্মিলনৰ বাবে ইতিমধ্যে স্থানীয় ভাৱে আলোচনা কৰা হৈছে আৰু সন্মিলনৰ স্থান নিৰ্দ্ধাৰণ কৰিবলৈ ব্যৱস্থা কৰা হৈছে। সময়মতে সন্মিলন পাতিবলৈ সৰ্বতোপ্ৰকাৰে ব্যৱস্থা কৰা হ'ব বুলি শ্ৰীতামুলীয়ে জনায়।

৩৯। প্ৰধান সম্পাদকে জনায় যে যোৱা ১৬ এপ্ৰিলৰ চৰকাৰী প্ৰেছ নোট এটাৰ দ্বাৰা সাম্প্ৰদায়িক খবৰ প্ৰচাৰিত হোৱা বুলি প্ৰতায় যোৱাৰ কাৰণ খেদা

গৈছে। এই সম্পৰ্কীয় কাকত-পত্ৰাদি সংগ্ৰহ কৰি প্ৰেছ কাউন্সিল অৱ ইণ্ডিয়ালৈ এটা অভিযোগ পঠাব পৰা হয়। সমিতিয়ে আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

৪০। কাৰ্য-নিৰ্বাহক সমিতিয়ে তলত নাম দিয়া ব্যক্তিসকলক আজীৱন সভ্য স্বৰূপে স্বীকৃতি দিয়ে:—

(ক) ১। শ্ৰীসংৰাম শইকীয়া — ৰাজগড়
২। " ঠাকুৰাম চুতীয়া — "
৩। " উদ্ধৱচন্দ্ৰ ভূঞা — টিংখাং
৪। " যুগেন্দ্ৰনাথ মহন — বানমুখ
৫। " জীৱকান্ত গগৈ — ডিমৌ
৬। " দীপককুমাৰ শৰ্মা — ধেমাজি
৭। " সকৰাম মেওগ — মাকুম
৮। " নন্দেশ্বৰ দেউৰী — ধেমাজি
৯। " ৰমেশপ্ৰসাদ আগৰৱালা — যোৰহাট
১০। " মাণিকচন্দ্ৰ খাটনিয়াৰ — যোৰহাট
১১। " ৰোহিণীকুমাৰ বৰুৱা — ডিগবৈ
১২। " প্ৰদীপ ৰায় — ৰূপসী (গোৱালপাৰা)

(খ) সমিতিয়ে তলত নাম দিয়া সভাক শাখা সভা স্বৰূপে স্বীকৃতি দিয়ে:—

১। কৰিমগঞ্জ শাখা সাহিত্য সভা — কানিশাইল, কৰিমগঞ্জ।

(গ) নৱগঠিত ধনশিৰিপৰীয়া শাখা সভা সম্পৰ্কে আৰু পুৱ মৰিগাওঁ শাখা সভা সম্পৰ্কে অনুসন্ধান কৰি কাৰ্য-নিৰ্বাহকত কৰ্ণধাৰ সমিতিৰ প্ৰতিবেদন দিবৰ বাবে সমিতিয়ে পৰামৰ্শ দিয়ে। ধনশিৰিপৰীয়া সভা সম্পৰ্কে পূৰ্বৰ কাৰ্য-নিৰ্বাহকৰ সিদ্ধান্ত অনুসৰি শ্ৰীপ্ৰফুল্লচন্দ্ৰ ভট্টাচাৰ্যক অনুসন্ধানৰ দায়িত্ব দিয়া হয়। পুৱ মৰিগাওঁ শাখা সভা সম্পৰ্কে প্ৰধান সম্পাদকে ব্যৱস্থা গ্ৰহণ কৰিব।

৪১। প্ৰধান সম্পাদকে জনায় যে 'আনন্দ বাজাৰ পত্ৰিকা'ৰ ৯ মে সংখ্যাত বনফিং বাৰ্ত্তে লিখা এটা প্ৰবন্ধত অসম সাহিত্য সভাক আক্ৰমণাত্মক মনোভাৱেৰে সমালোচনা কৰিছে।

সমিতিয়ে উক্ত লেখাই সভাৰ মৰ্যাদা হানি কৰিছে-নেকি সেই বিষয়ে আৰু সাদিনীয়া নাগৰিকত 'এজন প্ৰাক্তন সভাপতিৰ' লেখা সম্পৰ্কতো আইনজ্ঞৰ পৰামৰ্শ লবলৈ প্ৰধান সম্পাদকক পৰামৰ্শ দিয়ে।

৪২। সভাপতিয়ে কাৰ্য-নিৰ্বাহকে গ্ৰহণ কৰা সিদ্ধান্ত সমূহ কাৰ্যকৰী কৰাত সদস্য সকলে সকলো প্ৰকাৰৰ সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়।

৪৩। প্ৰধান সম্পাদকে সভাপতি শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, প্ৰাক্তন সভাপতি শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰ, প্ৰাক্তন সভাপতি শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা, প্ৰাক্তন সভাপতি শ্ৰীআনন্দচন্দ্ৰ বৰুৱা, কাৰ্য নিৰ্বাহকৰ সদস্য সকল আৰু বিশেষভাৱে নিমন্ত্ৰিত ব্যক্তিসকলক শলাগ জ্ঞাপন কৰাৰ পিছত সভাপতিয়ে কাৰ্য-নিৰ্বাহক সমিতিৰ অধিবেশনৰ সামৰণি ঘোষণা কৰে।

স্বা: শ্ৰীনগেন শইকীয়া
প্ৰধান সম্পাদক
অসম সাহিত্য সভা

স্বা: শ্ৰীযতীন্দ্ৰনাথ গোস্বামী
সভাপতি
অসম সাহিত্য সভা
১১। ৫। ৮০

## উপসমিতি পৰিচালনাৰ বিধি

(১) অসম সাহিত্য সভাৰ কাৰ্য-নিৰ্বাহক সমিতিয়ে সভাৰ কাম-কাজত পৰামৰ্শ দিবৰ বাবে নিয়মাৱলী ৫ম চেদৰ ২৮ অনুচ্ছেদ অনুসৰি উপ-সমিতি সমূহ গঠন কৰিব।

(২) বিষয়-বাছনী সভাৰ বিশেষ অনুমোদন কাৰ্য-নিৰ্বাহক সমিতিয়ে গঠন কৰি দিয়া সকলো উপ-সমিতিৰ কাৰ্যকাল কাৰ্য-নিৰ্বাহক সমিতিৰ কাৰ্যকাল অন্ত পৰাৰ লগে লগে অন্ত পৰিব।

(৩) সভাৰ সভাপতি নিয়মাৱলীৰ দশম চেদৰ ৪৬ অনুচ্ছেদৰ ১ৰ (খ) অনুসৰি সকলো উপসমিতিত উপস্থিত থাকিব পাৰিব আৰু সভাপতি উপস্থিত থাকিলে তেৱেঁই সেই বৈঠকৰ সভাপতি হ'ব।

(৪) সভাৰ প্ৰধান সম্পাদকে অন্যথা উক্ত নাথাকিলে সকলো উপসমিতি আহ্বান কৰিব আৰু নিয়মাৱলী অনুসৰি তেওঁ সকলো উপসমিতিৰ পদেন সভ্য হ'ব।

(৫) কাৰ্য-নিৰ্বাহক সমিতিয়ে বিশেষ ক্ষমতা নিদিলে কোনো কোনো উপসমিতিয়ে কোনো সিদ্ধান্ত পোনপটীয়াকৈ কাৰ্যকৰী কৰিব নোৱাৰিব।

(৬) অন্যথা উক্ত নাথাকিলে উপসমিতিসমূহ সকলো ক্ষেত্ৰতে পৰামৰ্শদাতা সমিতি স্বৰূপেহে কাম কৰিব আৰু সিদ্ধান্তসমূহ প্ৰধান সম্পাদকলৈ পঠাব।

(৭) উপসমিতিয়ে কোনো ফলাফল নিজে প্ৰচাৰ কৰিব নোৱাৰিব বা উপসমিতিৰ নামত কোনো বিবৃতি প্ৰকাশ কৰিব নোৱাৰিব বা কোনো প্ৰচাৰ-পত্ৰ ছপা কৰিব নোৱাৰিব। এই সকলো ক্ষেত্ৰত সভাৰ হৈ প্ৰধান সম্পাদকে ফলাফল ঘোষণা কৰিব, বিজ্ঞপ্তি বা বিবৃতি প্ৰচাৰ কৰিব আৰু প্ৰয়োজন অনুসৰি প্ৰচাৰ-পত্ৰ বা প্ৰচাৰ-পুস্তিকা আদি প্ৰকাশ কৰিব।

(৮) উপসমিতিৰ সিদ্ধান্ত কাৰ্য-নিৰ্বাহক সমিতিয়ে প্ৰয়োজন বোধ কৰিলে সাল-সলনি কৰিব পাৰিব বা প্ৰচাৰ বন্ধ কৰিব পাৰিব।

(৯) প্ৰত্যেক উপসমিতিৰ একোজন সভাপতি থাকিব। কিন্তু অসম সাহিত্য সভাৰ সভাপতি উপস্থিত থাকিলে তেৱেঁই সভাপতিত্ব কৰিব।

(১০) উপসমিতিৰ ⅓ অংশ সদস্যৰ উপস্থিতিত থুল হ'ব।

(১১) প্ৰকাশিত পুথিক বঁটা দানৰ বাবে তলত দিয়া নিয়মসমূহ পালন কৰা হ'ব:

(ক) উপসমিতিয়ে কমেও ১১ জন পঢ়ুৱৈ-বিচাৰকৰ পৰা সংশ্লিষ্ট বিষয়ৰ নিৰ্দিষ্ট সময়ৰ ভিতৰত প্ৰকাশিত ২০ খনকৈ মৌলিক পুথিৰ নাম, লেখকৰ নাম, প্ৰকাশৰ বছৰ, প্ৰকাশকৰ নাম বিচাৰিব। কোনো পঢ়ুৱৈ বিচাৰক বা বিচাৰকে নিজৰ পুথি অনুমোদন কৰিব নোৱাৰিব।

(খ) এনেভাৱে পোৱা নাম-তালিকা আহ্বায়কে সংকলন কৰি এখন পূৰ্ণাংগ নাম-তালিকা প্ৰস্তুত কৰিব। একোখন পুথি একাধিক ব্যক্তিয়ে অনুমোদন জনালেও তালিকাত এবাৰহে উল্লেখ কৰিব। এই তালিকাৰ পৰা শ্ৰেষ্ঠ বুলি ভবা এখন পুথিৰ নাম অনুমোদন কৰিবলৈ প্ৰথমৰ পঢ়ুৱৈ বিচাৰক সকলক অনুৰোধ জনাব।

(গ) পঢ়ুৱৈ বিচাৰকৰ পৰা নাম-তালিকা পুনৰ

সংকলন কৰি সৰ্বাধিক অনুমোদন পোৱা অথবা সমান সংখ্যক অনুমোদন পোৱা আটাই কেইখন পুথি বিচাৰৰ বাবে বাছনি কৰিব।

(ঘ) উপ-সমিতিয়ে সংশ্লিষ্ট বিষয়ৰ ৩ জন বিশেষজ্ঞৰ দ্বাৰা গ্ৰন্থ কেইখনৰ ভাষা, বিষয়, প্ৰকাশ-ভংগী আৰু উপযোগিতা পৰীক্ষা কৰাই দুজনে অনুমোদন জনোৱা গ্ৰন্থখনক পুৰস্কাৰৰ বাবে বিবেচনা কৰিব।

(ঙ) বাছনি সম্পৰ্কে মতদ্বৈধতা ঘটিলে সমিতিৰ বাবে সমিতিৰ মতেই চূড়ান্ত বিবেচিত হ'ব আৰু সমিতিৰ মত পৰামৰ্শ স্বৰূপে প্ৰধান সম্পাদকৰ যোগে কাৰ্য-নিৰ্বাহকলৈ জনাব। সকলো ক্ষেত্ৰত কাৰ্য-নিৰ্বাহক সমিতিৰ মতেই চূড়ান্ত হ'ব।

(চ) উপ-সমিতিৰ সদস্যৰ কোনো গ্ৰন্থৰ নাম গ্ৰহণ কৰিবলগীয়া হ'লে, হয় সদস্য জনে পদত্যাগ কৰিব, নহয় নিজৰ গ্ৰন্থখন বাছনিৰ পৰা উঠাই ল'ব।

(ছ) কোনো অনূদিত গ্ৰন্থ, কোনো গ্ৰন্থৰ প্ৰথম সংস্কৰণ ভিন্ন অন্য সংস্কৰণ আগতে পুৰস্কাৰ পোৱা গ্ৰন্থ, উপযুক্ত মানদণ্ড নথকা গ্ৰন্থ পুৰস্কাৰৰ বাবে বিবেচিত হ'ব নোৱাৰিব।

(জ) বাছনি সম্পৰ্কীয় সকলো কাকত-পত্ৰ গোপনীয় স্বৰূপে ৰাখিব।

(১২) পাণ্ডুলিপি প্ৰতিযোগিতাৰ ক্ষেত্ৰত তলত দিয়া নিয়মসমূহ পালন কৰা হ'ব।

(ক) উপ-সমিতিয়ে প্ৰতিযোগিতাৰ বিষয় নিৰ্বাচন কৰিব। পাণ্ডুলিপি গ্ৰহণৰ শেষ তাৰিখ নিৰ্ধাৰণ কৰিব, বিচাৰকৰ নাম প্ৰস্তাৱ কৰিব আৰু বিচাৰৰ সময় নিৰ্ণয় কৰি দিব।

(খ) সকলো ক্ষেত্ৰতে সম্পাদকেহে প্ৰতিযোগিতাৰ বিষয় ৰাজহুৱা ভাৱে ঘোষণা কৰি পাণ্ডুলিপি আহ্বান কৰিব। কোনো ক্ষেত্ৰত প্ৰধান সম্পাদকে আহ্বায়কক কৰ্তৃত্ব দিলে ঘোষণা প্ৰচাৰ কৰিব।

(গ) নিৰ্দিষ্ট সময়ৰ ভিতৰত পাণ্ডুলিপি নাপালে সমিতিয়ে ২য় বাৰ সময় দিব পাৰিব, কিন্তু ২য় বাৰৰ পিছতো নাপালে সেই বছৰলৈ প্ৰতিযোগিতা বন্ধ ৰাখিব।

(ঘ) পাণ্ডুলিপি প্ৰতিযোগিতাত সদায় ফুলস্কেপ কাগজৰ এপিঠিত স্পষ্টকৈ লিখা কমেও দুটাকৈ প্ৰতিলিপি বিচাৰিব লাগিব।

(ঙ) প্ৰাপ্ত পাণ্ডুলিপিসমূহৰ ভাষা, বিষয়, প্ৰকাশ-ভংগী আৰু উপযোগিতা প্ৰধান সম্পাদকে বা আহ্বায়কে উপ-সমিতিয়ে প্ৰস্তাৱ কৰা পৰীক্ষকৰ দ্বাৰা পৰীক্ষা কৰাব। পৰীক্ষকৰ প্ৰতিবেদন নিজে বা আহ্বায়কৰ যোগে উপ-সমিতিত দাখিল কৰিব। উপ-সমিতিয়ে প্ৰতিবেদন বিচাৰ কৰি উপ-সমিতিৰ পৰামৰ্শ প্ৰধান সম্পাদকৰ যোগে কাৰ্য-নিৰ্বাহকলৈ পঠাব। কাৰ্য-নিৰ্বাহকৰ মতেই সকলো ক্ষেত্ৰত চূড়ান্ত বিবেচিত হ'ব।

(চ) পাণ্ডুলিপিত পৰীক্ষকৰ হাতলৈ যাওঁতে লেখকৰ নাম ৰাখিব।

(ছ) দুখন বা ততোধিক পাণ্ডুলিপি নাপালে প্ৰতিযোগিতা বন্ধ ৰাখিব।

(জ) উপ-সমিতিৰ সদস্যই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিব নোৱাৰিব।

(ঝ) কোনো অনূদিত ৰচনা, আগতে পুৰস্কৃত ৰচনা, প্ৰকাশিত ৰচনা, মানদণ্ড সম্পৰ্কে সন্দেহ কৰা ৰচনা পুৰস্কাৰৰ বাবে নিৰ্বাচিত নহ'ব।

(ঞ) এবাৰ বঁটা পাওঁতা, দ্বিতীয়বাৰ একে বিষয়ৰ বঁটাৰ বাবে নিৰ্বাচিত নহ'ব। কিন্তু নিৰ্বাচিত গ্ৰন্থতকৈও পূৰ্বৰ বঁটা পাওঁতাৰ কোনো গ্ৰন্থ শ্ৰেষ্ঠ বিবেচিত হ'লে সমিতিয়ে সেই গ্ৰন্থৰ অভিলেখ ৰাখিব আৰু কাৰ্য-নিৰ্বাহক সমিতিয়ে ইচ্ছা কৰিলে সেই উপলক্ষে প্ৰমাণ-পত্ৰ দিব পাৰিব।

(ট) বাছনি সম্পৰ্কীয় সকলো কাকত-পত্ৰ গোপনীয় ভাৱে ৰাখিব।

(১৩) সভাৰ স্থাৱৰ অস্থাৱৰ সম্পত্তিৰ অৰক্ষণ আৰু অন্যান্য ন্যাস পুঁজিৰ ক্ষেত্ৰত তলত দিয়া নিয়মসমূহ পালিত হ'ব:



(ক) ন্যাসৰ চুক্তিপত্ৰৰ ভিত্তিত কাৰ্য-নিৰ্বাহক সমিতিয়ে এনে সমিতিসমূহ গঠন কৰিব বা পুনৰ্গঠন কৰিব।

(খ) নিয়মাৱলীৰ দশম ছেদৰ ৪৬ অনুচ্ছেদৰ (২) (ছ) বিধি অনুসৰি প্ৰধান সম্পাদক এনে সম্পত্তিসমূহৰ বা ন্যাস সমূহৰ থাই অৰক্ষক হ'ব।

(গ) এনে সমিতিতো সভাৰ নিয়মাৱলী অনুসৰি সভাপতি উপস্থিত থাকিলে তেওঁৱেই সভা পৰিচালনা কৰিব।

(ঘ) সভাৰ নিয়মাৱলী অনুসৰি এনে সমিতিৰ ক্ষেত্ৰতো অন্যথা উক্ত নাথাকিলে প্ৰধান সম্পাদকেই সম্পাদক হ'ব অথবা পদেন সভ্য হ'ব।

(ঙ) সম্পত্তি-অৰক্ষণ বা ন্যাস পুঁজিসমূহৰ ক্ষেত্ৰতো মতদ্বৈধতা ঘটিলে কাৰ্য-নিৰ্বাহক সমিতিয়ে চুক্তিপত্ৰ আৰু নিয়মাৱলীৰ ভিত্তিত চূড়ান্ত সিদ্ধান্ত ল'ব।

(চ) বিশেষ কামত অভিজ্ঞ লোকক প্ৰয়োজন হ'লে নিমন্ত্ৰণ কৰিব। কিন্তু তেনে সদস্যৰ ভোট নাথাকিব।

(১৪) (ক) কাৰ্য-নিৰ্বাহক সমিতিৰ অনুমোদন বিনা কোনো সমিতিয়ে সভাৰ নামত ধন সংগ্ৰহ বা ব্যয় কৰিব নোৱাৰিব। কাৰ্য-নিৰ্বাহক সমিতিৰ অনুমতি লৈ বিশেষ কামত ধন সংগ্ৰহ বা ব্যয় কৰিলে, তেনে আয়-ব্যয়ৰ হিচাপ প্ৰধান সম্পাদকৰ যোগে কাৰ্য-নিৰ্বাহক সমিতিলৈ পঠাব আৰু তেনে আয়-ব্যয়ত অনিয়ম ঘটিলে সমিতিৰ সম্পাদক বা আহ্বায়ক তাৰ বাবে দায়ী থাকিব।

(খ) বিশেষ কামত সমিতিলৈ ধন হস্তান্তৰিত কৰিলে, তেনে ধনৰ ব্যয়ৰ হিচাপ সভাৰ হিচাপ বহী বা আয়-ব্যয়ৰ খতিয়ানত অন্তৰ্ভুক্ত কৰাৰ দায়িত্ব যিহেতু প্ৰধান সম্পাদকৰ, সেই বাবে ব্যয়ৰ প্ৰয়োজন-পত্ৰ আৰু বিলত প্ৰধান সম্পাদকে অনুমোদন জনাব লাগিব বা তেনে ব্যয় প্ৰধান সম্পাদকে পৰীক্ষা কৰি চোৱাৰ অধিকাৰ থাকিব।

সমিতিয়ে পৰামৰ্শ দিয়ে যে— বিভিন্ন পুঁজিৰ পৰা দিয়া বঁটা সমূহৰ নাম আৰু বঁটা পাওঁতাসকলৰ তালিকা সংলগ্ন কৰি দিব লাগে।

স্বাঃ শ্ৰীনগেন শইকীয়া, প্ৰধান সম্পাদক, অসম সাহিত্য সভা।

স্বাঃ শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, সভাপতি, অসম সাহিত্য সভা।

১১।৫।৮০

## অসম সাহিত্য সভাৰ
## কাৰ্য নিৰ্বাহক সমিতিৰ কৰ্ণধাৰ সমিতিৰ বৈঠক
## ভগৱতীপ্ৰসাদ বৰুৱা ভৱন
## তাৰিখ ১।৬।৮০

উপস্থিত সদস্যসকল :— শ্ৰীযতীন্দ্ৰনাথ গোস্বামী (সভাপতি), শ্ৰীলীলা গগৈ (উপ-সভাপতি), শ্ৰীনগেন শইকীয়া (প্ৰধান সম্পাদক), শ্ৰীপ্ৰকাশ গোস্বামী (সহকাৰী সম্পাদক), শ্ৰীসতীশ চৌধুৰী (সহকাৰী সম্পাদক), শ্ৰীপ্ৰফুল্লচন্দ্ৰ ভট্টাচাৰ্য (কোষাধ্যক্ষ)।

বিশেষভাৱে নিমন্ত্ৰিতসকল:— ড° সত্যেন্দ্ৰনাথ শৰ্মা, শ্ৰীযতীন গোস্বামী, শ্ৰীসুশীল কুৰ্মী, শ্ৰীকুমাৰ কিশোৰ।

১। প্ৰধান সম্পাদকে কাৰ্য-নিৰ্বাহক সমিতিৰ ১০ আৰু ১১ মে'ত বহা অধিৱেশনে গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি কৰ্ণধাৰ সমিতি গঠনৰ বিষয়ে কয় আৰু সভাপতি শ্ৰীযতীন্দ্ৰনাথ গোস্বামীক সমিতিৰ বৈঠক পৰিচালনা কৰিবলৈ অনুৰোধ জনায়।

২। সভাপতিয়ে আসন গ্ৰহণ কৰে আৰু সাম্প্ৰতিক পৰিস্থিতি সম্পৰ্কত সভাৰ কৰণীয় কি হ'ব সেই বিষয়ে আলোচনা কৰিবলৈ সদস্যসকলক আহ্বান জনায়।

৩। অসমৰ সাম্প্ৰতিক পৰিস্থিতিত সভাৰ পক্ষৰপৰা লোৱা ব্যৱস্থাৰ কথা জনায়। সভাৰ ফালৰ পৰা যোৱা ২৫ তাৰিখে অধ্যাপক ইক্ৰামুদ্দিন শইকীয়া, শ্ৰীফিৰোজ চাহ, শ্ৰীসতীশ চৌধুৰী আৰু গণ-সংগ্ৰাম পৰিষদৰ দুজন প্ৰতিনিধি শ্ৰীগাদৰ দাস আৰু শ্ৰীমাণিক শইকীয়াৰে হাজো-মুকালমুৱা পথেদি বৰপেটালৈকে এই সমগ্ৰ অঞ্চলটোৰ বিভিন্ন ঠাইৰ লোকক সাক্ষাত্ কৰি সংখ্যালঘু ছাত্ৰ সন্থাৰ প্ৰতি-আন্দোলনৰ ফলত যাতে কোনো প্ৰকাৰৰ সংঘৰ্ষ নহয় তাৰ প্ৰতি সজাগ হৈ থাকিবলৈ ৰাইজক অনুৰোধ জনোৱা হয়। প্ৰা... সকলো ঠাইতে প্ৰতি-আন্দোলন কৰি বিদেশী আৰু বিদেশীৰ সমৰ্থক সকলে অসমীয়া মানুহক আক্ৰম... কৰিব পাৰে বুলি থলুৱা মানুহৰ মনত সন্ত্ৰাসৰ সৃষ্টি হোৱা দেখা যায়। এই সম্পৰ্কত বৰপেটাত থকা অতিৰিক্ত উপায়ুক্ত আৰু কামৰূপ জিলাৰ আৰক্ষী অধিক্ষকক আগতিয়াকৈ প্ৰয়োজনীয় ব্যৱস্থা লবলৈ লিখি... ভাৱে জনোৱা হয়। যোৱা ২৯ তাৰিখে ড° সত্যেন্দ্ৰনাথ শৰ্মা, ড° বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য, শ্ৰীযোগেশ দাস, শ্ৰীসতীশচন্দ্ৰ চৌধুৰীক লৈ নগাওঁ আশ্ৰয় শিবিৰসমূহত থকা আশ্ৰয় প্ৰাৰ্থীসকলক সাক্ষাত কৰা হয় আৰু জিলাৰ উপায়ুক্তক লগ কৰি সভাৰ দৃষ্টিভঙ্গী জনোৱা হয়। সভাৰ ফালৰপৰা এই ঘটনাৱলীৰ সম্পৰ্কত বিবৃতি আদি প্ৰচাৰ কৰাৰ উপৰিও যোৱা ২৭ তাৰিখে অসমৰ মুখ্য সচিব আৰু ৰাজ্যপালৰ মুখ্য উপদেষ্টা শ্ৰীৰজনীকান্ত দেৱশৰ্মা, শ্ৰীযোগেশ দাস, শ্ৰীপ্ৰফুল্লচন্দ্ৰ ভট্টাচাৰ্য আৰু শ্ৰীসতীশ চৌধুৰীক লৈ সাক্ষাৎ কৰা হয় আৰু লিখিতভাৱে আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনোৱা হয়।

৪। সমিতিয়ে সমগ্ৰ বিষয়টো বিশদভাৱে আলোচনা কৰে আৰু প্ৰধান সম্পাদকে গ্ৰহণ কৰা ব্যৱস্থাত আৰু এই সম্পৰ্কত হোৱা ব্যয়ত অনুমোদন জনায়।

৫। সমিতিয়ে তলৰ প্ৰস্তাৱকেইটি গ্ৰহণ কৰে —

(১) অসমৰ জনসাধাৰণে অশেষ কষ্ট আৰু ত্যাগৰ বিনিময়ত যোৱা ৮ মাহে চলাই অহা আন্দোলনৰ গুৰুত্ব...





কাৰণ হৃদয়ঙ্গম কৰাত চৰকাৰ হয় ব্যৰ্থ হৈছে নহয় সেই সমস্যা বুজিবলৈ যত্ন কৰা নাই। সভাই পুনৰ দোহাৰে যে অসমৰ জনসাধাৰণৰ ভাষিক সংখ্যা গৰিষ্ঠতা, সাংস্কৃতিক পৰিচয়, অৰ্থনৈতিক আৰু ৰাজনৈতিক স্বাৰ্থ হেৰুৱাৰ যুক্তিসঙ্গত আশংকা অনুভৱ নকৰিলে সমস্যা সমাধানৰ কোনো পথ নোলাব।

(২) সদৌ অসম সংখ্যালঘু ছাত্ৰসন্থাৰ নামত অসম আৰু অসমীয়া বিৰোধী যিটো অনুষ্ঠান বিদেশী আৰু বিদেশীৰ সমৰ্থকসকলক লৈ গঢ়ি তোলা হৈছে ই সাম্প্ৰদায়িক সম্প্ৰীতি ব্যাহত কৰাৰ উপৰিও ৰাষ্ট্ৰীয় নিৰাপত্তাৰ বাবেও ভয়ৰ কাৰণ হৈছে। অনেক ঠাইত 'জয় বাংলা' ধ্বনি দিয়া, বাংলা দেশৰ পতাকা উত্তোলন কৰা, শেখ মুজিবৰ ৰহমানৰ ছবি লৈ সমদল যাত্ৰা কৰা আদি ঘটনাৰ সংবাদ গভীৰ উদ্বেগৰ কাৰণ। তাতোকৈ উদ্বেগৰ কাৰণ যে এই তথাকথিত সংখ্যালঘু ছাত্ৰ সন্থা নামৰ অনুষ্ঠানটো ভাৰতৰ শাসনাধিষ্ঠিত দল আৰু আন কেইটামান সৰ্বভাৰতীয় দলৰ পৃষ্ঠপোষকতাত গঢ় লৈ উঠিছে। সভাই এনে কাম-কাজৰ তীব্ৰ নিন্দা কৰে আৰু স্পষ্ট কৰি দিয়ে যে এনে কাম কাজৰ ফলত বৰ্তমানে হোৱা আৰু ভৱিষ্যতে হ'ব পৰা সকলো প্ৰকাৰৰ হিংসাত্মক ঘটনাৰ দায়িত্ব চৰকাৰে গ্ৰহণ কৰিব লাগিব।

(৩) বিদেশী আৰু বিদেশীৰ সমৰ্থকসকলৰ দ্বাৰা আক্ৰান্ত হৈ আশ্ৰয় শিবিৰত থকা প্ৰায় চাৰি হেজাৰ থলুৱালোকক কোনো প্ৰকাৰৰ চৰকাৰী সাহায্য নিদিয়া বা আশ্ৰয়-প্ৰাৰ্থী স্বৰূপে স্বীকৃতিও দিব নোখোজাৰ ঘটনা অতিশয় পৰিতাপৰ কথা। তাৰ পৰিবৰ্তে চৰকাৰে তথাকথিত সংখ্যালঘুৰ নামত বিদেশী আৰু বিদেশীৰ সমৰ্থকসকলৰ ৰক্ষণাবেক্ষণৰ বাবে অধিক সক্ৰিয়তা প্ৰদৰ্শন কৰি অসমবাসীৰ ন্যায্য দাবীক অস্বীকাৰ কৰাৰ লগতে দেশৰ ঐক্য, সংহতি আৰু নিৰাপত্তাক সংকটৰ মুখলৈ ঠেলি দিছে। সভাই এনে মনোভাৱৰ নিন্দা কৰে আৰু দাবী কৰে যে অসমত যোৱা ২৬ মে' তাৰিখৰ পৰা হোৱা ঘটনাৱলী আৰু ভৱিষ্যতে হ'ব পৰা এনে ঘটনাৱলীৰ দায় চৰকাৰে ল'ব লাগিব।

(৪) সভাই পুনৰ দাবী কৰে যে চৰকাৰে নাগৰিক পঞ্জীৰ ভিত্তিত বিদেশী চিনাক্তকৰণ কৰি আলোচনাৰ মাজেৰে বিতৰণ আৰু বহিষ্কৰণৰ সময় সীমা নিৰ্ধাৰণ কৰিবলৈ ততালিকে ব্যৱস্থা ল'ব লাগে আৰু সকলো দমনমূলক আইন আৰু শাস্তিমূলক ব্যৱস্থা প্ৰত্যাহাৰ কৰি আৰু বন্দীসকলক মুক্তি দি আলোচনাৰ বাবে অনুকূল পৰিবেশ গঢ়ি তুলিব লাগে। কোনো ক্ষেত্ৰত দলৰ ৰাজনৈতিক স্বাৰ্থৰ বাবে অসমৰ জনসাধাৰণে নিজৰ স্বাৰ্থ বলি দিব নোৱাৰে।

(৫) সভাই অসমৰ হিন্দু-মুছলমানকে ধৰি বিভিন্ন ধৰ্মৰ, জাতি-জনজাতি-নিৰ্বিশেষে বিভিন্ন সম্প্ৰদায় আৰু কৃষক-মজদুৰ সমন্বিতে অসমৰ সমূহ লোকৰ মাজত বিভেদ আনিবলৈ চেষ্টা কৰা ৰাজনৈতিক-সাম্প্ৰদায়িক শক্তিবোৰক পৰিহৰা দিয়ে আৰু এনে শক্তিবোৰৰ প্ৰতি সতৰ্ক হৈ থাকিবলৈ সমূহ ৰাইজকে গোহাৰি জনায়।

৬। ড° সত্যেন্দ্ৰনাথ শৰ্মাই অসমৰ বিভিন্ন অঞ্চললৈ গৈ বিভিন্ন সম্প্ৰদায়ৰ মাজত সুমোৱাব পৰা ভুল বুজাবুজি আঁতৰোৱাৰৰ বাবে ব্যৱস্থা ল'বলৈ পৰামৰ্শ দিয়ে। শ্ৰীসুশীল কুৰ্মীয়ে চাহমজদুৰসকলৰ মাজত প্ৰচাৰৰ আৱশ্যকতাৰ বিষয়ে কয়। শ্ৰীৰাম গোস্বামী, শ্ৰীলীলা গগৈ, শ্ৰীযতীন গোস্বামী আদি সদস্যসকলে সাম্প্ৰদায়িক সম্প্ৰীতি স্থাপনৰ বাবে আৰু অশুভ শক্তিবোৰৰ বিৰুদ্ধে জনমত গঢ়ি তুলিবৰ কাৰণে ব্যৱস্থা লবলৈ পৰামৰ্শ দিয়ে।

৭। সমিতিয়ে অসমৰ সমুহ ৰাইজক অনুৰোধ জনায় যাতে ৰাজ্যখনত শান্তি-সম্প্ৰীতি প্ৰতিষ্ঠা হোৱাত সকলো প্ৰকাৰে যত্ন লয় আৰু যিবোৰ শক্তিয়ে বিভিন্ন ঠাইত শান্তি সম্প্ৰীতি নষ্ট কৰিবলৈ যত্ন কৰি আছে সেই শক্তিবোৰৰ প্ৰতি সতৰ্ক হয়।

৮। সভাৰ মূল নীতি আৰু দৃষ্টিভঙ্গীৰ ভিত্তিত গোহাৰি পত্ৰ, প্ৰচাৰ-পত্ৰ আদি প্ৰকাশ কৰাত সমিতিয়ে গুৰুত্ব দিয়ে।

৯। সমিতিয়ে দিল্লীলৈ এটা প্ৰতিনিধিদল সংসদৰ অধিবেশন বহাৰ আগে আগে পঠাবলৈ সিদ্ধান্ত লয়। এই দলটোৱে সম্ভৱ ক্ষেত্ৰত সভাৰ দৃষ্টিভঙ্গীৰ ব্যাখ্যা কৰিব আৰু অসমৰ সমস্যা সমাধানত গুৰুত্ব দিবলৈ আহ্বান জনাব। প্ৰতিনিধি দলটো তিনিজনীয়া হ'ব। তলত নাম দিয়া সকলৰ ভিতৰৰপৰা সমিতিত লৈ আৱশ্যকীয় ব্যৱস্থা কৰিবৰ কাৰণে প্ৰধান সম্পাদকক দায়িত্ব দিয়ে। ড° বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য, শ্ৰীনগেন শইকীয়া, শ্ৰীধীৰেণ বেজবৰুৱা, শ্ৰীযতীন গোস্বামী।

১০। সমিতিয়ে সিদ্ধান্ত কৰে যে দিল্লীলৈ অহা-যোৱাৰ ব্যয় সভাৰ সাধাৰণ পুঁজিৰ পৰা নকৰি কৰ্মপৰিষদৰ নামত খোলা বিশেষ পুঁজিৰ পৰা কৰিব লাগে। এই ক্ষেত্ৰত হোৱা ব্যয় প্ৰচাৰ আৰু সংগঠন ব্যয় স্বৰূপে ধৰা হ'ব। গতিকে ভ্ৰমণ ব্যয় সাধাৰণ নিয়ম এই ক্ষেত্ৰত প্ৰয়োগ কৰিব নালাগে।

১১। প্ৰধান সম্পাদকে জনায় যে কৰ্মপৰিষদৰ পুঁজিত সম্প্ৰতি চাৰি হেজাৰ টকা আছে। সমিতিয়ে সিদ্ধান্ত কৰে যে সাধাৰণ পুঁজিৰ পৰা কৰ্মপৰিষদৰ পুঁজিলৈ সম্প্ৰতি চাৰিহেজাৰ টকা ঋণ স্বৰূপে দিয়া হওক। কৰ্মপৰিষদৰ পুঁজিলৈ ধন আহিলে ঋণ পৰিশোধ কৰাৰ ব্যৱস্থা কৰা হ'ব।

১২। প্ৰধান সম্পাদকে জনায় যে 'আসাম এণ্ড দি আসামিজ মাইণ্ড' নামৰ গ্ৰন্থখন যোৱা ২৪।৫।৮০ তাৰিখে ভগৱতীপ্ৰসাদ বৰুৱা ভৱনত আনুষ্ঠানিক ভাবে উন্মোচন কৰোৱা হয়। ড° সত্যেন্দ্ৰনাথ শৰ্মাৰ সভাপতিত্বত বহা সভাত ড° মহেশ্বৰ নেওগে গ্ৰন্থখন উন্মোচন কৰে।

প্ৰধান সম্পাদকে জনায় যে গ্ৰন্থখনৰ তিনিহেজাৰ সংখ্যা পৰিবেশনৰ বাবে গুৱাহাটীৰ ইউনাইটেড পাব্লিছাৰ্চে শতকৰা ৩৫ টকা কমিছনত দায়িত্ব ল'বলৈ লিখিত সন্মতি দিছে। এই সম্পৰ্কত ইউনাইটেড পাব্লিছাৰ্চৰ লগত হোৱা চুক্তি-পত্ৰ প্ৰধান সম্পাদকে উৎথাপন কৰে; লগতে জনায় যে গ্ৰন্থখনৰ ২০০০ হেজাৰ সংখ্যা-কপি সভাৰ হাতত বিক্ৰী আৰু বিতৰণৰ কাৰণে থাকিব। সমিতিয়ে সমগ্ৰ ব্যৱস্থাত অনুমোদন জনায়। তদুপৰি বিভিন্ন ব্যক্তি আৰু অনুষ্ঠানলৈ বিনা-মূলীয়াকৈ অত্যাধিক ২০০ সংখ্যা-কপি দিবৰ বাবে অনুমোদন জনায়। লেখকসকলক প্ৰয়োজন অনুসৰি ৫ সংখ্যালৈকে কিতাপ বিনামূলীয়াকৈ দিব পাৰিব।

১৩। প্ৰধান সম্পাদকে জনায় যে 'এক্লিপচ্ ইন দি ইষ্ট' ৰ দ্বিতীয় সংস্কৰণ ছপাশালত দিয়া হৈছে। সমিতিয়ে অনুমোদন জনায়।

১৪। সমিতিয়ে জাতীয় ন্যাস পুঁজিৰ বাবে আৱশ্যকীয় ৰচিদ বহী ছপাবলৈ আৰু 'আসাম এণ্ড দি আসামিজ মাইণ্ড' ৰ লাভাংশ জাতীয় ন্যাস পুঁজিত জমা দিবলৈ পৰামৰ্শ দিয়ে।

১৫। প্ৰধান সম্পাদকে জনায় যে অসমত Staff Selection Commission ৰ এটা আঞ্চলিক কাৰ্যালয় মুকলি কৰিবৰ কাৰণে উক্ত কমিছনৰ সভাপতিলৈ এখন চিঠি দিয়া হৈছে। সমিতিয়ে অনুমোদন জনায়।

১৬। প্ৰধান সম্পাদকে জনায় যে বাগ্মীবৰ নীলমণি ফুকনৰ শতবাৰ্ষিকী উৎসৱ সাম্প্ৰতিক পৰিস্থিতিলৈ চাই বাহুল্য বৰ্জন কৰি পতাৰ ব্যৱস্থা কৰিবলগীয়া হৈছে। এই সম্পৰ্কত ২২ জুনৰ দিবসটো অসম স্বাৰ্থৰক্ষা দিবস স্বৰূপে উদ্‌যাপন কৰিবলৈ শাখাসভা, স্বীকৃত সভা, অন্যান্য শিক্ষা-সাহিত্য-সংস্কৃতিৰ অনুষ্ঠান, সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ-সংগ্ৰাম পৰিষদক আহ্বান জনোৱা হৈছে। সমিতিয়ে অনুমোদন জনায়।

১৭। প্ৰধান সম্পাদকে জনায় যে সভাৰ পুঁজিৰ অডিট কাৰ্য চলি আছে আৰু জুলাইৰ প্ৰথম সপ্তাহতে কাৰ্য্যনিৰ্বাহকত বাজেট দাখিল কৰিব পৰা হ'ব বুলি আশা কৰা হৈছে।

১৮। শ্ৰীজলেশ্বৰ কলিতাই প্ৰকাশন অভিকৰ্তা স্বৰূপে কাম কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰি দিয়া আবেদন প্ৰধান সম্পাদকে উৎথাপন কৰে। সমিতিয়ে যথা-যোগ্যতা বিচাৰ কৰি ব্যৱস্থা লবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।



১৯। প্ৰধান সম্পাদকে জনায় যে হিউয়েনচাঙৰ পৰা আৰম্ভ কৰি বিভিন্ন সময়ত অসমলৈ অহা বিদেশী পৰিব্ৰাজকসকলে অসম সম্পৰ্কে লিখা বিৱৰণসমূহ "Assam in the Eyes of Foreign Travellers" নাম দি সংকলন কৰিবৰ কাৰণে শ্ৰীনন্দ তালুকদাৰক অনুৰোধ জনোৱা হৈছিল। শ্ৰীলীলা গগৈয়ে উক্ত গ্ৰন্থৰ আৱশ্যকীয় পুনৰীক্ষণ কৰাৰ ওপৰত গুৰুত্ব দিয়ে।

২০। প্ৰধান সম্পাদকে জনায় যে সৰ্বভাৰতীয় কবি সন্মিলন এতিয়াও আয়োজন কৰাৰ পৰিবেশ গঢ়ি উঠা নাই; গতিকে প্ৰস্তাবিত লেখক শিবিৰৰ লগতে আয়োজন কৰিবলৈ যত্ন কৰা হ'ব।

২১। প্ৰধান সম্পাদকে জনায় যে ধেমাজি সাহিত্য সভাই ধেমাজিত অসম সাহিত্য সভাৰ প্ৰস্তাবিত লেখক শিবিৰ আয়োজন কৰিবৰ কাৰণে অনুৰোধ জনাইছে। সমিতিয়ে মত প্ৰকাশ কৰে যে লেখক শিবিৰ কিবা কাৰণত ধেমাজিত আয়োজন কৰা সম্ভৱ নহলেও, তাত সভাৰ পক্ষৰ পৰা কোনো বিষয়ৰ আলোচনা-চক্ৰ আয়োজন কৰিবলৈ যত্ন কৰা হ'ব।

২২। সমিতিয়ে গোৱালপাৰা, দৰং আৰু লক্ষীমপুৰ জিলা ভ্ৰমণ কৰিবৰ কাৰণে সভাপতি আৰু প্ৰধান সম্পাদকক অনুৰোধ জনায়।

২৩। সভাপতিয়ে সদস্য সকলৰ সকলো প্ৰকাৰৰ সহায়-সহযোগিতা বাঞ্ছা কৰি ধন্যবাদ জ্ঞাপন কৰে আৰু বৈঠকৰ সামৰণি ঘোষণা কৰে।

| | |
|---|---|
| স্বা : শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, | স্বা : শ্ৰীনগেন শইকীয়া, |
| সভাপতি, | প্ৰধান সম্পাদক, |
| অসম সাহিত্য সভা | অসম সাহিত্য সভা। |
| ১।৬।৮০ | ১।৬।৮০ |

## কাৰ্য-নিৰ্বাহক সমিতিৰ দ্বিতীয় অধিৱেশন
## ( ১৯৮০-৮১ )
## ভগৱতী প্ৰসাদ বৰুৱা ভৱন : গুৱাহাটী
## জুলাই ১২ আৰু ১৩, ১৯৮০

উপস্থিত সদস্যসকল :— শ্ৰীযতীন্দ্ৰনাথ গোস্বামী — সভাপতি; শ্ৰীলীলা গগৈ — উপ-সভাপতি, শ্ৰীনগেন শইকীয়া—প্ৰধান সম্পাদক, শ্ৰীপ্ৰকাশ গোস্বামী আৰু শ্ৰীসতীশ চৌধুৰী—সহকাৰী সম্পাদকদ্বয়, শ্ৰীপ্ৰফুল্লচন্দ্ৰ ভট্টাচাৰ্য—কোষাধ্যক্ষ, শ্ৰীমহেশচন্দ্ৰ ভট্টাচাৰ্য —ভাষাজ্ঞান পৰীক্ষা সংসদৰ সচিব, ডঃ পৰীক্ষিত হাজৰিকা—পত্ৰিকা সম্পাদক; সদস্যসকল—( সৰ্বশ্ৰী ) ৰাম গোস্বামী, ভদ্ৰকৃষ্ণ গোস্বামী, গজেন্দ্ৰ নাথ চহৰীয়া, নবীন শৰ্মা, গৌৰীকান্ত কাকতি, বুদ্ধীন্দ্ৰকুমাৰ বৰুৱা, অম্বিকাচৰণ চৰকাৰ, এম-ইলিয়ুদ্দিন দেৱান, সুশীল কুৰ্মী, কুমাৰ কিশোৰ।

বিশেষভাৱে নিমন্ত্ৰিতসকল : ড° সত্যেন্দ্ৰনাথ শৰ্মা, শ্ৰীঅতুলচন্দ্ৰ বৰুৱা, শ্ৰীহিতেশ ডেকা, শ্ৰীযোগেশ দাস, শ্ৰীৰজনীকান্ত দেৱশৰ্মা, ডঃ হেমন্ত কুমাৰ শৰ্মা, শ্ৰীনন্দ তালুকদাৰ, শ্ৰীযতীন গোস্বামী, ড° নিশিপদ চৌধুৰী, শ্ৰীঅমল বাজখোৱা।

১। প্ৰধান সম্পাদকে সভাপতিক আসন গ্ৰহণ কৰিবলৈ অনুৰোধ কৰে।

২। সভাপতিয়ে আসন গ্ৰহণ কৰি তলৰ শোক প্ৰস্তাৱটি উত্থাপন কৰে আৰু উপস্থিত সকলে থিয় হৈ এক মিনিট মৌনতা অৱলম্বন কৰে।

(ক) অসম সাহিত্য সভাৰ কাৰ্য-নিৰ্বাহক সমিতিয়ে অসমৰ সাম্প্ৰতিক আন্দোলনত প্ৰাণ আহুতি দিয়া সকলৰ বিয়োগত গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে আৰু শোক-সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জনায়।

(সৰ্বশ্ৰী) লালু সন্দিকৈ, ইচমাইল আলচাৰি আহমদ, হেমন্ত সোনোৱাল, দীপচান্দ বাজখোৱা, ধৰ্মকান্ত দত্ত, কমলেশ্বৰ দাস, বসন্ত ইজাদাৰ, ভবানন্দ ভড়ালী, বিষ্ণু দাস, মহেশ বিশ্বাসী, মহেশ্বৰ বৰা, সুনন্দ বৰদলৈ, ইন্দ্ৰজিত চাংকাকতি, আৰু আততায়ীৰ হাতত প্ৰাণ এৰা কনকৰা শইকীয়া, পীতাম্বৰ নাথ, দেউৰাম বৰুৱা, জয়নাথ ভড়ালী।

খ) অসম সাহিত্য সভাই ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ভি, ভি, গিৰি, লোক সভাৰ সদস্য সঞ্জয় গান্ধী, কলিয়াবৰ সাহিত্য সভাৰ সভাপতি ভুবনচন্দ্ৰ বৰুৱা আৰু কেন্দুগুৰি সাহিত্য সভাৰ সদস্যা জ্যোতিৰ্ময়ী বৰবৰাৰ মৃত্যুত শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

৩। প্ৰধান সম্পাদকে কাৰ্য-নিৰ্বাহক সমিতিৰ ১০ আৰু ২১ মে' তাৰিখৰ অধিৱেশনৰ আৰু ১ জুন তাৰিখৰ কৰ্ণধাৰ সমিতিৰ অধিৱেশনৰ কাৰ্য-বিৱৰণি উত্থাপন কৰে। সমিতিয়ে প্ৰথম অধিৱেশনত গ্ৰহণ কৰা উপ-সমিতি পৰিচালনা বিধিৰ ১২ (ক) অনুচ্ছেদৰ দ্বিতীয় বাক্যটি উঠাই লয়।

সমিতিয়ে ছুয়োখন কাৰ্য-বিৱৰণি গ্ৰহণ কৰে।

৪। প্ৰধান সম্পাদকে জনায় যে ইতিমধ্যে তলত উল্লেখ কৰা কামসমূহ কৰা হৈছে।

(ক) ২২ জুন তাৰিখে বাগ্মীবৰ নীলমণি ফুকনৰ জন্ম-শতবাৰ্ষিকী উৎসৱ 'অসম স্বাৰ্থ ৰক্ষা দিৱস' হিচাপে





উদ্‌যাপন কৰিবলৈ আহ্বান জনোৱা হয় আৰু যোৰহাটত কেন্দ্ৰীয়ভাৱে পতাকা উত্তোলন, স্মৃতিগ্ৰন্থ উন্মোচন, সৰ্বধৰ্ম প্ৰাৰ্থনা সভা, পথ উন্মোচন কাৰ্য-সূচীৰে অনুষ্ঠানিকভাৱে উৎসৱৰ আয়োজন কৰা হয়। সভাপতি শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী, প্ৰাক্তন সভাপতি শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰ, শ্ৰীআনন্দ চন্দ্ৰ বৰুৱা আৰু শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাই অনুষ্ঠান সমূহ সম্পন্ন কৰে। সেইদিনাই ডিব্ৰুগড় জৰ্জ ইনষ্টিটিউচনক 'বাগ্মীবৰ নীলমণি ফুকন উচ্চ মাধ্যমিক বিদ্যালয়' নামেৰে নামকৰণ কৰি ৰাজ্য চৰকাৰৰ হৈ স্থানীয় বিদ্যালয় সমূহৰ পৰিদৰ্শকে আয়োজন কৰা অনুষ্ঠানত সভাৰ উপ-সভাপতি শ্ৰীলীলা গগৈয়ে সভাত প্ৰতিনিধিত্ব কৰে। ফুকনৰ মৃত্যু-দিৱস ২১ জানুৱাৰীত যোৰহাট আৰু ডিব্ৰুগড়ত বিস্তৃত কাৰ্য-সূচীৰে শতবাৰ্ষিকী অনুষ্ঠানৰ আয়োজন কৰা হ'ব আৰু সেই সময়তে কেন্দ্ৰীয় চৰকাৰে ফুকনৰ সৌৰৱণত এটা ডাকটিকত প্ৰকাশ কৰাৰ সম্ভাৱনা আছে বুলি জনা গৈছে।

(খ) অহা ১৯ আগষ্ট তাৰিখে জ্ঞানদাভিৰাম বৰুৱাৰ শতবাৰ্ষিকী কেন্দ্ৰীয় ভাৱে নগাওঁত আৰু এটি অনুষ্ঠান গুৱাহাটীত আয়োজন কৰাৰ বাবে যোগাযোগ কৰা হৈছে।

(গ) চলিত বিত্তীয় বছৰতে 'শিশুজ্ঞানকোষৰ' প্ৰথম খণ্ড প্ৰকাশ কৰিব পৰাকৈ সম্পাদনা কৰি দিবৰ বাবে সাধাৰণ সম্পাদক শ্ৰীনৱকান্ত বৰুৱাক অনুৰোধ জনোৱা হৈছে আৰু এই মৰ্মে চিঠি পোৱা হৈছে।

(ঘ) সাম্প্ৰতিক পৰিস্থিতি সম্পৰ্কে সময়ে সময়ে সভাৰ দৃষ্টিভংগী সদৌ অসম ছাত্ৰসন্থা আৰু সদৌ অসম গণসংগ্ৰাম পৰিষদক জনাই থকা হৈছে আৰু সভাপতি আৰু সম্পাদকে যুটীয়া আৰু গুটীয়া ভাৱে বিবৃতি আদি প্ৰচাৰ কৰি আছে।

(ঙ) ৭ জুন তাৰিখে প্ৰধান সম্পাদক, ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য আৰু শ্ৰীযতীন গোস্বামী সভাৰ হৈ দিল্লীলৈ যায় আৰু সংসদৰ সদস্যসকলৰ মাজত সভাৰ দৃষ্টিভংগী জনাই লিখা এখন চিঠি প্ৰকাশ কৰে।

(চ) 'আচাম এণ্ড দি আচামিজ্ মাইণ্ড' আৰু 'ইক্লিপ্স ইন দি ইষ্ট' ইতিমধ্যে প্ৰকাশ কৰা হৈছে আৰু প্ৰথমখনৰ তিনি হেজাৰ কপিৰ পৰিৱেশনৰ দায়িত্ব চুক্তিপত্ৰ কৰি গুৱাহাটীৰ ইউনাইটেড পাব্লিচাৰ্চক দিয়া হৈছে।

(ছ) জাতীয় ন্যাসৰ পুঁজি খোলা হৈছে আৰু সামান্য সঁহাৰি লাভ কৰা হৈছে।

(জ) সাতদিনীয়া নাগৰিকৰ 'সাহিত্য সভাৰ প্ৰাক্তন সভাপতি'—এই নামত প্ৰকাশিত লেখা সম্পৰ্কে আৰু আনন্দ বাজাৰ পত্ৰিকাত ৰক্ষিত ৰায়ে লিখা প্ৰবন্ধত অসম সাহিত্য সভা সম্পৰ্কে কৰা মন্তব্যৰ আইনসম্মত ব্যৱস্থা লবলৈ বিষয়বাছনী সভা আৰু কাৰ্য-নিৰ্বাহক সমিতিয়ে দিয়া নিৰ্দেশ অনুসৰি যোৰহাট অধিবক্তা শ্ৰীমাণিকচন্দ্ৰ থাউণ্ডৰ মতামত লোৱা হয়।

শ্ৰীথাউণ্ডে জনায় যে 'এই কেইটা লেখাই, আইনৰ দৃষ্টিৰে, সভাৰ মৰ্যাদা হানি কৰিছে বুলিব নোৱাৰি। গতিকে আইনসঙ্গত ব্যৱস্থা গ্ৰহণ নকৰাই উচিত হ'ব।'

(ঝ) সভাপতি শ্ৰীযতীন্দ্ৰনাথ গোস্বামীয়ে ইতিমধ্যে গোৱালপাৰা আৰু কামৰূপ জিলাৰ বিভিন্ন ঠাই আৰু মঙলদৈ মহকুমাৰ বিভিন্ন ঠাই ভ্ৰমণ কৰে।

সমিতিয়ে ইতিমধ্যে কৰা কামত অনুমোদন জনায়।

৫। কাৰ্য-বিৱৰণিৰ পৰা তলত দিয়া বিষয়সমূহ উত্থিত আৰু আলোচিত হয়।

(ক) পুথিভঁড়াল উন্নয়ন আঁচনি সম্পৰ্কত শ্ৰীযোগেশ দাস আৰু শ্ৰীনন্দ তালুকদাৰে কয় যে তেখেতসকলে সভাৰ ছুয়োটা পুথিভঁড়াল উন্নয়নৰ বাবে আঁচনি দিয়া নাছিল। বৰং লক্ষ্মীৰাম বৰুৱা সদনক কেন্দ্ৰ কৰি এটা প্ৰসঙ্গ-পুথিভঁড়াল গঢ়ি তোলাৰ বাবেহে আঁচনি দিছিল। প্ৰধান সম্পাদকে জনায় যে — যিহেতু যোৰহাটত প্ৰস্তাৱিত 'অসমীয়া ভাষা-সাহিত্য সংস্কৃতিৰ কেন্দ্ৰীয় বিদ্যাসদন'ৰ আঁচনিৰ লগত দুগছৰৰ আগতেই কাৰ্য-নিৰ্বাহক সমিতিয়ে এটা পূৰ্ণাংগ প্ৰসঙ্গ-পুথিভঁড়াল স্থাপন

কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি থৈছে, সেই সিদ্ধান্ত আৰু প্ৰয়োজনীয়তাক সামৰি আৰু প্ৰস্তাৱিত আঁচনিকো লৈ সভাৰ দুয়োটা পুথিভঁৰাল উন্নয়নৰ বাবে সিদ্ধান্ত লোৱা হৈছে। সভাপতিয়ে কাৰ্য-নিৰ্বাহক সমিতিৰ সিদ্ধান্তৰ ভিত্তিত দুয়োটা পুথিভঁৰাল গঢ়ি তোলাৰ আঁচনি লওঁতে দুষ্প্ৰাপ্য পুথি-পত্ৰৰ ক্ষেত্ৰত দুয়োটা পুথিভঁৰালৰ মাজত সমন্বয় ৰক্ষা কৰিবলৈ আৰু দুখন পূৰ্ণাঙ্গ পুথিৰ তালিকা প্ৰস্তুত কৰি উলিয়াবলৈ পৰামৰ্শ আগবঢ়ায় যাতে পাৰস্পৰিক প্ৰয়োজন পূৰণ কৰিব পৰা হয়।

সমিতিয়ে পূৰ্বৰ সিদ্ধান্ত বাহাল ৰাখে আৰু সভাপতিয়ে পৰামৰ্শ গ্ৰহণ কৰে।

(খ) ড° হেমন্তকুমাৰ শৰ্মাই জ্ঞানদাভিৰাম বৰুৱা শতবাৰ্ষিকী গুৱাহাটীত আয়োজন কৰিবৰ কাৰণে এখন সমিতি গঠন কৰাৰ পৰামৰ্শ দিয়ে।

সমিতিয়ে সহকাৰী সম্পাদক শ্ৰীসতীশচন্দ্ৰ চৌধুৰীক আহ্বায়ক স্বৰূপে লৈ শ্ৰীৰাম গোস্বামী, ড° হেমন্তকুমাৰ শৰ্মা আৰু শ্ৰীযোগেশ দাসক লৈ এখন প্ৰস্তুতি সমিতি গঠন কৰি দিয়ে।

(গ) নগেন্দ্ৰনাৰায়ণ চৌধুৰী গ্ৰন্থাৱলীৰ সম্পৰ্কত ড° হেমন্তকুমাৰ শৰ্মাই জানিবলৈ বিচৰাত প্ৰধান সম্পাদকে কাৰ্য-নিৰ্বাহক সমিতিৰ সিদ্ধান্তৰ কথা পুনৰ উল্লেখ কৰে।

সমিতিয়ে গ্ৰন্থাৱলী উলিয়াবৰ বাবে প্ৰকাশন পৰিষদক অনুৰোধ কৰিবলৈ প্ৰধান সম্পাদকক পৰামৰ্শ দিয়ে।

(ঘ) শ্ৰীভদ্ৰকৃষ্ণ গোস্বামীয়ে জানিবলৈ বিচৰাত প্ৰধান সম্পাদকে জনায় যে শিশু-জ্ঞানকোষৰ সাধাৰণ সম্পাদক শ্ৰীনৱকান্ত বৰুৱা প্ৰমুখ্যে ২২ গৰাকী বুদ্ধিজীৱীয়ে এপ্ৰিল মাহৰ দৈনিক অসমত লিখা পত্ৰ সম্পৰ্কত জ্ঞানকোষৰ সম্পাদক গৰাকীৰ লগত যোগাযোগ কৰা হোৱা নাই। সমিতিয়ে যোগাযোগ কৰিবলৈ পৰামৰ্শ দিয়ে।

(ঙ) শ্ৰীকুমাৰ কিশোৰে পৰামৰ্শ আগবঢ়ায় যে 'আচাম এণ্ড দি আচামিজ মাইণ্ড' ৰ দ্বিতীয় সংস্কৰণ উলিয়াবলগীয়া হ'লে, প্ৰবন্ধসমূহত থকা পুনৰাবৃত্তি ঘটা অংশ সমূহ আঁতৰাই দিব লাগে আৰু প্ৰথম প্ৰবন্ধটোৰ পঞ্চম পেৰেগ্ৰাফৰ প্ৰথম বাক্যটোৰ প্ৰকাশ-ভংগী সম্পৰ্কে যাতে কোনেও ভুল ব্যাখ্যা দিব নোৱাৰে তাৰ প্ৰতি চকু ৰাখি প্ৰবন্ধ-লেখকৰ লগত আৱশ্যকীয় সাল-সলনিৰ বাবে যোগাযোগ কৰিব লাগে।

৬। প্ৰধান সম্পাদকে ৮।৬।৮০ তাৰিখে প্ৰকাশন উপ-সমিতিয়ে গ্ৰহণ কৰা আঁচনি উত্থাপন কৰে আৰু সমিতিয়ে 'কিতাপৰ কথা' নামৰ গ্ৰন্থ-পৰিচয় গ্ৰন্থমালাত অন্তৰ্ভুক্ত কৰি আঁচনিত অনুমোদন জনায়।

পৰিচয় গ্ৰন্থমালা :

(১) কবিতা — শ্ৰীটাবু টাইড, ইমদাদ উল্লাহ, ড° প্ৰফুল্ল কটকী।
(২) উপন্যাস — ড° সত্যেন্দ্ৰনাথ শৰ্মা
(৩) অসমৰ প্ৰকৃতিজাত সম্পদ — শ্ৰীকমলকুমাৰ লহকৰ
(৪) আধুনিক পাশ্চাত্য চিত্ৰশৈলী — শ্ৰীপুষ্প গগৈ
(৫) অসমৰ মানুহ — শ্ৰীলীলা গগৈ
(৬) কিতাপৰ কথা — শ্ৰীৰাম গোস্বামী
(৭) চাহমজদুৰ অসমীয়া সম্প্ৰদায় — শ্ৰীসুশীল কুৰ্মী

শতবাৰ্ষিকী প্ৰকাশন : নীলমণি ফুকন ৰচনাৱলী

(৮) প্ৰথম খণ্ড, সম্পাদক — শ্ৰীনগেন শইকীয়া
(৯) দ্বিতীয় খণ্ড, " — শ্ৰীৰাম গোস্বামী
(১০) তৃতীয় খণ্ড, " — শ্ৰীউপেন্দ্ৰ বৰকটকী
(১১) চতুৰ্থ খণ্ড, " শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা
(১২) জ্ঞানদাভিৰাম বৰুৱা গ্ৰন্থাৱলী, সম্পাদক — শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা

গ্ৰন্থাৱলী :

(১৩) পাৰ্বতীপ্ৰসাদ বৰুৱা গ্ৰন্থাৱলী, সম্পাদক — শ্ৰীপৰমনাথ শৰ্মা
(১৪) বিষ্ণুৰাভা গ্ৰন্থাৱলী

দুষ্প্ৰাপ্য গ্ৰন্থৰ প্ৰকাশ :

(১৫) ব্ৰজনাথৰ অসমীয়া অভিধান : আগকথা — ড° মহেশ্বৰ নেওগ
(১৬) কথা ভক্তি ৰত্নাকৰ, সম্পাদক — শ্ৰীনবীনচন্দ্ৰ গোস্বামী



জনজাতীয় ভাষা-সংস্কৃতি বিষয়ৰ পুথি :

(১৭) বড়ো অসমীয়া পাঠ— সভাপতি, বড়ো সাহিত্য সভা
(১৮) মিচিং অসমীয়া পাঠ—সভাপতি, মিচিং আগম কৌবাং
(১৯) কাৰ্বি অসমীয়া পাঠ — অধ্যাপক শ্ৰীৰং বং তেৰাং
(২০) দেউৰী শব্দমালা — শ্ৰীদণ্ডীৰাম দেউৰী। গ্ৰন্থখন ড° উপেন্দ্ৰনাথ গোস্বামীৰ দ্বাৰা সম্পাদনা কৰাব লাগে আৰু পূৰ্বৰ দেউৰীৰ পাঠ আদিও একেলগে সংযুক্ত কৰিব পাৰিবনেকি চাব লাগে।
(ডিমাচা-অসমীয়া পাঠ, ৰাভা শব্দমালা আৰু তিৱা শব্দমালা প্ৰকাশৰ বাবেও ব্যৱস্থা গ্ৰহণ কৰা হ'ব।)

(চ) সাধাৰণ প্ৰকাশন :

(২১) অসমীয়া ভাষা-সাহিত্য আৰু মিছনেৰীসকল — শ্ৰীবাণীকান্ত শৰ্মা
(২২) হৰিপ্ৰসাদ বাষ্ট, গোবিন্দচন্দ্ৰ পৈৰা, সোণাৰৰ বাহকবনীয়া গল্প সংগ্ৰহ — সম্পাদক শ্ৰীযোগেশ দাস
(২৩) সৰ্বানন্দ ৰাজকুমাৰৰ 'ফকৰা-যোজনা পুথি'ৰ সম্পাদিত ৰূপ — সম্পাদক শ্ৰীলীলা গগৈ
(২৪) আচাম ইন দি আইজ অৱ দি ফৰেইন ট্ৰেভেলাৰ্চ সম্পাদিক — শ্ৰীনন্দ তালুকদাৰ
(২৫) অসম সম্পৰ্কে বাহিৰৰ কাকতত ইংৰাজীত প্ৰকাশিত প্ৰবন্ধৰ বাছনি — সম্পাদক শ্ৰীপ্ৰভাত শৰ্মা
(২৬) অভয়াপুৰী বাৰ্ষিকী — শ্ৰীপ্ৰকাশ গোস্বামী
(২৭) গোলাঘাট বাৰ্ষিকী — শ্ৰীবসন্ত গোস্বামী
(২৮) বৰা বাৰ্ষিকী — শ্ৰীঅমল ৰাজখোৱা
(২৯) তেজপুৰ লেখক শিবিৰ গ্ৰন্থ — ড° হেমন্তকুমাৰ শৰ্মা
(৩০) শিৱসাগৰ লেখক শিবিৰ গ্ৰন্থ — আব্দুচ ছাত্তাৰ
(৩১) পাঠশালা লেখক শিবিৰ গ্ৰন্থ—শ্ৰীসতীশচন্দ্ৰ চৌধুৰী
(৩২) ডিব্ৰু লেখক শিবিৰ গ্ৰন্থ — শ্ৰীলীলা গগৈ
(৩৩) অসমৰ সাম্প্ৰতিক গণ-আন্দোলনৰ বিস্তৃত ঐতিহাসিক বিৱৰণ — শ্ৰীমহেন্দ্ৰনাথ শৰ্মা
(৩৪) অসমীয়া লেখক-পঞ্জী — শ্ৰীনন্দ তালুকদাৰ
(৩৫) অসমীয়া গ্ৰন্থপঞ্জী — শ্ৰীৰাম গোস্বামী
(৩৬) স্মৃতি দিৱস-পঞ্জী — শ্ৰীনন্দ তালুকদাৰ আৰু শ্ৰীপ্ৰকাশ গোস্বামী
(৩৭) পণ্ডিত শ্ৰীকৃষ্ণকান্ত সন্দিকৈ অভিনন্দন গ্ৰন্থ
(৩৮) চিলাৰায়ৰ জীৱনী — শ্ৰীঅম্বিকাচৰণ চৰকাৰ

(ছ) শিশু সাহিত্য :

(৩৯) ডাকুটকুট : শ্ৰীগগনচন্দ্ৰ অধিকাৰী
(৪০) গান-বাজনা আৰু ৰং-বিৰঙৰ খেলা — ড° মহেন্দ্ৰনাথ বৰা
(৪১) উদ্ভিদৰ কথা — শ্ৰীসুৰেশ ডেকা
(৪২) পাহাৰ বগাবলৈ যাওঁ — শ্ৰীখগেন্দ্ৰনাথ বৰা
(৪৩) নবী-কাহিনী — মঃ চাদেৰ আলি

(জ) পুনৰ্মুদ্ৰণ :

(৪৪) আচামিজ ফৰ অল — ড° মুকুন্দমাধৱ শৰ্মা
(৪৫) কাৰ্যালয় হাতপুথি — শ্ৰীযতীন গোস্বামী
(৪৬) অসমৰ জনজাতি — ড° প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য
(৪৭) বিংশ শতাব্দীৰ অসমীয়া সাহিত্য — শ্ৰীনগেন শইকীয়া

(ঝ) শিশু জ্ঞানকোষ :

(৪৮) প্ৰথম খণ্ড — সাধাৰণ সম্পাদক — শ্ৰীনৱকান্ত বৰুৱা

সমিতিয়ে পুঁজিৰ অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰয়োজন অনুসৰি ব্যৱস্থা লবলৈ পৰামৰ্শ দিয়ে আৰু অসম জাগৃতি পৰিষদৰ প্ৰস্তাৱিত গ্ৰন্থ, সাৰস্বতী ভাষ্যসহ গীতগোবিন্দ, উত্তৰ বৈষ্ণৱ অসমীয়া গীত-পদৰ সংকলন, হৰেশ্বৰ শৰ্মাৰ কুসুম কুমাৰী উপন্যাসৰ পুনৰ্মুদ্ৰণ, বিজুলী আৰু আসাম বন্ধুৰ পুনৰ্মুদ্ৰণৰ সম্পৰ্কত আৰু 'কোঁচ-ৰাজবংশীৰ ইতিহাস' প্ৰণয়ন সম্পৰ্কত বিবেচনাৰ বাট ৰাখে। শেহৰ গ্ৰন্থখনৰ সম্পৰ্কত শ্ৰীঅম্বিকাচৰণ চৰকাৰক পৰামৰ্শ দিবলৈ অনুৰোধ কৰা হয়।

৭। (ক) প্ৰধান সম্পাদকে জনায় যে যোৱা বছৰৰ আঁচনিৰ (১) মৌ মহাভাৰত (২) হস্তমুক্তাৱলী, (৩) বাগ্মীবৰ নীলমণি ফুকন স্মৃতিগ্ৰন্থ প্ৰকাশ হৈ ওলাইছে; আৰু (৪) আধুনিক অসমীয়া কবিতা,

(৫) ৰামচৰিত মানস, (৬) গুৱালকুছি বাৰ্ষিকী, (৭) গিৰিধৰ শৰ্মা স্মৃতিগ্ৰন্থ ছপাশালত আছে। তদুপৰি, (৮) মধ্য এছিয়াৰ শব্দ-সম্ভাৰ গ্ৰন্থৰ পাণ্ডুলিপি ছপাশালৰ পৰা আনি পূৰ্বৰ কাৰ্য-নিৰ্বাহকৰ আৰু বৰ্তমানৰ প্ৰকাশন উপ-সমিতিৰ সিদ্ধান্ত অনুসৰি পুনৰীক্ষণৰ ব্যৱস্থা কৰোৱা হৈছে। (৯) উপেন্দ্ৰচন্দ্ৰ লেখাৰু স্মৃতিগ্ৰন্থ সম্পৰ্কে সম্পাদক শ্ৰীভগৱান মৰলৰ পৰা কোনো পত্ৰাদি পোৱা নাই।

এই গ্ৰন্থসমূহৰ ভিতৰত 'আধুনিক অসমীয়া কবিতা'ৰ বাবে ১৯৭৭ আৰু ৭৮ চনত কলিকতাৰ জ্ঞানোদয় প্ৰেছক মুঠ ৪৭০০'০০ (চাৰি হেজাৰ সাতশ) টকা বেংক ড্ৰাফট্ যোগে দি থোৱা স্বত্বেও ছপাশালে মাত্ৰ দুহেজাৰ টকা পোৱা বুলি জনোৱাত ছপাশালৰ লগত যোগাযোগ কৰা হৈছে, কিন্তু কানো সদুত্তৰ পোৱা নাই।

প্ৰধান সম্পাদকে কৰা যোগাযোগত সমিতিয়ে অনুমোদন জনায়।

(খ) মধ্য এছিয়াৰ শব্দ সম্ভাৰ গ্ৰন্থ ছপাৰ বাবেও ১৯৭৭ চনতে দেৰগাৱঁৰ নাহৰণিৰ লুইত প্ৰিন্টাৰ্চক ৫,০০০'০০ (পাঁচ হেজাৰ) টকা অগ্ৰিম দিয়া হৈছিল। সমিতিয়ে উক্ত টকা সম্প্ৰতি ঘূৰাই আনিবলৈ আৰু গ্ৰন্থখন পুনৰীক্ষণত উপযুক্ত ছপাশালত দিবলৈ পৰামৰ্শ দিয়ে।

৮। সমিতিয়ে পূৰ্বৰ কাৰ্য-নিৰ্বাহকৰ সিদ্ধান্ত অনুসৰি ৰকৱা এজেন্সীক ২য় সংস্কৰণ প্ৰকাশৰ বাবে দিয়া 'খণ্ডবাক্য কোষ'ৰ সম্পৰ্কত যোগাযোগ কৰিবলৈ আৰু তলত নাম দিয়া গ্ৰন্থসমূহৰ পুনৰ্মুদ্ৰণ সম্পৰ্কত আগতে জৰিত আৰু নতুন প্ৰকাশকৰ লগত যোগাযোগ কৰিবলৈ পৰামৰ্শ দিয়ে।

(১) অসমৰ জনজাতি, (২) বিংশ শতাব্দীৰ অসমীয়া সাহিত্য, (৩) সাহিত্য সমীক্ষা, (৪) মোৰ জীৱন সোঁৱৰণ, (৫) কেহোঁকলি।

৯। সমিতিয়ে প্ৰকাশন সম্পৰ্কত তলত দিয়া বিধি-ব্যৱস্থাসমূহ গ্ৰহণ কৰে—

(ক) গ্ৰন্থৰ গ্ৰন্থকাৰ, সংকলক বা সম্পাদকে ছপাৰ উপযোগীকৈ পাণ্ডুলিপি প্ৰস্তুত কৰি প্ৰধান সম্পাদকলৈ পঠাব।

(খ) প্ৰধান সম্পাদকে পুনৰীক্ষণ কৰাৰ ব্যৱস্থা ল'ব। কোনো গ্ৰন্থ পুনৰীক্ষণ নকৰোৱাকৈ ছপাশাললৈ পঠোৱা নহব।

(গ) গ্ৰন্থত সংযোগ কৰিব লগীয়া চিত্ৰ লেখকে ব্লক কৰিব পৰাকৈ অঁকাই পাণ্ডুলিপিৰ লগত সংযোগ কৰি দিব লাগিব।

(ঘ) অসম সাহিত্য সভাৰ অনুৰোধ অনুসৰি লিখা, সংকলন কৰা বা সম্পাদনা কৰা গ্ৰন্থৰ স্বত্ব অসম সাহিত্য সভাৰ থাকিব।

(ঙ) গ্ৰন্থকাৰক পূৰ্বৰ নিয়ম অনুসৰি ১০ খন গ্ৰন্থ বিনামূলীয়াকৈ দিয়াৰ উপৰিও অতিৰিক্ত ৫০ খন গ্ৰন্থ বা গ্ৰন্থৰ ছপামূল্য মাননী স্বৰূপে দিয়া হ'ব।

(চ) পুথি ছপোৱাৰ ক্ষেত্ৰত সকলোই ছপাশালসমূহৰ পৰা মূল্য-পত্ৰ আহ্বান কৰি এটা নিৰিখ ধাৰ্য কৰি ল'ব।

১০। প্ৰধান সম্পাদকে জনায় যে বিষ্ণু ৰাভা গ্ৰন্থাৱলী সম্পৰ্কত বিষ্ণু ৰাভাৰ পুত্ৰ শ্ৰীপৃথিৰাজ ৰাভাই দিয়া চিঠিৰ সম্পৰ্কত যোৱা ১১।৭।৮০ তাৰিখে শ্ৰীৰাভাক তেজপুৰত লগ ধৰি আলোচনা কৰোতে তেওঁ জনায় যে গ্ৰন্থাৱলীৰ স্বত্ব কম বছৰৰ বাবে লৈ ৰচনাৱলীত হাত সুমুৱাকৈ প্ৰকাশ কৰিব লাগে আৰু স্বত্বৰ মূল্য সম্পৰ্কে তেওঁ আৰু তেওঁৰ মাত শ্ৰীযুতা মোহিনী ৰাভাৰ লগত আলোচনা কৰি ব্যৱস্থা কৰিব লাগে। স্বত্বৰ মূল্য সম্পৰ্কত তেখেতসকলৰ কোনো ধৰা বন্ধা দাবী নাই বুলি আৰু নিয়ম অনুসৰি প্ৰাপ্য-খিনি পাব লাগে বুলি জনায়।

প্ৰধান সম্পাদকে জনায় যে শ্ৰীযুতা মোহিনী ৰাভা তেজপুৰৰ পৰা বাহিৰত থকাত তেখেতৰ লগত আলোচনা কৰিব পৰা নগল। সমিতিয়ে এই বিষয়ত



যোগাযোগ কৰিবলৈ আৰু স্বত্বৰ মূল্য সম্পৰ্কে লিখিত সম্মতি লৈ আগ বাঢ়িবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে প্ৰকাশন পৰিষদৰ লগতো এই বিষয়ে প্ৰধান সাম্পাদকে যোগাযোগ কৰিব আৰু যদি ৰাভাৰ উত্তৰাধিকাৰী সকলৰ চৰ্তানুসৰি গ্ৰন্থাৱলী প্ৰকাশৰ বাবে পৰিষদে ব্যৱস্থা ল'ব পাৰিব বুলি জনায় তেনেহলে পৰিষদকে গ্ৰন্থাৱলী ছপোৱাৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনাব লাগে।

১১। প্ৰধান সম্পাদকে জনায় যে অসমৰ সাম্প্ৰতিক পটভূমিত উপন্যাস লিখিবৰ বাবে প্ৰতিযোগিতাৰ আয়োজন কৰিলে, ডিব্ৰুগড়ৰ বাণী মন্দিৰৰ শ্ৰীসূৰ্য হাজৰিকাই শ্ৰেষ্ঠ প্ৰতিযোগীক ৫০০'০০ (পাঁচশ) টকাৰ পুৰস্কাৰ অসম সাহিত্য সভাৰ যোগে দিবলৈ আৰু পুৰস্কৃত গ্ৰন্থখন প্ৰকাশ কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰি চিঠি দিছে।

সমিতিয়ে ন-প্ৰতিভাৰ সন্ধানত শিতানৰ প্ৰতিযোগিতাৰ বাবে তেনে এটি বিষয় ধাৰ্য কৰিবলৈ সিদ্ধান্ত কৰে।

১২। জাতীয় স্থাস আঁচনি সম্পৰ্কত উপ-সমিতি বহুৱাই আঁচনি প্ৰস্তুত কৰিবৰ কাৰণে আৰু মনোনীত কৰিবলগীয়া তিনিজন সদস্য মনোনীত কৰিবৰ কাৰণে কাৰ্য-নিৰাহক সমিতিয়ে পৰামৰ্শ দিয়ে।

১৩। কাৰ্যালয় সচিব পদৰ বাবে আবেদনপত্ৰ আহ্বান কৰি ইতিমধ্যে বিজ্ঞাপন প্ৰচাৰ কৰা হৈছে বুলি প্ৰধান সম্পাদকে জনায়। লগতে অন্যান্য অৰ্হতাৰ উপৰিও হিচাপ-পত্ৰ ৰাখিব জনা অৰ্হতাও বিচৰা হৈছে।

সমিতিয়ে অনুমোদন জনায় আৰু তলত নাম দিয়া সকলেৰে এখন বাছনী-সমিতি গঠন কৰি দিয়ে।

ড° সত্যেন্দ্ৰনাথ শৰ্মা, শ্ৰীৰাম গোস্বামী, সভাপতি আৰু প্ৰধান সম্পাদক। বাছনী-সমিতিৰ অনুমোদনক্ৰমে প্ৰধান সম্পাদকে নিযুক্তি দিব।

১৪। প্ৰধান সম্পাদকে কেন্দ্ৰীয় কাৰ্যালয়ত এজন কাৰ্যালয় সহকাৰী আৰু গুৱাহাটী কাৰ্যালয়ত এজন পিয়ন নিযুক্তি দিয়াৰ প্ৰয়োজন থকা বুলি জনায়।

সমিতিয়ে দুয়োটা পদৰ বাবে আৱশ্যকীয় বিজ্ঞাপন প্ৰচাৰ কৰি বাছনী-সমিতিৰ যোগে সাক্ষাত গ্ৰহণ কৰি নিযুক্তি দিবলৈ পৰামৰ্শ দিয়ে। নিয়মীয়া নিযুক্তি নোহোৱা পৰ্যন্ত নিতান্ত অস্থায়ী ভাৱে এমাহৰ বাবে তদৰ্থ নিযুক্তি দিবলৈ পৰামৰ্শ দিয়ে।

১৫। প্ৰধান সম্পাদকে জনায় কৰ্মচাৰী সকলৰ বাবে এখন কৰ্ম উপবিধি গ্ৰহণ কৰি লোৱাৰ আৱশ্যকতা আছে। এই উপবিধিত কৰ্মচাৰীসকলৰ কাম-কাজৰ দায়িত্ব বানচ, চুটী আদিৰ স্পষ্ট নিৰ্দেশ থাকিব লাগে। সদ্যহতে প্ৰধান সম্পাদকে কৰ্মচাৰীসকলক দায়িত্ব ন্যস্ত কৰিদিয়া ব্যৱস্থাত সমিতিয়ে অনুমোদন জনায়। সমিতিয়ে শ্ৰীঅৰুণ গোস্বামী, শ্ৰীকুমাৰ কিশোৰ, প্ৰধান সম্পাদক আৰু শ্ৰীযতীন গোস্বামী — এই চাৰিজন সদস্যৰে এখন বাছনী-কমিটি গঠন কৰি দিয়ে।

১৬। সমিতিয়ে বিত্তীয় উপবিধি সম্পৰ্কে আলোচনা কৰে আৰু যোৱা বছৰ গঠন কৰি দিয়া উপ-সমিতিৰ পৰামৰ্শাৱলী সংকোচন কৰি সৰল ৰূপ এটি দিবলৈ কৰ্ম-উপবিধি উপ-সমিতিৰ সদস্য সকলক দায়িত্ব দিয়ে। এই পৰামৰ্শাৱলী নিয়মাৱলী সংশোধনী প্ৰস্তাৱ হিচাপে শাখা সভাসমূহলৈ পঠাবলৈ পৰামৰ্শ দিয়ে।

১৭। অসম সাহিত্য সভা পত্ৰিকাৰ বাবে তলত দিয়া নিৰিখত বিজ্ঞাপন সংগ্ৰহ কৰিবলৈ শ্ৰীমহেশ্বৰ চুতীয়াক সংগৃহীত মূল্যৰ ২৫ শতাংশ কমিচনৰ ভিত্তিত অস্থায়ীভাৱে দায়িত্ব দিয়া হৈছে আৰু ৰাজ্যচৰকাৰৰ বিজ্ঞাপনৰ বাবে তথ্য আৰু জনসংযোগ বিভাগৰ লগত যোগাযোগ কৰা হৈছে।

| | |
|---|---|
| বেটুপাত চতুৰ্থ পৃষ্ঠা | ৮০০'০০ টকা |
| বেটুপাত দ্বিতীয় আৰু তৃতীয় পৃষ্ঠা (সম্পূৰ্ণ) | ৬০০'০০ টকা |
| বেটুপাত " " (আধা) | ৩৫০'০০ টকা |
| সাধাৰণ পৃষ্ঠা (সম্পূৰ্ণ) | ৪০০'০০ টকা |
| সাধাৰণ পৃষ্ঠা (আধা) | ২৫০'০০ টকা |
| সাধাৰণ পৃষ্ঠা (¼) | ১৫০'০০ টকা |

সমিতিয়ে অনুমোদন জনায়।

১৮। প্ৰধান সম্পাদকে ভাষা-শিক্ষা পৰিচালনা সমিতিৰ

পৰামৰ্শাৱলী উত্থাপন কৰে, সমিতিয়ে গ্ৰহণ কৰে আৰু বেতনৰ ক্ষেত্ৰত নিৰিখ পুনৰ নিৰ্ধাৰণ কৰিবলৈ সভাপতি, প্ৰধান সম্পাদক, কোষাধ্যক্ষ, ভাষাজ্ঞান পৰীক্ষা সংসদ সচিব আৰু সহকাৰী সম্পাদক দুজনক লৈ এখন উপ-সমিতি গঠন কৰি দিয়ে।

১৯। প্ৰধান সম্পাদকে জনায় যে কেন্দ্ৰীয় কাৰ্যালয়ৰ উচ্চবৰ্গৰ সহকাৰী শ্ৰীহেম শইকীয়া আৰু প্ৰধান সম্পাদকৰ অংশকালীন সহকাৰী শ্ৰীমাখন গগৈয়ে পাৰিতোষিক বৃদ্ধিৰ বাবে আবেদন জনাইছে।

সমিতিয়ে দুয়োখন আবেদন-পত্ৰ বিবেচনা কৰিবলৈ যোৱা বছৰৰ বেতন নিৰিখ উপ-সমিতিৰ শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, শ্ৰীমতী অৰুণা গোহাঁই আৰু শ্ৰীঅমল ৰাজখোৱাক দায়িত্ব দিয়ে।

উপ-সমিতিৰ পৰামৰ্শ অনুসৰি প্ৰধান সম্পাদকে সেই সময়ৰ পৰাই ব্যৱস্থা গ্ৰহণ কৰিব।

২০। ভাষা-শিক্ষা শ্ৰেণীৰ কাৰ্যালয় সহকাৰী শ্ৰীঅমূল্য হাজৈক যোৱা মাৰ্চ মাহৰ পৰা দি থকা ২৫০.০০ টকা বেতনৰ নিৰিখত সমিতিয়ে অনুমোদন জনায়।

২১। সমিতিয়ে প্ৰধান সম্পাদকক পৰামৰ্শ দিয়ে যে প্ৰকাশন অভিকৰ্তাৰ কাম কৰিবলৈ ইচ্ছুক লোকৰ আবেদন-পত্ৰ আৰু ব্যক্তিগত যোগ্যতাৰ ভিত্তিত প্ৰধান সম্পাদকে দায়িত্ব ন্যস্ত কৰিব।

২২। প্ৰধান সম্পাদকে ১৯৭৯-৮০ বিত্তীয় বছৰৰ পৰীক্ষিত হিচাপ আৰু হিচাপ পৰীক্ষকৰ মন্তব্য উত্থাপন কৰে। সমিতিয়ে গ্ৰহণ কৰে। (পৰীক্ষিত হিচাপ সংলগ্ন কৰি দিয়া হ'ল)। শ্ৰীকুমাৰ কিশোৰে সম্ভৱ ক্ষেত্ৰত আভ্যন্তৰীণ হিচাপ পৰীক্ষাৰ ব্যৱস্থা কৰিবলৈ দিয়া পৰামৰ্শৰ সম্পৰ্কত সমিতিয়ে ভৱিষ্যতে তেনে ব্যৱস্থা লোৱাৰ সম্ভাৱনীয়তা বিচাৰ কৰিবৰ বাবে বাট খোলা ৰাখে আৰু প্ৰধান সম্পাদকক হিচাপ পৰীক্ষকৰ পৰামৰ্শৰ ভিত্তিত সভাৰ হিচাপ-পত্ৰ অধিক শৃংখলা পূৰ্ণ কৰাৰ ওপৰত গুৰুত্ব দিবলৈ পৰামৰ্শ দিয়ে।

২৩। প্ৰধান সম্পাদকে ১৯৮০-৮১ চনৰ বাবে সৰ্বমুঠ ১৩, ৫৩, ২০৭.০০ টকা আয়ৰ আৰু ১৫, ৭৬, ২৭০.০০ টকা ব্যয়ৰ মুঠ ২৩, ০৬৩.০০ টকা ঘাটিৰ বাজেট উত্থাপন কৰে। সমিতিয়ে গ্ৰহণ কৰে আৰু ঘাটি পূৰণৰ বাবে প্ৰকাশন বিক্ৰীত গুৰুত্ব দিবলৈ আৰু সম্ভৱপৰ ক্ষেত্ৰত ব্যয় সংকোচ কৰিবলৈ পৰামৰ্শ দিয়ে। (বাজেট সংলগ্ন কৰি দিয়া হ'ল।)

২৪। সমিতিয়ে সাম্প্ৰতিক পৰিস্থিতি সম্পৰ্কে বিশদভাৱে আলোচনা কৰে আৰু তলত দিয়া প্ৰস্তাৱ গ্ৰহণ কৰে।

প্ৰথম প্ৰস্তাৱ :

(ক) অসমত বিদেশী অনুপ্ৰৱেশকাৰীৰ অৱস্থিতিৰ কথা আৰু ইয়াৰ ফলত অসমৰ জনসাধাৰণ আৰ্থ-সাংস্কৃতিক জটিলতাৰ সন্মুখীন হোৱাৰ কথা কেন্দ্ৰীয় চৰকাৰে স্বীকাৰ কৰিও এই সমস্যা সমাধানৰ বাবে কোনো ইতিবাচক ভূমিকা গ্ৰহণ কৰিবলৈ আগবাঢ়ি নহাটো অতিশয় পৰিতাপৰ কথা হৈছে। ভাৰতৰ প্ৰধান মন্ত্ৰীয়ে সমস্যা সমাধানৰ বাবে 'মুকলি মনৰে' থকাৰ কথা ঘোষণা কৰিলেও কাৰ্য্যতঃ বিভিন্ন সময়ত আৰু স্থানত অসমৰ জনসাধাৰণৰ আন্দোলনৰ বিৰুদ্ধে বিবৃতি আৰু মন্তব্য দি আন্দোলনটোক দীঘলীয়া আৰু তাৰ দ্বাৰা জটিল কৰিবলৈ বিচাৰিছে বুলি ধাৰণা কৰিবলৈ জনসাধাৰণক বাধ্য কৰিছে।

(খ) জনসাধাৰণ প্ৰত্যয় গৈছে যে—চৰকাৰে আন্দোলনৰ বিৰুদ্ধে ৰাজনৈতিক সাম্প্ৰদায়িক শক্তিবোৰক উজনি দিছে যাৰ ফলত ৰাজ্যখনৰ বিভিন্ন ঠাইত কেবাবোৰ ঘটনা সংঘটিত হৈছে। চৰকাৰে এনে ঘটনাৰ দায় আন্দোলনকাৰীৰ ওপৰত জাপি দিবলৈ অসত্যৰ আশ্ৰয় লোৱাটোও পৰিতাপৰ কথা হৈছে। জনসাধাৰণৰ মাজত বিভাজন আনিবলৈ যত্ন কৰা আৰু তাৰ দ্বাৰা আন্দোলনৰ মূল লক্ষ্যক পথভ্ৰষ্ট কৰিবলৈ যত্ন কৰাৰ ফলস্বৰূপে চৰকাৰৰ প্ৰতি জনসাধাৰণে বিশ্বাস হেৰুৱাই



পেলোৱাৰ দুৰ্ভাগ্যজনক উপক্ৰম ঘটিছে।

(গ) অসমৰ জনসাধাৰণে দেশৰ পবিত্ৰ সংবিধানৰ ভিত্তিত ন্যায়সঙ্গত দাবী তুলি ধৰা সত্ত্বেও, এই দাবী তুলিবলৈ গৈ যোৱা প্ৰায় বছৰমাহে অনেকেই জীৱন আৰু সম্পত্তি হেৰুৱাই অশেষ ত্যাগ স্বীকাৰ কৰা সত্ত্বেও, চৰকাৰে সংবিধান আৰু দেশৰ আইনসঙ্গত গ্ৰহণযোগ্য সিদ্ধান্ত লোৱাৰ বিপৰীতে কঠোৰ দমন-আইনৰ আশ্ৰয় লোৱাটো চৰকাৰৰ গণতন্ত্ৰ বিৰোধী নীতিৰ পৰিচায়ক বুলি প্ৰমাণিত হৈছে। কেৱল এইয়ে নহয়, চৰকাৰৰ এনে দৃষ্টিভংগী আৰু কামকাজত উপনিবেশিক চৰকাৰৰ চৰিত্ৰ প্ৰতিফলিত হোৱা বুলি অভিযোগ তোলাৰো বাট ওলাইছে। অসম সাহিত্য সভাই এই সকলো বিষয় পৰ্যালোচনা কৰি গভীৰ উদ্বেগ প্ৰকাশ কৰে আৰু দাবী কৰে —

(ক) সকলো প্ৰকাৰৰ দলীয় ৰাজনৈতিক স্বাৰ্থৰ উৰ্দ্ধত, দেশৰ সংবিধান আৰু সংশ্লিষ্ট আইনৰ ভিত্তিত অসমৰ সমস্যা সমাধান কৰিবলৈ চৰকাৰে শীঘ্ৰেই আলোচনাৰ ব্যৱস্থা কৰক।

(খ) সকলো প্ৰকাৰৰ গণতন্ত্ৰ বিৰোধী দমনমূলক আইন প্ৰত্যাহাৰ কৰক।

(গ) "বিভক্ত কৰা আৰু শাসন কৰা"ৰ নিন্দনীয় নীতি পৰিহাৰ কৰি জনসাধাৰণৰ মাজত বিশ্বাস ঘূৰাই আনিবলৈ ব্যৱস্থা কৰক।

(ঘ) আন্দোলনৰ সুযোগ লৈ আন্দোলনৰ বিৰোধী ৰাজনৈতিক সাম্প্ৰদায়িক চক্ৰবোৰে ঘটোৱা সকবৰ সকলো ঘটনাৰ আৰু প্ৰশাসনে চলোৱা অত্যাচাৰ উৎপীড়নৰ ঘটনাৰ ন্যায়িক তদন্তৰ ব্যৱস্থা কৰক আৰু দোষীক শাস্তি প্ৰদান কৰক।

(ঙ) চৰকাৰী-অৰ্ধচৰকাৰী কৰ্মচাৰীসকলৰ ওপৰত লোৱা দমন-নীতি প্ৰত্যাহাৰ কৰিব লাগে।

(চ) ৰাজ্যখনলৈ স্বাভাৱিক অৱস্থা ঘূৰাই অনাৰ বাবে নিন্দনীয় বিভাজন আৰু দমন-নীতি পৰিত্যাগ কৰি চৰকাৰ আগবাঢ়ি আহক আৰু আলোচনাৰ মাজেৰে সমস্যা সমাধান কৰক।

অসম সাহিত্য সভাই চৰকাৰক অতি স্পষ্ট ভাষাৰে সঁকিয়াই দিব খোজে যে চৰকাৰে জনসাধাৰণৰ স্বাৰ্থৰ বাবে দলীয় স্বাৰ্থ ত্যাগ কৰিব নোৱাৰিলে সমস্যা সমাধানৰ বাট নোলাব আৰু তাৰ ফলত হোৱা আৰু হ'ব পৰা সকলো ঘটনাৰ দায় চৰকাৰে বহন কৰিব লাগিব।

দ্বিতীয় প্ৰস্তাৱ : অসমৰ ৰাজ্যপালৰ মুখ্য উপদেষ্টা শ্ৰীহৰিশচন্দ্ৰ চাৰিণে অসমৰ নাৰীসকলৰ চৰিত্ৰ সম্পৰ্কে অসন্মানসূচক মন্তব্য কৰাত অসম সাহিত্য সভাৰ কাৰ্য-নিৰ্বাহক সমিতিয়ে নিন্দা কৰে। সভাই অনুভৱ কৰে যে যি সময়ত আলোচনাৰ মাজেৰে সমস্যাৰ সমাধান হ'ব লাগে বুলি অসম সাহিত্য সভাই পুনঃপৌনিক ভাৱে দাবী কৰি আহিছে সেই সময়ত এনে ধৰণৰ অশালীন মন্তব্যই অসমৰ জনসাধাৰণৰ মৰ্যাদা লাঘৱ কৰি অসন্তুষ্টি বঢ়াই তোলাটো অত্যন্ত পৰিতাপৰ কথা হৈছে।

২৫। সাম্প্ৰতিক আন্দোলনৰ সম্পৰ্কত সমাধান-সূত্ৰ গ্ৰহণৰ বাবে কিমান দূৰলৈকে সভা যাব পাৰে সেই সম্পৰ্কত প্ৰধান সম্পাদকে কাৰ্য-নিৰ্বাহক সমিতিৰ নিৰ্দেশক নীতি বিচাৰে যাতে তাৰ ভিত্তিত গণ-সংগ্ৰাম পৰিষদ আৰু ছাত্ৰ সন্থাক প্ৰয়োজন অনুসৰি সভাৰ সিদ্ধান্তৰ কথা জনাব পৰা যায়।

২৬। অষ্টচত্বাৰিংশ সন্মিলনৰ সভাপতি পদৰ বাবে নিয়মাৱলী অনুসৰি নাম প্ৰস্তাৱ কৰাৰ সময় হোৱা বুলি প্ৰধান সম্পাদকে জানিবলৈ দিয়ে। কাৰ্য-নিৰ্বাহক সমিতিৰ সদস্যসকলে প্ৰত্যেকেই গোপনে পাঁচোটাকৈ নাম ক্ৰমমূল্যানুসৰি লিখি সভাপতিৰ হাতত জমা দিয়ে। সভাপতিয়ে সদস্যসকলৰ ভোট গণনাৰ পিছত ফল ঘোষণা কৰে যে — (১) শ্ৰীসীতানাথ ব্ৰহ্মচৌধুৰী, (২) ড° বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য, (৩) শ্ৰীমনোৰঞ্জন শাস্ত্ৰী, (৪) শ্ৰীবাৰ্ম্মহান শ্বাহ আৰু (৫) শ্ৰীভবেন নাৰ্জী এই পাঁচ গৰাকী লোকৰ নাম নিৰ্বাচিত হৈছে। এই পাঁচ

গৰাকীৰ কোনোৱে সন্মতি নজনালে ক্ৰমে শ্ৰীপৰাগ চলিহা, শ্ৰীহৰিপ্ৰসাদ ৰাই আৰু শ্ৰীহৰিশ্চন্দ্ৰ ভট্টাচাৰ্য এই কেইগৰাকীৰ মাজৰ পৰা প্ৰধান সম্পাদকে ক্ৰমানুসৰি সন্মতি লৈ পাঁচজনীয়া তালিকা পূৰ্ণ কৰিব।

২৭। অষ্টচত্বাৰিংশ সন্মিলন সম্পৰ্কে প্ৰাথমিক আলোচনা হয়। সমিতিয়ে তিনিচুকীয়াৰ সাম্প্ৰতিক পৰিস্থিতিৰ উপশম ঘটিলেই প্ৰয়োজনীয় যোগাযোগ কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

২৮। (ক) সমিতিয়ে তলত নাম দিয়া ব্যক্তিসকলক অসম সাহিত্য সভাৰ আজীৱন সভ্য স্বৰূপে স্বীকৃতি দিয়ে।

(১) শ্ৰীসত্যৰঞ্জন দে — ওদালগুৰি, দৰং
(২) শ্ৰীদেৱকুমাৰ শৰ্মা — যোৰহাট - ১
(৩) শ্ৰীমতী দেৱবালা ভূঞা — চাৰিং, শিৱসাগৰ
(৪) অধ্যাপক আলহজ ইক্ৰামুদ্দিন শইকীয়া—আমবাৰী, গুৱাহাটী - ১

(খ) তলত নাম দিয়া শাখা সভাক মূল সভাৰ শাখা স্বৰূপে স্বীকৃতি দিয়া হয়।

১) দীপজ্যোতি শাখা সাহিত্য সভা — বছা মহিমা বাৰী, পোঃ ৰবহোলা, যোৰহাট।

২৯। মৰিগাওঁ জ্যোতি সাহিত্য সভা আৰু গোৱালপাৰাৰ ধনশিৰীপৰীয়া সাহিত্য সভাৰ স্বীকৃতি সম্প্ৰতে স্থগিত ৰখা হয়। দুয়োখন শাখা সম্পৰ্কে প্ৰধান সম্পাদকে প্ৰতিবেদন সংগ্ৰহ কৰাৰ পিছত কাৰ্য-নিৰ্বাহক সমিতিত দাখিল কৰিবলৈ পৰামৰ্শ দিয়া হয়।

৩০। তেজপুৰ সাহিত্য সভাৰ সম্পাদকৰ বিৰুদ্ধে পোৱা অভিযোগৰ কথা প্ৰধান সম্পাদকে উত্থাপন কৰি জনায় যে যোৱা ১০ জুলাই তাৰিখে তেজপুৰলৈ গৈ সভাৰ সম্পাদক আৰু সভাপতিক লগ পোৱাৰ উপৰিও সভাৰ ভিতৰৰ আৰু বাহিৰৰ কিছু সংখ্যক লোককো লগ পোৱা হয়। তেজপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি শ্ৰীলাচিত মেধি আৰু তেজপুৰ সাহিত্য সভাৰ কাৰ্য-নিৰ্বাহকৰ সদস্য শ্ৰীমহেন্দ্ৰ কেওঁটৰ পত্ৰ সম্পৰ্কে প্ৰধান সম্পাদকে সমিতিক জানিবলৈ দিয়ে।

সমিতিয়ে প্ৰধান সম্পাদকে লোৱা ব্যৱস্থাত অনুমোদন জনায় আৰু মত প্ৰকাশ কৰে যে নিয়ম অনুসৰি শাখা সভাসমূহৰ সাধাৰণ সভ্য সংখ্যা আৰু আজীৱন সভ্য সংখ্যা বৃদ্ধিত গুৰুত্ব দিবলৈ জনাব লাগে।

৩১। শ্ৰীসুশীল কুৰ্মীয়ে চাহবাগিচা অঞ্চলৰ সমস্যা সম্পৰ্কে বিৱৰি কয়। অন্যান্য সদস্য সকলেও এই বিষয়ত অংশ লয়।

৩২। প্ৰধান সম্পাদকে জনজাতীয় ৰাইজ, চাহবাগিচাৰ ৰাইজ, চৰ অঞ্চলৰ ৰাইজ আৰু নেপালী ৰাইজৰ মাজত বিতৰণৰ বাবে প্ৰস্তুত কৰা প্ৰচাৰ-পত্ৰৰ খচৰা উত্থাপন কৰে।

সমিতিয়ে নীতিগতভাৱে গ্ৰহণ কৰে আৰু সংশ্লিষ্ট ৰাইজক স্পৰ্শ কৰিব পৰাকৈ প্ৰয়োজন অনুসৰি ভাষাত হাত ফুৰাবলৈ পৰামৰ্শ দিয়ে।

৩৩। শ্ৰীঅম্বিকাচৰণ চৰকাৰে কোচ ৰাজবংশীসকলৰ বিষয়ে কয়। সমিতিয়ে এই বিষয়ত লবলগীয়া আৰু লবপৰা ব্যৱস্থাৰ বিষয়ে আলোচনা কৰে আৰু 'সাংস্কৃতিক-সংহতি' আঁচনিৰ কাৰ্যকাৰিতাত গুৰুত্ব দিয়ে।

৩৪। সভাপতিয়ে কাৰ্য-নিৰ্বাহকৰ সিদ্ধান্তসমূহ কাৰ্যকৰী কৰাত সদস্য সকলৰ সক্ৰিয় সহযোগিতা কামনা কৰে।

৩৫। প্ৰধান সম্পাদকে সকলোটিলৈকে শলাগ জ্ঞাপন কৰে আৰু সভাপতিয়ে সভাৰ সামৰণি ঘোষণা কৰে।

স্বাঃ শ্ৰীযতীন্দ্ৰনাথ গোস্বামী,
সভাপতি,
অসম সাহিত্য সভা।
১৩ জুলাই ১৯৮০।

স্বাঃ শ্ৰীনগেন শইকীয়া
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা।
১৩।৭।৮০

## সাম্প্ৰতিক গণ-আন্দোলনৰ ঘটনা-পঞ্জী

( যোৱা সংখ্যাৰ পিচৰ পৰা )

জুন ১, ১৯৮০— যোৱা ৩১ মে'ত প্ৰধানমন্ত্ৰীৰ আহ্বানত দিল্লীত অনুষ্ঠিত সৰ্বদলীয় বৈঠকে আন্দোলন প্ৰত্যাহাৰ কৰিবলৈ জনোৱা আহ্বান আজি সদৌ অসম ছাত্ৰ সন্থাই অগ্ৰাহ্য কৰে।

জুন ৫ — ৰাজ্যপালে আৰু ছমাহৰ বাবে সমগ্ৰ অসমক "অশান্ত অঞ্চল" বুলি ঘোষণা কৰে।

জুন ৯ — গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ শ্ৰীইবটম্বী সিঙৰ একজনীয়া খণ্ড-আদালতে নিবাৰক নিৰোধ আইনমতে গ্ৰেপ্তাৰ হোৱা অসমৰ সাম্প্ৰতিক আন্দোলনৰ ৮ গৰাকী নেতাক শীঘ্ৰে মুক্তি দিবলৈ নিৰ্দেশ দিয়ে।

জুন ১০ — "ছাত্ৰ সংহতি" দিৱস পালন।

জুন ১০-২০—"ষড়যন্ত্ৰ বিৰোধী" সপ্তাহ পালন।

জুন ১২ — যোৱা ১০ জুনত লোকসভাই জনোৱা অনুমোদন ক্ৰমে আজিৰ পৰা পুনৰ ৬ মাহলৈ অসমত ৰাষ্ট্ৰপতি শাসনৰ ম্যাদ বৃদ্ধি কৰা হয়।

জুন ১৩ — সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলত "কলা পতাকা দিৱস" পালন।

জুন ১৩-২০—কৰ্মচাৰীসকলৰ ঐক্য আৰু সংহতি সপ্তাহ পালন।

জুন ১৬ — নিবাৰক নিৰোধ আইনৰ অধীনত আজি ৰাতি উত্তৰ-পূৰ্বাঞ্চল ছাত্ৰ সন্থাৰ সভাপতি শ্ৰীযতীন মালীক গ্ৰেপ্তাৰ কৰে।

জুন ১৯ — সমাজ বিৰোধীলোকৰ ষড়যন্ত্ৰত তিনিচুকীয়াত পুনৰ অশান্তি আৰম্ভ। ৪ জন নিহত। চহৰত পুনৰ সান্ধ্য আইন জাৰি কৰা হয়। ইকালে কামৰূপ জিলাত সকলো প্ৰকাৰৰ ব্যায়াম, কুচ্-কাৱাজ বন্ধ কৰিবলৈ উপায়ুক্তৰ নিৰ্দেশ জাৰি।

জুন ২০ — সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ-সংগ্ৰাম পৰিষদৰ আহ্বান ক্ৰমে সমগ্ৰ অসমতে বিভিন্ন জনগোষ্ঠীৰ সমন্বয়ৰ প্ৰতীক স্বৰূপ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ মৃত্যু বাৰ্ষিকী "ৰাভা দিৱস" হিচাপে পালন কৰা হয়।

অসমৰ সমস্যা সমাধানৰ হেতু প্ৰধান মন্ত্ৰীয়ে বিৰোধী নেতা সকলৰ লগত আনুষ্ঠানিকভাৱে এলানি আলোচনা কৰে। নাৰেঙ্গীৰ অইল ইণ্ডিয়াৰ সদৰ কাৰ্যালয়ৰ চৌহদত সান্ধ্য আইনৰ ম্যাদ দুমাহলৈ বৃদ্ধি।

জুন ২১-২২ — মহকুমা ভিত্তিত দুদিনীয়াকৈ স্বেচ্ছাসেৱক বাহিনীৰ সমাৱেশ। উত্তৰ লক্ষীমপুৰত স্বেচ্ছাসেৱক বাহিনীৰ উদ্যোগত ওলোৱা শান্তিপূৰ্ণ সমদল কাৰীৰ ওপৰত

পুলিচৰ গুলীচালনা। তিনিজনৰ মৃত্যু আৰু শতাধিক লোক আহত। ২২ জুনত সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বান ক্ৰমে গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিৰিঞ্চিকুমাৰ বৰুৱা প্ৰেক্ষাগৃহত অসমৰ জন-জাতীয় সংগঠন সমূহৰ এখনি ৰাজহুৱা সন্মিলন অনুষ্ঠিত হয়।

অসম সাহিত্য সভাৰ সিদ্ধান্ত অনুযায়ী সমগ্ৰ অসমতে ২২ জুনৰ দিনটো ৰাষ্ট্ৰীবৰ কৰ্মী নীলমণি ফুকনৰ জন্ম-শতবাৰ্ষিকী উৎসৱ উপলক্ষে "জাতীয় স্বাৰ্থ ৰক্ষা দিৱস" হিচাপে পালন কৰা হয়। এই দিৱস পালনত সদৌ অসম ছাত্ৰ সন্থাই সমৰ্থন আৰু সহযোগ আগবঢ়ায়।

পুলিচী আতিশয্যৰ প্ৰতিবাদত সৰভোগ আঞ্চলিক ছাত্ৰ সন্থাৰ আহ্বানত এই অঞ্চলত পুৱা ৬ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ বন্ধ পালন কৰা হয়।

জুন ২৫ — "আত্মৰক্ষা দিৱস" পালন। সদৌ অসম ছাত্ৰ সন্থা আৰু স্বেচ্ছাসেৱক বাহিনীৰ উদ্যোগত পঞ্চাশ পইচাৰ কুপন বিক্ৰী অভিযান চলোৱা হয়।

জুন ২৬ — ২৪ ঘণ্টীয়া অসম বন্ধ পালন।

জুন ২৭ — দিল্লীত অনুষ্ঠিত হব লগীয়া মুক্তি যুঁজাৰু অভিবৰ্তনত অসমৰ আন্দোলনক সমৰ্থন জনাই প্ৰস্তাৱ গ্ৰহণ কৰিবৰ বাবে অসমৰ মুক্তি যুঁজাৰু সকলক আহ্বান জনায় লগতে লোক সভাৰ সন্মুখত ধৰ্ণা দিবৰ বাবেও অসমৰ প্ৰতিনিধি সকলক অনুৰোধ জনোৱা হয়।

জুন ২৮ — ভেল্লাত সন্ধানহীন হৈ থকা শ্ৰীমুকুল ইছলাম আৰু মনোৱাৰ আলিৰ সন্ধানত যোৱা অসম পুলিচ বাহিনীৰ দুজন লোকক আজি হাজাৰ হাজাৰ বাংলাদেশীলোকে অস্ত্ৰ-শস্ত্ৰ লৈ অপহৰণ কৰে।

জুন ২৯ — প্ৰবীণ নেতা ওমৰুদ্দিনে বিদেশী নাগৰিক বহিষ্কাৰৰ ক্ষেত্ৰত ছাত্ৰ সন্থাই কৰা ১৯৫১ চনৰ দাবীকে মানি লৈ কাম আৰম্ভ কৰাৰ পৰামৰ্শ আগবঢ়ায়।

জুলাই ৪,৫,৬— অসমৰ পৰা বাহিৰলৈ যোৱা আৰু অসমলৈ অহা সকলো ৰেল আৰু বিমান চলাচল বন্ধ কৰা হয়।

জুলাই ৭, ২০— সকলো কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰী আৰু অৰ্দ্ধচৰকাৰী কাৰ্যালয় সমূহত পিকেটিং কৰা হয়।

জুলাই ১১— ষড়যন্ত্ৰকাৰীৰ হাতত কৰ্তব্যৰত অৱস্থাত থকা স্বেচ্ছাসেৱক শ্ৰীবাবন ওৰাওৰ করুণ মৃত্যু ঘটে।

জুলাই ২৩,২৪,২৫— অসমৰ সাম্প্ৰতিক আন্দোলন স্থগিত কৰণ আৰু সমাধানৰ সূত্ৰ বিচাৰি অন্যতম মধ্যস্থতাকাৰী মণিপুৰৰ মুখ্য মন্ত্ৰী ৰাজকুমাৰ দোৰেন্দ্ৰ সিঙে গুৱাহাটীত সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ-সংগ্ৰাম পৰিষদৰ নেতৃবৰ্গৰ লগত আলোচনা কৰে।

জুলাই ২৪ — লোকসভাত গৃহীত "অসম অত্যাৱশ্যকীয় সেৱা বিল"ৰ প্ৰতিবাদ জনাই আজি সমগ্ৰ অসমতে কৰ্মচাৰী সমাবেশ আয়োজিত হয়।

আততায়ীৰ হাতত বিজুলীঘাট হাবলাখা গণ-সংগ্ৰাম পৰিষদৰ সাংগঠনিক সম্পাদক শ্ৰীভূপেন কলিতাৰ মৃত্যু হয়।

অগষ্ট ২ — আজি মাজনিশা মণিপুৰৰ মুখ্যমন্ত্ৰী ৰাজকুমাৰ দোৰেন্দ্ৰ সিঙৰ মধ্যস্থতাত গুৱাহাটী চাৰ্কিট হাউছত সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ-সংগ্ৰাম পৰিষদৰ নেতৃবৰ্গৰ লগত হোৱা গুৰুত্বপূৰ্ণ আলোচনাৰ পাছত উভয়পক্ষৰ মাজত এখন 'ছয় দফীয়া চুক্তি-পত্ৰ' গৃহীত হয়। * * * আজি নিশা ৰাজ্য-চৰকাৰে যোৱা ৬ এপ্ৰিল তাৰিখে জাৰি কৰা ১৯৫৫ চনৰ অসম অশান্ত অঞ্চল আইন আৰু ১৯৫৮ চনৰ সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন দুখনৰ অধিসূচনা প্ৰত্যাহাৰ কৰে। ছাত্ৰ-সন্থাইও খাৰুৱাতেল অৱৰোধ কাৰ্যসূচীৰ বাদে বাকী অৱৰোধ কাৰ্য আংশিক ভাবে শিথিল কৰি দিয়াৰ সিদ্ধান্ত লয়।

আগষ্ট ৪ — ৰাজ্য চৰকাৰে যোৱা ইং ৩০।৬।৮০ তাৰিখে শিৱসাগৰ জিলাৰ জাঁজী অঞ্চলৰ ৪খন গাৱঁত জাৰি কৰা পাইকাৰী জৰিমনাৰ আদেশ উঠাই লয়।

আগষ্ট ৫ — অসমৰ বিভিন্ন ঠাইৰ ৪০ খন গাৱঁত জাৰি কৰা প্ৰায় ৪ লাখ টকাৰ পাইকাৰী জৰিমনা চৰকাৰে উঠাই লোৱাৰ কথা ঘোষণা কৰে।

আগষ্ট ৬ — গুৱাহাটী বিশ্ববিদ্যালয়ৰ আইন ছাত্ৰ-সন্থাৰ কাৰ্যালয়ত সদৌ অসম ছাত্ৰ-সন্থাৰ কাৰ্য-নিৰ্বাহকৰ বৈঠক বহে। সভাত গৃহীত প্ৰস্তাৱ যোগে অহা ইং ১০ আগষ্টৰ ভিতৰত চৰকাৰী চাকৰিয়াল আৰু আন্দোলনকাৰী সকলৰ ওপৰত লোৱা সকলো শাস্তি মূলক ব্যৱস্থা প্ৰত্যাহাৰ কৰি ১১ তাৰিখৰ প্ৰস্তাৱিত আলোচনা সফল কৰি তুলিবলৈ চৰকাৰৰ ওচৰত দাবী জনায়।

আগষ্ট ১১ — ইম্ফলত মণিপুৰৰ মুখ্যমন্ত্ৰী ৰাজকুমাৰ দোৰেন্দ্ৰ সিঙৰ লগত ৪ জনীয়া ছাত্ৰ-প্ৰতিনিধি সকলৰ নিষ্ফল আলোচনা হয়। দমনমূলক নীতি প্ৰত্যাহাৰ কৰি চৰকাৰে নিজৰ প্ৰতিশ্ৰুতি পালন কৰিবলৈ ব্যৰ্থ হোৱাত মূল বিষয়ৰ ওপৰত আলোচনা নকৰাকৈ কেৱল প্ৰতিবাদ জনাই প্ৰতিনিধি দলটো উভতি আহে।

আগষ্ট ১৮ — দিল্লীত কেন্দ্ৰীয় ৰাজ্যিক গৃহমন্ত্ৰী শ্ৰীযোগেন্দ্ৰ মাকৱানাৰ লগত ছাত্ৰ-সন্থাৰ ৫ জনীয়া আৰু গণ-সংগ্ৰাম পৰিষদৰ ৩ জনীয়া প্ৰতিনিধি দলৰ ব্যৰ্থ আলোচনা। প্ৰাথমিক দাবী সমূহ মানি নোলোৱাত সংগ্ৰামী সকলৰ প্ৰতিবাদ সাব্যস্তকৰণ। আলোচনাত অসম চৰকাৰৰ হৈ ৰাজ্যপাল শ্ৰীলালনপ্ৰসাদ সিং আৰু মুখ্য উপদেষ্টা শ্ৰীহৰিশচন্দ্ৰ চাৰিদ উপস্থিত আছিল।

আগষ্ট ২৬ — মাৰ্ঘেৰিটা চহৰৰ এখন হাইস্কুল খোলা লৈ দিনৰ প্ৰায় ১১ বজাৰ পৰা হিংসাত্মক ঘটনা ঘটিবলৈ ধৰে। ৪ জন লোকৰ মৃত্যু হয় আৰু প্ৰায় ৫০ জন লোক আহত হয়। চৰকাৰে সান্ধ্য আইন জাৰি কৰে।

আগষ্ট ২৭ — সদৌ অসম ছাত্ৰ-সন্থাৰ স্বেচ্ছাসেৱক বাহিনীয়ে ৰাজ্যখনৰ প্ৰলয়ঙ্কাৰী বানপানীৰ ফলত দুৰ্গত ৰাইজক সহায় কৰিবলৈ কাৰ্যসূচী গ্ৰহণ কৰে। * * * অসমৰ ৰাজ্যপালে অসম অশান্ত অঞ্চল আইন—১৯৫৫ ৰ ৩ ধাৰা মতে আৰু তিনি মাহৰ বাবে সমগ্ৰ কাছাৰ জিলা, কাৰ্বি আংলং জিলা, শিৱসাগৰ জিলাৰ ডিফু, নামবৰ ৰেংমা, বৈয়াং, কাকডোঙা, দিহৈং উপত্যকা, দিহৈ, টিক, গেলেকী, অভয়াপুৰ আৰু দিল্লী — এই ১১টা সংৰক্ষিত বনাঞ্চল অশান্ত অঞ্চল বুলি ঘোষণা কৰে।

তদুপৰি শিৱসাগৰ জিলাতে পূৰ্বোক্ত সীমান্ত বেলপথৰ সমান্তৰাল কাল্পনিক সীমাৰেখা, বেলপথৰ ৩ মাইল পশ্চিমৰ আৰু পূবৰ অসম-নগালেণ্ড সীমাৰ মাজৰ গেলাঘাট আৰু সৰুপথাৰ পুলিচ থানাৰ অন্তৰ্গত অঞ্চল আৰু বেলপথৰ সমান্তৰাল কাল্পনিক সীমাৰেখা আৰু দক্ষিণৰ অসম-নগালেণ্ড সীমাৰ মাজৰ তিতাবৰ, মৰিয়নী, টীয়ক, আমগুৰি, নাজিৰা আৰু সোণাৰী পুলিচ থানাৰ অন্তৰ্গত অঞ্চল এই আইনে সাঙৰি লৈছে।

সংগ্ৰাহক — শ্ৰীখগেন্দ্ৰনাথ চেতিয়া ফুকন

# অসম সাহিত্য সভাৰ প্ৰকাশন

( বৰ্তমান মজুত থকা পুথি )

| | | |
|---|---|---|
| ১। | আনন্দচন্দ্ৰ আগৰৱালা গ্ৰন্থাৱলী | ৫০·০০ |
| ২। | চন্দ্ৰধৰ বৰুৱা গ্ৰন্থাৱলী | ৪০·০০ |
| ৩। | দুৰ্গেশ্বৰ শৰ্মা ৰচনাৱলী | ২৫·০০ |
| ৪। | কালিৰাম মেধি ৰচনাৱলী | ২৫·০০ |
| ৫। | ভাষণাৱলী ( ৪ৰ্থ খণ্ড ) | ২০·০০ |
| ৬। | ষ্টাডিজ অন দি বৈষ্ণৱ লিট্যাৰেচাৰ এণ্ড কালচাৰ অৱ আচাম | ২০·০০ |
| ৭। | অসম সাহিত্য সভাৰ ৰূপৰেখা | ১৬·০০ |
| ৮। | মঙলদৈ মঙলদৈ | ১৫·০০ |
| ৯। | গোৱালপৰীয়া লোকগীত | ১৫·০০ |
| ১০। | কামৰূপী লোকগীত | ১৬·০০ |
| ১১। | গুৰুৱ সম্বৰ্ধন | ১৫·০০ |
| ১২। | নলিনীবালা দেৱী | ১৫·০০ |
| ১৩। | কালিৰাম মেধি স্মৃতিমালা | ১২·০০ |
| ১৪। | আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ | ১২·০০ |
| ১৫। | অসমীয়া লোকগীতি সংগ্ৰহ | ১২·০০ |
| ১৬। | আনন্দৰাম ঢেকিয়াল ফুকন: এ প্ৰিকৰ্চৰ অৱ আচাম এণ্ড আচামীজ | ১২·০০ |
| ১৭। | নগালেণ্ড | ১০·০০ |
| ১৮। | অসমীয়া গল্পগুচ্ছ | ১০·০০ |
| ১৯। | বেজবৰুৱাৰ প্ৰবন্ধ-বাছনি | ১০·১০ |
| ২০। | সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা | ১০·০০ |
| ২১। | চিহ্ন লখিমী | ১০·০০ |
| ২২। | লংকাকাণ্ড ৰামায়ণ | ১০·০০ |
| ২৩। | ডেভেলপমেণ্ট অৱ স্ক্ৰিপ্ট ইন এনচিয়েণ্ট কামৰূপ | ১০·০০ |
| ২৪। | বেজবৰুৱাৰ দিনলেখা ( ২য় খণ্ড ) | ১০·০০ |
| ২৫। | গুণাভিৰাম ফুকন স্মৃতিমালা | ১০·০০ |
| ২৬। | হেম বৰুৱা | ১০·০০ |
| ২৭। | চেক্সপীয়েৰ | ১০·০০ |
| ২৮। | ৰাভা জনজাতি | ৭·০০ |
| ২৯। | অসমীয়া প্ৰাচীন লিপি | ৭·০০ |
| ৩০। | ৰাধাকান্ত সন্দিকৈ ভাণ্ডৰীয়া | ৭·০০ |
| ৩১। | আৰিষ্টটলৰ কাব্যজিজ্ঞাসা | ৬·০০ |
| ৩২। | বেজবৰুৱাৰ চিত্ৰলেখা | ৬·০০ |
| ৩৩। | টলষ্টয় | ৬·০০ |
| ৩৪। | তিতাবৰ সৌৰৱণ | ৬·০০ |
| ৩৫। | পৰমাচাৰ্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী | ৬·০০ |
| ৩৬। | হিতেশ্বৰ বৰবৰুৱাৰ স্মৃতিমালা | ৬·০০ |
| ৩৭। | অসম সাহিত্য সভাৰ সুবচনী | ৬·০০ |
| ৩৮। | অসম সাহিত্য সভাৰ ইতিবৃত্ত | ৬·০০ |
| ৩৯। | সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱা | ৫·৫০ |
| ৪০। | জগন্নাথ বৰুৱা | ৫·০০ |
| ৪১। | তিৱা সম্প্ৰদায় | ৫·০০ |
| ৪২। | এনেলচ অৱ আচাম সাহিত্য সভা | ৫·০০ |
| ৪৩। | স্নেহৰ অৰুণাচল | ৫·০০ |
| ৪৪। | শতাব্দীৰ অৰ্ঘ্য | ৫·০০ |
| ৪৫। | চিকিৎসা বিজ্ঞানৰ ইতিহাস | ৫·০০ |
| ৪৬। | চেমুৱেল জনচনৰ জীৱনী | ৫·০০ |
| ৪৭। | চুটি গল্প | ৫·০০ |
| ৪৮। | গাৰো সংস্কৃতিৰ ৰূপৰেখা | ৫·০০ |
| ৪৯। | অধ্যয়ন চক্ৰ | ৫·০০ |
| ৫০। | সোণোৱালৰ সাধু | ৫·০০ |
| ৫১। | দেউৰী চুতীয়া | ৪·০০ |
| ৫২। | কাৰ্বি জনগোষ্ঠী | ৪·০০ |
| ৫৩। | ভাৰতৰ স্বাধীনতা আন্দোলনৰ ৰূপৰেখা | ৪·০০ |
| ৫৪। | ডিমাছা | ৪·০০ |
| ৫৫। | আউটলুক অন নেফা | ৪·০০ |
| ৫৬। | অসম সাহিত্য সভা বাৰ্ষিকী, বঢ়িয়া | ৪·০০ |
| ৫৭। | চুক্তি আৰু চুক্তিবাদ | ৫·০০ |
| ৫৮। | ধ্বনি আৰু ৰসতত্ত্ব | ৪·০০ |
| ৫৯। | ৰাভা সাধু | ৪·০০ |
| ৬০। | শিখধৰ্মীয় সাধু | ৪·০০ |
| ৬১। | বড়ো সাধু | ৪·০০ |

| | | |
|---|---|---|
| ৬২। | অসম সাহিত্য সভা পত্ৰিকা প্ৰবন্ধসূচী | ৪'০০ |
| ৬৩। | ধাতবিৰ বিভূতি | ৪'০০ |
| ৬৪। | অসমৰ বনৌষধি | ৪'০০ |
| ৬৫। | নিবেদন | ৪'০০ |
| ৬৬। | প্ৰাথমিক অসমীয়া সাহিত্য চয়ন | ৪'০০ |
| ৬৭। | অসমীয়া সংগীতৰ ঐতিহ্য | ৩'৫০ |
| ৬৮। | ৰাসায়নিক আবিষ্কাৰ আৰু আমি | ৩'০০ |
| ৬৯। | অসমৰ খনিজ সম্পদ | ৩'৫০ |
| ৭০। | মহাপণ্ডিত ৰাহুল সাংকৃত্যায়ন | ৩'৫০ |
| ৭১। | ৰহিম ৰূপবানৰ সাধু | ৩'৫০ |
| ৭২। | জীৱনী | ৩'০০ |
| ৭৩। | বিজিজিয়ম অৱ লণ্ড এণ্ড ডিভ'চন | ৩'০০ |
| ৭৪। | মুদ্ৰাৰাক্ষস | ৩'০০ |
| ৭৫। | কৰ্পূৰমঞ্জৰী | ৩'০০ |
| ৭৬। | অসম সাহিত্য সভা বাৰ্ষিকী : বৰপেটা | ৩'০০ |
| ৭৭। | ,, ,, ,, ,, : ধিং | ৩'০০ |
| ৭৮। | ,, ,, ,, ,, : মাকুম | ৩'০০ |
| ৭৯। | ,, ,, ,, ,, : তেজপুৰ | ৩'০০ |
| ৮০। | লিপি সমস্যা | ৩'০০ |
| ৮১। | টাই ভাষা | ৩'০০ |
| ৮২। | শ্লেট' | ৩'০০ |
| ৮৩। | বড়ৰাৰ সাংস্কৃতিক জীৱনত এভুমুকি | ৩'০০ |
| ৮৪। | তৰুণৰাম ফুকন | ৩'০০ |
| ৮৫। | চাহৰ কথা | ৩'০০ |
| ৮৬। | কাৰবি সাধু | ৩'০০ |
| ৮৭। | কামেং সীমান্তৰ সাধু | ৩'০০ |
| ৮৮। | দেউৰী সাধু | ৩'০০ |
| ৮৯। | অভিলেখ | ৩'০০ |
| ৯০। | কিম্বদন্তীৰ সাধু | ৩'০০ |
| ৯১। | কাৰ্যালয়ৰ হাত-পুথি | ৩'০০ |
| ৯২ | নৱমী | ২'০০ |
| ৯৩। | চাহ বস্তুৱাৰ মাজত প্ৰচলিত সাধু | ২'০০ |
| ৯৪। | নৃতত্ত্বৰ চমু আভাস | ২'০০ |
| ৯৫। | মিছিং সাধু | ২'৫০ |
| ৯৬। | শাখাসভাৰ পৰিচয় | ২'০০ |
| ৯৭। | সাগৰৰ কথা | ২'০০ |
| ৯৮। | বৌদ্ধ জাতকৰ সাধু | ২'০০ |
| ৯৯। | আপুকি অসমীয়া | ২'০০ |
| ১০০। | আন্টামগাৰী অসমীয়াকো স্কিয়াদি | ২'০০ |
| ১০১। | অসমীয়া না বড়ো হানে অসমীয়া | ২'০০ |
| ১০২। | শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষা | ২'০০ |
| ১০৩। | নীলাচল পাঠ | ২'০০ |
| ১০৪। | কৰমপূজা আৰু ঝুমুৰ গীত | ২'০০ |
| ১০৫। | সভাপতিৰ অভিভাষণ : ড° নেওগ | ২'০০ |
| ১০৬। | ম'পিন উৎসৱ | ২'০০ |
| ১০৭। | অসম সাহিত্য সভাৰ প্ৰকাশনৰ বৰ্ণনামূলক তালিকা | ১'০০ |
| ১০৮। | অসম সাহিত্য সভা পৰিচিতি | ১'০০ |
| ১০৯। | চন্দ্ৰধৰ বৰুৱা মানুহজন | ০'৫০ |
| ১১০। | লক্ষ্মীনাথ বেজবৰুৱা | ০'৫০ |
| ১১১। | বেজবৰুৱাৰ বাণী | ০'৫০ |
| ২১২। | ৰঘুনাথ চৌধাৰী ৰচনাৱলী | ৫০'০০ |
| ১১৩। | মো মহাভাৰত | ১০'০০ |
| ১১৪। | শ্ৰীহস্ত মুক্তাৱলী | ২৫'০০ |
| ১১৫। | মোৰ জীৱন যাত্ৰাৰ কথা | ৩'০০ |
| ১১৬। | আছাম এণ্ড দি আছামীজ মাইণ্ড | ১০'০০ |
| ১১৭। | বাগ্মীবৰ নীলমণি ফুকন | ১০'০০ |

## প্ৰাপ্তি স্থান ঃ

(ক) কেন্দ্ৰীয় কাৰ্যালয় :
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট—৭৮৫০০১, ফোন ৩৭৬

(খ) গুৱাহাটী কাৰ্যালয় :
ভগৱতী প্ৰসাদ বৰুৱা ভৱন
গুৱাহাটী—৭৮১০০১, ফোন—২৪৭৭৬